# এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


| | | |
|---|---|---|
| ❒ ভাৰতীয় কৃষি বিকাশ বৃদ্ধিৰ অৰ্থে বিনিয়োগ | অশোক গুলাটি, সুৰভি জৈন | ৩ |
| ❒ ভাৰতৰ প্ৰসংগত উন্নয়নশীল ৰাষ্ট্ৰ, কৃষি আৰু বিশ্ব বাণিজ্য সংস্থা | জে পি সিং | ৬ |
| ❒ ভাৰতৰ কৃষিনীতি আৰু কৃতকাৰ্যতা ঃ এক পৰ্যালোচনা | চি এছ চি শেখৰ | ৯ |
| ❒ কাৰ্য সাধনৰ সুস্থ আৰু গতিশীল ব্যৱস্থাৰ বিচাৰধাৰা | অজয় শ্বাহ | ১৪ |
| ❒ বলাৎকাৰ বিৰোধী আইন সংস্কাৰৰ কিছুমান উল্লেখনীয় দিশ | প্ৰতীক্ষা বক্সী | ২২ |
| ❒ কৃষিৰ বিকাশ, অভিযোজন আৰু প্ৰশমন | অশ্বিনী কে ছোৱেইন | ২৭ |
| ❒ ভাৰতত কৃষিৰ বিকাশ প্ৰদৰ্শন আৰু সম্ভাৱনা | পি কে যোশী, অঞ্জন কুমাৰ | ৩১ |
| ❒ ভাৰতকে ধৰি নিম্ন আয়ৰ দেশৰ সামাজিক সুৰক্ষাৰ সংৰচনা | ড° অনুৰাগ প্ৰিয়দৰ্শী | ৩৬ |
| ❒ কৃষি খণ্ড আৰু ৰাষ্ট্ৰীয় অৰ্থনীতি | মনোৰঞ্জন বণিক্য | ৪০ |
| ❒ অসমৰ পটভূমিত সুসংহত কৃষি ব্যৱস্থা | মহেশ কলিতা, কনক চন্দ্ৰ বৰ্মন | ৪৩ |
| ❒ ভাৰতীয় কৃষিনীতিৰ প্ৰতিষ্ঠাপন | শ্ৰীজিৎ মিশ্ৰ | ৪৫ |
| ❒ অৰ্থনীতিত কৃষকৰ ভূমিকা | ৰোহিত চাবুকধৰা | ৪৯ |
| ❒ ধান উৎপাদনত গোলাঘাট জিলা— এক বিশ্লেষণাত্মক অধ্যয়ন | ৰূপজ্যোতি বৰদলৈ | ৫০ |
| ❒ উত্তম অনুশীলন | বাবা মায়াৰাম | ৫৩ |
| ❒ শুধযাত্ৰা ঃ শিশু কবিৰ দ্বাৰা চাউল চাফা কৰা যন্ত্ৰ উদ্ভাৱন | | ৫৪ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **ৰাজেশ কে ঝা**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 45 No. 4**
**পঞ্চশ্চত্বাৰিংশ বৰ্ষ ঃ চতুৰ্থ সংখ্যা**
**জুন ঃ ২০১৪**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব

পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে, কে, বি, পথ, নিউ কলনি গৃহ নং ৭, চেনিকুঠি
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ জ্যোতি প্ৰিণ্টাৰ্চ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# বনুৱা, কৃষক আৰু মালিক

ভাৰতৰ কৃষি খণ্ড হ'ল বিভিন্ন পৰ্যায়ত এক যুঁজৰ থলী। তাত্ত্বিক পৰিকল্পনাৰ পৰ্যায়ত দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত কৃষিৰ ভূমিকাৰ সন্দৰ্ভত বিতৰ্ক, উদ্যোগ আৰু সেৱা খণ্ডৰ বিপৰীতে ইয়াৰ আপেক্ষিক গুৰুত্ব, কৃষি বিকাশৰ পুঁজি যোগানৰ ধৰণ, ভূমি সংক্ৰান্ত সম্পৰ্কৰ পৰিৱৰ্তিত অৱস্থা আৰু সংলগ্ন ৰাজনৈতিক প্ৰশ্নই শৈক্ষিক বৰ্ণালীৰ নিশ্চিত মেৰুকৰণৰ অৱস্থা বৃদ্ধি কৰিছে। একে সময়তে আপেক্ষিক অনগ্ৰসৰতা আৰু গ্ৰাম্য অঞ্চলত শিক্ষা আৰু স্বাস্থ্যৰ দৰে মৌলিক সা-সুবিধাৰ অভাৱ আৰু কৃষিকৰ্মত নিয়োজিত লোকৰ মহানগৰসমূহলৈ প্ৰব্ৰজন আদি বাস্তৱ সমস্যাবোৰে নীতি নিৰ্দ্ধাৰণ আৰু পৰিকল্পনাবিদসকলৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে।

সমগ্ৰ দেশৰ বাবে সামগ্ৰিকভাৱে জনগণৰ কল্যাণ নিৰ্দ্ধাৰণ কৰোঁতে কৃষি খণ্ড যে এটা জটিল কাৰক এই বিষয়ত সন্দেহ নাই। সৰ্বোপৰি, অৰ্থনীতিৰ মুঠ নিয়োগৰ প্ৰায় অৰ্দ্ধেক কৃষি খণ্ডৰদ্বাৰা সৃষ্ট আৰু ২০০১ চনৰ পিয়ল অনুসৰি গ্ৰাম্যাঞ্চলৰ ৭০ শতাংশতকৈয়ো অধিক লোকক কৃষি খণ্ডই পুষ্টি আৰু জীৱিকা প্ৰদান কৰি আহিছে। লক্ষ্যণীয় যে, মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত কৃষিৰ অংশ ১৯৫০-৫১ বিত্তীয় বৰ্ষত ৫১.৯% হোৱাৰ বিপৰীতে ১০১২-১৩ বৰ্ষত ১৩.৭ শতাংশলৈ উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে। ই স্পষ্টভাৱে উপাৰ্জন আৰু নিয়োগৰ ক্ষেত্ৰত অপ্ৰতিসম অৱস্থালৈ গতি কৰিছে যিটোৱে কৃষি আৰু অ-কৃষি খণ্ড আৰু গ্ৰাম্য আৰু নগৰ অঞ্চলৰ উপাৰ্জনৰ বক্ৰ বিতৰণৰ অৱস্থাৰ সৃষ্টি কৰিছে। এই খণ্ডৰ ভৱিষ্যতৰ বিষয়ে অন্তৰ্দৃষ্টি দিয়া আৰু নীতি মানচিত্ৰ প্ৰস্তুত কৰাৰ কাৰণে কৃষি খণ্ডত কামৰ বল আৰু ইয়াত হোৱা পৰিৱৰ্তনৰ গতিশীলতাৰ বিষয়ে বুজিবলৈ এই ধাৰাৰ এটা পুংখানুপুংখ বিশ্লেষণৰ প্ৰয়োজন আছে।

বাস্তৱিকতে দাৰিদ্ৰ্য হ্ৰাস কৰাৰ কাৰণে কৃষি খণ্ডৰ বাহিৰত উদ্ভুত বিকাশৰ তুলনাত কৃষি ক্ষেত্ৰত উদ্ভুত বিকাশ দুগুণ শক্তিশালী হোৱাৰ পৰিপ্ৰেক্ষিতত দাৰিদ্ৰ্য হ্ৰাসকৰণৰ বাবে গ্ৰহণ কৰা কৌশলগত ব্যৱস্থাত কৃষি প্ৰধান উপাদান হিচাপে পৰিগণিত। কিন্তু ভাৰতৰ কৃষি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত আৰু ভাল কৃতিত্ব প্ৰদৰ্শন কৰাৰ স্থল আছে। এই বিষয়ত সন্দেহ নাই যে ভাৰতৰ কৃষি খণ্ডত বিকাশৰ হাৰ পূৰ্বৰ তুলনাত উৰ্দ্ধমুখী হৈছে। ১৯৫১-৫২ – ১৯৬৫-৬৬ চনত ইয়াৰ হাৰ ২.১৫ শতাংশৰ বিপৰীতে ২০০৫-০৬ বিত্তীয় বৰ্ষৰ পৰা ২০১১-১২ বিত্তীয় বৰ্ষলৈ ৩.৮৯ শতাংশলৈ উৰ্দ্ধমুখী হয়। তথাপি এই একেই সময়ছোৱাত অৰ্থনীতিৰ অন্যান্য খণ্ডৰ বিকাশৰ হাৰৰ লগত ই ফেৰ মাৰিবলৈ সক্ষম নহ'ল। কৃষি খণ্ডত এই মন্থৰতাৰ এটা প্ৰধান কাৰণ হ'ল ৰাজহুৱা বিনিয়োগ (ৰাজসাহায্যবিহীন) তীব্ৰভাৱে হ্ৰাস কৰা আৰু কৃষি কাৰ্যত নিয়োজিত শক্তি ব্যৱহাৰ বিধি— যিটোৱে শস্যৰ লাভৰ ওপৰত বেয়াকৈ প্ৰভাৱ পেলাইছে। কৃষিত ৰাজহুৱা বিনিয়োগৰ পৰিমাণ হ্ৰাসে এই খণ্ডত ৰাজসাহায্য সম্প্ৰসাৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। সি যি কি নহওক, নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰ পৰাই এই ধাৰাৰ কিছু পৰিমাণে সংশোধন কৰা হৈছে। কৃষি খণ্ডত সৰ্বমুঠ মূলধন গঠন (চমুকৈ জি চি এফ) দশম পাঁচবছৰীয়া পৰিকল্পনাৰ কালছোৱাত ১৩.৯ শতাংশৰ বিপৰীতে একাদশ পৰিকল্পনাৰ সময়ছোৱাত ১৯ শতাংশলৈ বৃদ্ধি পায়। ই সেই সময়ছোৱাত কৃষি ক্ষেত্ৰত হোৱা উন্নয়নৰ দিশটোকে সূচায়। আন খণ্ডতো বিকাশ বৰ্তাই ৰাখিবলৈ সমৰ্থবান হ'ব পৰা শিহৰণকাৰী আৰু গতিশীল কৃষি খণ্ড নিশ্চিতকৰণৰ প্ৰত্যাহ্বানৰ বাবে ভূ-সংক্ৰান্ত বিষয়বোৰৰ লগত গভীৰ প্ৰতিশ্ৰুতিৰ প্ৰয়োজন। কৃষিৰ লগত জড়িত ভালেমান বিতৰ্ক অব্যাহত আছে। কৃষিৰ ভৱিষ্যৎ কৰ্পৰেট কৃষি ব্যৱস্থা নে 'টিলাৰলৈ ভূমি' আৰ্হি হ'ব ই স্পষ্ট নহয়। একেদৰে, ভূমি অধিকাৰৰ অসম্পূৰ্ণতাই কৃষি ক্ষেত্ৰত সংঘাতৰ ৰূপৰেখা কিছু পৰিমাণে পৰিৱৰ্তন কৰিব পাৰে কিন্তু ভূ-সংক্ৰান্ত বিষয়ত উল্লেখযোগ্য ৰাজনৈতিক জড়িতকৰণ অব্যাহত থাকিব। গ্ৰাম্য অঞ্চলৰ সামাজিক, সাংস্কৃতিক বাস্তৱৰ সৈতে কৃষিৰ জৈৱ-ৰসায়ন যোগসূত্ৰৰ সম্যক জ্ঞানে বৰ্তমান ভাৰতৰ বিভিন্ন অংশত দেখা দিয়া সংঘাত আৰু সাজিক অস্থিৰতাৰ শিপাৰ বিষয়ে জানিবলৈ অন্তৰ্দৃষ্টি প্ৰদান কৰিব পাৰে। কৃষি খণ্ডৰ অৰ্থনৈতিক সম্যক জ্ঞান যতদূৰ জড়িত হোৱাৰ কাৰণে ডেনিয়েল থৰ্ণাৰে গ্ৰাম্য লোকক তিনিটা ভাগত তালিকাকৰণ কৰা বনুৱা, কৃষক আৰু মালিক শ্ৰেণীৰ বিশ্লেষণাত্মক চোক কিছু কমাব পাৰে কিন্তু আমি যদি অন্তঃকৰণেৰে এই বিষয়টো বুজিবলৈ চেষ্টা কৰোঁ তেনেহ'লে ইয়াৰ উপযোগিতা যে এতিয়াও আছে সেইটো উপলব্ধি কৰিব পাৰিম।

# ভাৰতীয় কৃষি বিকাশ বৃদ্ধিৰ অৰ্থে বিনিয়োগ

**অশোক গুলাটি***
**সুৰভি জৈন***

সমীক্ষাত প্ৰকাশ যে কৃষি সামগ্ৰীৰ বাহিৰে কেৱল এনে সামগ্ৰীৰ বিকাশ বৃদ্ধি দৰিদ্ৰতা নিৰ্মূলকৰণত দুগুণ ফলপ্ৰসূ। সেয়ে দেশৰ সামগ্ৰিক বিকাশ বিগত দিনবোৰৰ তুলনাত উল্লেখযোগ্য বৃদ্ধিৰ কাৰণে কৃষিৰ বিকাশ একান্ত প্ৰয়োজন। সামগ্ৰিক বিকাশৰ অৰ্থে বিশেষ সম্প্ৰদায়, জাতি বা শ্ৰেণীলৈ ৰেহাই সাহায্য আগবঢ়াই সামগ্ৰিক বিকাশ সাধনৰ অৰ্থে পূৰ্বতে প্ৰস্তুত কৰা সকলো আঁচনিতকৈ ই হ'ব অধিক কাৰ্যকৰী। ক্ষীপ্ৰভাৱে দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ কৃষি বিকাশৰ হাৰ কম পক্ষেও কিমান হোৱাটো প্ৰয়োজন? দৰিদ্ৰতা নিৰ্মূলকৰণ, ক্ষুধা আৰু অপুষ্টি দূৰ কৰিবলৈ শক্তিশালী নীতি প্ৰণয়নৰ দ্বাৰা প্ৰতিবছৰে ৫ শতাংশকৈ অহা দহ বছৰলৈ বিকাশ বৃদ্ধি কৰাৰ সম্ভাৱনীয়তা ভাৰতীয় কৃষি ব্যৱস্থাৰ আছে।


### ১৯৯১ৰ অৰ্থনৈতিক সংস্কাৰৰ পিছৰ কৃষি বিকাশৰ দৃশ্যপট

১৯৯১-৯২ৰ পৰা ২০১৩-১৪লৈ কৃষি আৰু ইয়াৰ আনুসঙ্গিক ক্ষেত্ৰসমূহৰ বাৰ্ষিক বিকাশৰ হাৰ আছিল গড়ে ৩.২ শতাংশ, যিটো নিৰ্দ্ধাৰিত লক্ষ্য ৪ শতাংশতকৈ যথেষ্ট কম। অৱশ্যে এই সময়ছোৱাত হাৰৰ হ্ৰাস-বৃদ্ধিও ঘটিছে (তালিকা-১)। অষ্টম পৰিকল্পনাত (১৯৯২-৯৭) এই হাৰ আছিল ৪.৮ শতাংশ। কিন্তু নৱম আৰু দশম পৰিকল্পনাত ক্ৰমে ২.৫ শতাংশ আৰু ২.৪ শতাংশলৈ হ্ৰাস পায়। একাদশ পৰিকল্পনাত ই ৪.১ শতাংশ হয়গৈ যদিও দ্বাদশ পৰিকল্পনাৰ প্ৰথম দুটা বছৰত ৩ শতাংশলৈ হ্ৰাস পায়। দশকৰ হিচাপত ১৯৯১-৯২ত ২.৯ শতাংশৰ পৰা ২০০১-০২ৰ পৰা ২০১৩-১৪লৈ ৩.৪ শতাংশ হয়গৈ অৰ্থাৎ সৰ্বমুঠ বিকাশ হয় ৩.২ শতাংশ। উল্লেখযোগ্য যে এই সময়ছোৱাত হাৰ বৃদ্ধিৰ গুণাংক সামগ্ৰিক বিকাশতকৈ কৃষিৰ ক্ষেত্ৰত ৪ গুণ বৃদ্ধি পায়। এই ধাৰা অব্যাহত ৰাখিবলৈ প্ৰয়োজন হ'ব কৃষি উৎপাদন বৃদ্ধিৰ স্থায়িত্ব আনিবলৈ জলসিঞ্চন আৰু গৱেষণা তথা উন্নয়নৰ ক্ষেত্ৰত বৰ্দ্ধিত বিনিয়োগ। এই বিনিয়োগ এতিয়াও আশানুৰূপ হোৱা নাই। উদাহৰণস্বৰূপে দ্বাদশ পৰিকল্পনাৰ আৰম্ভণিতে ৩৩৭টা বৃহৎ আৰু মধ্যমীয়া জলসিঞ্চন প্ৰকল্পৰ কাৰণে বাজেটত ধাৰ্য কৰা হৈছে ৪,২২,০১২ কোটি টকাতকৈও অধিক, কিন্তু বাৰ্ষিক আবণ্টন হৈছে ২০,০০০ কোটি টকাতকৈও কম। ই বিষয়টোৰ প্ৰতি কৰা অৱহেলাকে সূচাইছে।

### কৃষি খণ্ডৰ বিকাশ আৰু বিনিয়োগ

সাধাৰণতে একো একোটা খণ্ডৰ বিকাশ নিৰ্ভৰ কৰে ইয়াত কৰা বিনিয়োগ বৰ্দ্ধিত মূলধনী-উৎপাদন অনুপাত আৰু ইয়াৰ কাৰ্যক্ষমতাৰ ওপৰত। সেয়ে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগ

তালিকা-১ ঃ **জি ডি পি (সামগ্ৰিক) আৰু জি ডি পি (কৃষি) বিকাশৰ তুলনা**





**উৎস ঃ** কেন্দ্ৰীয় পৰিসংখ্যা কাৰ্যালয়। ২০০৪-০৫ৰ মূল্যমানৰ ভিত্তিত। ২০১২-১৩, ২০১৩-১৪ৰ হিচাপ ২০১৪ৰ ৭ ফেব্ৰুৱাৰীত প্ৰকাশিত তথ্য অনুসৰি।

*অশোক গুলাটি আন্তৰ্জাতিক অৰ্থনৈতিক সম্পৰ্ক বিষয়ক ভাৰতীয় গৱেষণা পৰিষদৰ প্ৰফেচাৰ আৰু সুৰভি জৈন কৃষিজাত মূল্য সম্পৰ্কীয় আয়োগৰ সঞ্চালক

বৃদ্ধিয়েহে বিকাশৰ গতি ক্ষীপ্ৰ কৰিব পাৰে। এই অনুপাত যদি ৪ঃ১ বুলি ধৰা হয় তেন্তে ৪ শতাংশ বিকাশৰ কাৰণে বিনিয়োগ ১৬ শতাংশ বৃদ্ধি কৰিব লাগিব। ১৯৯০-৯১ৰ পৰা ২০০৭-০৮লৈ এই অনুপাত সদায়েই লক্ষ্যতকৈ কম হৈ প্ৰায় ২-৩ শতাংশ হৈ আছে। ১৯৯৭-০২ৰ পিছত ই নৱম পৰিকল্পনাত ১৩.৯ শতাংশলৈ বৃদ্ধি পাই আৰু দশম পৰিকল্পনাত ১৯ শতাংশলৈ বৃদ্ধি পায়। অৰ্থাৎ বিগত শতিকাত কৃষি-জিডিপি বৰ্দ্ধিত মূলধনী-উৎপাদন অনুপাতৰ শতাংশ দুগুণতকৈও বেছি হয়। এইটোৱেই সম্ভৱতঃ ভাৰতীয় কৃষিৰ বৃহৎ পৰিৱৰ্তন আৰু ইয়াক বৰ্তাই ৰাখিব পাৰিলে পিছলৈ প্ৰচুৰ সুফল পোৱা যাব (তালিকা-২)। উল্লেখযোগ্য যে মুঠ বিনিয়োগৰ কেৱল ২০ শতাংশহে ৰাজহুৱা খণ্ডৰ, বাকী ৮০ শতাংশই ব্যক্তিগত খণ্ডৰ। ৮০ৰ দশকত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অংশ প্ৰায় সমান আছিল যদিও ২০০০ চনলৈ কৃষি খণ্ডত ব্যক্তিগত খণ্ডৰ বিনিয়োগ ৪ গুণলৈ বৃদ্ধি পায় আৰু ইয়াৰ ফলত কৃষি খণ্ডটোৰ উদগনিমূলক ব্যৱস্থা অধিক শক্তিশালী হয়। এই উদগনিমূলক ব্যৱস্থাৰ বৃদ্ধিয়ে ২০০০ৰ দশকতো কৃষি বিকাশতো যথেষ্ট অৰিহণা যোগায়।

ৰাষ্ট্ৰীয় হিচাপ পৰীক্ষক সংখ্যাই কৃষিৰ ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগৰ ক্ষেত্ৰৰ মান নিৰ্দ্ধাৰণ কৰোঁতে বিশেষকৈ বৃহৎ আৰু মধ্যমীয়া জলসিঞ্চন প্ৰকল্প সামৰি লৈছে। গৱেষণা আৰু উন্নয়ন, গ্ৰাম্য আন্তঃগাঁথনি, গ্ৰাম্য বৈদ্যুতিকী-কৰণ, শিক্ষা আদিৰ ব্যয় ইয়াত ধৰা হোৱা নাই। এনেবোৰ ব্যয় ধৰিলে কৃষিৰ মুঠ মূলধনী গঠনৰ পৰিমাণ কৃষি-জি ডি পি-ৰ পৰিমাণকৈ ২০ শতাংশৰ অধিক হ'ব আৰু ৪ঃ১ৰ অনুপাতত কৃষি খণ্ডৰ ৫ শতাংশ বিকাশ নিশ্চিত কৰিবলৈকো সমৰ্থ হ'ব যদিও ই বৰ্তমান ৩-৪ শতাংশৰ ভিতৰতে আছে। বিনিয়োগ পৰ্যাপ্ত পৰিমাণৰ হ'লেও কৃষি বিকাশৰ প্ৰতিবন্ধকতাসমূহ কি? কৃষিৰ ক্ষেত্ৰৰ সম্পদ বৃদ্ধিৰ কাৰণে এই সম্পদ তালিকা শুধৰণিৰ প্ৰয়োজন নেকি? অথবা শ্ৰমিক নাটনিৰ কাৰণে মূলধনী উৎপাদন অনুপাতৰ পৰিৱৰ্তন হোৱা নাইবা চাহিদা বৃদ্ধি নোপোৱা অথবা বাৰ্ষিক ৫ শতাংশ বৃদ্ধিৰ ধাৰাবাহিকতা ৰক্ষাৰ অৰ্থে খণ্ডটোৰ গাঁথনিগত সমস্যাবোৰ দূৰ কৰা? বিপণন, কৃষি ক্ষেত্ৰৰ পৰা বজাৰত উপনীত হোৱাৰ কিবা অন্তৰায় আছে নেকি? এইবোৰৰ সন্দৰ্ভত গভীৰভাৱে সমীক্ষা চলোৱা প্ৰয়োজন।

তালিকা-২ ঃ **কৃষিৰ মুঠ মূলধন গাঁথনি (জিচিএফএ)ৰ জিডিপি (কৃষিৰ) অনুপাত**




**উৎস ঃ** কেন্দ্ৰীয় পৰিসংখ্যা সংস্থা


**কৃষি খণ্ডত ৰাজহুৱা ব্যয়**

জি ডি পি (কৃষি)ৰ অনুপাত যোৱাটো দশকত ১৯৯৩-৯৪ৰ ৮.৬ শতাংশৰ পৰা ২০০৯-১০ত দুগুণতকৈও অধিক হৈ ২০.৬ শতাংশ হৈছেগৈ। অৰ্থাৎ কৃষি খণ্ডত বিনিয়োগ কৰিব পৰাকৈ যথেষ্ট ৰাজহুৱা সম্পদ আছে। অৱশ্যে ইয়াৰে ৮০ শতাংশই হৈছে ৰাজসাহায্যৰ ৰূপত আৰু কেৱল ২০ শতাংশহে বিনিয়োগ হয় কৃষিৰ ক্ষেত্ৰত (তালিকা-৩)

**ৰাজসাহায্য ঃ**

তিনিটা বিশেষ ৰাজসাহায্য হৈছে (ক) ৰাসায়নিক সাৰৰ ক্ষেত্ৰত (খ) জলসিঞ্চনৰ ক্ষেত্ৰত আৰু (গ) বিদ্যুৎ শক্তিৰ ক্ষেত্ৰত। তদুপৰি ঋণ, শস্য বীমা আৰু উৎপাদিত শস্যৰ বিক্ৰীৰ ক্ষেত্ৰৰ ৰাজসাহায্যও আছে। ইয়াৰে ভিতৰত ৰাসায়নিক সাৰৰ ক্ষেত্ৰৰ ৰাজসাহায্য অধিক। ২০০১-০২ৰ ১২৫৯৫ কোটি টকাৰ পৰা ২০১৩-১৪লৈ ই হয়গৈ ৬৭৯৭১ কোটি টকা। এই সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদন (কৃষিৰ) অনুপাতো ২.৬ৰ পৰা ৩.৫ শতাংশলৈ বৃদ্ধি পায়। ভাৰতৰ ৰাসায়নিক সাৰ সংস্থাৰ মতে এই হিচাপৰ ভিতৰত পৰিশোধযোগ্য ৩০ হাজাৰ কোটি টকাও আছে। ইয়াৰ কাৰণ হৈছে সাৰৰ প্ৰয়োগ বৃদ্ধি পোৱা, মূল্য বৃদ্ধি ইত্যাদি। বৰ্দ্ধিত ৰাসায়নিক সাৰৰ প্ৰয়োগৰ ফলত পঞ্জাব আৰু হাৰিয়ানাৰ কৃষিভূমিত ছ'ডিয়াম, পটাছিয়াম আৰু ফছফৰাছ সমতাহীন হৈ ভূমিৰ উৰ্বৰতা হ্ৰাস কৰিছে আৰু পৰিৱেশ প্ৰতিকূলতাৰ সৃষ্টি কৰিছে।

তালিকা-৩ ঃ **কৃষি খণ্ডত ৰাজহুৱা বিনিয়োগ**




**উৎস ঃ** কেন্দ্ৰীয় পৰিসংখ্যা সংস্থা

আনহাতে সামগ্ৰিক ৰাজসাহায্যৰ অধীনত চাউল আৰু ঘেঁহু অধিক পৰিমাণে উৎপাদন কৰি সহজ-লভ্য মূল্যতে জনসাধাৰণক উপলব্ধ কৰিবলৈ বিচৰা হৈছে। ইয়াত কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যক্ষ ব্যয় হৈছে। এনেবোৰ সামগ্ৰী সংগ্ৰহ, মজুত আৰু পি ডি এছ-ৰ দৰে কল্যাণমূলক আঁচনিলৈ যোগান ধৰাত খাদ্য ক্ষেত্ৰৰ ৰাজসাহায্যৰ পৰিমাণ ২০০১-০২ৰ ১৭৪৯৪ কোটি টকাৰ পৰা ২০১৩-১৪ত (সংশোধিত হিচাপ) ই হয়গৈ ৯২ হাজাৰ কোটি টকা। ২০১৩ৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ প্ৰসাৰৰ লগে লগে এই পৰিমাণ আৰু বৃদ্ধি পাব। ২০১৩-১৪ত খাদ্য আৰু ৰাসায়নিক সাৰৰ ৰাজসাহায্য ব্যয় ১.৫ লাখ কোটি টকাৰো অধিক হয়গৈ। আনহাতে কৃষি ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগ হয় ইয়াৰ এক চতুৰ্থাংশ অৰ্থাৎ ২২ হাজাৰ কোটি টকা। এই পৰিসংখ্যাই ৰাজসাহায্য আৰু বিনিয়োগৰ মাজত বৈষম্যকে দেখুৱাইছে, যিটো জৰুৰীভাৱে শুধৰোৱাৰ প্ৰয়োজন।

**ন্যূনতম লাভ ৰাজসাহায্যতকৈ বিনিয়োগত অধিক**

বিত্তীয় সীমাবদ্ধতা থাকিলেও ৰাজসাহায্যৰ জৰিয়তে ধনৰ আবণ্টন আৰু বিনিয়োগ বৃদ্ধিৰ মাজত বৈষম্য থাকে। ৰাজসাহায্যৰ যদিহে নিৰ্দ্ধাৰিত লক্ষ্য নাথাকে, সীমিত সময়ৰ কাৰণে হয় তথা সমভিত্তিক আৰু দক্ষতাপূৰ্ণ নহয় তেন্তে কৃষি গৱেষণা, জলসিঞ্চন, গ্ৰাম্য পথ যোগাযোগ আৰু বিদ্যুৎ যোগানৰ ক্ষেত্ৰত ই সহায়ক নহয়। ৰাসায়নিক সাৰ আৰু পানীৰ অধিক ব্যৱহাৰে কৃষিভূমিৰ ক্ষতিসাধন কৰাৰ উপৰি পৰিৱেশৰ ওপৰতো কু-প্ৰভাৱ পেলায়। বিনিয়োগ বৃদ্ধিৰ সুফল পোৱাত পলম হয় যদিও ই স্থায়ী হয় আৰু উৎপাদন বৃদ্ধি কৰে। বিশেষকৈ গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধিয়ে উন্নত প্ৰযুক্তিৰ বাট মোকলায় আৰু কৃষি উৎপাদন বৃদ্ধি কৰে লগতে উপভোক্তাকো মূল্য হ্ৰাসৰ সুবিধা প্ৰদান কৰে। সমীক্ষাত প্ৰকাশ যে, দৰিদ্ৰতা নিৰ্মূলকৰণত বা কৃষি উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত ৰাজসাহায্যতকৈ বিনিয়োগ বৃদ্ধিয়েহে অধিক সুফল দিব পাৰিছে। এই বিনিয়োগৰ ক্ষেত্ৰসমূহ হৈছে, গ্ৰাম্য পথ যোগাযোগ, কৃষি গৱেষণা আৰু উন্নয়ন, জলসিঞ্চন আৰু স্বাস্থ্যসেৱা তথা শিক্ষা (তালিকা-৪)।


**ভৱিষ্যতৰ পথ**

ইতিপূৰ্বে উল্লিখিত বিষয়সমূহে প্ৰতীয়মান কৰে যে ৰাজসাহায্যৰ সীমিতকৰণে অধিক সুফল পাব পৰা খণ্ডলৈ বাজেট আবণ্টিত পুঁজিৰ পৰিৱৰ্তন ঘটোৱাই নহয়, ৰাসায়নিক সাৰ আদিৰ ব্যৱহাৰ সীমিত কৰি পৰিৱেশক সুৰক্ষাও দিব। বৰ্তমানৰ ৰাজসাহায্য ব্যৱস্থা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কাৰণে গধুৰ বোজা হৈ পৰিছে। কৃষি সামগ্ৰীৰ উচ্চ ৰাজসাহায্য আৰু এই ক্ষেত্ৰৰ উচ্চ ৰাজহুৱা বিনিয়োগে বিশেষ সুফল দিব নোৱাৰিব, বৰং পৰিৱেশৰ ওপৰত কু-প্ৰভাৱ পেলাব। কৃষি বিকাশ, দৰিদ্ৰতা দূৰীকৰণ, ঘাইকৈ

**(৮ পৃষ্ঠাত চাওক)**

তালিকা-৪ ঃ **কৃষি বিকাশ আৰু দৰিদ্ৰতা হ্ৰাসকৰণত বিনিয়োগ তথা ৰাজসাহায্যৰ পৰা প্ৰাপ্ত সুফল**

**কৃষি বিকাশ** **দৰিদ্ৰতা হ্ৰাসকৰণ**



# ভাৰতৰ প্ৰসংগত উন্নয়নশীল ৰাষ্ট্ৰ, কৃষি আৰু বিশ্ব বাণিজ্য সংস্থা

জে পি সিং*

২০০৮ৰ বিত্তীয় সংকটৰ পিছতো আন্তৰ্জাতিক বাণিজ্য সবলভাৱেই চলি আছে। ২০১২ত বিশ্বত বাণিজ্যিক ৰপ্তানিৰ পৰিমাণ আছিল ১৭.৩ ট্ৰিলিয়ন ডলাৰ আৰু ইয়াৰে ৪২ শতাংশ ৰপ্তানি বাণিজ্য আছিল উন্নয়নশীল দেশসমূহৰ পৰা। ২০০৫ৰ পৰা ২০১২ৰ ভিতৰত উৎপাদনতকৈ ৰপ্তানিৰ পৰিমাণ অধিক আছিল। এই সময়ছোৱাত পণ্য সামগ্ৰীৰ ৰপ্তানি প্ৰতিবছৰে ৩.৫ শতাংশকৈ বৃদ্ধি পায় আনহাতে উৎপাদন বৃদ্ধি হয় ২ শতাংশকৈ। ভাৰতৰ ক্ষেত্ৰত এই পৰিমাণ হ'ল যথাক্ৰমে ১০.৫ শতাংশ আৰু -০.৫ শতাংশ। উন্নত প্ৰযুক্তি আৰু সেৱা ব্যৱস্থাই বিশ্ব অৰ্থনীতিৰ বিকাশৰ মূল কাৰক হিচাপে বিবেচিত হৈছে। ৰপ্তানিৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে কৃষিজাত সামগ্ৰী আৰু বস্ত্ৰ সামগ্ৰীয়ে। কৃষি খণ্ডক লাভান্বিত কৰিছে পৰিবহণ আৰু বেংকৰ সা-সুবিধাৰ দৰে আন্তঃগাঁথনিয়ে আৰু বস্ত্ৰ উদ্যোগক কৰিছে কম্পিউটাৰৰ জৰিয়তে প্ৰস্তুত আৰ্হি আৰু উৎপাদনে। ২০১২ত বিশ্ব বাণিজ্য ৰপ্তানিৰ ক্ষেত্ৰত ৯.২ শতাংশ বৃদ্ধি পায় আৰু ২০০৫-১২ৰ ভিতৰত কৃষি সামগ্ৰী ৰপ্তানি প্ৰতিবছৰে ১০ শতাংশকৈ বৃদ্ধি পায়। কৃষি সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত ভাৰত হৈছে বিশ্বৰ অষ্টম বৃহত্তম ৰাষ্ট্ৰ। ভাৰতৰ বাৰ্ষিক কৃষি সামগ্ৰী ৰপ্তানিৰ পৰিমাণ ২২ শতাংশলৈ বৃদ্ধি পায় যিটো বিশ্ব পৰিমাণৰ ২.৬ শতাংশ।

কৃষি সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিয়ে ভাৰতকে ধৰি উন্নয়নশীল দেশসমূহলৈ কেতবোৰ বিশেষ সা-সুবিধা আগবঢ়াইছে যদিও দেশীয় আৰু আন্তৰ্জাতিক প্ৰাথমিকতাসমূহৰ মাজত ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বান সৃষ্টি কৰিছে। ইয়াৰে প্ৰধান তিনিটা হৈছে, কৃষিক অগ্ৰাধিকাৰ দিয়া, কৃষি বেহা-বেপাৰ সম্পৰ্কীয় নীতি ক্ষেত্ৰৰ জটিল ৰাজনৈতিক অৰ্থনীতি আৰু তৃতীয়তে আন্তৰ্জাতিক আলোচনা-বিলোচনা আৰু উন্নত ৰাষ্ট্ৰৰ সংৰক্ষণশীলতা আদিৰ ফলত উদ্ভৱ হোৱা বিশ্ব ৰাজনৈতিক-অৰ্থনীতিৰ প্ৰত্যাহ্বানসমূহ। ভাৰতৰ দৰে দেশসমূহে সেয়ে কৃষিৰ মুক্ত বাণিজ্যৰ কাৰণে সেৱাসমূহ তথা ৰপ্তানিকাৰী আৰু উন্নত ৰাষ্ট্ৰসমূহৰ ৰক্ষণশীল প্ৰত্যাহ্বানসমূহৰ মাজত সমতা ৰক্ষা কৰিব পাৰিব লাগিব।

### অৰ্থনৈতিক প্ৰসাৰ, আন্তৰ্জাতিক বাণিজ্য আৰু কৃষি

বিশ্ব বাণিজ্য সংস্থা আৰু ইয়াৰ অন্তৰ্গত জেনেৰেল এগ্ৰিমেণ্ট অন টাৰিফ এণ্ড ট্ৰেড দ্বিতীয় মহাসমৰৰ পিছত বিশ্ব বাণিজ্য প্ৰসাৰৰ অৰ্থে প্ৰতিষ্ঠা কৰা হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু বৃটেইনৰ দৰে বৃহৎ শক্তিসমূহৰ মাজৰ এই চুক্তিত উন্নয়নশীল দেশসমূহক গুৰুত্ব দিয়া হোৱা নাই। মূলতঃ এই দেশসমূহৰ আন্তৰ্জাতিক বাণিজ্যত স্থিতি লোৱাৰ উদ্দেশ্য হৈছে মূল্য অৱনমিত হোৱা আৰু চালুকীয়া উদ্যোগসমূহৰ সুৰক্ষাৰে নিৰ্মাণকাৰী উদ্যোগ খণ্ডৰ বিকাশ সাধন কৰা। উন্নয়নশীল দেশসমূহৰ পৰা ঘাইকৈ কৃষি সামগ্ৰীৰ ৰপ্তানি হয় কিন্তু দৰিদ্ৰ দেশসমূহ মূল্যৰ স্থবিৰতা নথকাৰ কাৰণে কৃষিৰ ৰপ্তানিৰ ক্ষেত্ৰত লোকচানৰো সন্মুখীন হ'বলগীয়া হয়, যিটোৱে সামগ্ৰিক বিকাশত ঋণাত্মক প্ৰভাৱ পেলায়। তদুপৰি বৈদেশিক মুদ্ৰাৰ অধিক ব্যয়েৰে কৰা আমদানিৰ জোৰা মাৰিবলৈ তেনেবোৰ সামগ্ৰী দেশীয়ভাৱে প্ৰস্তুত কৰিবলৈ উদ্যোগ সম্প্ৰসাৰণৰো প্ৰয়োজন হয়। উন্নয়নশীল দেশসমূহৰ কৃষি বিকাশত সেয়ে বাণিজ্যৰ পৰিমাণ হ্ৰাস বা উন্নত দেশসমূহৰ বাণিজ্য ক্ষেত্ৰখনত মুক্তভাৱে প্ৰৱেশ কৰিব নোৱাৰাটোৱে বিৰূপ প্ৰভাৱ পেলায়। আদিতে ঔপনিৱেশিক পণ্য সামগ্ৰীৰ বজাৰখনত কেতবোৰ বাচনি কৰা সামগ্ৰীহে বিবেচিত হৈছিল যদিও সেই প্ৰক্ৰিয়া এতিয়াও অব্যাহত আছে। আফ্ৰিকা, পশ্চিম ভাৰতীয় দীপপুঞ্জ আৰু প্ৰশান্ত মহাসাগৰীয় দেশসমূহে এনে কৃষি উৎপাদিত সামগ্ৰীৰ কাৰণে কেতবোৰ নিৰ্বাচিত ক্ষেত্ৰত অধিক নিৰ্ভৰ কৰিবলগীয়া হয়। এই নিৰ্বাচিত খণ্ডসমূহত অৱশ্যে উৎপাদন দক্ষতা বৃদ্ধি তথা বিভিন্নতা অনাৰ কোনো ব্যৱস্থা নাই, সেয়ে সংৰক্ষণশীল ব্যৱস্থা সমাপ্ত কৰাৰ প্ৰচেষ্টা চলোৱা আন উন্নয়নশীল দেশ-সমূহৰ সৈতে এই দেশসমূহ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব লগা হৈছে। ২০০০ চনত ইউৰোপীয় সংস্থাৰ বিৰুদ্ধে

*জে পি সিং মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিশ্ব পৰিক্ৰমা আৰু সংস্কৃতি অধ্যয়ন জৰ্জ মেচন বিশ্ববিদ্যালয়ৰ অধ্যাপক

কল ব্যৱসায়ৰ ক্ষেত্ৰত ইকুৱেদৰে এই ক্ষেত্ৰত সফলতা লাভ কৰে আৰু ২০০৫ চনৰ বিশ্ব বাণিজ্য সংস্থাৰ বিবাদ মীমাংসাৰ জৰিয়তে চূড়ান্ত জয়লাভ কৰে।

উন্নয়নশীল দেশসমূহৰ পৰা কৃষি সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি পোৱাৰ কাৰণ হৈছে সংৰক্ষণবিৰোধী ব্ৰাজিলৰ উন্নয়নশীল দেশসমূহৰ শীৰ্ষ ৰপ্তানি-কাৰীসকল জড়িত হোৱা অথবা ১৯৮৬ চনত অষ্ট্ৰেলিয়াৰ কেয়াৰ্ণচত গঠিত ১৯ খন উন্নত আৰু উন্নয়নশীল দেশৰ কেয়াৰ্ণচ গ্ৰুপ অব এগ্ৰিকালচাৰ গোটৰ অধীনত আৰ্জেণ্টিনাৰ দৰে দেশে কৃষিৰ ক্ষেত্ৰত সন্মিলিত মুক্ত বাণিজ্যত অংশগ্ৰহণ কৰাটো। আন এটা কাৰণ হৈছে ইতিমধ্যে এই দেশসমূহ কৃষি সামগ্ৰী ৰপ্তানিকাৰী দেশ যদিও ইয়াক ঔদ্যোগিক আৰু সেৱা খণ্ডলৈ সফলভাৱে সম্প্ৰসাৰণ কৰা। GATTৰ ১৯৮৬ৰ পৰা ১৯৯৪লৈ হোৱা উৰুগুৱে বাণিজ্য আলোচনালানিত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু পশ্চিম ইউৰোপীয় দেশসমূহে প্ৰস্তাৱ কৰা মুক্ত সেৱা ব্যৱস্থা তালিকাৰ ভাৰতে বিৰোধিতা কৰিছে। অৱশ্যে পিছলৈ সেৱা ব্যৱস্থা চুক্তিৰ অধীনত ভাৰত লাভান্বিত হয়। বিশ্ব সেৱা ব্যৱস্থাৰ ৩.৩২ শতাংশ অধিকাৰ কৰি ষষ্ঠ বৃহত্তম ৰপ্তানিকাৰী দেশ হিচাপে প্ৰতিষ্ঠিত হোৱা ভাৰতবৰ্ষ সেৱা সুবিধাত অৰ্থনীতিৰ দিশতো অগ্ৰসৰ হৈছে। উপনিৱেশবাদৰ অৱসানৰ পিছত উন্নয়নশীল দেশসমূহৰ ৰপ্তানিৰ ক্ষেত্ৰখন সীমিত হৈ পৰিছিল। কিন্তু এতিয়া এই পৰিস্থিতিৰ পৰিৱৰ্তন ঘটিছে আৰু বহু উন্নয়নশীল দেশে নিৰ্মাণ সামগ্ৰী তথা সেৱা ব্যৱস্থা ৰপ্তানিৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি লাভ কৰিছে। বাচনিকৃত ৰপ্তানি বাণিজ্যত প্ৰৱেশৰ ওপৰত নিৰ্ভৰশীল প্ৰতিযোগী ৰপ্তানি-কাৰীসকলক উন্নত আৰু উন্নয়নশীল দেশসমূহৰ সংৰক্ষণশীল মুক্ত বাণিজ্যৰ বিৰোধিতা কৰা কেয়াৰ্ণচ গোট বা কিছু কৃষি সামগ্ৰীৰ ৰপ্তানিত তুলনা-মূলকভাৱে সুবিধা থকা দেশৰ ৰপ্তানি-কাৰীৰ মাজত পাৰ্থক্য আছে।

**কৃষি আৰু বাণিজ্য নীতিৰ ৰাজনৈতিক অৰ্থনীতি**

বিভিন্ন দেশৰ কৃষি ৰপ্তানি গোটৰ কাৰ্যকলাপৰ ওপৰতেই ৰাজনৈতিক অৰ্থনীতি নিৰ্ভৰ কৰে। যুক্তৰাষ্ট্ৰত কপাহ আৰু চেনিৰ ক্ষেত্ৰত গোটসমূহে কৰা কাৰ্যকলাপৰ ওপৰত ভিত্তি কৰিয়েই ৰাজসাহায্য নিৰ্ণয় কৰা হয়। উন্নয়নশীল দেশে কৃষি ৰপ্তানিৰ ওপৰত কৰ নিৰূপণ কৰাৰ লগতে ৰাজসাহায্যও প্ৰদান কৰিবলৈ লৈছে। এনে কল্যাণমূলক আঁচনিৰ ব্যয়ো যথেষ্ট পৰিমাণৰ, যিটো ২০১৫লৈ প্ৰতিবছৰে ১০০ৰ পৰা ৩০০ নিযুত মাৰ্কিন ডলাৰ হ'বগৈ বুলি অনুমান কৰা হৈছে। মুক্ত বাণিজ্যৰ ফলত কৃষি সামগ্ৰীৰ মূল্যও ৫.৫ শতাংশ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। উন্নয়নশীল দেশসমূহে খাদ্য সুৰক্ষা, গ্ৰাম্য জীৱন নিৰ্বাহ, গ্ৰাম্য কৰ্মসংস্থান বা পুৰণি সংৰক্ষণশীলতাৰ কাৰণেই নিম্ন মূল্যমান বৰ্তাই ৰাখিব লগা হয়। অৱশ্যে ৰাজসাহায্যপ্ৰাপ্ত মাৰ্কিন কপাহৰ লগত পশ্চিম আফ্ৰিকাৰ কপাহে ফেৰ মাৰিব নোৱাৰে কাৰণেই এনেবোৰ ক্ষেত্ৰত উচ্চ মূল্যই উন্নয়নশীল দেশৰ ৰপ্তানি বাণিজ্যত সহায় কৰিব। ঔপনিৱেশিক সময়ৰ কৃষি সামগ্ৰীৰ এতিয়াও সাম্ৰাজ্যবাদী অভিমুখী মনোভাৱে এনে দেশসমূহৰ কৃষি বাণিজ্য নীতিৰ ওপৰত প্ৰভাৱ পেলায়। অধিক ভাগ উন্নয়নশীল দেশতে উদ্যোগক প্ৰাধান্য দি কৃষিক দ্বিতীয় স্থানত ৰাখে। ইয়াকো সন্দেহ কৰা হয় যে আমেৰিকাৰ পৰামৰ্শ অনুযায়ী ভাৰতত কৃষি উৎপাদনৰ ওপৰত অধিক গুৰুত্ব দি দেশখনক দৰিদ্ৰ কৰি ৰাখিবলৈ বিচৰা হৈছে। প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে ১৯৫৭ চনতে ঘোষণা কৰিছিল, "এতিয়া ভাৰত ঔদ্যোগিক হ'বলৈ বাধ্য, আমি ঔদ্যোগিক দেশ হোৱাৰ প্ৰচেষ্টা চলাম আৰু আমি উদ্যোগপ্ৰধান দেশ হ'বই লাগিব।" '৬০ৰ দশকৰ শেষৰ ফালে অৱশ্যে কৃষিয়ে অগ্ৰাধিকাৰ পাবলৈ ধৰে আৰু সেউজ বিপ্লৱে উৎপাদন বৃদ্ধিত সহায় কৰে। বৰ্তমান বাণিজ্য নীতিৰ কৌশল ৰচনা কৰোঁতে উদ্যোগ, সেৱা ব্যৱস্থা আৰু কৃষি খণ্ডৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ বিষয়ত গুৰুত্ব প্ৰদান কৰা প্ৰয়োজন। বহু বিবিধতাযুক্ত ভাৰতৰ দৰে দেশৰ কাৰণে অৱশ্যে ই এক জটিল বিষয়। তৈলবীজ, চাউল, চেনি, চাহপাত, মাংস আদিৰ উৎপাদন বৃদ্ধিৰ কাৰণে দেশখনত সুবিধা আছে যদিও এনে বিকাশৰ গুৰি ধৰা সেৱা ব্যৱস্থা আৰু উদ্যোগৰ সুবিধা কম। দেশৰ দুই-তৃতীয়াংশ কৰ্মসংস্থান কৃষি খণ্ডতে হোৱাৰ কাৰণে এই ক্ষেত্ৰত সমতা ৰক্ষা কৰাটো জটিল হ'ব। বিশ্ব বাণিজ্য সংস্থাৰ ২০০১ৰ নৱেম্বৰত ডোহাত অনুষ্ঠিত বাণিজ্য বিষয়ক আলোচনাই ভাৰতলৈ কেতবোৰ দিশ নিৰ্দেশ কৰিছে। উৰুগুৱে আলোচনালানিৰ পাছত ভালেমান ৰাজ্য চৰকাৰে কৃষি বিষয়টো যিহেতু ৰাজ্যিক বিষয় সেয়ে কেন্দ্ৰীয় চুক্তি সম্পাদন কৰাৰ কৰ্তৃত্ব কেনেকৈ পালে বুলি উচ্চতম ন্যায়ালয়ত আবেদন কৰিছে। সেই কাৰণেই ডোহা আলোচনাৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয়, কৃষি মন্ত্ৰণালয় আৰু বৈদেশিক মন্ত্ৰণালয়কে ধৰি বিভিন্ন মন্ত্ৰণালয়, চৰকাৰৰ বিভিন্ন পৰ্যায়, ৰাজনৈতিক নেতা, কৃষক, নাগৰিক সমাজ তথা চিন্তাবিদ-সকলৰ সৈতে কৰা ভালেমান

ৰাজ্যিক আৰু আঞ্চলিক পৰ্যায়ৰ আলোচনাৰ পিছত প্ৰকাশ পালে যে দেশখনৰ পূৰ্বৰ সুৰক্ষামূলক স্বাৰ্থৰ লগতে প্ৰতিযোগিতা-মূলক স্বাৰ্থও নিহিত হৈ আছে। এনে স্বাৰ্থসমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত সংশ্লিষ্টসকলৰ সহযোগিতা আৰু সমতা ৰক্ষাৰ উদাহৰণ হৈছে আৰ্জেণ্টিনা। উৰুগুৱে আলোচনা-লানিৰ আগতেই কৃষি বাণিজ্যৰ সুৰক্ষা বিচাৰি আৰু উদ্যোগ বাণিজ্যকৰণৰ অৰ্থে ই বহু উন্নয়নশীল দেশৰ সৈতে সহযোগিতা কৰিছে। দেখা গ'ল যে, আৰ্জেণ্টিনাই কৃষি সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ ক্ষেত্ৰত সুবিধা লাভ কৰিছে আৰু দেশখনে ১৯৮৬ত কেয়াৰ্ণ গোটটো যোগদান কৰিলে।

বাণিজ্য নীতি যুগুতোৱাত সকলো পক্ষকে জড়িত কৰাটো কঠিন, কিয়নো ইয়াত মতপাৰ্থক্য থাকিব। কিন্তু এইবোৰে নীতি নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰতো সহায় কৰিব।

## আন্তৰ্জাতিক আলোচনা-বিলোচনা আৰু বিশ্ব বাণিজ্য সংস্থা

এই আলোচনা-বিলোচনাৰ ঘাইকৈ দুটা দিশ আছে। প্ৰথমটোত আন্তৰ্জাতিক আলোচনাকাৰীয়ে দ্বিতীয় পৰ্যায়ৰ দেশীয় গোটসমূহৰ সৈতে সংযোগ ৰক্ষা কৰিব লাগিব। কাৰণ তৃণমূল পৰ্যায়ৰ গোটসমূহৰ সৈতে সংযোগ ৰক্ষা নকৰাৰ কাৰণে ডব্লিউ টি অ'-ক মাজে মাজে জগৰীয়া কৰা হয়। বাণিজ্য বিষয়ক আলোচনাৰ অৰ্থে উন্নয়নশীল দেশসমূহে সমূহীয়াভাৱে হেঁচা প্ৰদান কৰে। ভাৰত আৰু ব্ৰাজিলৰ দৰে দেশসমূহে জি-২০ বৈঠকসমূহতো সমূহীয়া মন্তব্য উত্থাপন কৰিছে। খাদ্য সুৰক্ষাৰ ক্ষেত্ৰৰ ৰাজসাহায্য বৃদ্ধি কৰা বিষয়ক ভাৰতে ২০১৩ৰ বালিত অনুষ্ঠিত WTOৰ বৈঠকত উত্থাপন কৰা প্ৰস্তাৱত জি-৩৩ৰ দৰে সন্মিলিত গোটেও সমৰ্থন জনাইছে। সাম্প্ৰতিকভাৱে কৃষি ৰাজসাহায্য বিপথে নিয়া বুলি কেয়াৰ্ণ গোটে সমালোচনা কৰা ভাৰতত এই পৰিমাণ ২০০১ৰ ৮.২ বিলিয়ন ডলাৰৰ পৰা ২০০৮'ত ৩৭.৬ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে বুলি গোটটোৱে প্ৰকাশ কৰে। দ্বিতীয়টো দিশৰ অধীনত উন্নয়নশীল দেশসমূহে আন্তৰ্জাতিক আলোচনাৰ বৈঠকত সংস্থাগত সংযোগ সাধন হোৱাটো বিচাৰিছে, যিটো কৃষি সম্পৰ্কীয় সেৱা আৰু উদ্যোগৰ বজাৰ স্থাপন হোৱাতো জড়িত হৈ পৰিব।

## কৃষি বাণিজ্য নীতিৰ ভৱিষ্যৎ

বাণিজ্য, ৰাজসাহায্য আৰু উচ্চ মূল্য পৰিস্থিতিত কৃষি বাণিজ্য নীতি প্ৰস্তুত কৰাটো অতি জটিল কাম। মুক্ত কৃষি বাণিজ্যই কৃষি খণ্ডৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰিব লাগিব। সেয়ে এনে নীতি নিখুঁত কৰিবলৈ দেশীয় তথা আন্তৰ্জাতিক পৰ্যায়ত ফলপ্ৰসূ আলোচনাৰ লগতে পাৰস্পৰিক সহযোগিতাৰ প্ৰয়োজন। এনে সহযোগিতা কৃষিৰ ক্ষেত্ৰৰ দেশীয় ৰাজনৈতিক বিবাদ সমাধান কৰি নীতিটোৰ অগ্ৰসৰত সহায়ক হ'ব। আন্তৰ্জাতিক পৰ্যায়ত উন্নত দেশসমূহৰ কৃষি বাণিজ্যত প্ৰৱেশ কৰাটো সহজসাধ্য নহ'ব। উন্নয়নশীল দেশসমূহৰ হেঁচাত সীমিত বাণিজ্য চুক্তি হ'ব পাৰে নাইবা এনে দেশৰ উন্নত দেশৰ সৈতে আলোচনাৰ পৰিসৰো সীমিত হ'ব পাৰে।

উপৰোক্ত বিষয়সমূহ আন্তৰ্জাতিক বাণিজ্যত উন্নয়নশীল দেশসমূহৰ বৃদ্ধি পাই অহা অংশীদাৰিত্বৰ পৰিপ্ৰেক্ষিতত আৰু কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি তথা উন্নত প্ৰযুক্তি পৰিচালিত সেৱা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত বিচাৰ-বিবেচনা কৰিব লাগিব আৰু উন্নত দেশসমূহেও বিষয়টোৰ প্ৰতি আওকণীয়া মনোভাৱ গ্ৰহণ কৰিব নোৱাৰিব। ইয়াৰ ফলস্বৰূপে আন্তৰ্জাতিক বাণিজ্যত উন্নয়নশীল দেশসমূহৰ কাৰণে ফলপ্ৰসূ সহযোগিতাৰ পথো প্ৰশস্ত হ'ব। ❐

---

**(৫ পৃষ্ঠাৰ পৰা)**

জলসিঞ্চন, পথ, পৰিবহণ আদিৰ দৰে গ্ৰাম্য আন্তঃগাঁথনি আৰু বজাৰ, গ্ৰাম্য ঋণ যোগান, গৱেষণা আৰু প্ৰসাৰৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে সামগ্ৰিক বিকাশৰ অৰ্থে ৰাজসাহায্য আৰু বিনিয়োগৰ মাজৰ বৈষম্য দূৰ কৰিব লাগিব। কৃষিৰ ক্ষেত্ৰৰ প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত ৰাজসাহায্য হ্ৰাস পালে ৰাজহুৱা সম্পদ গ্ৰাম্য আন্তঃগাঁথনি সবল কৰাত সহায়ক হ'ব। এনে এটা পদ্ধতি গ্ৰহণ কৰিব লাগিব, যিটোৰ অধীনত সকলো ৰাজসাহায্য নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পাৰিব আৰু চৰ্তসাপেক্ষ অৰ্থ হস্তান্তৰৰ সুবিধা থাকিব। এই ক্ষেত্ৰত প্ৰযুক্তিগত পচন্দবোৰৰ ভিতৰত আছে— আধাৰ কাৰ্ড সংযুক্ত বেংকৰ একাউণ্ট, যিটোৰ জৰিয়তে হিতাধিকাৰীক পোনপটীয়া-ভাৱে আৰু অধিক দক্ষতাৰে ৰাজসাহায্য যোগান ধৰিব পৰা যাব।

চৰকাৰে সময় নিৰ্দ্ধাৰিত সুফল পোৱাৰ কাৰণে ৰাজসাহায্য নিয়ন্ত্ৰণ কৰাৰ লগতে স্বচ্ছতাৰে বিনিয়োগ বৃদ্ধি কৰিব লাগিব। যি ব্যক্তিয়ে ৰাজনৈতিকভাৱে ৰাজসাহায্য সম্পদক বিনিয়োগত প্ৰয়োগ কৰিব পাৰিব তেওঁক ৰাজনৈতিক অৰ্থ-নীতিত যোগ্যভাৱে পুৰস্কৃত কৰিলে কৃষি বিকাশ ৫ শতাংশৰো অধিক হ'ব আৰু ক্ষিপ্ৰভাৱে দৰিদ্ৰতা দূৰীকৰণ সম্ভৱ হ'ব। ❐

# ভাৰতৰ কৃষিনীতি আৰু কৃতকাৰ্যতা ঃ এক পৰ্যালোচনা

চি এছ চি শেখৰ*

ভাৰতৰ কৃষিনীতি আৰু বিগত সময়ছোৱাত ইয়াৰ কাৰ্যকাৰিতা সম্পৰ্কে এই প্ৰবন্ধত আমি বিশ্লেষণ আগবঢ়াম। কৃষি-নীতিৰ পৰ্যালোচনা আৰু উন্নয়নৰ খতিয়ানৰ বিশ্লেষণাত্মক আলোচনা ইয়াত দাঙি ধৰা হ'ব।

উন্নয়নত কৃষিখণ্ডৰ ভূমিকা আৰু কৃষিখণ্ডৰ উন্নয়নৰ উপাদানসমূহৰ অগা-পিছা বিধানৰ জৰিয়তে ভাৰতীয় কৃষি-নীতিৰ পৰ্যালোচনা কৰিব পৰা যায়। এখন দেশৰ উন্নয়নত কৃষিখণ্ডই প্ৰধানকৈ তিনিটা কাৰ্যৰ জৰিয়তে ভূমিকা গ্ৰহণ কৰে ঃ

(১) দেশৰ অৰ্থনীতিৰ অন্যান্য খণ্ড-সমূহত প্ৰাৰম্ভিক উদ্বৃতৰ যোগান ধৰে।

(২) ঔদ্যোগিক খণ্ডৰ বাবে পণ্য সামগ্ৰীৰ যোগান ধৰে।

(৩) অগ্ৰৱৰ্তী সংযোগ (ঔদ্যোগিক খণ্ডত আন্তঃউপাদানৰ যোগান ধৰি) আৰু পশ্চাদ্‌ৱৰ্তী সংযোগৰ (ঔদ্যোগিক ক্ষেত্ৰৰ পৰা জাত উপাদান কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰি) জৰিয়তে উন্নয়ন সাধন কৰে।

প্ৰথম আৰু তৃতীয়টো ভূমিকাৰ বাবে কৃষিখণ্ডৰ শক্তিশালী উন্নয়নৰ প্ৰয়োজন। দ্বিতীয়টোৰ বাবে প্ৰয়োজন সমুচিত খাদ্যদ্ৰব্যৰ যোগান। সেয়ে, সমুচিত অৰ্থনৈতিক উন্নয়নৰ কাৰণে কৃষিখণ্ডৰ সমুন্নয়ন আৰু খাদ্যদ্ৰব্যৰ উপাদান অনস্বীকাৰ্য।

কৃষিখণ্ডৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় উপাদানসমূহ বিস্তাৰিতভাৱে এনেদৰে শ্ৰেণীবিভক্ত কৰিব পাৰি ঃ

প্ৰাকৃতিক (জলবায়ু ভিত্তিক), প্ৰযৌক্তিক, অৰ্থনৈতিক, প্ৰতিষ্ঠানিক আৰু নীতি নিৰ্দ্ধাৰক উপাদান। এই সকলোবোৰ উপাদানৰ আন্তঃভূমিকাৰ ওপৰতে কৃষিখণ্ডৰ উন্নয়ন সম্ভৱপৰ হয়। প্ৰাকৃতিক উপাদানবিলাকৰ ভিতৰত অন্যান্যবিলাকৰ লগতে মাটি, বৰষুণ আৰু উষ্ণতা অন্তৰ্ভুক্ত। প্ৰযৌক্তিক উপাদানবিলাকৰ ভিতৰত বীজ, যন্ত্ৰপাতি, কীটনাশক আৰু সাৰ প্ৰযুক্তি আমাৰ দেশত উৰ্ভৈনদী। তৃতীয় উপাদান হ'ল অৰ্থনৈতিক। কৃষিখণ্ডত লাভৰ সম্ভাৱনাই ব্যক্তিগত খণ্ডৰ বিনিয়োগ বৃদ্ধি কৰে আৰু একেদৰে বিভিন্ন কৃষিৰ আপেক্ষিক লাভজনকতাই কৃষিভূমি আৰু অন্যান্য সম্পদৰ বণ্টন নিৰ্ণয় কৰে। চতুৰ্থ উপাদান হ'ল প্ৰতিষ্ঠান— যিটোৰ বিষয়ে অতি কম পৰিমাণে গুৰুত্ব দি অহা পৰিলক্ষিত হয়। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ প্ৰতিষ্ঠানে অৰ্থনৈতিক অভিকৰ্তাবিলাকৰ মাজত পাৰম্পৰিক কাৰ্য সম্পন্ন কৰে। ভাৰতীয় খাদ্য নিগম, যি কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰে আৰু গাঁও অঞ্চলৰ ঋণদাতা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক প্ৰতিষ্ঠানৰ দুটা উদাহৰণ। প্ৰতিষ্ঠানবিলাক লেন-দেনৰ ঘাই নিষ্পত্তিকাৰক।

অন্তিম উপাদানসমূহ নীতিৰ সৈতে সম্পৰ্কিত। এই উপাদানসমূহে ইতিমধ্যে উল্লেখ কৰা সকলোবিলাক উপাদানকে প্ৰভাৱিত কৰে। উদাহৰণস্বৰূপে গাঁৰৰ আলি-পদূলি, গ্ৰাম্য বৈদ্যুতিকৰণ আৰু বজাৰৰ দৰে গ্ৰাম্য ৰাজহুৱা পণ্যসমূহত ৰাজ্যৰ বৃহৎ বিনিয়োগে কৃষিখণ্ডৰ লাভ অৰ্জনৰ জৰিয়তে এই খণ্ডৰ বাবে অৰ্থনৈতিক উদগনি বৃদ্ধি কৰিব পাৰে। ৰায়তী স্বত্বৰ ক্ষেত্ৰত উদাৰনীতিয়ে অতি সহজে ভূমি পট্টাকৰণ সহজ কৰি তোলে আৰু সেই ভূমিত কৃষি-ফাৰ্ম কৰিবলৈ সহজ হৈ পৰে। ফলত কৃষিখণ্ডলৈ প্ৰযুক্তিৰ প্ৰবাহ বৃদ্ধি কৰে। কৃষিখণ্ডৰ গৱেষণা আৰু উন্নয়নত অধিক বিনিয়োগ আৰু অন্যান্য ৰাজহুৱা খা-খৰচে কৃষিখণ্ডৰ ক্ৰমোন্নতিত একধৰণৰ যোগাত্মক প্ৰভাৱ সুৰাগুৰি তুলি আনে। সেয়ে, কৃষি-নীতিয়ে একমাত্ৰ প্ৰাকৃতিক উপাদানৰ বাহিৰে অন্যান্য সকলোবিলাক উপাদানৰ ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম।

### বিগত ছটা দশকত ভাৰতৰ কৃষিখণ্ড

ভাৰতৰ কৃষি-নীতিৰ বিৱৰ্তনক বৃহত্তৰভাৱে পাঁচটা পৰ্যায়ত শ্ৰেণীবিভক্ত কৰিব পাৰি। প্ৰথমৰ স্তৰটো ১৯৫১ চনৰ পৰা ১৯৬৫ চনলৈ, যি সময়ত কৃষিখণ্ডত সীমিত গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে উদ্যোগ খণ্ডত অধিক প্ৰাধান্য দিয়া হৈছিল। দ্বিতীয় স্তৰত (১৯৬৬-১৯৮১) সেউজ বিপ্লৱ প্ৰযুক্তিৰ পাতনি

*চি এছ চি শেখৰ দিল্লীৰ ইন্সটিটিউট অৱ ইক'নমিক গ্ৰ'থৰ সহযোগী অধ্যাপক আৰু UNCTAD, IFPRI আৰু OXFAMৰ দৰে আন্তৰ্জাতিক সংগঠনৰ পৰামৰ্শদাতা

মেলা হৈছিল। সেউজ বিপ্লৱক দেশৰ উন্নয়নৰ প্ৰধান পথ হিচাপে বিবেচনা কৰা হৈছিল। প্ৰযুক্তি, সঠিক নীতিৰ পৰিকাঠামো আৰু উপযুক্ত প্ৰতিষ্ঠান-সমূহৰ যোগেৰে এক স্তৰত ভাৰতবৰ্ষ খাদ্যৰ সম বিতৰণৰ বাবে যত্নশীল হৈছিল। ১৯৮১ চনৰ পৰা ১৯৯১ চনলৈকে তৃতীয় স্তৰৰ সময়খিনিত সেউজ বিপ্লৱ প্ৰযুক্তি সমগ্ৰ দেশতে বিয়পি পৰিছিল, দেশৰ সৰ্বত্ৰতে উন্নয়ন সম্ভৱ হৈছিল। এই স্তৰত কৃষিখণ্ডত ৰাজহুৱা বিনিয়োগ ক্ৰমান্বয়ে নিম্নগমী হৈ পৰিছিল। চতুৰ্থ পৰ্যায়টো ১৯৯২ চনৰ পৰা অৰ্থনৈতিক সংস্কাৰেৰে আৰম্ভ হয় আৰু ২০০৪ চনলৈ এই পৰ্যায় চলি থাকে। এইটো এনে এটা পৰ্যায় আছিল, য'ত উচ্চ হাৰৰ বিনিময় হাৰৰ শুধৰণিৰ জৰিয়তে কৃষিখণ্ড বিৰোধী পক্ষপাতিত্ব হ্ৰাস কৰা হৈছিল। সেইখিনি এই সময়ছোৱাত কৃষিখণ্ডত ৰাজ্যৰ ভূমিকা কমাবলৈও প্ৰচেষ্টা চলোৱা হৈছিল। এই পৰ্যায়ত ইয়াৰ আগৰ পৰ্যায়ৰ ৰাজহুৱা বিনিয়োগৰ অৱনতিয়ে কৃষিখণ্ডৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিছিল। অন্তিম পৰ্যায়টো আৰম্ভ হয় ২০০৫ চনৰ পৰা। যি সময়ত কৃষিখণ্ডত ৰাজ্যসমূহৰ ভূমিকা বৃদ্ধি পায় আৰু বিভিন্ন ধৰণৰ কৰ্মসূচীৰ আৰম্ভণি ঘটে।

প্ৰথম পৰ্যায়ৰ সময়ৰ পৰিকল্পনাত (১৯৫১-১৯৬৫) প্ৰধানকৈ ঔদ্যোগিক বিকাশে উন্নয়নৰ কৌশল নিৰ্দ্ধাৰণ কৰিছিল। প্ৰথম তিনিটা পঞ্চবাৰ্ষিক পৰিকল্পনাত উদ্যোগ আছিল প্ৰধান লক্ষ্য আৰু কৃষিখণ্ডত অতি সামান্য পৰিমাণেহে মনযোগ দিয়া হৈছিল। আমদানিৰ পৰিৱৰ্তনৰ যোগে ঔদ্যোগিক উন্নয়নত উদগনি দিয়া আৰু উচ্চ মূল্যৰ বিনিময় হাৰৰ জৰিয়তে সুৰক্ষা আছিল বৃহৎ কৌশল। এই স্তৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা পি এল-৪৮০ আমদানিৰ জৰিয়তে বৃহৎভাৱে খাদ্যদ্ৰব্যৰ প্ৰয়োজনীয়তা পূৰণ কৰা হৈছিল। কৃষি আন্তঃগাঁথনি, জলসিঞ্চন আৰু বিদ্যুৎ খণ্ডত কিছু বিনিয়োগ কৰা হৈছিল। এই সময়খিনিত কৃষি উন্নয়নৰ ঘাই উৎস আছিল চকুত লগা উৎপাদন লাভৰ অবিহনে ক্ষেত্ৰ সম্প্ৰসাৰণ।

দ্বিতীয় পৰ্যায়ৰ সময়ছোৱাত (১৯৬৬-১৯৮০) ষাঠীৰ দশকত চৰম খাদ্য সংকট আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা পি এল-৪৮০ প্ৰকল্পৰ অধীনত খাদ্য যোগানৰ বিফলতাৰ বাবে পৰিকল্পনাৰ ঘাই লক্ষ্য হৈ পৰে খাদ্যদ্ৰব্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা। তেতিয়াৰ পৰাই অতি কম সময়ত খাদ্যদ্ৰব্যৰ উৎপাদন বৃদ্ধিয়েই প্ৰধান লক্ষ্য হৈ পৰে। দেশৰ জলসিঞ্চনৰ সু-ব্যৱস্থা থকা অঞ্চলসমূহত খাদ্য-শস্য উৎপাদনৰ বাবে গুৰুত্ব প্ৰদান কৰা হ'ল। জলসিঞ্চন, সাৰ, শক্তি আৰু ঋণ— এইবিলাকৰ ক্ষেত্ৰত ৰেহাইৰ ব্যৱস্থা কৰা হ'ল। নিম্নতম সমৰ্থন মূল্যত সহযোগিতা আগবঢ়োৱা হ'ল। ৰাজহুৱা সন্থাসমূহৰ দ্বাৰা পৰিচালনা কাৰ্যৰ আৰম্ভণি হ'ল, কৃষকসকলৰ বাবে কৃষি বজাৰৰ সু-বন্দোৱস্ত কৰা হ'ল আৰু ৰাজহুৱা বিকল্প ব্যৱস্থাৰ জৰিয়তে দুখীয়া কৃষকসকললৈ বীজৰ যোগান ধৰা হ'ল। দেশীয় উৎপাদনৰ ক্ষেত্ৰত উদগনি দিবৰ বাবেই খাদ্য সৰবৰাহৰ ক্ষেত্ৰত কঠোৰ নীতি গ্ৰহণ কৰা হ'ল। কৃষিজাত মূল্য আয়োগ, যিটো প্ৰতিষ্ঠান বৰ্তমানে চি এ চি পি নামেৰে জনাজাত, ভাৰতীয় খাদ্য নিগম আৰু ভাৰতীয় দুগ্ধ উন্নয়ন পৰিষদৰ দৰে গুৰুত্বপূৰ্ণ নিকায়সমূহ এইছোৱা সময়তে গঢ় লৈ উঠে। কৃষিখণ্ডৰ উন্নয়ন আৰু গৱেষণাত বৃহৎ পৰিমাণৰ বিনিয়োগ কৰা হ'ল। এই নীতিসমূহে প্ৰভূত পৰিমাণে কৃতকাৰ্যতা অৰ্জন কৰিলে আৰু সত্তৰ দশকৰ মধ্যভাগত ভাৰতবৰ্ষ খাদ্য উৎপাদনত আত্মনিৰ্ভৰশীল হৈ পৰিল, বিশেষকৈ গাখীৰ আৰু চেনি উৎপাদনত চমকলগা সফলতা দেখুৱালে। এই সময়খিনিত উৎপাদন বৃদ্ধিয়েই দেশৰ উন্নয়নৰ ঘাই উৎস হিচাপে পৰিগণিত হ'ল।

ষাঠীৰ দশকৰ মাজভাগত গঢ় লৈ উঠা এই চাহিদা-যোগান প্ৰতিষ্ঠানিক পৰিকাঠামো ১৯৯০ চনৰ আৰম্ভণিলৈকে সামান্য সাল-সলনিৰে চলি থাকিল। এই কৃষি-নীতিৰ মিশ্ৰিত ফলাফল দেখা গ'ল। এই নীতিয়ে যথাৰ্থভাৱে কৃষি-ক্ষেত্ৰত উন্নয়ন সাধন কৰিলে আৰু ভাৰতক খাদ্য-আত্মনিৰ্ভৰশীল কৰি তুলিলে (তালিকা-১)। কিন্তু বিশেষ অঞ্চলসমূহত খাদ্যশস্য উৎপাদনত গুৰুত্ব প্ৰদান কৰাৰ ফলত উন্নয়নত আন্তঃৰাজ্যিক বৈষম্যই গা-কৰি উঠিল। কনজাম্পশ্যন ফ্ৰণ্ট-বাফাৰ ষ্টক আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ওপৰত প্ৰয়োগ কৰা নীতিয়ে সামৰ্থ্যপূৰ্ণ খৰচত অধিক জনসংখ্যাৰ অঞ্চললৈ অবিৰতভাৱে খাদ্য সৰবৰাহ নিশ্চিত কৰিলে। এই নীতিসমূহে প্ৰাকৃতিক (অনাবৃষ্টি) আৰু মানৱ সৃষ্ট (বণ্টনৰ বিফলতা) কাৰণত হোৱা অকাল দুৰ্ভিক্ষ সম্পূৰ্ণৰূপেই বিনাশ কৰিলে বুলিব পাৰি।

তৃতীয় স্তৰত (১৯৮১-১৯৯১) HYV প্ৰযুক্তিয়ে উত্তৰ-পশ্চিম অঞ্চলত দেশৰ অন্যান্য অঞ্চলতকৈ অধিক পৰিমাণে বিস্তাৰ লাভ কৰাৰ কথা প্ৰমাণিত হ'ল। এই স্তৰটো ভাৰতৰ কৃষিখণ্ডৰ সোণালী সময়। এই সময়খিনিতে দেশৰ সকলো ৰাজ্যতে সমভাৱে কৃষিখণ্ডৰ উন্নয়ন হয়। খাদ্য-শস্যৰ অপৰ্যাপ্ততাৰ লগতে এই স্তৰতে তৈলবীজ আৰু মাহজাতীয় শস্যৰ

উৎপাদন অধিক হাৰত বৃদ্ধি পায়। ১৯৮৬ চনত তৈলবীজ আৰু মাহজাতীয় শস্যৰ প্ৰযুক্তি অভিযান আৰম্ভ হয়। এই অভিযানে আৰম্ভণিতেই তৈলবীজ উৎপাদনৰ ক্ষেত্ৰত চকুত লগা সফলতা লাভ কৰিলে। খাদ্যশস্যৰ উৎপাদন বৃদ্ধি চলি থাকিল, খাদ্যদ্ৰব্যৰ আমদানি নিয়ন্ত্ৰণ হ'ল আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা বাহাল থাকিল।

১৯৯১ চনৰ অৰ্থনৈতিক সংস্কাৰ আৰু ১৯৯৪ চনৰ তৈলক্ষেত্ৰত আমদানিৰ উদাৰীকৰণ— চতুৰ্থ স্তৰটো (১৯৯২-২০০৪) ইয়াৰ যোগেৰে পৰিচিহ্নিত হ'ল। এই পৰ্যায়টো পাছত দুটা উপস্তৰত বিভক্ত কৰা হ'ল— প্ৰথম উপস্তৰটো ১৯৯২ চনৰ পৰা ১৯৯৭ চনলৈ আৰু দ্বিতীয় উপ-স্তৰটো ১৯৯৭ চনৰ পৰা ২০০৪ চনলৈ। প্ৰথম উপস্তৰটোত অৰ্থনৈতিক সংস্কাৰে কৃষিখণ্ডবিৰোধী পক্ষপাতিত্ব হ্ৰাস কৰাত প্ৰভাৱ পেলালে। দ্বিতীয় উপস্তৰটোত তাকৰীয়া মূলধন বিনিয়োগৰ ফলস্বৰূপে কৃষিখণ্ডত চকুত লগাকৈ অৱনতি ঘটিল। ১৯৯০ চনৰ আৰম্ভণিৰ সময়ছোৱাত কৃষিখণ্ড বিৰোধী পক্ষপাতিত্ব কমিবলৈ ধৰে। অৰ্থনৈতিক সংস্কাৰৰ ফলস্বৰূপে উৎপাদন সুৰক্ষা আৰু বিনিময় হাৰ সংস্কাৰৰ বাবেই এয়া সম্ভৱ হয়। ১৯৯১-৯২ চনত উদ্যোগজাত সামগ্ৰীৰ শীৰ্ষ মাচুলৰ নিৰিখ আছিল ৩০০ শতাংশ। ২০০২ চনত এই নিৰিখ কমি আহি ৩০ শতাংশ পাইহি। একেদৰে ১৯৯১-৯২ চনত সকলো প্ৰকাৰৰ দ্ৰব্যৰ ওপৰতে আমদানি নিয়ন্ত্ৰণ উঠাই পেলোৱা হয়। এনে গাঁথনিক নিষ্পত্তিৰ পৰিমাণে এই গাঁথনিত নিয়ন্ত্ৰিত ব্যৱস্থাসমূহৰ অন্যতম ফল আইছল কৃষিখণ্ডত বাণিজ্যিক চৰ্তত (টাৰ্মছ অৱ ট্ৰেড) হোৱা উৎকৰ্ষ। এই সময়খিনিত টাৰ্মছ অৱ ট্ৰেডৰ সূচাংক (১৯৯০-৯১ = ১০০) ১৯৯০ চনৰ পৰা ১০০ৰ ওপৰলৈ যায়। ফলস্বৰূপে কৃষিখণ্ডত মুঠ মূলধন গঠন ১৯৯০-৯১ চনত (১৯৯৩-৯৪ৰ মূল্যত) ১১,৪২৪ কোটিৰ পৰা ২০০০-০১ চনত ১৪,৯৩১ কোটি হয়গৈ। টাৰ্মছ অৱ ট্ৰেডৰ উন্নয়নে কৃষিখণ্ডত ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ ক্ষেত্ৰত এক সামান্য প্ৰতিক্ৰিয়া ঘটালে, ৰাজহ ঘাটি বৃদ্ধি কৰিলে, ৰাজহুৱা বিনিয়োগৰ ক্ষেত্ৰত অৱনতি সৃষ্টি কৰিলে। ১৯৮১-৮২ চনত ১৩০ কোটি ৰাজহুৱা বিনিয়োগ ১৯৯০-৯১ চনত ৪৯৯২ কোটিলৈ নিম্নগামী হ'ল আৰু পাছত ২০০০-০১ চনত ৪৫২০ কোটিলৈ নামি আহিল। ফলত জলসিঞ্চন, গ্ৰাম্য বৈদ্যুতিকৰণ, গ্ৰাম্য পথ আৰু কৃষি বজাৰসমূহে ভুগিবলৈ আৰম্ভ কৰিলে। এই অৱনতিয়ে কৃষিখণ্ডৰ সফলতাৰ ১৯৯০ চনৰ সময়ছোৱাত দেশত বিপৰীত প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰিলে। আশীৰ দশকৰ কৃষিখণ্ডৰ মুঠ ঘৰুৱা উৎপাদন ৩.৫%ৰ পৰা নব্বৈৰ দশকত (১৯৯১-৯২ৰ পৰা ২০০১-০২ লৈ)৩.১%লৈ নিম্নগামী হ'ল (তালিকা-১)। প্ৰধান শস্যৰ উৎপাদনৰ উন্নয়নৰ হাৰ আশীৰ দশকৰ বছৰি ৩.১৯%ৰ পৰা নব্বৈৰ দশকত ২.২৪%লৈ নিম্নগামী হ'ল।

কৃষিখণ্ডত ক্ৰমাগতভাৱে ৰাজহুৱা বিনিয়োগ উলাই কৰাটোৱে নব্বৈৰ দশকৰ শেষৰ ফালে সংকটৰ সৃষ্টি কৰিলে। প্ৰাক্-সেউজ বিপ্লৱৰ সময়ত (পৰ্যায়-১) কৃষিখণ্ডৰ গড় উন্নয়নৰ হাৰ আছিল ২.১%। পিছৰ দুটা স্তৰত ক্ৰমান্বয়ে ৩% আৰু ৩.৫% হয়গৈ। সি যি কি নহওক, ১৯৯৭-২০০৪ চনত উন্নয়নৰ হাৰ খৰতকীয়াভাৱে ২.২% হয়, যিটো প্ৰাক-সেউজ বিপ্লৱৰ সময়খিনিৰ সৈতে প্ৰায় সমান। প্ৰহসনৰ কথা এইটোৱেই যে, এই সময়ছোৱাতেই কৃষিখণ্ড-বহিৰ্ভূত মুঠ ঘৰুৱা উৎপাদন বছৰি ৭%লৈ বৃদ্ধি পায়। কৃষিখণ্ডৰ উন্নয়নৰ অৱনতিৰ ঘাই কাৰণ ৰাজহুৱা বিনিয়োগ কমি অহাটো। লগতে কৃষিখণ্ডত এনেধৰণৰ আন্তঃসৰঞ্জামৰ ব্যৱহাৰ— যি অধিক পৰিমাণৰ শস্যৰ উৎপাদন হ্ৰাসৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। ৰাজহুৱা বিনিয়োগ আৰু ব্যক্তিগত বিনিয়োগৰ মাজৰ সামঞ্জস্যহীনতাৰ লগতে এনে আন্তঃসৰঞ্জামৰ ব্যৱহাৰে কৃষিখণ্ডলৈ সংকট আদৰি আনে।

তালিকা-১ ঃ **কৃষিখণ্ড-বহিৰ্ভূত মুঠ ঘৰুৱা উৎপাদনৰ গড় উন্নয়নৰ হাৰ আৰু 'ফেক্টৰ কষ্ট'ত মুঠ ঘৰুৱা উৎপাদন**

| সময় | কৃষিখণ্ড বহিৰ্ভূত মুঠ ঘৰুৱা উৎপাদন | এছ ডি | জিডিপি | এছ ডি |
|---|---|---|---|---|
| ১৯৫১-৫২ৰ পৰা ১৯৬৫-৬৬ চনলৈ | ২.১৫ | ৫.২৫ | ৩.৫৮ | ৩.১৬ |
| ১৯৬৬-৬৭ৰ পৰা ১৯৮০-৮১ চনলৈ | ৩.০৩ | ৭.৫৯ | ৩.৬৬ | ৩.৮৮ |
| ১৯৮১-৮২ৰ পৰা ১৯৯১-৯২ চনলৈ | ৩.৪৫ | ৫.১৫ | ৫.০৪ | ২.৪৩ |
| ১৯৯২-৯৩ৰ পৰা ২০০৪-০৫ চনলৈ | ৩.১৪ | ৩.৯৯ | ৬.১৮ | ১.৪৩ |
| ২০০৫-০৬ৰ পৰা ২০১১-১২ চনলৈ | ৩.৮৯ | ২.৪২ | ৮.৪৬ | ১.৪২ |

**উৎস ঃ অৰ্থনৈতিক সমীক্ষা ২০১২-১৩**

**টোকা ঃ ১। উন্নয়নৰ হাৰ বাৰ্ষিক উন্নয়নৰ গড়।**

**২। এছ ডি = উন্নয়নৰ হাৰৰ মানসম্পন্ন ঢাল।**

এইখিনিলৈকে ভাৰতৰ কৃষি-নীতিৰ সফলতাৰ বিষয়ে কি ক'ব পাৰি? ভাৰতৰ সফলতা নিঃসন্দেহে চমক লগা। নানা ধৰণেৰে খাদ্যশস্যৰ উৎপাদন বৃদ্ধি পালে ১৯৫১ চনৰ সম্পূৰ্ণৰূপে আমদানিকাৰী ভাৰত ২০১৩ চনত সম্পূৰ্ণৰূপে ৰপ্তানিকাৰীলৈ উন্নীত হ'ল। জলসিঞ্চনৰ পৰিমাণ ১১%ৰ পৰা বৃদ্ধি পালে ৪৫%লৈ। সাৰৰ ব্যৱহাৰৰ নিঃকিন অৱস্থাৰ পৰা প্ৰতিহেক্টৰত ১৪১ কিলোগ্ৰাম হ'লগৈ। ষাঠিৰ দশকৰ মাজভাগৰ পৰা উৎপাদন বৃদ্ধিয়েই কৃষিভূমিৰ প্ৰসাৰতাৰ ঘাই কাৰণ হৈ পৰে।


সেউজ বিপ্লৱৰ পিছৰ পৰা উৎপাদন যথেষ্ট পৰিমাণে হ'বলৈ ধৰে আৰু সকলো শস্যৰ বাবে অধিক পৰিমাণে কৃষিভূমি ব্যৱহাৰ হয়। দেশৰ ভয়াৱহ অকাল দুৰ্ভিক্ষৰ পৰা পৰিত্ৰাণ কৰাটো সেউজ বিপ্লৱৰ আটাইতকৈ বৃহৎ সাফল্য।

শক্তি, সাৰ আৰু খাদ্যদ্ৰব্যত প্ৰতিপোষকতাৰ দিশবোৰেও দ্ৰুতভাৱে গা-কৰি উঠিবলৈ ধৰিলে। প্ৰতিপোষকতাৰ তৎকালীন ব্যয়ে কৃষিখণ্ডত ৰাজহুৱা বিনিয়োগ অৱনতি হোৱাত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ ধৰিলে। ফলত, ১৯৮০ চনৰ পিছৰ পৰা কৃষিখণ্ডত ৰাজহুৱা খণ্ডৰ দ্বাৰা মূলধন গঠন চকুত লগাকৈ অৱনতি হ'বলৈ ধৰিলে। আন্তঃৰাজ্যিক আৰু আন্তঃখণ্ডিতকৰণ অধিক পৰিমাণে গা-কৰি উঠিল। কৃষিকাৰ্য অৰূপয়াণসাধ্য হৈ পৰিল আৰু ১৯৯৭ চনৰ পৰা একপ্ৰকাৰৰ দুতৰপীয়া সংকটৰ সৃষ্টি হ'ল। উন্নয়ন প্ৰক্ৰিয়াৰ প্ৰধান সীমাৱদ্ধতা এয়ে যে খাদ্যদ্ৰব্যৰ ক্ষেত্ৰত দেশে বিশ্বৰ অৰ্থনৈতিক মূল্যায়ণ প্ৰাপ্ত কৰিব নোৱাৰিলে, আনকি তিনিটা দশকৰ পাছতহে দেশ খাদ্য উৎপাদনত আত্মনিৰ্ভৰশীল হিচাপে থিয় দিবলৈ সমৰ্থ হয়।


**চতুৰ্থ পৰ্যায়ত (২০০৫-২০১৩) নতুন পদক্ষেপ**

অন্তিম পৰ্যায়টোত (২০০৫-২০১৩) ভালেখিনি নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপ গ্ৰহণ কৰা ক্ষেত্ৰসমূহ হ'ল— কৃষিখণ্ডত বিনিয়োগৰ অৱনতিৰ কাৰণ নিৰ্দ্ধাৰণ, কৃষিকাৰ্যক লাভজনক কৰি তোলা আৰু কৃষকৰ উপাৰ্জন বৃদ্ধি কৰা, খাদ্যশস্যৰ উৎপাদন বৃদ্ধি কৰা আৰু দেশৰ অধিক জনসংখ্যাৰ অঞ্চলসমূহলৈ

চিত্ৰ-১




চিত্ৰ-২



খাদ্যশস্য যোগানৰ ক্ষেত্ৰত অৰ্থনৈতিক মূল্যায়ণ গ্ৰহণ কৰা।

২০০৭ চনত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰম্ভ হয়। ৰাজ্যসমূহক প্ৰধানকৈ কৃষিখণ্ডত বিনিয়োগ বৃদ্ধিৰ কাৰণে উৎসাহিত কৰা (কাৰণ কৃষি হ'ল ৰাজ্যৰ বিষয়বস্তু) আৰু এই বিনিয়োগ কৃষকসকলৰ প্ৰয়োজনীয়তাৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত যাতে উপাদেয় হয় তাৰ প্ৰতি লক্ষ্য ৰখা। এই দুয়োটা লক্ষ্যত উপনীত হ'বৰ বাবে ৰাজ্যসমূহক কৃষিখণ্ডত অধিক পৰিমাণে ব্যয় কৰিবলৈ বাধ্য কৰোৱা হৈছে (মুঠ ব্যয়ৰ এক অংশ হিচাপে) আৰু জিলা কৃষি আঁচনি, তৃণমূল পৰ্যায়ৰ যোজনাও সকলোবোৰ ৰাজ্যত আৰম্ভ কৰা হৈছে। ৰাজ্যসমূহে এই সকলোবিলাকৰ বাবে প্ৰয়োজনীয় ধন আৰু ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা পুঁজিৰ পৰা লাভ কৰিছে। প্ৰকল্প গ্ৰহণৰ পাছত প্ৰাথমিক ফলাফল হিচাপে জি চি এফ এ-ৰ উন্নয়নৰ হাৰ পূৰ্ববৰ্তী পৰ্যায়তকৈ তুলনামূলকভাৱে অধিক হোৱা দেখা গৈছে।

কৃষিখণ্ডৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰো অধিক হোৱা পৰিলক্ষিত হৈছে। (চিত্ৰ ১ আৰু ২)। সেয়ে হ'লেও জিলা কৃষি আঁচনিত জনসাধাৰণৰ অংশগ্ৰহণ নিচেই কম।

দ্বিতীয় ঘাই যোজনাৰ লক্ষ্য একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষ-ভাগলৈ খাদ্যদ্ৰব্যৰ উৎপাদন বৃদ্ধি কৰা। ২০০৭ চনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান আৰম্ভ কৰা হয় আৰু ধান, ঘেঁহু আৰু মাহজাতীয় শস্যৰ উৎপাদন ক্ৰমান্বয়ে ১০, ৮ আৰু ২ নিযুত টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা সেউজ বিপ্লৱৰ সময়ৰ দৰেই এই আঁচনিখনো প্ৰত্যেকবিধ শস্যৰ বাবে নিৰ্বাচিত জিলাসমূহত প্ৰাধান্য দিয়া হৈছে।

তৃতীয় আঁচনিখন হ'ল ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন। ইয়াৰ প্ৰধান লক্ষ্য খাদ্যদ্ৰব্যলৈ অৰ্থনৈতিক মূল্যায়ণ আগবঢ়োৱা। এই আঁচনিৰ অধীনত প্ৰতি এ এ ৱাই পৰিয়ালৰ বাবে প্ৰতিমাহে ৩৫ কিলোগ্ৰাম খাদ্যশস্য আৰু প্ৰতি মনোনীত পৰিয়ালৰ বাবে (ৰাজ্য চৰকাৰৰ সিদ্ধান্ত মৰ্মে) চাউল/আটা/মিলেট ৩/২/১ টকাত আগবঢ়োৱা। ইয়াত ৭৫% গ্ৰাম্য আৰু ৫০% নগৰীয়া জনজীৱন সাঙুৰি লোৱা হৈছে। এই আঁচনিখনৰ অন্য উপযোগিতা হ'ল মাতৃমংগল আৰু শিশু কল্যাণ, দৰিদ্ৰ আৰু গৃহহীনসকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱা। আঁচনিখনৰ প্ৰধান সজাগতা হৈছে ঘৰুৱা উৎপাদনৰ পৰ্যাপ্ততা, প্ৰয়োজনীয়তা পূৰণ, বজাৰ মূল্য স্থিৰকৰণ, উৎপাদন হ্ৰাস পোৱাৰ সময়ত আমদানিৰ সুচলতা ইত্যাদি।

শেহতীয়া অধ্যয়নে দেখুৱাইছে যে তৎকালীন উৎপাদন আৰু কাৰ্যকাৰিতাৰ বাবে আঁচনিখন লক্ষ্য পূৰণৰ বাবে সমুচিত।

**বিভিন্ন পৰ্যায়ত নীতি আৰু অন্যান্য কাৰকৰ ভূমিকা**

প্ৰথম পৰ্যায়ত (১৯৫০-১৯৬৪) কৃষিখণ্ড প্ৰধানকৈ প্ৰাকৃতিক উপাদান-বিলাকৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছিল। দ্বিতীয় পৰ্যায়ত (১৯৬৫-১৯৮০) কৃষিখণ্ডত নানা ধৰণৰ প্ৰযুক্তি-কৌশল প্ৰয়োগ কৰা হ'ল। ৰাজ্যসমূহে এই নীতি প্ৰয়োগৰ বাবে এ চি পি, এফ চি আই আৰু এন ডি ডি বি-ৰ দৰে আনুষ্ঠানিক প্ৰতিষ্ঠানৰ সৃষ্টি কৰিলে। সেয়ে, এই পৰ্যায়ত অৰ্থনৈতিক-প্ৰযুক্তিগত-প্ৰতিষ্ঠানিক নীতি উপাদানৰ পৰিপূৰ্ণ সন্মিলন ঘটিছিল। তৃতীয় পৰ্যায়ত এইচ ৱাই ভি প্ৰযুক্তিৰ প্ৰসাৰে কৃষি উন্নয়নৰ নিৰৱচ্ছিন্নতা নিশ্চিত কৰিলে। হ'লেও, এই পৰ্যায়ত নতুন প্ৰযুক্তি কৌশল কামত খটুওৱা হোৱা নাছিল। ফলস্বৰূপে এই পৰ্যায়ত গুৰুত্ব দিয়া হৈছিল মাহজাতীয় শস্য আৰু খোৱাতেল— কাৰ্যকৰী প্ৰযত্নৰ অবিহনেও কেৱল ৰাজ্যসমূহৰ উদ্যোগতে এই দুবিধ খাদ্যশস্যৰ উৎপাদন অপৰ্যাপ্ত পৰিমাণে হৈছিল। ১৯৯০ চনৰ মাজভাগৰ পৰা যেতিয়া খোৱাতেলৰ ক্ষেত্ৰত ৰাজ্যৰ সমৰ্থন নোহোৱা হ'ল, উৎপাদন স্তিমিত হৈ পৰিল। সেউজ বিপ্লৱৰ অঞ্চলসমূহত, ১৯৬০ চনৰ পৰা যিবিলাক অঞ্চল প্ৰাৰম্ভিকভাৱে ৰাজ্যৰ সমৰ্থনৰ বাবে লাভজনক ফলাফল প্ৰদৰ্শন কৰিছিল কেন্দ্ৰীয় চৰকাৰৰ ধাৰাবাহিক সমৰ্থনৰ বাবে তেওঁলোকৰ ভূমিকা অব্যাহত থাকিল। ফলত কৃষিখণ্ডৰ ৰাজহুৱা বিনিয়োগ নিম্নগামী হ'ল; খাদ্যদ্ৰব্য, সাৰ, শক্তি আৰু জলসিঞ্চনে প্ৰতিপোষকতা লাভ কৰিলে। এনেধৰণৰ ৰাজহুৱা বিনিয়োগৰ হিত তৎকালীন ব্যয়ৰ বাবে ১৯৯০ চনৰ পৰা উন্নয়ন ক্ৰমান্বয়ে নিম্নগামী হৈ আহিল আৰু ১৯৯৭ চনত অৱশেষত ঘাই বিপৰ্যয়টো আহি পৰিল।

ক্ৰমান্বয়ে পৰি অহা ৰাজহুৱা বিনিয়োগ আৰু খাদ্যদ্ৰব্যত অৰ্থনৈতিক মূল্যায়নৰ যত্নৰ ব্যৰ্থতাৰ বাবে সৃষ্টি বিতৰ্ক আৰু জনপ্ৰিয় আলাপ-আলোচনাই নীতিৰ ক্ষেত্ৰত শুধৰণিৰ ভূমিকা গ্ৰহণ কৰিলে। নাগৰিক সমাজ আৰু গণমাধ্যমে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। আৰ কে ভি ৱাই, এন এফ এছ এম আৰু এন এফ এছ এ আঁচনি এনে বিতৰ্ক, আলাপ-আলোচনাৰেই ফল। এই প্ৰকল্পবিলাকে কৃষিখণ্ডত কৃষকৰ বাবে লাভজনক কৰি প্ৰয়োজনীয় প্ৰতিষ্ঠানিক আৰু নীতিৰ

**(৩০ পৃষ্ঠাত চাওক)**

# কাৰ্য সাধনৰ সুস্থ আৰু গতিশীল ব্যৱস্থাৰ বিচাৰধাৰা

**অজয় শ্বাহ***

আজিকালি ভাৰতত কাৰ্য ৰূপায়ণৰ বাবে যিবোৰ ব্যৱস্থা গ্ৰহণ কৰা হয় সেইবোৰ সঠিকভাৱে আগনবঢ়াৰ বাবে যথেষ্ট চিন্তাৰ উদ্ৰেক হয়। পিছে তেনে কামবোৰৰ উদ্দেশ্য আৰু ৰূপায়ণৰ মাজৰ প্ৰভেদখিনি চোৱা প্ৰয়োজন। তাৰ পাছতহে সিদ্ধান্তলৈ অহা দৰকাৰ। অনেকেই হয়তো কিছুমান পদক্ষেপ গ্ৰহণ কৰা বা নকৰা সম্পৰ্কে সন্মত নহ'বও পাৰে। এনৰেগা আঁচনি ৰূপায়ণ কৰাটো উপকাৰী হয় নে নহয়, কিম্বা মূলধনী পুঁজিৰ নিয়ন্ত্ৰণ পদ্ধতি অথবা বৈদ্যুতিন মাধ্যমৰ ওপৰত চেঞ্চৰ ব্যৱস্থা অথবা ৰাস্তা আলোকিত-কৰণ কৰা আদি বিষয় আহি পৰে। কিন্তু এইবোৰ উদ্দেশ্যৰ প্ৰতিটোৰেই কিমান যথাৰ্থতা আছে তালৈ গভীৰভাৱে আলোকপাত নকৰি আমি মানি ল'ব পাৰো যে এইবোৰৰ ইতিবাচক দিশ নিশ্চয় আছে আৰু সেয়ে তেনে উদ্দেশ্যসমূহৰ ইপ্সিত ফল প্ৰাপ্ত কৰিবলৈ আমাৰ সামৰ্থ্য থকা উচিত।

পূৰ্বৰ দশকবোৰত নিয়ন্ত্ৰণ উঠাই লোৱা, অনুজ্ঞা-পত্ৰ প্ৰদান পদ্ধতি সলনি কৰা আৰু ঔদ্যোগিক নীতিৰ অৱসান ঘটোৱাৰ সন্দৰ্ভত অনেক আলোকপাত কৰা হৈছিল। কি উদ্যোগ বা প্ৰযুক্তি ভাল হ'ব তাক চৰকাৰে ঠিক কৰিহে তেনে নীতিৰ কথা ভবা হৈছিল। ত্ৰুটীমূলক উদ্দেশ্যৰ প্ৰতি আগবঢ়া তেনে দৃষ্টিভঙ্গী পৰিহাৰ কৰাটো বাস্তৱিকতেই প্ৰয়োজনীয় বিষয়। এতিয়া কিন্তু নিয়ামক ব্যৱস্থা ৰহিত কৰাটোৰেই (ডিৰেগুলেচন) অথবা আইন উচ্ছেদ কিম্বা চলি থকা চৰকাৰী সংগঠন বন্ধ কৰা কাগজ-কলমৰ সংস্কাৰ চিহ্নই প্ৰত্যাহ্বানৰ বিষয় নহয়। কাৰণ তেনেবোৰ বিষয়ত চৰকাৰৰ কৰণীয় কামো আছে। সুৰক্ষা সাধনৰ দৰে মূল ৰাজহুৱা স্বাৰ্থৰ কল্যাণৰ ক্ষেত্ৰত চৰকাৰে ভূমিকা গ্ৰহণ নকৰাকৈ থাকিব নোৱাৰে। তেনেদৰে দেশখনেহে অপৰাধ ৰোধৰ ন্যায় পদ্ধতি, প্ৰতিৰক্ষা শক্তি আৰু আন্তৰ্জাতিক সম্পৰ্ক সাধনৰ কাম গঢ়ি তুলিব পাৰে। তেনেদৰে বহিঃ বিপণনৰ অপাৰগতা সমস্যাও সমাধান কৰিব পাৰে। বজাৰবোৰক শক্তিশালী কৰাৰ ক্ষেত্ৰত আহি পৰা সমস্যাও দূৰ কৰিব পাৰে। এই সকলোবোৰৰ ক্ষেত্ৰত উপযুক্ত ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰয়োজন। প্ৰতিখন সভ্য দেশতেই এইবোৰ কাম সাধন কৰা উপযুক্ত ব্যৱস্থা আছে। তেনে কাৰ্য সাধনত নাগৰিকসকলৰ স্বাধীনতাত হস্তক্ষেপ নকৰাকৈ আগবাঢ়ি যায়। দেশখনৰ ক্ষমতাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বান হ'ল ব্যয়ৰাশিক উপযুক্তভাৱে ৰাইজৰ কল্যাণৰ বাবে কামত লগোৱা আৰু তেনে কৰিবলৈ যাওঁতে অনিচ্ছাকৃত পৰিণামৰ পৰা হাত সাৰি থকা।

চৰকাৰে কি কৰা উচিত সেই সম্পৰ্কে ভাৰতৰ যথেষ্ট সূক্ষ্ম বিচাৰধাৰা আছে আৰু নীতিৰ বিষয়েও যথেষ্ট আলোচনা কৰা হয়। কাৰ্য ব্যৱস্থা গ্ৰহণৰ ক্ষমতাও আছে যাৰ দ্বাৰা উদ্দেশ্য তথা সম্পদৰাজিক সুফলৰ স্তৰলৈ ৰূপান্তৰ সাধন কৰিব পাৰি। প্ৰিটচেট-এ ক'বৰ দৰে "ভাৰত বৰ্তমানে এনে ৰাষ্ট্ৰত উপনীত হৈছে যাৰ আগশাৰীৰ প্ৰতিষ্ঠানবোৰ সুস্থ আৰু কৰ্মক্ষম হৈ আছে; কিন্তু মই এইটোও ক'ম যে সেই গতিধাৰাৰ তাৰ বিভিন্ন শাখা-প্ৰশাখালৈ নিৰ্ভৰযোগ্যভাৱে সংযোজন ঘটা নাই।" সেয়ে নীতিৰ ক্ষেত্ৰত যি আলোচনা-বিলোচনা হয় তাত অংশগ্ৰহণ কৰা সকলোৰেই কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত যি অভাৱ আছে সেইবোৰ দূৰ কৰিব যে লাগে তাক মানি লোৱা উচিত। কাৰণ তেনে দৈন্যই ৰাষ্ট্ৰযন্ত্ৰক আক্ৰান্ত কৰে।

উদাহৰণ স্বৰূপে আন্তঃগাঁথনিৰ ক্ষেত্ৰখনৰ কথাই ধৰা যাওক। আগতে এই ক্ষেত্ৰত যি তৰ্কৰ অৱতাৰণা কৰা হৈছিল সেয়া আছিল আন্তঃগাঁথনি সেৱাৰ চৰকাৰী বনাম বেচৰকাৰী উৎপাদনৰ বিষয়ে। আন্তঃগাঁথনিৰ প্ৰয়োজনীয় দিশবোৰ গঢ় দি বেচৰকাৰী ফাৰ্মসমূহৰ দ্বাৰা চলাব পাৰি। কিন্তু ইয়াৰ ইপ্সিত ফলাফল প্ৰাপ্ত কৰিব পৰা যায় যদিহে চৰকাৰে পৰিকল্পনাৰ কাম-কাজ, ঠিকা, চুক্তি আৰু নিয়ামক ব্যৱস্থাৰ ক্ষেত্ৰত সমুচিত ব্যৱস্থা লয়। যিবোৰ সমস্যাই

*অজয় শ্বাহ নতুন দিল্লীস্থিত এন আই পি এফ পি-ৰ মেক্ৰ' বিত্তীয় গ্ৰুপৰ সহ নেতৃত্বত আছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ ইন্দিৰা গান্ধী ইন্সটিটিউট ফ'ৰ ডেভলপমেণ্ট ৰিৰ্ছাচৰ ভাৰতীয় অৰ্থনীতি মণিটৰিং চেণ্টাৰতো তেওঁ সেৱা আগবঢ়াই আছে

দেখা দিয়ে তাক এৰাই চলাৰ উপায় নাই। সেইবোৰ সমস্যা সমাধান কৰিবই লাগিব— যদিহে আন্তঃগাঁথনিৰ কাৰণে যুগুতাই উলিওৱা আঁচনিবোৰ ৰূপায়ণ কৰিব লাগে। বেচৰকাৰী ফাৰ্মসমূহক সঠিকভাৱে চলাবৰ বাবে সুস্থ পদ্ধতিৰ ঠিকা আৰু প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে তেনে ফাৰ্মবোৰক ভৱিষ্যতৰ কাৰণে নিয়ামক ব্যৱস্থাৰ অধীনলৈ অনাৰ প্ৰয়োজন হ'ব। এনে বিষয়বোৰৰ প্ৰতি মন দিয়া নহয় আৰু সেয়ে এতিয়াৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত যিমানবোৰ সমস্যাই দেখা দিয়ে তাৰ প্ৰায়ভাগেই পৰিকল্পনা, ঠিকা আৰু নিয়ামক ব্যৱস্থাৰ অভাৱৰ কাৰণেই হয়। এই তিনি ব্যৱস্থাৰ অনিশ্চয়তাৰ বাদেও আন এটা বিষয় হ'ল চৰকাৰী-বেচৰকাৰী অংশীদাৰিত্বৰ চুক্তি ব্যৱস্থা। এই ব্যৱস্থা পূৰ্বৰ ৰাজ্য-কেন্দ্ৰিক দৃষ্টিভঙ্গীতকৈ বেয়া।

বহু লোকেই মানি লয় যে কণী আৰু মাংসৰ যোগান চক্ৰত থকা উপৰুৱা ব্যৱস্থাক চৰকাৰে উচ্ছেদ কৰিব লাগে। কিন্তু এবাৰ এনে উদ্দেশ্যত সন্মতি দান কৰি উপযুক্ত ব্যৱস্থাৰ দিহা কৰিলে প্ৰশ্নৰ বিষয় হ'ব কেনেকৈ তাক সংগঠিত কৰি কাৰ্য সাধন কৰিব পৰা যাব আৰু সম্পদৰাজিৰ সুফল প্ৰাপ্ত কৰা হ'ব। এয়া হ'ল সম্প্ৰতি আমাৰ দেশৰ এক অনুকূল অৱস্থা। এই প্ৰবন্ধটোত দেশখনৰ ক্ষমতাক কেনেদৰে গঢ়-গঠন দিব পৰা যায় সেই বিষয়ে আমাৰ কিছু মত প্ৰকাশ কৰিছো।

**কাৰ্য সাধনৰ প্ৰেৰণা ঃ**

সহজ কথাত ক'বলৈ গ'লে প্ৰতিটো সংগঠনকেই নেতৃত্ব দানৰ অধিকাৰী ৰূপে চোৱা হয়; আৰু সেই নেতৃত্ব গুণৰ বাবেই কোনো বিশেষ উদ্দেশ্য সাধন কৰিবৰ বাবে কিছু পৰিমাণৰ সম্পদ ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত দুটা পৰীক্ষাৰ বিষয় নিহিত থাকে; যেতিয়া সেই বিষয়ত সন্তুষ্ট হয় তেতিয়া সংগঠনটোৱে কাৰ্য সাধন কৰিব। পৰীক্ষাৰ দুটা বিষয় হ'ল— (১) সম্পদৰাজি যিদৰে ব্যৱহাৰ কৰা হয় তাৰ ওপৰত সংগঠনটোৰ নেতৃত্বৰ পূৰ্ণ নিয়ন্ত্ৰণ আছে নে? (২) নেতৃত্বত থকা সংগঠনটো জবাবদিহি হয়নে?

সংগঠনটোৰ নিয়ন্ত্ৰণত থকা দায়বদ্ধ চিন্তাধাৰাৰ নেতৃত্বই বিফলতা দূৰ কৰিবলৈ সঁহাৰি জনাব আৰু ইপ্সিত সুফল প্ৰাপ্ত কৰিবৰ বাবে কেনেদৰে কাম কৰিব লাগিব সেই সন্দৰ্ভত পৰিৱৰ্তন সাধন কৰিব। ইয়েই দায়বদ্ধতা আৰু কাৰ্যকৰণৰ স্বতন্ত্ৰতাৰ উন্মেষ সাধনত প্ৰেৰণা যোগায়।

**নিৰ্বাচন, ন্যায়িক ব্যৱস্থাৰ জৰিয়তে উত্তৰদায়িতা**

প্ৰত্যেক গণতন্ত্ৰৰ ভাল কাম-কাজ কৰাৰ ক্ষেত্ৰত উত্তৰদায়িতাৰ "এক দীঘলীয়া পথ" আছে আৰু ইয়াক নিৰ্বাচন, বিধান আৰু ন্যায়িক ব্যৱস্থাৰ জৰিয়তে কৰা হয়। সাধাৰণ নিৰ্বাচনৰ ক্ষেত্ৰত শাসকীয় প্ৰশাসনৰ দায়িত্ব থাকে। দুৰ্বল ব্যৱস্থা হ'লে এটা মন্ত্ৰণালয়ৰ কাম-কাজে মন্ত্ৰীৰ চাকৰিৰ নিৰাপত্তা আক্ৰান্ত কৰে। বিধানিক ব্যৱস্থাই কাৰ্যবাহীৰ ওপৰত বাধা দান কৰে আৰু ভাৰসাম্যও বজাই ৰাখে। ন্যায়িক ব্যৱস্থাই নিয়মৰ বাহিৰত যোৱাৰ ক্ষেত্ৰত বাধা দান কৰে।

অৰশ্যে "উত্তৰদায়িতাৰ এই দীৰ্ঘ পথ" হ'ল উত্তৰদায়িতাৰ এক সুপ্ত আকাৰ। এটা মন্ত্ৰণালয় বা ৰাজহুৱা সংস্থাত কাম কৰা ব্যক্তিসকলে আগন্তুক সাধাৰণ নিৰ্বাচন বা সংসদৰ পৰা প্ৰায় কম হেঁচাহে অনুভৱ কৰে। যেতিয়ালৈকে আইনবোৰ উলংঘা কৰা নহয় তেতিয়ালৈকে ন্যায়িক ব্যৱস্থাৰ সততা আছে বুলি ক'ব পাৰি।

বিধান মণ্ডল আৰু ন্যায়িক ব্যৱস্থাৰ কাম-কাজৰ উন্নতি সাধনে নিঃসন্দেহে উত্তৰদায়িতাৰ গুণগত দিশৰো উন্নতি সাধিব আৰু ফলস্বৰূপে ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধি পাব। এই প্ৰৱন্ধটোত বিধান ব্যৱস্থা আৰু ন্যায়পালিকাৰ কাম-কাজ সম্পৰ্কে ক'বলৈ লোৱা হৈছে আৰু ৰাজহুৱা প্ৰশাসনৰ কৌশলৰ ওপৰত আলোকপাত কৰা হৈছে— যি কাৰ্য সম্পাদনৰ ক্ষেত্ৰত অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰে। এই সম্পৰ্কীয় ভাবধাৰা বিধান মণ্ডল, কাৰ্যবাহী আৰু ন্যায়-পালিকাৰ বাবে মূল্যবান হ'ব পাৰে।

**ভূমিকা আৰু কাম-কাজৰ ক্ষেত্ৰত সূত্ৰসমূহ**

দায়বদ্ধ ব্যৱস্থাৰ উন্নতি সাধনৰ অৰ্থে সমস্যা বিশেষৰ ক্ষেত্ৰত যি বিবৃতি জাৰি কৰা হয় তাক নিশ্চয়েই আমি অধিক অৰ্থবহ কৰি তুলিব লাগিব। উদাহৰণ স্বৰূপে এনে সমস্যা সংক্ৰান্তীয় এষাৰ কথাই ধৰা যাওক। সেয়া হ'ল— "অভিযান্ত্ৰিক বৈশিষ্ট্যৰে সমৃদ্ধ বিশুদ্ধ আৰু সমান চাপত ২৪ ঘণ্টা পানীৰ যোগান ধৰক।" এইটো সম্ভৱ হ'ব ঘাই যোগান ধৰোঁতাৰ পৰা (অৰ্থাৎ চৰকাৰ) এজেন্টক বান্ধি দিয়া চুক্তি অনুযায়ী। তাৰ পাছত সেই এজেন্টৰ পৰৱৰ্তী নিৰ্বাচন জিকাৰ ক্ষেত্ৰত কোনো আগ্ৰহ নাথাকিব। ইয়াৰ আলোকপাতৰ বিষয় হ'ব আন সমস্যাৰ ওপৰত আৰু তাক চৰকাৰে দিয়া চুক্তিত উল্লেখ কৰা হৈছে। সেয়ে এটা সমস্যা সমাধানৰ বাবে উক্ত এজেন্টক উত্তৰদায়ী কৰা হৈছে।

ৰাজহুৱা সংস্থাই ভাল কাম কৰে যেতিয়া পৰিষ্কাৰভাৱে সমস্যাৰ সমাধানৰ

বিষয় উল্লেখ থাকে। উদাহৰণ স্বৰূপে এটা কেন্দ্ৰীয় বেংকক এক মুদ্ৰাস্ফীতি লক্ষ্যৰ আগত ৰাখি সেৱা আগবঢ়াবলৈ সংগঠিত কৰিব পাৰি। সেই সংস্থা অৰ্থাৎ কেন্দ্ৰীয় বেংকটোক ৪% চি পি আই মুদ্ৰাস্ফীতিৰ লক্ষ্য দিয়া হয় আৰু লগতে অপাৰগ হ'লে কিছু বাধ্যবাধকতাও বান্ধি দিয়া হয়। এনে কৰাৰ ফলত উত্তৰ-দায়িতা বৃদ্ধি পায়। কিন্তু ইয়াৰ বিপৰীতে যদি কেন্দ্ৰীয় বেংকৰ উদ্দেশ্য হতাশ-জনক হয় তেনেহ'লে ই অপাৰগতাৰ পৰিৱেশ সৃষ্টি কৰিব।

ব্যৱস্থাপনাৰ মূল সূত্ৰ হ'ল তাত নিশ্চয়েই এক লক্ষ্য থাকিব লাগিব আৰু যি কাম কৰা হয় তাৰো লেখ ল'ব লাগিব তথা তেনে কামৰ সফলতাই হওক বা বিফলতাই হওক এক নিৰ্দিষ্ট পৰিণাম থকা দৰকাৰ। চৰকাৰৰ প্ৰধান গাঁথনিৰ ভিতৰত ই অন্তৰ্নিহিত হৈ থাকে। কিন্তু ইয়াক চিহ্নিত কৰিবৰ বাবে কৌশলাত্মক দিশবোৰ চোৱা প্ৰয়োজন আৰু তেনে প্ৰক্ৰিয়াত আন সমস্যাবোৰো দৃষ্টিগোচৰ হ'ব পাৰে। পিছে চুক্তি সাধনৰ ক্ষেত্ৰত এটা এজেন্টৰ প্ৰতিহে চোৱাৰ আৱশ্যক হয়। তেনে এজেন্ট বেচৰকাৰী ফাৰ্ম কিম্বা ৰাজহুৱা সংগঠনো হ'ব পাৰে। এনে কৰিলে সমস্যা উদ্ভৱ হোৱাৰ কম সম্ভাৱনা থাকে। কেবাটাও এজেন্টক সামৰি ল'লে বিষয়বোৰ জটিল হৈ উঠিব আৰু তেতিয়া উত্তৰদায়িতাৰ পথো দীঘলীয়া হ'ব।

বাস্তৱ ক্ষেত্ৰত ৰাজনীতি হ'ল এনে এক ক্ষেত্ৰ য'ত জটিলতা, অস্পষ্টতা আৰু ইটোৰ লগত সিটোৰ মিল নথকা উদ্দেশ্যৰাজিৰে ভাৰাক্ৰান্ত হয়। সঠিক উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰা সহজ নহয়। চৰকাৰৰ বিভাগবোৰত ৰাজহুৱা প্ৰশাসনৰ কাম আচ্ছন্ন কুঁৱলীৰ মাজেৰে আগবাঢ়ে আৰু সময়ত তাত অনেক সমস্যা সাঙোৰ খাই পৰে। মূল কৰ্ম গাঁথনিৰ ভিতৰত তেনেবোৰ বিষয় সমাধান কৰাৰ সম্ভাৱনা কম থাকে। ফলস্বৰূপে আশানুৰূপ সুফল পাব পৰা নাযায়।

আন্তৰ্জাতিক আলোচনাত এইটো পৰিষ্কাৰ হৈ উঠিছে যে ঠিকা বা চুক্তি প্ৰদান কাৰ্য দায়বদ্ধতাৰ দিশৰ পৰা বেচ ভাল। ভাৰততো এনে কাৰ্যৰ ফল ভাল, কিয়নো মানৱ সম্পদ আৰু ব্যৱস্থাপনাৰ সা-সুবিধা আছে আৰু যি সমস্যা আহি পৰে তাক বহিঃ সংগঠনসমূহেৰে লাঘৱ কৰিব পাৰি— তেহেলৈ সেয়া ৰাজহুৱা খণ্ডই হওক অথবা ব্যক্তিগত খণ্ডই হওক।

## চুক্তিৰ পূৰ্বে ৰাজনৈতিক বিবেচনা

এজেন্টে (ৰাজহুৱা সংগঠন বা ব্যক্তিগত প্ৰতিষ্ঠান) কাৰ্য সাধন কৰিব লাগে বুলি চৰকাৰে যেতিয়া স্পষ্ট উদ্দেশ্যৰ কথা উল্লেখ কৰে তেনেস্থলত সেই উদ্দেশ্যক সঠিকভাৱে নিৰ্ণয় কৰাৰ পূৰ্বে ৰাজনৈতিক বিবেচনা বিষয়ৰ প্ৰতিও ধ্যান দিব লাগে।

উদাহৰণ স্বৰূপে ক'বলৈ গ'লে ঘাইপথ পদ্ধতিৰ আঁচনি যুগুতোৱাৰ ক্ষেত্ৰত ৰাজনৈতিক বিবেচনা এক ন্যায়সঙ্গত বিবেচনা। এই কাৰণতেই কোনবোৰ ঘাইপথ নিৰ্মাণ কৰিব লাগে তাৰ পৰিকল্পনাৰ কামখিনিৰ সবিশেষ ৰাজনৈতিক নিয়ন্ত্ৰণ ব্যৱস্থাৰ আগত দাখিল কৰা উচিত। আৰু এই ৰাজনৈতিক নিয়ন্ত্ৰণ সংস্থা হ'ল মন্ত্ৰণালয়।

মুম্বাইৰ পৰা কলকাতালৈ এটা এক্সপ্ৰেছ ঘাইপথ নিৰ্মাণ কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিলে এই কাম নেচনেল হাইৱে আথ'ৰিটি অব ইণ্ডিয়াৰ দৰে ৰাজহুৱা সংস্থাক অৰ্পণ কৰিব পাৰে। এই সংস্থাটোৱে ঠিকাৰ ব্যৱস্থা কৰি ঘাইপথ নিৰ্মাণ কৰিব পৰা এটা বেচৰকাৰী ফাৰ্মক প্ৰদান কৰিব পাৰে।

যদি এজেন্টক এক ৰাজনৈতিক উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰা হয়, অৰ্থাৎ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক কি কি ঘাইপথ নিৰ্মাণ কৰিব লাগিব সেই সম্বন্ধে বাচনিৰ কাম দিয়া হয় তেনেহ'লে এনে কাৰ্যই পৰিচালনা ব্যৱস্থাত অন্তৰ্দ্বন্দ্ব সৃষ্টি কৰিব আৰু উত্তৰদায়িতাৰ মহত্বকো ম্লান কৰিব। ৰাজনীতিকসকলে এজেন্টৰ কামত হস্তক্ষেপ কৰিব। তেতিয়া উত্তৰদায়িতা হেৰাই যাব, কিয়নো এজেন্টৰ দায়িত্বত থকাসকলে ক'ব পাৰিব যে তেওঁলোকৰ কাম ৰাজনৈতিক হস্তক্ষেপে প্ৰভাৱান্বিত কৰিছে।

ৰাজনৈতিক উদ্দেশ্য বা লক্ষ্য সাধনত জনগণৰ নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা কৰা সিদ্ধান্তৰ প্ৰয়োজন। ৰাজনীতিকসকল বিভিন্ন স্বাৰ্থৰ গোটসমূহৰ ভাষ্য শুনাৰ উপযুক্ত আৰু ৰাজনৈতিক সিদ্ধান্তও তেওঁলোকে গ্ৰহণ পাৰে; কিয়নো তেওঁলোকেই নিৰ্বাচনত জবাবদিহি ব্যক্তি। আৰু তেনে সিদ্ধান্তবোৰ কেবিনেটৰ নিকটতেই লোৱা উচিত তথা সাধাৰণতে এইবোৰ চুক্তি সাধনৰ সময়ত জাহিৰ কৰিব নালাগে। যিবোৰ সমস্যাৰ বিষয় ৰাজহুৱা সংস্থা বা ব্যক্তিগত ফাৰ্মক চুক্তিবদ্ধ কৰাৰ সময়ত দিয়া হয় সেইবোৰ স্পষ্টভাৱে উল্লেখ কৰা উচিত আৰু কাৰ্যত পৰিণত কৰিবৰ কাৰণে সেই উদ্দেশ্য ৰূপান্তৰ-কৰণত কেৱল কাৰিকৰী বিষয়-সমূহৰ ক্ষেত্ৰতহে সীমাৱদ্ধ থাকিব লাগে। আমোলা আৰু কাৰিকৰী বিশেষজ্ঞ-সকলে ৰাজনীতিৰ ক্ষেত্ৰখনত হাত দিয়া অনুচিত। শ্ৰীকৃষ্ণাত এক কৌশলাত্মক বিষয়ৰ উদাহৰণ পোৱা যায়। তাত চৰকাৰৰ সৈতে ৰাজনৈতিক কাম-কাজৰ দিশ সাঙোৰ খাই থকাৰ উমান পোৱা যায়। স্বতন্ত্ৰভাৱে কাম-কাজ কৰা নিয়ামক ব্যৱস্থাৰ দায়িত্বত থকাসকলৰ সৈতে তেনে ঘটা নাই।

**আইনৰ শাসনৰ বাবে সঠিক উদ্দেশ্যৰ প্ৰয়োজন**

এক সামন্তবাদী পৰিৱেশত বিভিন্ন স্বাৰ্থজড়িত গোটে সহায় লাভ কৰিবৰ বাবে শাসনত অধিষ্ঠিতসকলৰ সৈতে হাত মিলাবলৈ বিচাৰে। তেনে শাসনৰ ক্ষমতাৰ সীমা নাথাকে। অৱশ্যে শাসন যন্ত্ৰৰ গাঁথনিত উদ্দেশ্য সন্দৰ্ভত নিজৰববীয়া মতত অটল থকাৰ অধিকাৰ আছে; সেয়ে ৰাষ্ট্ৰৰ ক্ষমতা প্ৰয়োগ কৰা সন্দৰ্ভত চাব লগা হয়। এনে ধৰণৰ কাৰ্যৰ বিষয়ে ক'বলৈ গ'লে খাপ পঞ্চায়তৰ কথাকেই ধৰা যাওক। এজন ব্যক্তি গাঁৱৰ ক্ষমতাশালী বয়োজ্যেষ্ঠ-সকলৰ খাপ পঞ্চায়তলৈ এটা দাবী লৈ যায়। সেই খাপ পঞ্চায়তে লোকজনক সহায় কৰিবৰ বাবে নিজৰ ক্ষমতা প্ৰয়োগ কৰিব নে নাই সেইটো বাছি লয়।

কিছুমান প্ৰতিপাদ্য বিষয়ৰ পৰা ৰাজনীতিক আৰু আমোলাসকলক নিজ স্বাৰ্থ বজাই ৰখা নায়কৰূপে আমি চাওঁ। য'ত উদ্দেশ্য আৰু ক্ষমতাৰ অস্পষ্টতা থাকে সেইটোৱে অকাৰ্য সাধনৰ মঞ্চহে গঢ়ি তোলে আৰু তাৰ সুবিধা লৈয়েই অৰ্থাৎ অস্পষ্টতাক নিজ উদ্দেশ্য সাধন কৰিবলৈ ব্যৱহাৰ কৰা হয়। এজন জমিদাৰী মালিকে আনৰ স্বাৰ্থতকৈ নিজৰ স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈহে কামত ন্যস্ত হয়।

উদাহৰণ স্বৰূপে ক'বলৈ গ'লে যেতিয়া কোনো এটা ফাৰ্ম অথবা উদ্যোগ প্ৰতিযোগিতাৰ সন্মুখীন হয় তেতিয়া এইটো সাধাৰণ কথা যে আমাৰ দেশত তেনে ফাৰ্ম বা উদ্যোগ প্ৰতিষ্ঠানে সহায়ৰ বাবে চৰকাৰ কিম্বা নিয়ামক অধিকাৰীৰ ওচৰ চাপে। বন্ধুক সহায় কৰাৰ প্ৰৱণতা অথবা ক্ষমতাশালী লোকক সহায় কৰি আই অ' ইউ লাভ কৰাৰ অনুভূতি প্ৰত্যেকৰে আছে। সততেই বেয়া অৱস্থাত চলা উদ্যোগৰ কাৰণে কিম্বা নতুন প্ৰযুক্তিৰ আবিৰ্ভাৱৰ ফলত জীৱন কঠিন কৰি তোলাৰ বাবে নিয়ম-নীতিত কিছু ৰেহাই দি সহায়ৰ হাত আগবঢ়োৱা হয়। এইবোৰ হ'ল সামন্তবাদী পদ্ধতি আৰু ইতিমধ্যে উল্লেখ কৰা আনটো হ'ল খাপ পঞ্চায়তৰ কাৰ্যকৰণৰ ব্যৱস্থা। ই প্ৰতিযোগিতামূলক বজাৰৰ কাম-কাজত হস্তক্ষেপ কৰে। আধুনিক ভাৰতত ইয়াৰ স্থান নাই।

আইনৰ শাসনৰ অত্যাৱশ্যকীয় বৈশিষ্ট্য হ'ল ৰাজহুৱা প্ৰশাসন গাঁথনি গঢ়ি তোলা যাৰ জৰিয়তে এজন আবেদনকাৰীক সহায় কৰাৰ ক্ষেত্ৰত পোনপটীয়া ব্যৱস্থা গ্ৰহণ কৰা। অন্যভাৱে থকা কাৰ্যবাহীৰ অধিকাৰক আঁতৰাই পেলোৱা। ইয়াৰ বাবে প্ৰয়োজন ভালদৰে যুগুতোৱা আইনৰ নতুন প্ৰভাৱ। এই আইনত থাকিব লাগিব সঠিক উদ্দেশ্য; সেই উদ্দেশ্য প্ৰাপ্ত কৰিবৰ বাবে যিমান কমকৈ পৰা হয় সিমানখিনিহে অধিকৃত ক্ষমতা প্ৰদান কৰিব লাগে।

এইখিনিতে এছ ই বি আই, চমুকৈ ছেবি আইনৰ ১১খ ধাৰা মন কৰিব-লগীয়া। এক আচৰিত ধৰণৰ অস্পষ্ট উদ্দেশ্যৰ বাবে ক্ষমতা প্ৰদানৰ বৈশিষ্ট্যৰ পৰিচয় পোৱা যায়। সেয়া এনেধৰণৰ—

"... যদি তদন্ত কৰাৰ পাছত কিম্বা তদন্ত কৰিব লগা হোৱাৰ বাবে বোৰ্ডে সেয়া আৱশ্যক বুলি ভাবিলে কেইটামান কাৰণত তেনে নিৰ্দেশনা জাৰি কৰিব পাৰে। কাৰণকেইটা হ'ল— (১) বিনিয়োগকাৰীৰ স্বাৰ্থত কিম্বা চিকুৰিটি বজাৰৰ শৃংখলিত বিকাশ; নাইবা (২) বিনিয়োগকাৰী অথবা চিকুৰিটি বজাৰৰ স্বাৰ্থৰ পৰিপন্থীৰূপে ১২ ধাৰাত উল্লেখ কৰাৰ দৰে কোনো মধ্যস্থতাকাৰী কিম্বা আন ব্যক্তিৰ কাম-কাজ ৰোধ কৰা। সেই নিৰ্দেশনা এইসকললৈ জাৰি কৰিব পাৰে— (ক) ১২ ধাৰাত উল্লেখ থকা যিকোনো ব্যক্তি বা লোকসকল; অথবা (খ) চিকুৰিটিত বিনিয়োগ কৰা আৰু চিকুৰিটি বজাৰৰ স্বাৰ্থত যদি উপযুক্ত বুলি ভবা হয় তেনেহ'লে ১১ক ধাৰাত নিৰ্দিষ্ট কৰা বিষয়সমূহৰ ক্ষেত্ৰত যিকোনো কোম্পানীলৈও জাৰি কৰিব পাৰে।"

এই ধাৰাৰ জৰিয়তে ছেবিৰ পৰিচালক মণ্ডলীক "বিনিয়োগকাৰীৰ স্বাৰ্থৰ" অস্পষ্ট উদ্দেশ্যৰ প্ৰতি খোজ দিবলৈ ক্ষমতা দিয়া হৈছে। ৰাজহুৱা পছন্দৰ তত্বৰ সম্ভাৱনা অনুসৰি ছেবিয়ে নীতি-নিয়ম আৰু আদেশ লিখাত ১১খ ধাৰাক অধিকভাৱে ব্যৱহাৰ কৰে। ছেবি আইনৰ ১১খ-ৰ উপস্থিতিয়ে ছেবিৰ সামন্তীয় চিন্তাধাৰাক সমৰ্থন জনাইছে।

শ্ৰীকৃষ্ণাৰ আৰ্হিত ভালদৰে যুগুতোৱা আইনৰ এক নতুন ঢৌৰ প্ৰয়োজন হৈছে— যিটোৱে স্পষ্টভাৱে উদ্দেশ্যৰ কথা উল্লেখ কৰে আৰু সেইবোৰ উদ্দেশ্য প্ৰাপ্ত কৰিব পৰাকৈ কাৰ্যবাহীক নিম্নতম ক্ষমতা প্ৰদান কৰে তথা কাৰ্য সম্পাদনৰ ক্ষেত্ৰত কাৰ্যবাহীক জবাবদিহি কৰায়। এই প্ৰেক্ষাপটত আমূল পৰিৱৰ্তনৰ প্ৰয়োজন হৈছে। বিশাল ক্ষমতাৰে সজ্জিত সামন্তবাদী অধিকৰ্তাৰূপে কাৰ্যবাহীয়ে ভাবি লোৱাৰ পৰা আঁতৰাই আনি ভাল ফল ৰূপান্তৰ সাধনত উল্লিখিত উদ্দেশ্যবোৰক কাৰ্যত পৰিণকত কৰি উত্তৰদায়ীৰূপে চিন্তা কৰিবলৈ সক্ষম কৰি তোলা— যাতে এক ইতিবাচক দিশ প্ৰাপ্ত কৰিব পাৰি।

**চৰকাৰ আৰু ৰূপায়ণকাৰী সংস্থাৰ মাজত চুক্তি**

চুক্তি বা ঠিকাভিত্তিক কাৰ্য প্ৰদানৰ কাৰণে তিনিটা বিভিন্ন ব্যৱস্থা আছে—

(১) চৰকাৰ আৰু ৰূপায়ণকাৰী সংস্থাৰ চুক্তিৰ জৰিয়তে বেচৰকাৰী ফাৰ্মক কোনো এটা কাৰ্য সাধন কৰিবলৈ

ঠিকা দিয়া হয়। কাৰ্য সম্পাদন কৰা হয় ইণ্ডিয়ান কনট্ৰেক্ট আইন, ১৮৭২ৰ অধীনত।

(২) কাৰ্যবাহী আদেশৰ দ্বাৰা প্ৰতিষ্ঠাপিত ৰাজহুৱা সংস্থালৈ ঠিকা প্ৰদান।

(৩) আইনৰ দ্বাৰা প্ৰতিষ্ঠাপিত ৰাজহুৱা সংস্থালৈ ঠিকা প্ৰদান।

প্ৰতি ক্ষেত্ৰতে ন্যায়িক ব্যৱস্থা (ঠিকা, কাৰ্যবাহী আদেশ বা আইন) আছে। ইয়াত উল্লেখ কৰা সূত্ৰাৱলীয়ে এই ন্যায়িক ব্যৱস্থাৰ আকাৰ দিয়া উচিত।

**প্ৰতিটো ৰাজহুৱা সংস্থাৰ স্পষ্ট উদ্দেশ্য থাকিব লাগে**

ৰাজহুৱা সংস্থাৰ আগত সমস্যা বিশেষৰ আৰ্জি নিৰ্দিষ্টভাৱে দাঙি ধৰিলেই যথেষ্ট নহয়। তদুপৰি প্ৰতিটো এনে সংস্থাৰ উদ্দেশ্য সাধনৰ ক্ষেত্ৰতো স্পষ্টতা থাকিব লাগিব। আনকি যদি উপ-সমস্যা 'ক' আৰু 'খ'ক ভালদৰে উত্থাপিত কৰা হয় আৰু সেয়া একেটা সংগঠনতে থাকে তথাপি উত্তৰদায়িতাৰ ক্ষেত্ৰত হানি হোৱাৰ সম্ভাৱনা থাকে— যেতিয়া এই উপ-সমস্যাবোৰ মতবিৰোধ কিম্বা এটা উদ্দেশ্যই আনটোক প্ৰভাৱান্বিত কৰে। তেনে সংস্থাৰ কাৰণে এইটো ক'বলৈ সহজ হয় যে 'খ'ৰ উদ্দেশ্য পূৰণ কৰিবৰ বাবে লাগি থাকোতে 'ক'ৰ উদ্দেশ্য সাধন কৰিব পৰা নগ'ল। আৰু 'খ'ৰ অপাৰগতাৰ ক্ষেত্ৰত 'ক'ৰ উদ্দেশ্য সাধনত ন্যস্ত থাকিব লগা হয়।

দৃষ্টান্তৰূপে ক'বলৈ গ'লে ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াক মুদ্ৰা নীতিৰ উদ্দেশ্য পূৰণ কৰিবলৈ দিয়া হয়। চৰকাৰৰ কাৰণে বিনিয়োগৰ বেংকিং ব্যৱস্থাও কৰিবলৈ দিয়া হয়। বেংকিং নিয়ামক ব্যৱস্থাৰো দিহা কৰা হয়। পিছে এই ব্যৱস্থাবোৰ বিভিন্ন স্বাৰ্থৰ কবলত পৰে। বেংকিঙৰ নিয়ামক ব্যৱস্থা আৰু মুদ্ৰা নীতি অপব্যৱহাৰ কৰি বিনিয়োগৰ বেংকিং উদ্দেশ্য সাধন কৰাটো সম্ভৱ হয়। তেনেদৰে বেংকিং নিয়ামক ব্যৱস্থাৰ উদ্দেশ্য সাধন কৰাটো সম্ভৱ হয় মুদ্ৰা নীতি আৰু বিনিয়োগ বেংকিং পদ্ধতি অপব্যৱহাৰ কৰি। ফলস্বৰূপে এনে কাৰ্যই উত্তৰদায়িতাৰ মৰ্যাদা হেৰুওৱাৰ পথ প্ৰশস্ত কৰে। মুদ্ৰাস্ফীতি ৰোধৰ অপাৰগতাৰ ক্ষেত্ৰত আন উদ্দেশ্যৰ প্ৰতি ধ্যান দিওঁতে সময় উকলি গ'ল বুলিও ক'ব পৰা যায়।

তাৰ বিপৰীতে সমস্যা উদ্ভৱ হয় যেতিয়া বহুমুখী চৰকাৰী এজেন্সিবোৰক একে সমস্যা সমাধানৰ দায়িত্বত ৰখা হয়। ই আইন আৰু নিয়ামক ব্যৱস্থাৰ মাজত প্ৰভেদৰ বাট মুকলি কৰে, জবাবদিহি দিশক ম্লান কৰে আৰু ব্যক্তিগত খণ্ডৰ বাবে অধিক ন্যায়িক আশংকা সঞ্চাৰ কৰে। চৰকাৰৰ সাংগঠনিক গাঁথনিৰ সুস্থ গতি-প্ৰকৃতিৰে এই সমস্যা দূৰ কৰা আৱশ্যক।

কাজেই দুটা স্পষ্ট কাৰ্য ব্যৱস্থাৰ প্ৰয়োজন। চৰকাৰী স্তৰত জনকল্যাণৰ সামগ্ৰিক উদ্দেশ্য ৰূপান্তৰ সাধন কৰা আৰু বজাৰৰ ক্ষেত্ৰত দেখা দিয়া অপাৰগতাৰ সমস্যা দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা। অধিক দায়িত্বশীলতাৰে সংস্থাবিশেষৰ সৈতে চুক্তি কৰি সেইবোৰ সমস্যা সমাধান কৰা প্ৰয়োজন। প্ৰত্যেক এজেণ্ট অৰ্থাৎ ৰাজহুৱা সংস্থাৰ স্তৰত এটাতকৈও অধিক উদ্দেশ্য থাকিলে সংগঠনবিশেষৰ লক্ষ্য আৰু দায়িত্বক স্পষ্টভাৱে প্ৰতিষ্ঠা কৰাটো গুৰুত্বপূৰ্ণ কথা।

**ৰাজহুৱা সংস্থাৰ কাম-কাজত সু-প্ৰশাসনৰ মন্ত্ৰ প্ৰয়োগ**

বেচৰকাৰী খণ্ডত আমি জানো যে সুস্থ প্ৰশাসনৰ তিনিটা মূল সূত্ৰ থাকে। প্ৰথমটো হ'ল সকলো ক্ষমতা বোৰ্ডৰ ওপৰত ন্যস্ত থাকিব লাগে। বোৰ্ড এক শ্বো-পীচ অৰ্থাৎ মাথোন দৰ্শনীয় বিষয় হ'লেই নহ'ব, সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত বোৰ্ডতেই গ্ৰহণ কৰিব লাগিব। অংশীদাৰসকলে সংগঠনৰ কাম-কাজত হাত দিয়া উচিত নহয়। মাত্ৰ বোৰ্ডৰ নিযুক্তি সংক্ৰান্তীয় প্ৰক্ৰিয়া আৰু কাম-কাজৰ ক্ষেত্ৰতহে মাত মাতিব পাৰিব। দ্বিতীয়তঃ বোৰ্ডত সৰহভাগ স্বতন্ত্ৰীয়া সঞ্চালক থকা উচিত। বোৰ্ডৰ ভিতৰত কাম কৰা সকলৰ অধিক প্ৰভাৱ ৰোধ কৰিবৰ বাবেই প্ৰয়োজন; কাৰণ এওঁলোকৰ আলস্য ভাব তথা ভুল-ত্ৰুটী গাপ দি পেলোৱাৰ অভ্যাস থাকে। তৃতীয়তঃ বোৰ্ডে মিলি-জুলি কাম কৰিব লাগে। সৃষ্টি হোৱা বাদ-বিবাদবোৰ সমাধানাৰ্থে আনুষ্ঠানিকভাৱে মতামত গ্ৰহণ কৰিব লাগে।

ৰাজহুৱা সংস্থাৰ ক্ষেত্ৰতো এই সূত্ৰসমূহ সমানেই প্ৰাসঙ্গিক বিষয়। ৰাজহুৱা খণ্ডত ইয়াক অৱলম্বন কৰিব পাৰি। চাৰিটা নিয়ম কৰি গ্ৰহণ কৰিলে ভাল হয়।

ৰাজহুৱা সংস্থাৰ ক্ষেত্ৰতো এই সূত্ৰসমূহ সমানেই প্ৰাসঙ্গিক বিষয়। ৰাজহুৱা খণ্ডত ইয়াক অৱলম্বন কৰিব পাৰি। চাৰিটা নিয়ম কৰি গ্ৰহণ কৰিলে ভাল হয়।

(১) সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত বোৰ্ডতেই গ্ৰহণ কৰা উচিত। বোৰ্ডৰ অবিহনে আন কোনো ক্ষমতাৰ কেন্দ্ৰ থাকিব নালাগে। চৰকাৰে ৰাজহুৱা সংস্থাৰ কাম-কাজত হাত দিব নালাগে। মাত্ৰ নিযুক্তি প্ৰক্ৰিয়া আৰু চৰকাৰৰ মনোনীত বিষয়াৰ দ্বাৰা বোৰ্ডৰ আলোচনা গ্ৰহণ কৰা স্থিতিৰ ক্ষেত্ৰতহে মাত মাতিব পাৰে।

(২) প্ৰায় অৱস্থাতেই বোৰ্ডত স্বতন্ত্ৰীয়া বিশেষজ্ঞ অধিক থাকিলে তেনে ৰাজহুৱা সংস্থাৰ কামবোৰ ভাল হয়।

(৩) আনুষ্ঠানিক ভোটদান প্ৰক্ৰিয়াৰে সকলো সিদ্ধান্ত লোৱা উচিত আৰু মত দানৰ তথ্য ৰাজহুৱা কৰিব লাগে।

(৪) ৰাজহুৱা সংস্থাৰ বোৰ্ডে সম্পূৰ্ণ স্বচ্ছতাৰে কাম কৰা উচিত। (১) বোৰ্ডৰ বৈঠক হোৱাৰ কমেও এসপ্তাহৰ পূৰ্বে কাৰ্যক্ৰমণিকাৰ কাকত প্ৰকাশ কৰিব লাগে। (২) বোৰ্ডৰ বৈঠকৰ ভিডিঅ' (৩) বৈঠক অনুষ্ঠিত হোৱাৰ পাছতেই বৈঠকৰ সবিশেষ প্ৰকাশ।

এটা ৰাজহুৱা প্ৰতিষ্ঠানত এইবোৰ নীতি-নিয়মৰ প্ৰয়োগে চিন্তাধাৰা আৰু সিদ্ধান্ত নিৰ্ণয়ত অধিক বৰঙণি যোগাব। এনেধৰণৰ প্ৰেৰণাদায়ক শক্তি চৰকাৰী সংগঠনত কমেইহে পোৱা যায়। তদুপৰি চৰকাৰী বিভাগৰ দ্বাৰা ৰাজহুৱা প্ৰতিষ্ঠানৰ যি সমস্যাৰাজি এনে উপলব্ধিৰে সমাধান কৰা হ'ব সেয়া অন্যভাৱে সাধন কৰা কামতকৈ বহুগুণে ভাল হ'ব।

**ৰাজহুৱা প্ৰতিষ্ঠানৰ বাবে অধিক কৰ্মক্ষম ব্যৱস্থা**

ভাৰতত ৰাজহুৱা প্ৰতিষ্ঠানৰ কাম-কাজ সমাপন কৰা সা-সুবিধা আশানুৰূপ নহয়। মানৱ সম্পদ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত সীমাৱদ্ধতা থাকে। চুক্তি প্ৰদান পদ্ধতি আৰু বিত্তীয় নিয়ম-নীতিতো নিৰ্দিষ্ট গণ্ডীৰ মাজত কাম কৰিব লগা হয়। সেইবোৰৰ স্বতন্ত্ৰতাও কম এই অৰ্থত যে মন্ত্ৰণালয়বোৰে তাৰ কাম-কাজত হাত দিয়ে।

বৰ্তমান অৱস্থাত ৰাজহুৱা প্ৰতিষ্ঠানৰ কাৰ্যকৰণৰ গতিময় পৰিসৰ বিষয়টো বিতৰ্কজনক। এহাতে প্ৰতিষ্ঠানৰ নেতৃত্বই এই যুক্তি আগবঢ়ায় যে মুক্তভাৱে কাম কৰাৰ পৰিৱেশৰ অভাৱে তেওঁলোকৰ কাৰ্য সম্পাদনৰ সামৰ্থত বাধা জন্মায়। আনহাতে লক্ষ্য আৰু দায়িত্ব গ্ৰহণৰ ব্যৱস্থা পৰিষ্কাৰভাৱে নিৰ্দিষ্ট নকৰা পৰিৱেশত আৰু তাৰ লগতে যেন-তেন ধৰণৰ ক্ষমতা অৰ্পণে অনিৰ্বাচিত আমোলাসকলৰ হাতত কাৰ্যকৰণৰ স্বাধীনতা থাকিলে তাত আশংকাৰো কাৰণ নথকা নহয়। চাকৰিৰ নিৰাপত্তা নথকা এজন ব্যক্তিৰ নেতৃত্বাধীন এটা মন্ত্ৰণালয় আৰু চাকৰি হেৰুওৱাৰ আশংকা নথকা অনিৰ্বাচিত লোক এজনৰ নেতৃত্বত থকা ৰাজহুৱা প্ৰতিষ্ঠানৰ মাজত অনেক প্ৰভেদ আছে।

কোনো কোনোৱে এই যুক্তি আগবঢ়ায় যে মানৱ সম্পদ নীতিৰ ক্ষেত্ৰত কাৰ্যকৰণৰ শিথিলতাৰ অভাৱ আৰু চুক্তি-ভিত্তিক কাৰ্য ব্যৱস্থাই ৰাজনীতিকসকলক নিয়ন্ত্ৰণত ৰাখে। পিছে এই কথাও ক'ব লাগিব যে ক্ষমতাৰ অপব্যৱহাৰ সম্ভৱ হ'ব পাৰে উত্তৰদায়িতা গ্ৰহণ কৰাৰ মনোবৃত্তিৰ অভাৱৰ হেতু। যদি উদ্দেশ্য পৰিষ্কাৰ, ক্ষমতা নিয়ন্ত্ৰণাধীন হৈ থাকে আৰু উত্তৰদায়িতাৰ ব্যৱস্থা পৰ্যাপ্ত তেনেহ'লে কাৰ্যকৰণৰ গতিময় পৰিৱেশত সীমাবদ্ধতা আৰোপ কৰাৰ প্ৰয়োজন নহয়। উদাহৰণস্বৰূপে প্ৰতিযোগিতা-মূলক বজাৰত এটা ব্যক্তিগত প্ৰতিষ্ঠানক মুনাফা প্ৰাপ্ত কৰাৰ উদ্দেশ্যৰ দ্বাৰা উত্তৰদায়ী কৰি তোলা হয়। এই পৰিৱেশত কাৰ্যকৰণৰ স্বতন্ত্ৰতা যিমান অধিক হ'ব পাৰে তাত কোনো ক্ষতি সাধন হোৱাৰ সম্ভাৱনা নাথাকে। বৰং সেয়া উপযুক্ত পৰিৱেশহে।

কি বিষয়ৰ উদ্দেশ্যৰে আগবাঢ়ি যাব সেই সন্দৰ্ভত স্পষ্টতা, উত্তৰদায়িতাৰ ব্যৱস্থাৱলী, কাৰ্যকৰণত শিথিলতা আৰু স্বতন্ত্ৰতাৰ মাজত দৃঢ় সম্বন্ধ আছে। এই চাৰিটা বিষয়কে এটা পেকেজ ব্যৱস্থাৰূপে চোৱা উচিত। যিটো ৰাজহুৱা প্ৰতিষ্ঠানৰ উদ্দেশ্য স্পষ্ট আৰু যথেষ্ট দায়িত্বশীল কাম-কাজৰ ব্যৱস্থা আছে তথা জবাবদিহি সামৰ্থ আছে তেনে প্ৰতিষ্ঠানৰ নেতৃত্বত কাৰ্যকৰণৰ বেলিকা শিথিলতা আৰু স্বতন্ত্ৰতা আৰোপ কৰা নিৰাপদজনক। তাৰ অন্যথা ক্ষমতাৰ অপব্যৱহাৰ কৰাহে হ'ব। ইপিনে কাৰ্যকৰণৰ শিথিলতা আৰু স্বতন্ত্ৰতা থকা প্ৰতিষ্ঠানত নেতৃত্বৰ দায়িত্বত থকা-সকলক জবাবদিহি কৰিব পৰা যাব; কিন্তু তাৰ বিপৰীতে প্ৰতিষ্ঠানে ভাল ফল দেখুৱাব নোৱাৰিলে অস্পষ্টতাৰ দোহাই দি আৰু ৰূপায়ণত খেলি-মেলি ভাবৰ বাবে অস্বীকাৰ কৰাৰ সুবিধা থাকিব।

পূৰ্বতে উল্লেখ কৰা হৈছে যে মন্ত্ৰণালয়ে ঠিকাভিত্তিক চুক্তি কৰাৰ সম্ভাৱনা থকা বিষয়বোৰৰ সন্দৰ্ভত উদ্ভৱ হোৱা সকলো সমস্যাকেই চিহ্নিত কৰিব লাগে আৰু অতি জটিল ধৰণৰ সমস্যাবোৰ নিজৰ ওচৰত ৰাখিব লাগে। এনে কৰিলে মন্ত্ৰণালয়ে প্লান পৰি যোৱা দায়বদ্ধতা ভাব সক্ৰিয়কৰণৰ উৎস হ'ব পাৰে। সেয়ে চৰকাৰী বিভাগবোৰৰ কাম-কাজত বিশদ নীতি-নিয়ম মানি চলাৰ প্ৰয়োজন আছে— যাৰ দ্বাৰাই নিযুক্তি, ক্ষতিপূৰণ, ঠিকা প্ৰদানৰ ক্ষমতা, সংগ্ৰহ নীতি আদি কামবোৰ নিয়াৰিকৈ কৰিব পাৰিব।

যেতিয়া কোনো ৰাজহুৱা সংস্থা আগতে উল্লেখ কৰা সাতটা সূত্ৰৰ জৰিয়তে প্ৰতিষ্ঠা কৰা হয় তেতিয়া তাৰ পৰিৱেশেই সম্পূৰ্ণ বেলেগ হৈ পৰে। তেনে ৰাজহুৱা সংস্থাৰ উদ্দেশ্য স্পষ্ট। ইয়াৰ এখন বোৰ্ড থাকে— যাক স্বতন্ত্ৰীয়া বিশেষজ্ঞৰ দ্বাৰা প্ৰাধান্য বিস্তাৰ কৰা হয় আৰু সিদ্ধান্তবোৰ

আভ্যন্তৰীণ লোকৰ দ্বাৰা ধৰি ৰাখিব নোৱাৰে। সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্তই বোৰ্ডে স্বচ্ছভাৱে নিৰ্ণয় কৰে। এই ক্ষেত্ৰত মন কৰিব লগা বিষয়টো হ'ল উদ্দেশ্যৰ স্পষ্টতাই দায়বদ্ধতাৰ ভাব সঞ্চাৰ কৰে আৰু সিয়েই কাৰ্য সম্পাদনৰ গতিক আগুৱাই লৈ যায়।

এই অৱস্থাত মানৱ সম্পদ নীতিৰ ক্ষেত্ৰত ৰাজহুৱা প্ৰতিষ্ঠানৰ বাবে কাৰ্যকৰণৰ সন্দৰ্ভত অধিক শিথিলতা থকা দৰকাৰ। ঠিকা, বিত্তীয় বিধি-নিয়ম আদিৰ ক্ষেত্ৰতো এনে স্থিতি বাহাল থকা প্ৰয়োজন। সম্পূৰ্ণ স্বচ্ছতাৰ মাজত যদি মানৱ সম্পদ নীতিৰ নথি আলোচনা-বিলোচনা কৰি বোৰ্ডে গ্ৰহণ কৰে, তেনেহ'লে সেয়া মানৱ সম্পদ নীতিত এক নথি হোৱাৰেই সম্ভাৱনা থাকে; কিয়নো প্ৰতিষ্ঠানটোৱে উদ্দেশ্য পূৰণ কৰিবৰ বাবে বাস্তৱ ক্ষেত্ৰত যিবোৰ কঠিনতাৰ সন্মুখীন হয় তাক সমাধান কৰিবলৈ এয়া বৰ উপযুক্ত হয়।

অধিকভাৱে কাৰ্য সম্পাদন কৰা ৰাজহুৱা প্ৰতিষ্ঠানবোৰ হ'ল সেইবোৰ য'ত উদ্দেশ্যৰ অধিক স্পষ্টতা, অধিক দায়বদ্ধতাৰ ব্যৱস্থা, অধিক স্বতন্ত্ৰতা আৰু কাৰ্যকৰণত শিথিলতাৰ বৈশিষ্ট্য বিৰাজমান হয়। এইবোৰ বৈশিষ্ট্যক একোটা পেকেজৰূপে চোৱা উচিত। স্বতন্ত্ৰতা আৰু কাৰ্যকৰণৰ শিথিলতা ৰাজহুৱা প্ৰতিষ্ঠানৰ বাবে অত্যাৱশ্যকীয় বৈশিষ্ট্য। ক্ষমতাৰ পৰিসৰৰ সীমিত অৱস্থাত ই তাৎপৰ্য বহন কৰে আৰু স্পষ্টভাৱে উদ্দেশ্য সাধনৰ বাবে দায়বদ্ধতাক শক্তিশালী কৰি তোলে।

**বেচৰকাৰী সংস্থা ব্যৱহাৰৰ ক্ষেত্ৰত সূত্ৰাৱলী**

সাধাৰণ সূত্ৰৰূপে যেতিয়া এজেণ্ট অৰ্থাৎ সংস্থা বা প্ৰতিষ্ঠান বেচৰকাৰী ফাৰ্ম হয় তেনে ক্ষেত্ৰত ই সদায়েই ৰাজহুৱা সংস্থাতকৈ অধিক ভাল হয়। তাৰ কাৰণ হ'ল অধিক গুণসম্পন্ন ঠিকাৰ চুক্তিত উপনীত হ'লে ৰাজহুৱা প্ৰশাসনৰ সমস্যা তাতেই অন্ত পৰে। এক জটিল ধৰণৰ ঠিকাৰ প্ৰয়োজন— যিটোৱে ফাৰ্মক গুণগত দিশৰ কাৰ্য সাধনৰ বাবে ৰাজহ দিব পাৰে। তাৰ বাহিৰেও তেনে ফাৰ্মৰ আভ্যন্তৰীণ পৰিচালনা ব্যৱস্থাত কোনো জটিলতা নাথাকে। আনহাতে এজেণ্ট ৰাজহুৱা সংস্থা হ'লে ৰাজহুৱা প্ৰশাসনৰ সমস্যা সংস্থালৈ গুচি যায়; কিন্তু সেই সমস্যাবোৰ তেনে সংস্থাই সমাধান কৰিব নোৱাৰে।

**কোনো কোনো সমস্যাৰ বাবে এজেণ্ট মাত্ৰ ৰাজহুৱা সংস্থাহে হ'ব পাৰে**

যেতিয়া এজেণ্টক চৰকাৰী ক্ষমতা ব্যৱহাৰ কৰিবলৈ শক্তিশালী কৰিব লগা হয় তেতিয়া এই ব্যৱস্থা বেচৰকাৰী ফাৰ্মৰ ওপৰত অৰ্পণ কৰা মস্কিল হয়। বিত্তীয় নিয়ামক ব্যৱস্থাৰ ক্ষেত্ৰত যেতিয়া এইটো কৰা হয় (তদাৰকী ভূমিকাৰ ক্ষেত্ৰত) তেতিয়া গৰাকী স্বত্ব আৰু এজেণ্টৰ প্ৰশাসনৰ ক্ষেত্ৰত কিছু চৰ্ত বান্ধি দিয়া আৱশ্যক।

আন এটা উদাহৰণ হ'ল ঠিকাভিত্তিক কাম-কাজ— যিটো এন এইচ এ আই-এ কৰে। উদগনিমূলক ঠিকাৰ পৰিকল্পনা কৰাটো কঠিন— যাৰ দ্বাৰাই ঠিকাৰ কাম-কাজ বেচৰকাৰী এজেণ্টৰ ওপৰত ন্যস্ত কৰিব পাৰি।

যেতিয়া এজেণ্টে কেৱল কিছুমান সেৱাৰ কাম কৰে (যেনে— পথ, বিজুলী বিতৰণ, শ্ৰেণীকোঠাত শিক্ষা দান) আৰু য'ত কঠিন ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন নকৰে আৰু ইয়াৰ ফলাফল সহজেই অনুমান কৰিব পাৰি তেনে ক্ষেত্ৰত এজেণ্ট সাধাৰণতে বেচৰকাৰী ফাৰ্ম হ'ব পাৰে।

**সামৰণি**

ভাৰতত গা কৰি উঠা সমস্যা হ'ল ৰাষ্ট্ৰীয় ক্ষমতা গঢ়ি তোলা। বৰ্তমানে যি গাঁথনি আছে সেয়া ঔপনিৱেশিক ৰাজৰ সোঁৱৰণীৰ প্ৰতিফলনহে। ইয়াত সামাজিক উদ্দেশ্যৰ প্ৰাদুৰ্ভাৱ থকাৰ লগতে অংশগ্ৰহণমূলক গণতন্ত্ৰৰ চাপো আছে আৰু এক বিপণন অৰ্থনীতিৰ ৰেঙণিয়েও ভুমুকি মাৰে। ৰাষ্ট্ৰৰ ক্ষমতা গঢ়ি তুলিবলৈ হ'লে বৰ্তমান ব্যৱস্থাৰ লগতে পূৰ্বৰ কেইটামান নিৰ্দিষ্ট বিষয়কো ল'ব লাগিব আৰু আঠটা সূত্ৰক প্ৰয়োগ কৰিব লাগিব। সেই সূত্ৰকেইটা হ'ল—

১। যিমানখিনিলৈকে পৰা যায় চৰকাৰী বিভাগবোৰৰ বাহিৰত ন্যস্ত কৰিব পৰা সমস্যাসমূহৰ স্পষ্ট তালিকা উলিয়াব লাগিব।
২। ঠিকা, চুক্তি প্ৰদানৰ আগেয়ে ৰাজনৈতিক বিবেচনাই ঠাই পাব লাগিব,
৩। প্ৰতিটো ৰাজহুৱা সংস্থাৰ স্পষ্ট উদ্দেশ্য থাকিব লাগিব।
৪। সম্ভৱ অনুযায়ী বেচৰকাৰী এজেণ্টবোৰেই উত্তম।
৫। কিছুমান সমস্যাৰ বাবে এজেণ্টবোৰ কেৱল ৰাজহুৱা সংস্থাহে হোৱা প্ৰয়োজন।
৬। খাপ পঞ্চায়তৰ পৰা আইনৰ শাসনলৈ যাবলৈ হ'লে নিৰ্দিষ্ট উদ্দেশ্য আৰু কম ক্ষমতাৰ আৱশ্যক।
৭। ৰাজহুৱা প্ৰতিষ্ঠানৰ কাম-কাজত সু-প্ৰশাসনৰ সূত্ৰাৱলী প্ৰয়োগ কৰক—
(ক) সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত বোৰ্ডতে গ্ৰহণ কৰিব লাগে।

তাত বোৰ্ডৰ ব্যতিৰেকে ক্ষমতাৰ আন কোনো কেন্দ্ৰ থকা উচিত নহয়। ৰাজহুৱা প্ৰতিষ্ঠানৰ কাম-কাজত চৰকাৰে হাত দিয়া উচিত নহয়। কেৱল চৰকাৰৰ মনোনীত বিষয়াৰ উপস্থিতিত হোৱা বোৰ্ডৰ আলোচনাৰ স্থিতিক্ৰমেহে ভাগ ল'ব পাৰে।

(খ) প্ৰায়ভাগ অৱস্থাতেই স্বতন্ত্ৰীয়া বিশেষজ্ঞৰ সংখ্যা অধিক হ'লে ৰাজহুৱা সংস্থাই ভাল কাম কৰিব।

(গ) সকলো সিদ্ধান্তই মত দানৰ আনুষ্ঠানিক প্ৰক্ৰিয়াৰ মাজেৰে হোৱা উচিত আৰু তেনে মতামতৰ তথ্য ৰাজহুৱা কৰিব লাগে।

(ঘ) ৰাজহুৱা সংস্থাৰ বোৰ্ডে সম্পূৰ্ণ স্বচ্ছতাৰে কাম কৰা উচিত। (১) বোৰ্ডৰ বৈঠক অনুষ্ঠিত হোৱাৰ কমেও এসপ্তাহৰ আগতে কাৰ্য-ক্ৰমণিকাৰ সবিশেষ প্ৰকাশ কৰিব লাগে; (২) বোৰ্ডৰ বৈঠকৰ চলন্ত ভিডিঅ' স্ক্ৰিনিং; (৩) বোৰ্ডৰ বৈঠকৰ সকলো বিষয়ৰ আলোচনা প্ৰকাশ কৰিব লাগে।

৮। ৰাজহুৱা সংস্থাৰ বাবে কাৰ্যকৰণৰ অধিক শিথিলতা আৰু অধিক স্বতন্ত্ৰতা আৱশ্যক— যাতে সুফল প্ৰদান কৰিব পাৰে। কিন্তু এয়া সম্ভৱ হ'ব পাৰে যেতিয়া দায়বদ্ধতাসহ সীমিত ক্ষমতা থাকে; আৰু সেই ক্ষমতাক উদ্দেশ্য সাধনৰ বাবে প্ৰকৃততেই কামত লগোৱা হয়।

৯। কাৰ্য সাধনৰ ক্ষেত্ৰত মানি চলা আইন হ'ল চৰকাৰ আৰু এজেণ্টৰ মাজৰ এক চুক্তি।

এই সূত্ৰাৱলীৰ প্ৰয়োগে চৰকাৰৰ বিভাগ আৰু মন্ত্ৰণালয়ৰ কাম-কাজত আলোকপাত কৰিব আৰু ৰাজনৈতিক উদ্দেশ্য তথা আইন ব্যৱস্থাৰ ৰূপায়ণতো সহায় কৰিব। বিভাগবোৰে কি কি সমস্যা আছে তাক চিহ্নিত কৰিব আৰু সেইবোৰ ৰাজহুৱা প্ৰতিষ্ঠান অথবা বেচৰকাৰী ফাৰ্মক সমাধানৰ অৰ্থে চুক্তিও প্ৰদান কৰিব পাৰে। উচ্চ গুণৰ ন্যায়িক দলিল-পত্ৰ যুগুতোৱাৰ ওপৰত আলোকপাত কৰা হ'ব; তেনে পত্ৰ হ'ব পাৰে কাৰ্যবাহী আদেশ অথবা বেচৰকাৰী ফাৰ্মৰ সৈতে কৰা চুক্তি-পত্ৰ। এবাৰ এই চুক্তি কৰা হ'লে নিৰ্দিষ্ট কাৰিকৰী দিশৰ উদ্দেশ্য (ৰাজনৈতিক নহয়) প্ৰাপ্ত কৰিবৰ বাবে এজেণ্টৰ এই ক্ষেত্ৰত যথেষ্ট শিথিলতা থাকিব। আৰু মূৰকত তাৰ দ্বাৰাই সুফল প্ৰদান কৰিবলৈ দায়বদ্ধ কৰি তুলিব। ❐

**প্ৰবন্ধটো যুগুতাওঁতে বিশদ আলোচনাৰ বাবে লেখক এইসকল ব্যক্তিৰ ওচৰত কৃতজ্ঞ— কে পি কৃষ্ণণ, ইলা পাটনায়ক, বি এন কৃষ্ণা, শোভ' ৰয়, ছুয়াশ ৰায় আৰু অৰ্জুন ৰাজাগোপাল।**


## 'পয়োভৰা'ৰ গ্ৰাহক অন্তৰ্ভুক্তি মূল্য

**ভাৰতত**

| | | |
|---|---|---|
| এবছৰত | ঃ | ১০০.০০ টকা |
| দুবছৰত | ঃ | ১৮০.০০ টকা |
| তিনি বছৰত | ঃ | ২৫০.০০ টকা |

**ছাৰ্ক দেশসমূহৰ বাবে**

| | | |
|---|---|---|
| এবছৰত | ঃ | ৫৩০.০০ টকা |
| অন্যান্য দেশৰ বাবে এবছৰত | ঃ | ৭৩০.০০ টকা |

গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ পত্ৰৰ প্ৰয়োজন)। গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা ডিমাণ্ড ড্ৰাফ্ট, ইণ্ডিয়ান পোষ্টেল অৰ্ডাৰ, মনি অৰ্ডাৰ যোগে জমা দিব পাৰি। পঠোৱাৰ ঠিকনা ঃ

'সম্পাদক' পয়োভৰা, প্ৰকাশন বিভাগ

কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠি, গুৱাহাটী-৭৮১০০৩

ফোন নং ঃ ২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# বলাৎকাৰ বিৰোধী আইন সংস্কাৰৰ কিছুমান উল্লেখনীয় দিশ

**প্ৰতীক্ষা বক্সী***

**ভূমিকা ঃ**

'নিৰ্ভয়া', 'ব্ৰেভহাৰ্ট' অথবা 'দামিনী' আদি বিভিন্ন নামেৰে জনাজাত ২৩ বছৰীয়া ফিজিঅ'থেৰাপিষ্টগৰাকীক ২০১৩ চনৰ ডিচেম্বৰত এখন চলন্ত বাছত নিৰ্মমভাৱে দলবদ্ধ বলাৎকাৰ কৰাৰ দুসপ্তাহৰ পাছত মৃত্যু হোৱা ঘটনাটোৱে যৌন উৎপীড়নৰ বিৰুদ্ধে ব্যাপক গণ আন্দোলন কৰিবলৈ প্ৰেৰণা যোগায়। প্ৰতিবাদৰ বাবে একত্ৰিত হোৱা সেই অভূতপূৰ্ব সময়ছোৱা বলাৎকাৰৰ বিৰুদ্ধে ৰাজনৈতিক আন্দোলনৰ ইতিহাসত অন্যতম গুৰুত্বপূৰ্ণ অধ্যায়ত পৰিণত হয়। এয়া বাস্তৱিকতেই এক বৈশিষ্ট্যপূৰ্ণ বিষয়, কিয়নো বলাৎকাৰ বা ধৰ্ষণৰ কাৰ্যকলাপ এক নতুন গুৰুত্বপূৰ্ণ আলোচনাত্মক স্থিতিত উপনীত হৈছে। সম্প্ৰতি ই মহিলাৰ আন্দোলন অথবা ন্যায়িক বিশেষজ্ঞসকলৰ মাজত আলোচনাৰ বিষয়ৰূপে সীমাবদ্ধ হৈ থকা নাই। এই প্ৰতিবাদকাৰীসকলৰ ভিতৰত বলাৎকাৰ সন্দৰ্ভত সবল কণ্ঠস্বৰে অন্য মতো পোষণ কৰে। তেওঁলোকে তাক এক ক্ষমতা বা শক্তিৰ কাৰ্য বুলিহে ক'ব খোজে। সেয়া যৌনাত্মক কাৰ্য নহয়। লিঙ্গগত আৰু যৌন উৎপীড়নৰ ধৰণ-কৰণত নিৰ্মমভাৱে যে বলাৎকাৰ কাৰ্য সংঘটিত কৰে আৰু আনভাৱে যৌন অত্যাচাৰ-অনাচাৰত লিপ্ত হয় সেই বিষয়েও অনেক শক্তিশালী সমালোচকৰ অভাৱ নাই। নিৰ্ভয়াৰ ক্ষেত্ৰত কৰা সেই প্ৰতিবাদে আন এক দিশৰ প্ৰতিও মনযোগ আকৰ্ষণ কৰে। সেয়া হ'ল দৈনন্দিন সংঘটিত যৌন অত্যাচাৰৰ পৰা যৌন উৎপীড়নৰ অতি শোচনীয় ৰূপ ধাৰণ কৰা কথাটোকেই ই সোঁৱৰাই দিয়ে। প্ৰতিবাদৰ ভাষ্য একেবিধৰ নহৈ ক্ষেত্ৰবিশেষত পৰিৱৰ্তিত ৰূপ ধাৰণ কৰাটোও লক্ষ্যণীয় বিষয়। প্ৰকৃততে প্ৰতিবাদথলীত কি পৰিৱৰ্তনৰ টো অনা আৱশ্যক সেই সম্বন্ধেও অনেক কথা কোৱা হয়। প্ৰতিবাদকাৰীসকলে 'ধৰ্ষণ কাৰ্য ঘটনাৱলী'ক সচৰাচৰ ঘটনাৰূপে ধৰি ল'ব বিচৰা ভাৱধাৰাকো কঠোৰভাৱে সমালোচনা কৰে। যি ধৰ্ষণাত্মক ভাৱধাৰা গা কৰি উঠিবলৈ প্ৰয়াস কৰিছে তাত আইনী প্ৰক্ৰিয়াক বাধা দিয়া মানেই জনগণৰ হৈ মাত মতা নীতি ব্যৱস্থাকো বাধা দিয়া; কাৰণ ভুক্তভোগীসকলৰ কণ্ঠস্বৰৰ সততাক প্ৰতিষ্ঠা কৰিবৰ কাৰণে আগবাঢ়ি অহা প্ৰতিষ্ঠানক দূৰৈত ৰখাটো সমিচীন নহয় বুলি প্ৰতিবাদকাৰীসকলে ক'ব খোজে।

**প্ৰতিকাৰ বিচৰা লোক ঃ মৃত্যুদণ্ড**

প্ৰতিবাদ কৰা কালছোৱাত বহুধৰণৰ লোক আমি দেখা পাইছিলো। তেওঁলোকে প্ৰতিকাৰ বিচাৰিছিল আৰু এই প্ৰতিকাৰ মৃত্যুদণ্ড বা লিঙ্গচ্ছেদ হ'ব লাগে বুলি মাত মাতিছিল। কিন্তু তেনে প্ৰতিকাৰ বিচৰা লোকসকলৰ বিৰুদ্ধেও অনেকেই মত পোষণ কৰিছিল আৰু কাগজ-পত্ৰ লিখিছিল। মৃত্যুদণ্ডৰ দাবী সমূহীয়া শোক আৰু খঙৰ প্ৰতিফলন তাত সন্দেহ নাই; কিন্তু তেনে ধৰণৰ চৰম শাস্তি প্ৰদান ব্যৱস্থাই ধৰ্ষণৰ বলি হোৱাসকলক সহায় নকৰে। ধৰ্ষণ আৰু হত্যাৰ অনেক গোচৰত মৃত্যুদণ্ডৰে দণ্ডিত কৰা হয়, কিন্তু তেনে ক্ষেত্ৰতো তেনে যৌন উৎপীড়নৰ ভাৱধাৰা প্ৰশমিত হোৱাৰ ওপৰত কোনো প্ৰভাৱ নপৰে। বিচাৰকসকলক শাস্তি প্ৰদানৰ ৰায় অৱস্থাবিশেষে কম কৰিবলৈকে যুক্তি দৰ্শোৱা হয়। বাধ্যতামূলক নিম্নতম ৰায়দানৰ মাত্ৰাতকৈ সেই অনুপাতে কম কৰে। তদুপৰি সকলো বলাৎকাৰ গোচৰতে যদি মৃত্যুদণ্ডৰ শাস্তি বিহা হয়, তেনেহ'লে যৌন নিৰ্যাতন চলোৱাৰ পাছত মহিলাক হত্যা কৰা, জ্বলাই দিয়া আৰু ভীতি প্ৰদৰ্শন কৰাৰ ঘটনা বৃদ্ধি হোৱাটো সম্ভৱ।

মৃত্যুদণ্ড বিহাৰ দাবী এই ভাৱধাৰাৰ ওপৰত নিৰ্ভৰ কৰে যে বলাৎকাৰ কৰা এগৰাকী মহিলাক মাত্ৰ জীয়াই থাকিবৰ বাবে এনে অৱস্থাত উপনীত কৰা হৈছে— যি অৱস্থাত তেনে মহিলাই স্থায়ীভাৱে লজ্জা আৰু অপকৰ্মৰ চেকা লৈ জীৱন অতিবাহিত কৰিব। সামাজিক আৰু পৰিৱেশৰ দিশৰ পৰা ধৰি লোৱা হয় যে তেনে মহিলাৰ ভৱিষ্যৎ নাই। কাৰণ কোনো পুৰুষে তেনে মহিলাক বিয়া কৰাব নোখোজে। ধৰ্ষণৰ পাছত মহিলাসকলক মাত্ৰ জীৱন ধাৰণৰ এক শক্তিত উপনীত হোৱাৰ কাৰণে বলাৎকাৰীক মৃত্যুদণ্ড দিয়াৰ ওপৰত জোৰ দিয়াৰ অৰ্থ হ'ল তেনে অত্যাচাৰৰ

*প্ৰতীক্ষা বক্সী নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ আইন আৰু প্ৰশাসন অধ্যয়ন বিষয়ক কেন্দ্ৰৰ সহযোগী অধ্যাপিকা

বলি হোৱা সত্বেও সেই মহিলাসকলক নিজৰ জোখাৰে এক মৰ্যাদাপূৰ্ণ জীৱনৰ উপায় অৱলম্বন কৰিবলৈ আমি নিদিওঁ। মৃত্যুদণ্ডৰ আহ্বানে এইটোকে কৰে। সেয়ে মৃত্যুদণ্ডৰ বাবে যুক্তি দৰ্শোৱাতকৈ আমি নিশ্চয়েই এক নিৰাপদ অৱস্থাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। সেই বিষয়ে প্ৰতিবাদ কৰি, সাক্ষ্য প্ৰমাণ দি আৰু মত বিনিময় কৰি কামত আগবাঢ়িব লাগিব।

**দ্বিতীয় ধৰণৰ প্ৰতিকাৰ বিচৰা লোক**

লিঙ্গ বিকল কৰাৰ বিষয়টোত এনে এক প্ৰতিকাৰৰ প্ৰয়োজন যিটো যৌন অত্যাচাৰৰ বিৰুদ্ধে কৰা পূৰ্বৰ প্ৰতিবাদ কাৰ্যত দেখা নগৈছিল। পেৰল কিম্বা ৰেহাই অবিহনে মৃত্যুদণ্ড অথবা যাৱজ্জীৱন কাৰাদণ্ডৰ বিকল্পৰূপে আমি কেনেকৈ লিঙ্গচ্ছেদকৰণ কাৰ্যক অনুধাৱন কৰিম? যৌন অত্যাচাৰৰ বিৰুদ্ধে কৰা প্ৰতিবাদৰ সন্দৰ্ভত ৰাজ্যৰ পৰা যি সঁহাৰি পোৱা গৈছে সেয়া হ'ল শাৰীৰিকভাৱেই হওক বা ৰাসায়নিক প্ৰক্ৰিয়াৰেই হওক জোৰকৈ লিঙ্গ বিকল কৰাৰ পক্ষপাতী। যদিও এয়া ভিন্ন ধৰণৰ ইচ্ছা পূৰণ কৰা আৰু শৰীৰটোৰ ওপৰত নিৰ্মমতা প্ৰদৰ্শন কৰা কাৰ্য তথাপি বহু কাৰণতে ই উপযুক্ত ব্যৱস্থা হ'ব নোৱাৰে। ই হ'ল বিৰূপাত্মক, যিহেতু এনে ধৰণৰ শাস্তিৰ ব্যৱস্থা নিষ্ঠুৰজনক আৰু অক্ষুণ্ণ শৰীৰৰ প্ৰতি এক অৱনমিত ব্যৱহাৰ আৰু আন্তৰ্জাতিক তথা সংবিধানৰ আইন মতে যন্ত্ৰণাদায়ক। তদুপৰি এনে ধৰণৰ শাস্তি ত্ৰস্তমান কৰি তোলাৰ কৌশলৰূপে শৰীৰৰ অঙ্গৰ প্ৰতি যুক্তিসন্মতভাৱে পতন ঘটায়। আটাইতকৈ ডাঙৰ কথা হ'ল এনে ধৰণৰ লিঙ্গ বিকল কৰা কাৰ্যই ঘৃণা, বধিৰ কৰা কিম্বা মহিলাক অত্যাচাৰ অথবা নিধন কৰাৰ বাসনা নাতৰায়। এনে শাস্তিয়ে নিজৰ কামনা-বাসনাক চৰিতাৰ্থ কৰাতহে দৃঢ় কৰে। উদণ্ড মনৰ লোকে মহিলাক 'এশিকনি দিয়া'ৰ বতৰা জনাবলৈ যৌনাত্মক অত্যাচাৰ কাৰ্যক চৰিতাৰ্থ কৰে। কোনো পুৰুষকো তেনে বতৰা প্ৰেৰণ কৰিবলৈ সেই সুবিধা গ্ৰহণ কৰে।

যৌনাত্মক অত্যাচাৰৰ সঁহাৰি প্ৰদানৰূপে লিঙ্গ বিকলৰ অনেক পথ অৱলম্বন কৰা দেখা যায় আৰু ইয়াৰ ফলত জনতাৰ মাজত প্ৰতিবাদ গঢ়ি উঠে। নাজি শাসনৰ দিনৰ সংগঠিত শিবিৰবোৰত এই উপায় পূৰ্ণৰূপে প্ৰকাশ হৈছিল। ঐতিহাসিকভাৱে লিঙ্গচ্ছেদ হ'ল ইহুদী, সমকামী, জিপ্‌ছী (অৰ্থাৎ অঘৰী), মানসিক বাধাগ্ৰস্ত লোকক উৎখাত কৰিবৰ কাৰণে অৱলম্বন কৰা ফেচিবাদী আহিলা। প্ৰয়োজন নোহোৱা লোক আৰু স্থিতিবিহীন জনসংখ্যাৰ মাজত সংঘটিত কৰা যৌন অপৰাধীসকলক সংস্কাৰ সাধনৰ নামত এই ফেচিবাদী কাৰ্য সাধন কৰা হৈছিল। নাজি ৰাজত্ব কালত যদি 'ভ্ৰমাত্মক' লিপ্সা 'নিৰাময়' কৰিবৰ বাবে লিঙ্গ চ্ছেদকৰণ সন্ত্ৰাসৰ এক আহিলা হয় তেনেহ'লে আৰক্ষীসকলৰ কাৰণেও ভ্ৰমাত্মক ধাৰণা পোষণ কৰা বুলি অনেক লোকৰ লিঙ্গচ্ছেদ কৰাৰ উপলক্ষ্যৰ সুবিধা আগবঢ়ায়; আৰু এনেদৰে যৌনাত্মক সন্ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰে।

ভাৰতত পাহৰণিৰ গৰ্ভত হেৰাই যোৱা জৰুৰীকালীন অৱস্থাৰ কালত বলপূৰ্বক নিৰ্বীজিকৰণ কাৰ্যব্যৱস্থাই পুৰুষ-স্ত্ৰীৰ প্ৰজনন ক্ষমতাৰ বিলুপ্তি সাধনৰ আহ্বানকেই পৰিস্ফূট কৰে। এমা টাৰ্লোৰ "Unsettling Memories : Narratives of the Emergency in Delhi" গ্ৰন্থত জৰুৰীকালীন অৱস্থাৰ বিষয়ে বৰ্ণনা কৰিছে আৰু তেনে অৱস্থাৰ স্থিতি গ্ৰহণৰ সন্দৰ্ভত সমালোচনা কৰিছে। তাত কোৱা হৈছে যে অনাকাংক্ষিত জনসংখ্যাৰ পুনৰপ্ৰজননাত্মক ভৱিষ্যতক তেনে ব্যৱস্থাই বিনাশ কৰিছে। ফলস্বৰূপে পুনৰ প্ৰজনন আৰু যৌনসমৃদ্ধ শৰীৰৰ ওপৰত ৰাষ্ট্ৰৰ একচেটিয়া প্ৰাধান্য বিস্তাৰ কৰাৰ ভয়ানক ক্ৰম-অনুবৰ্তিতা সৃষ্টি কৰিছে। ৰাজনৈতিক অৱচেতনাই (কিম্বা সজাগতাহীনতাই) যৌন অপৰাধীক দমন কৰি ৰখাৰ সন্দৰ্ভত যৌনাঙ্গ বিকল কৰাৰ দাবীও উত্থাপন কৰে। এই ক্ষেত্ৰত ছফি যোছেফে আন এক বিষয়লৈ মনত পেলাই দিয়ে। তেওঁ কয় যে মনুস্মৃতিৰ দৰে লেখাত যৌনাঙ্গ বিকল বা ছেদকৰণক উচ্চবৰ্ণৰ মহিলাৰ স'তে যৌন উপভোগ কিম্বা বলাৎকাৰ কৰাৰ বাবে দলিত লোকক শাস্তি প্ৰদানৰ আহিলাৰূপে কাৰ্য সাধন কৰিবলৈ উল্লেখ কৰিছে। এইবোৰ লেখাত বিকল কিম্বা ছেদকৰণ সম্পৰ্কে উল্লেখ কৰা তৰ্কৰ ক্ৰম আমি যদি অনুধাৱন কৰো তেনেহ'লে যৌন অত্যাচাৰৰ প্ৰতি জাতি বা বৰ্ণভিত্তিক সঁহাৰিৰ কাৰণে যৌনাঙ্গ বিকল বা ছেদকৰণে কি বুজায় সেই সম্বন্ধে আমি এক পৰিষ্কাৰ ছবি দেখিবলৈ পাওঁ। ব্ৰাহ্মণ্যবাদ পুৰুষানুক্ৰমিক ব্যৱস্থাৰ ক্ষেত্ৰত উমা চক্ৰৱৰ্তীৰ ভাষাত ক'বলৈ গ'লে যৌনাত্মক কাৰ্যই হ'ল বিধি-ব্যৱস্থাৰ মূল কেন্দ্ৰ। বৰ্ণবাদে প্ৰাধান্য আৰু সন্ত্ৰাসক প্ৰকাশ কৰে। নিম্নবৰ্ণৰ মহিলাৰ ওপৰত কৰা যৌন অত্যাচাৰক স্বাভাৱিকৰূপে চায়, কিন্তু উচ্চ বৰ্ণৰ মহিলাক যৌনাত্মক-ভাৱে অনাচাৰ কৰা নিম্ন বৰ্ণৰ পুৰুষৰ প্ৰতি অতি হীন ধৰণৰ শাস্তি প্ৰদান কৰে। সেই একেদৰে বৰ্ণ বিধি অতিক্ৰম কৰি যৌন সম্বন্ধ প্ৰতিষ্ঠা কৰা, একেলগে বাস কৰা কিম্বা বিবাহ কৰা পুৰুষ আৰু মহিলাৰ ওপৰত উলংঘনৰ অতি বেয়া কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হয়। বৰ্ণভিত্তিক পুৰুষানুক্ৰমিক ব্যৱস্থাত শাস্তি প্ৰদানৰূপে ৰাজনৈতিক অৱচেতনাৰ বিষয়টো লেখাসমূহত উল্লেখ

কৰা হৈছে আৰু সেই ব্যৱস্থাই বৰ্ণবাদৰ নিয়ম বাহাল ৰাখিছে।

**বলাৎকাৰ ঘটনাত দুটা আঙুলিৰ পৰীক্ষা বন্ধ কৰক**

২০১৩ চনত প্ৰতিবাদ কৰাৰ পূৰ্বে কোনো চৰকাৰেই ঔপনিৱেশিক, যৌনাত্মক আৰু দুটা আঙুলিৰে পৰীক্ষা কৰা নিৰ্মম ধৰণৰ অভ্যাসৰ পৰা পৰিত্ৰাণ পাবলৈ জনোৱা অনেক পৰামৰ্শক গুৰুত্ব সহকাৰে লোৱা নাছিল। চিকিৎসকে সচৰাচৰ শুক্ৰ বীৰ্য আছে নে নাই তাক থিৰাং কৰিবৰ বাবে সচৰাচৰ দুটা আঙুলি (কেতিয়াবা কেবাটাও) যোনিত প্ৰৱেশ কৰায়। এই কাৰ্যই হস্তক্ষেপ কৰাৰ পথ সূচনা কৰে। সেয়া হ'ল বলাৎকাৰৰ বলি হোৱা নাৰীগৰাকী যৌন কাৰ্যৰ সৈতে পৰিচিত আৰু বলাৎকাৰৰ গোচৰত সেই নাৰীৰ অতীত যৌন ইতিহাসক উন্মোচন কৰা। বলাৎকাৰৰ গোচৰত অতীত যৌন ইতিহাস ২০০৩ চনৰ পৰা বন্ধ কৰা হৈছে। পিছে দুটা আঙুলিৰে কৰা পৰীক্ষাৰ ব্যৱস্থা চলি থাকে। কিন্তু মানৱ অধিকাৰ পৰ্যবেক্ষণ প্ৰতিবেদন 'দিগ্‌নিটি অব ট্ৰায়েল'ত বিচাৰসমূহৰ স'তে সঙ্গতি ৰাখি, চিকিৎসকসকলৰ মতামত আৰু বিশেষজ্ঞৰ সাক্ষাৎকাৰ গ্ৰহণ দুটা আঙুলিৰে কৰা পৰীক্ষা ব্যৱস্থা ২০১০ চনত বন্ধ কৰিব লাগে বুলি চৰকাৰলৈ অনুমোদন জনাই আৰ্জি দাখিল কৰে। এই পৰীক্ষাৰ কোনো বৈজ্ঞানিক আধাৰ নাই। কিয়নো কোনো চিকিৎসকে এগৰাকী মহিলাৰ যৌন ইতিহাস আছে নে নাই সেইটো থিৰ কৰিব নোৱাৰে— যদিহে সেই মহিলাই যৌনাত্মক জীৱন কাহিনীৰ বিষয়ে জনাবলৈ নিজে আগবাঢ়ি নাহে। দুটা আঙুলিৰ পৰীক্ষা প্ৰত্যেক চিকিৎসা-ন্যায়বিষয়ক পাঠ্যপুথিত উল্লেখ কৰা পোৱা যায়। এই পাঠ্যপুথিৰ বাৰ্তাকেই বলাৎকাৰৰ বলি হৈ জীয়াই থকাসকলক অৱনমিত কৰিবৰ কাৰণে আদালত কক্ষত ব্যৱহাৰ কৰা হয়। "আহ্ তেওঁ এই কামত অভ্যস্ত। বলাৎকাৰ কৰাৰ বিষয়ে তেওঁ মিছা মাতিছে" হ'ল বিচাৰ কৰাৰ কোঠাত বাধা দিবলৈ কৰা সাধাৰণ উক্তি। ২০১৩ চনত উচ্চতম ন্যায়ালয়ে এই ৰায় দিয়ে যে চিকিৎসা নিয়মাৱলীৰ কাম এনে ধৰণে কৰিব নালাগে যিটোৱে নিষ্ঠুৰ, অমানৱীয় অথবা নিম্নমানৰ চিকিৎসাৰ পৰিচয় দাঙি ধৰে। লিঙ্গ-ভিত্তিক দুৰাচাৰ কাৰ্যৰ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত স্বাস্থ্যৰ বিষয়টো প্ৰধান বিবেচনাৰ বিষয় হোৱা উচিত। যৌন অত্যাচাৰত ভুক্তভোগী হোৱা-সকলৰ প্ৰতি এনে সেৱা প্ৰদান কৰাটো ৰাষ্ট্ৰৰ বাধ্যতামূলক বিষয়। তেওঁলোকৰ নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত আৰু গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত কোনো বিতৰ্কমূলক কিম্বা বেআইনী হস্তক্ষেপ হ'ব নালাগিব। কাজেই উপৰোক্ত দৃষ্টিভঙ্গীলৈ চাই নিঃসন্দেহে দুটা আঙুলিৰ পৰীক্ষা আৰু ইয়াৰ দ্বাৰাই নিৰ্ণয় কৰা কাৰ্যই বলাৎকাৰৰ ভুক্ত-ভোগীৰ গোপনীয়তা, শাৰীৰিক আৰু মানসিক সংহতি তথা মৰ্যাদা ৰক্ষা কৰাৰ অধিকাৰক উলংঘা কৰে। সেই বাবে এনে পৰীক্ষাৰ প্ৰতিবেদন ইতিবাচক হ'লেও অনুমতি প্ৰদান কৰা ধাৰণাৰ স্থিতি গ্ৰহণ কৰিবলৈ আক্ষৰিকভাৱে দিব নোৱাৰি। পিচে উচ্চতম ন্যায়ালয়ে দুটা আঙুলিৰ পৰীক্ষা কৰা কাৰ্যক অসাংবিধানিক বুলি ৰায় দিলেও চৰকাৰে তাক নিষেধ নকৰিলে। ২০১৪ চনৰ মাৰ্চতহে সেয়া কাৰ্যকৰী হ'ল। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় প্ৰটোকল ব্যৱস্থা ৰাজ্য চৰকাৰ-সমূহে অৱলম্বন কৰিব লাগিব।

**অপৰাধ বিধি সংশোধন আইন**

অধ্যাদেশখনৰ সন্দৰ্ভত অধিক সমালোচনা উদ্ভৱ হোৱালৈ চাই আৰু মৃত্যুদণ্ড বিহিবৰ কাৰণে জনতাই হৈ-চৈ লগোৱা তথা দিল্লীৰ দলগত ধৰ্ষণ কৰোঁতাসকলৰ বিচাৰে কিছুমান বিষয় উদঙাই দেখুওৱা ক্ৰমে অপৰাধ বিধি সংশোধন আইন, ২০১৩ই বলাৎকাৰ কাৰ্যক এক লিঙ্গ-নিৰপেক্ষ অপৰাধ কৰিবলৈ বিচৰা ব্যৱস্থাক পৰিহাৰ কৰে। বাৰ্মা কমিটীৰ অনুমোদনাৱলীয়ে জীয়াই থকাজনক লিঙ্গ-নিৰপেক্ষ শ্ৰেণীৰ কৰিবলৈ বিচৰা কাৰ্যক নাকচ কৰি জীয়াই থকা তথা অপৰাধ কাৰ্য সংঘটিত কৰা উভয়কে লিঙ্গৰ নিৰ্দিষ্টকৰণৰ সপক্ষে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ মত দিয়ে। ইয়াৰ অৰ্থ হ'ল প্ৰাপ্তবয়স্কৰ বিৰুদ্ধে কৰা অত্যাচাৰ আৰু নাবালিকাৰ প্ৰতি কৰা একেই ব্যৱহাৰ বিষয়টো আইনত সমাধান কৰা হোৱা নাই। সেয়ে উচ্চতম ন্যায়ালয়ে পৰৱৰ্তী সময়ত দিল্লী উচ্চ ন্যায়ালয়ৰ এটা ৰায়ক মানি লোৱা নাই। সেয়া আছিল কৌচবাল বনাম নাজৰ বিচাৰ। উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তই আইন জগতৰ মৰ্যাদা ৰক্ষা কৰা কথাকেই সোঁৰৰাই দিয়ে।

বলাৎকাৰৰ সূত্ৰৰ পৰিসৰ বিস্তৃত কৰা হয়। অনুমতি প্ৰদান অবিহনে অথবা ইচ্ছাৰ বিৰুদ্ধে শৰীৰৰ যিকোনো অঙ্গত অন্য ধৰণৰ অস্বাভাৱিক যৌন কাৰ্যক অন্তৰ্ভুক্ত কৰিবলৈকে এনে বিস্তৃতি সাধন কৰা হয়। এয়া হ'ল ১৯৮৩ চনত কৰা সংশোধনৰো আৰু এখোপ আগুৱাই যোৱা ব্যৱস্থা। অনুমতি দানৰ সংজ্ঞা বিস্তৃত কৰা হয় আৰু এনেভাৱে নিৰ্দিষ্ট কৰা হয় যে বাধা দিয়াৰ কোনো চিহ্ন নাথাকিলেই মান্তি হোৱা কথাটো নুবুজায়। ২০১৩ চনৰ সংশোধনত এইটো বিষয় নিশ্চিত কৰা হয় যে "অনুমতি প্ৰদানৰ

অৰ্থ হ'ল মহিলাগৰাকীয়ে কথা, ইঙ্গিত অথবা অন্যভাৱে যোগাযোগ কৰি নিৰ্দিষ্ট যৌনাত্মক কাৰ্যত অংশগ্ৰহণ কৰিবলৈ ইচ্ছা কৰাৰ কথা জনায়।" "মহিলা-গৰাকীয়ে লিঙ্গ প্ৰৱেশ কাৰ্যত শাৰীৰিক-ভাৱে বাধা নিদিলে যৌনকাৰ্য সাধন কৰাৰ প্ৰতি ৰাজি হোৱা ৰূপে ধৰি ল'ব পাৰি।" এয়া এক বৈশিষ্ট্যপূৰ্ণ সংশোধন।

ইয়াৰ অৰ্থ এইটোৱে নেকি যে বলাৎকাৰক এক অপৰাধ কাৰ্যৰ সম্পত্তি (মহিলা তেওঁলোকৰ পুৰুষৰ বাবে এক যৌন উপভোগৰ সম্পত্তি হোৱা হেতুকে) ৰূপে আৰু ভবা নহয়? তাৰ উত্তৰত ক'ব পৰা যায় যে এয়া কিছু মাত্ৰালৈকে ভবা নহয়, কিন্তু সামগ্ৰিকভাৱে সেইটো নহয়। বিবাহ বন্ধনৰ মাজত জোৰকৈ কৰা যৌন উপভোগ অপৰাধ কাৰ্য নহয় আৰু সেয়ে ১৫ বছৰৰ বয়সৰ ওপৰৰ পত্নীক তেনেদৰে সময়বিশেষে উপভোগ কৰাটো অপৰাধ নহয়। ২০১৩ চনৰ সংশোধনে এইটো স্বীকৃতি দিয়ে যে এগৰাকী বিচ্ছেদ হোৱা পত্নীক জোৰকৈ যৌন উপভোগ কৰা এটা পৰিস্থিতিতেই সীমাবদ্ধ নাথাকে— যি ক্ষেত্ৰত সেই পত্নীগৰাকী ন্যায়িক আদেশৰ দ্বাৰা বিভেদ কৰা হৈছে। আন কথাত ক'বলৈ গ'লে বলাৎকাৰ আইন ১৫ বছৰতকৈ ওপৰ বয়সৰ পত্নীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। যদিও শিশু যৌন অনাচাৰ আইন ২০১২ চনত জাৰি কৰা হৈছিল। এই আইনখন ১৫-১৮ বছৰ বয়সৰ কম বয়সীয়া পত্নীৰ ক্ষেত্ৰত প্ৰযোজ্য। সন্মতি প্ৰদানৰ বয়স ১৮লৈ বৃদ্ধি কৰা হয়— যাৰ অৰ্থ হ'ল প্ৰাপ্তবয়স্ক তৰুণ-তৰুণীৰ মাজত (১৬ আৰু ১৮ বছৰ বয়সৰ ভিতৰত) সন্মতিসূচক যৌনকাৰ্য এতিয়া সংবিধান ব্যৱস্থা অনুযায়ী হ'ল বলাৎকাৰ। কিন্তু এই বিষয়টোৱে সন্মতিসূচক যৌন উপভোগ আৰু প্ৰেমৰ সম্পৰ্ক বিধিবদ্ধ কৰাত বলাৎকাৰ আইন ব্যৱহাৰৰ ক্ষেত্ৰত উদ্বেগৰ সৃষ্টি কৰে। লগতে ই জাতি, বৰ্ণ তথা সম্প্ৰদায়-বিশেষৰ মাজত থকা প্ৰথাক অৱজ্ঞা কৰে।

২০১৩ চনত নতুন শ্ৰেণীৰ শোচনীয় প্ৰকৃতিৰ বলাৎকাৰ বিষয়কো অন্তৰ্ভুক্ত কৰা হয়। তাৰ ভিতৰত আছে— সম্বন্ধীয় লোক, অভিভাৱক অথবা শিক্ষকে কৰা বলাৎকাৰ; উচ্চ স্থানত থকা ব্যক্তি, সাম্প্ৰদায়িক সংঘৰ্ষৰ কালত মহিলাক কৰা বলাৎকাৰ; সন্মতি দান কৰিবলৈ অসমৰ্থ হোৱা মহিলা অথবা যেতিয়া বলাৎকাৰীজন প্ৰাধান্য বিস্তাৰ কৰা স্থিতিত থাকে আৰু সেই মহিলাৰ ওপৰতো নিয়ন্ত্ৰণ ৰাখে তেনে লোকৰ দ্বাৰা বলাৎকাৰ; শাৰীৰিক কিম্বা মানসিক অসমৰ্থতাত ভোগা মহিলাক বলাৎকাৰ; যেতিয়া সাংঘাতিক ধৰণৰ শাৰীৰিক অনিষ্ট সাধন কৰে অথবা মহিলাক নিশ্চুপ বা বোবা কৰি পেলায় অথবা শৰীৰৰ আকৃতিৰ বিনষ্ট সাধে কিম্বা সেই মহিলাৰ জীৱন বিপদাপন্ন অথবা সেই মহিলাক পুনঃ পুনঃ বলাৎকাৰ কৰে। তদুপৰি পূৰ্বৰ ১২ বছৰ বয়সৰ তুলনাত ১৬ বছৰ বয়সৰ নাবালিকাক কৰা বলাৎকাৰ কাৰ্যক শোচনীয় অপৰাধ ৰূপে আইন সংশোধনত উল্লেখ কৰিছে। ৩৭৬ (২) (গ) ধাৰাই সেনাবাহিনীৰ কোনো সদস্যই কেন্দ্ৰ অথবা ৰাজ্য চৰকাৰে কোনো এলেকাত নিয়োগ কৰাৰ সুবিধা লৈ সেই এলেকাৰ মহিলাক বলাৎকাৰ কৰাটোও ডাঙৰ অপৰাধৰূপে গণ্য কৰে। তেনেদৰে আৰক্ষী বিষয়াৰ ক্ষেত্ৰত কৰ্মৰত এলেকাত অথবা কোনো আৰক্ষী কেন্দ্ৰত কিম্বা তেনে আৰক্ষী বিষয়া অথবা তেওঁৰ সহকাৰীৰ দায়িত্বত থকা মহিলাক কৰা বলাৎকাৰ জঘন্য অপৰাধৰূপে জ্ঞান কৰা হয়। এই ক্ষেত্ৰত এনে অপৰাধৰ বাবে নিম্নতম শাস্তি হ'ল দহ বছৰ আৰু সৰ্বাধিক জীৱনজোৰা কাৰাদণ্ড। আন এক ধাৰাও সংযোজন (৩৭৬ ক ধাৰা) কৰা হৈছে—যাৰ দ্বাৰা যদি ধৰ্ষিতা মহিলাৰ মৃত্যু হয় অথবা স্বাভাৱিক জ্ঞান হেৰুৱাই পেলায়— তেনে ক্ষেত্ৰত অপৰাধীক নিম্নতম ২০ বছৰ কাৰাদণ্ড বিহা হয়। ধাৰা ৩৭৬-ঘ অনুযায়ী দলবদ্ধ ধৰ্ষণৰ ক্ষেত্ৰত নিম্নতম কাৰাদণ্ড ২০ বছৰ আৰু ইয়াক জীৱনৰ বাকী থকা সময়-ছোৱালৈকে বঢ়াই দিব পাৰে। এই ধাৰাটোৱে জৰিমনা বিহাৰ ক্ষেত্ৰতো নিৰ্দিষ্ট কৰি দিছে যে সেই জৰিমনাৰ ধনেৰে বলাৎকাৰৰ বলি হোৱা মহিলাৰ চিকিৎসা খৰচ বহন কৰিবলৈ যথেষ্ট হ'ব লাগিব আৰু সেই ধনৰাশি ভুক্তভোগীক পোনপটীয়াকৈ আদায় দিব লাগিব। ধাৰা 'ঙ' (অৰ্থাৎ ধাৰা 'ই')ত এইটো নিৰ্দিষ্ট কৰা হৈছে যে বাৰম্বাৰ কৰা অপৰাধৰ বাবে তেনে অপৰাধীক জীৱনজোৰা কাৰাদণ্ড বিহিব লাগিব কিম্বা মৃত্যুদণ্ডৰে দণ্ডিত কৰিব লাগিব।

ভীতিগ্ৰস্ত আৰু বৰ্বৰতাৰে যৌন অত্যাচাৰ কৰাৰ অভিজ্ঞতা দলিত তথা জনজাতীয় মহিলাসকলৰ ক্ষেত্ৰত সচৰাচৰ ঘটনা হোৱাৰ বাবে ২০১২-১৩ বৰ্ষত বিস্তৃত প্ৰতিবাদৰ কাৰণ হৈছিল। পিছে বলাৎকাৰ আৰু অত্যাচাৰ-অনাচাৰৰ জটিল অভিজ্ঞতা আইন সংস্কাৰ সাধনৰ ক্ষেত্ৰত তৰ্কৰ বিষয় হোৱা নাছিল। সাধাৰণতে প্ৰচলিত যৌন অপৰাধৰ বাবে লোৱা ব্যৱস্থাক স্বীকৃতি দিয়া নহয়। সেই ব্যৱস্থা, যেনে— বিবস্ত্ৰ কৰি মানুহৰ আগত নগ্নভাৱে পেৰেড কৰোৱা বিষয়টোৱে ত্ৰুটী সাধনৰ এক নিৰ্দিষ্ট স্বৰূপ ৰূপে স্বীকৃতি নাপায়। বাৰ্মা কমিটীৰ প্ৰতিবেদনত ৩৫৪-খ ধাৰা ভাৰতীয় অপৰাধ আইনত সন্নিৱিষ্ট কৰা হয়। কোনো মহিলাক নগ্ন কিম্বা বিবস্ত্ৰ কৰিবলৈ জোৰ কৰাসকলক নিম্নতম

তিনি বছৰৰ বাবে দণ্ড বিহা হ'ব আৰু সৰ্বাধিক দণ্ড কাল হ'ল ৭ বছৰ। পিছে এই নতুন ধাৰাটোৱে জনতাৰ সন্মুখত এগৰাকী নাৰীক বিবস্ত্ৰ কৰাই যি পেৰেডৰ দৃশ্য দাঙি ধৰে আৰু যিমান মনোকষ্ট দিয়ে তাৰ সঠিক সমাধানৰ ব্যৱস্থা কৰা নাই। নতুবা অনুমোদন জনোৱা পিঅ'এ আইনৰ অধীনত দলিত কিম্বা জনজাতীয় মহিলাক বলাৎকাৰ কৰা অপৰাধৰ শাস্তি আৰু শক্তিশালী কৰিবলৈ সংশোধন কৰা নাই।

২০১৩ চনৰ ভাৰতীয় সাক্ষ্য আইনত (ইণ্ডিয়ান এভিডেন্স এক্ট) ৫৩-ক ধাৰা সন্নিৱিষ্ট কৰা হয়। এই ধাৰাত কোৱা হৈছে যে বলাৎকাৰৰ বলি হোৱা ব্যক্তিৰ চৰিত্ৰ সম্বন্ধীয় সাক্ষী কিম্বা আন কোনো পুৰুষৰ স'তে তেনে ব্যক্তিৰ পূৰ্বৰ যৌন অভিজ্ঞতা সন্মতি দান সন্দৰ্ভত প্ৰাসঙ্গিক বিষয় নহ'ব। তদুপৰি ১৪৬ ধাৰাক পূৰ্বৰ অৱস্থাৰ ঠাই অধিকাৰ কৰিবলৈ সংশোধন কৰা হয়। পূৰ্বৰ ব্যৱস্থাৰ ধাৰা ৩৭৬, ৩৭৬-ক, ৩৭৬-খ, ৩৭৬-গ, ৩৭৬-ঘ আৰু ৩৭৬-ঙত এইটো উল্লেখ কৰা হৈছিল যে সন্মতি দানক প্ৰমাণিত কৰিবলৈ অপৰাধীৰ আগৰ যৌন অভিজ্ঞতাৰ সন্দৰ্ভত সোধা-পোছা কৰিবলৈ অনুমতি দিয়া নহয়।

২০১৩ চনৰ পৰৱৰ্তী কালছোৱাত প্ৰতিবন্ধকতাই আইনৰ নিয়মাৱলী আৰু সাক্ষ্য প্ৰদানৰ ক্ষেত্ৰত বিষয়ৰূপে ঠাই পোৱা নাছিল। ২০১৩ চনৰ সংশোধনত ভাৰতীয় দণ্ডবিধিৰ ৫৪-ক ধাৰা সন্নিৱিষ্ট কৰা হয়। এই ধাৰাত এইটো সুনিৰ্দিষ্ট ব্যৱস্থা আছে যে এজন দোষী সাব্যস্ত ব্যক্তিক মানসিক বা শাৰীৰিকভাৱে প্ৰতিবন্ধী ৰূপে চিনাক্ত কৰিবলৈ হ'লে সেই কাম ন্যায়িক দণ্ডাধীশৰ তদাৰকত কৰিব লাগিব। ইয়াৰ বাহিৰেও ১৫৪ ধাৰাটোৱে এতিয়া এইটো স্পষ্ট কৰিছে যে বলাৎকাৰ গোচৰত এগৰাকী মহিলাই দিয়া সম্ভেদবাজি মহিলা আৰক্ষী বিষয়া কিম্বা আন কোনো মহিলা বিষয়াৰ দ্বাৰা ৰেকৰ্ড কৰা উচিত আৰু তাত এইটো নিৰ্দিষ্টভাৱে উল্লেখ কৰিব লাগিব যে যদি অপৰাধী অস্থায়ী কিম্বা স্থায়ীভাৱে মানসিক অথবা শাৰীৰিকভাৱে প্ৰতিবন্ধী তেনেহ'লে সেই সম্বন্ধীয় তথ্য দাবীদাৰৰ আবাসস্থলত অথবা আন সুবিধাজনক স্থানত এজন দোভাষীৰ উপস্থিতিত ৰেকৰ্ড কৰিব লাগিব।

**সামৰণি ঃ**

সংশোধিত আইনে অৱশ্যে আদালতৰ বাহিৰত বিবুদ্ধিজনক প্ৰশ্ন আৰু বিৰোধাত্মক সাক্ষ্যদানৰ বিষয় সমাধান কৰিবলৈ অসমৰ্থ হয়। আৰক্ষী, চি বি আই, শাস্তি প্ৰদান কৰোঁতা, প্ৰতিপক্ষ অধিবক্তা আৰু অন্যান্য এজেন্সিয়ে বলাৎকাৰৰ বলি হোৱা ব্যক্তিক বলাৎকাৰ গোচৰ মিত-মাত কৰিবলৈ চেষ্টা চলায়, ভাবুকিও দিয়ে। ফলস্বৰূপে তেনে ব্যক্তিৰ ক্ষেত্ৰত আত্মহত্যা, হত্যা আদিৰ পথ প্ৰশস্ত কৰে। ২০১৩ চনত পাতিয়ালাত সংঘটিত ১৭ বছৰীয়া কিশোৰীৰ আত্মহত্যা তাৰেই পৰিণাম। তথাপি সেই ক্ষেত্ৰত তদন্ত কৰাৰ কোনো প্ৰয়াস কৰা নহয়। কিয় মহিলাসকলক বলাৎকাৰ গোচৰসমূহ মিত-মাত (আপোচ-মীমাংসা) কৰিবলৈ জোৰ কৰা হয়— যি ক্ষেত্ৰত আইনী গ্ৰন্থত স্পষ্টভাৱে উল্লেখ আছে সেয়া বে-আইনী? যদিও বিচাৰৰ পৰা বলাৎকাৰৰ ভুক্তভোগীক নিক্ষেপ কৰা প্ৰশ্নাৱলীৰ গতি-প্ৰকৃতিৰ অস্পষ্ট ছবি পালেও ৰায়দানৰ বিচাৰ প্ৰক্ৰিয়াৰ প্ৰতিবেদনত বলাৎকাৰ গোচৰসমূহৰ পৰ্ণোগ্ৰাফিক অৰ্থাৎ নগ্নতামূলক গাঁথনিৰ প্ৰতিচ্ছবি প্ৰকাশ পায়। মথুৰা গোচৰৰ শুনানীৰ ২৭ বছৰৰ পাছত বলাৎকাৰ গোচৰৰ সংঘটিত যৌনাত্মক কাৰ্যকলাপ দুখলগা আছিল। ২০০৭ চনত ৰাজস্থান উচ্চ ন্যায়ালয়ে সেই গোচৰৰ বিষয়ে বিস্তৃতভাৱে উল্লেখ কৰিছিল। জয়পুৰ জিলাত এটা গোটৰ শুনানীৰ সময়ত পুংখানুপুংখভাৱে ভুক্তভোগীক প্ৰশ্ন কৰা হৈছিল। তেওঁক সোধা হৈছিল কেনে ধৰণৰ অৱস্থাত তেওঁক বলাৎকাৰ কৰিছিল। তাৰ পাছত সেই অৱস্থাৰ বিষয়ে সদৰি কৰিবলৈ তেওঁক আদালত কক্ষতেই ঠাইতে থকা বেঞ্চখনত শুই দেখুৱাবলৈ কৈছিল। ন্যায়িক সংস্কাৰৰ কাৰ্য প্ৰণালীত চতুৰালি আছে— যৌনাত্মক প্ৰদৰ্শনৰ প্ৰকৃতি স্থানচ্যুত নকৰাকৈ ই সমালোচকসকলক বলাৎকাৰ সম্পৰ্কীয় আদালতৰ শুনানিৰ গাঁথনিৰ প্ৰতি অনুগৃহীত কৰে। বোধহয় ইয়াৰ ব্যতিক্ৰম হ'ব পাৰে যেতিয়া এক সামাজিক শক্তিৰূপে এনেধৰণৰ কাণ্ড-কাৰখানা সহিব নোৱাৰি তাৰ পৰা আঁতৰি যাবলৈ আৰম্ভ কৰিব। সেয়ে আমি নিশ্চয়েই যৌনাত্মক অত্যাচাৰ-অনাচাৰৰ বিৰুদ্ধে সংঘবদ্ধভাৱে সংগ্ৰাম কৰিব লাগিব। এনেবোৰ বিষয়ৰ প্ৰতি ক্ষেত্ৰতে এক বিপ্লৱাত্মক গতিৰ ৰূপান্তৰ সাধন কৰিবলৈ বিচাৰিব লাগিব— যাতে সেইবোৰত নীতিগত আৰু ৰাজনৈতিক দিশৰ নতুন অৰ্থ থাকিব পাৰে। ইয়াৰ অৰ্থ হ'ল আমি নিশ্চয়েই শক্তিৰ ভাষা প্ৰয়োগ কৰাতকৈ জৰ্জৰিতসকলৰ প্ৰকাশিত ভাষাৰ পৰা প্ৰতিবাদ জনাবৰ কাৰণে উৎস বিচাৰি তাৰ সাৰ্থক ৰূপ দিব লাগিব। ❐

# কৃষিৰ বিকাশ, অভিযোজন আৰু প্ৰশমন

**অশ্বিনী কে ছোৰেইন***

বিশ্বজোৰা জলবায়ু সন্দৰ্ভত হোৱা আলাপ-আলোচনাত ভাৰতৰ দীৰ্ঘদিনীয়া স্থিতি আছিল যে কৃষি খণ্ডত অভিযোজনৰ প্ৰসংগই অগ্ৰাধিকাৰ পাব লাগে। এই ক্ষেত্ৰত প্ৰশমনৰ দিশতকৈ অভিযোজনকহে অধিক গুৰুত্ব দিয়া হৈছিল। চৰকাৰৰ বিবেচনা অনুসৰি ভাৰতৰ কৃষিখণ্ডত প্ৰশমনক গুৰুত্ব দিলে জনগণৰ জীৱিকা আহৰণত নেতিবাচক প্ৰভাৱ পৰিব পাৰে। কিন্তু এই আশংকা কিমান দূৰ সত্য? কৃষিৰ বিকাশ, অভিযোজন আৰু প্ৰশমনৰ মাজত আন্তঃসম্পৰ্ক কেনেধৰণৰ?

**ভাৰতীয় কৃষি আৰু জলবায়ু পৰিৱৰ্তন ঃ**

ঔদ্যোগিকীকৰণৰ বহু দশকৰ পিছতো ভাৰত এতিয়াও এখন কৃষিপ্ৰধান ৰাষ্ট্ৰ হৈয়েই আছে। ৱৰ্ল্ডৱাচ্‌ ইনষ্টিটিউটৰ তথ্য অনুসৰি, বিশ্বজুৰি সামগ্ৰিক অৱনতি ঘটিলেও ভাৰতৰ কৃষিক্ষেত্ৰত নিয়োজিত লোকৰ সংখ্যা ১৯৮০-২০১১ চনৰ কালছোৱাত ৫০ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে, স্বাধীনতাৰ পিছৰে পৰা জি ডি পি-ত কৃষিৰ অংশৰ দীৰ্ঘম্যাদী অৱনতি পৰিলক্ষিত হৈছে। তথাপি ভাৰতীয় অৰ্থনীতি আৰু নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কৃষিৰ ভূমিকা অধিক আৰু অতি গুৰুত্বপূৰ্ণ। ভাৰতৰ কৃষিখণ্ডত দেশৰ শ্ৰমিকৰ আধাসংখ্যকেই নিয়োজিত হয় আৰু কৃষিয়ে মুঠ জনসংখ্যাৰ দুই-তৃতীয়াংশৰ জীৱিকা আহৰণত সহায় কৰে। বহু বছৰ ধৰি খাদ্যই মূল্যস্ফীতিত আটাইতকৈ বেছি ইন্ধন যোগাইছে আৰু ইয়াৰ বাবেই দেশত দাৰিদ্ৰ্য বাঢ়িছে।

কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতৰ স্থান আগশাৰীত যদিও মাহজাতীয় শস্য আৰু ভোজ্য তেলৰ দৰে অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী আমদানি কৰিবলগীয়া হৈছে। খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা সুদূৰপৰাহত নহয় যদিও জনগণৰ প্ৰতিটো স্তৰতে খাদ্য সুৰক্ষা এতিয়াও ডাঙৰ প্ৰত্যাহ্বান। কৃষিখণ্ডৰ লেহেমীয়া সাফল্য খাদ্য আৰু উপাৰ্জন সুৰক্ষা তথা গ্ৰাম্য দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰত উদ্বেগৰ কাৰকৰূপে চিহ্নিত হৈছে।

ভাৰতৰ কৃষিখণ্ডৰ বাবে আন এটা প্ৰত্যাহ্বান হ'ল জলবায়ুৰ ব্যাপক পৰিৱৰ্তন অথবা প্ৰতিকূল বতৰ। কৃষিযোগ্য ভূমিৰ ৭০ শতাংশই খৰাংপ্ৰৱণ, ১২ শতাংশ বানপীড়িত আৰু ৮ শতাংশ ঘূৰ্ণীপীড়িত। একে সময়তে উষ্ণতা বৃদ্ধিয়েও উৎপাদনৰ ক্ষেত্ৰত হেঙাৰৰূপে দেখা দিয়ে। শেহতীয়া আই পি চি চি এ আৰ ফাইভ তথ্য অনুসৰি এছিয়াৰ দেশসমূহত উষ্ণতা বৃদ্ধিৰ বাবে ধানৰ উৎপাদন হ্ৰাস পাব। উষ্ণতা বৃদ্ধিৰ কাৰণে দক্ষিণ এছিয়াৰ গংগা উপত্যকাৰ উন্নত ফলনশীল ঘেঁহু উৎপাদন প্ৰায় ৫০ শতাংশলৈ হ্ৰাস পাব। একেদৰে ভাৰতৰ বজ্‌ৰা, জোৱাৰ আদিৰ উৎপাদনো ২০২০ চনলৈ ২-১৪ শতাংশ হ্ৰাস পাব বুলি কোৱা হৈছে। ২০৫০ৰ পৰা আৰু ২০৮০ চনলৈ এই অৱস্থাৰ অধিক অৱনতি পৰিলক্ষিত হ'ব।

প্ৰায় ২৫ কোটি লোকৰ খাদ্য সুৰক্ষা নিশ্চিত নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰূপে দেখা দিছে ক্ৰমহ্ৰাসমান ভূমি, জল আৰু শক্তি।

জলবায়ু পৰিৱৰ্তনৰ বাবে কৃষি উৎপাদন কমি যোৱা সময়তে কৃষি খণ্ডত হোৱা নিৰ্গমন লক্ষণীয়। এই নিৰ্গমন দেশৰ সামগ্ৰিক নিৰ্গমনৰ ১৭.৬ শতাংশ। আমি যদি কৃষিজাত দ্ৰব্য ভক্ষণ সম্বন্ধীয় নিৰ্গমন (শক্তি ব্যৱহাৰ আৰু সাৰ উৎপাদনসহ) হিচাপ কৰোঁ তেন্তে কৃষি খণ্ডই জি এইচ জি নিৰ্গমন ৩০ শতাংশলৈ বঢ়াব (তালিকা-১)। এনেদৰে অৰ্থনৈতিক ক্ৰিয়াকলাপৰূপে কৃষি কৰ্ম কেৱল কম উৎপাদনশীলেই নহয়, ই লগতে উচ্চ হাৰত কাৰ্বন নিৰ্গমনকাৰীও। এয়া কেতিয়াও বাহাল থাকিব পৰা অৱস্থা হ'ব নোৱাৰে।

**সাম্প্ৰতিক অৰ্থনীতি ঃ**

ভাৰতৰ নিম্ন কাৰ্বন বিকাশ কাৰ্যনীতি আৰু পদক্ষেপৰ ক্ষেত্ৰত কৃষিয়ে যথাযথ গুৰুত্ব পাইছে নে? বিশ্বজুৰি প্ৰচলিত ধাৰা অনুসৰি আগবাঢ়ি ভাৰতে অগ্ৰাধিকাৰ দিয়া খণ্ডসমূহ হ'ল— বিদ্যুৎ, উদ্যোগ আৰু পৰিবহণ।

'নেচনেল এক্‌চন প্লেন অন ক্লাইমেট চেঞ্জ, এ ডেডিকেটেড মিছন'ৰ পূৰ্ব ব্যৱস্থা অনুসৰি 'গ্ৰহণীয় কৃষি কৰ্ম'ক উৎসাহিত কৰিবলৈ 'নেচনেল মিছন ফৰ

*অশ্বিনী কে ছোৰেইন নতুন দিল্লীস্থিত CUTS ইন্সটিটিউট ফৰ ৰেগুলেচন এণ্ড কম্পিটিচনৰ ফেল'

তালিকা-১ ঃ **কৃষি উৎপাদন আৰু ভক্ষণৰ পৰা জি এইচ জি নিৰ্গমন ($MtCO_2e$)**

| **কৃষি উৎপাদন সম্বন্ধীয় (প্ৰত্যক্ষ) নিৰ্গমন ($MtCO_2e$)** | |
|---|---|
| পশুপালন | ২১২.১০ |
| ধান খেতি | ৬৯.৮৭ |
| ভূমি ব্যৱস্থাপনা | ৪৩.৪০ |
| শস্যৰ অৱশেষ দাহ | ৬.৬১ |
| জৈৱ সাৰ ব্যৱস্থাপনা | ২.৪৪ |
| মুঠ | ৩৩৪.৪১ |
| **কৃষিজাত দ্ৰব্য ভক্ষণ সম্বন্ধীয় (পৰোক্ষ) নিৰ্গমন ($MtCO_2e$)** | |
| বিদ্যুতৰ ব্যৱহাৰ | ১৩০.৬৩ |
| অন্য শক্তিৰ ব্যৱহাৰ | ৩৩.৬৬ |
| সাৰ উৎপাদনত শক্তিৰ ব্যৱহাৰ | ২০.৫৭ |
| মুঠ | ১৮৪.৪৬ |
| সৰ্বমুঠ | ৫১৯.২৭ |

ছাছটেইনেব্‌ল এগ্ৰিকালচাৰ' (এন এম এছ এ) স্থাপন কৰা হয়। পশুপালন আৰু শস্য ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি জলবায়ু অনুসৰি ভাৰতীয় কৃষি কৰ্মক প্ৰস্তুত কৰি তোলাই ইয়াৰ লক্ষ্য।

কৃষি কৰ্মৰ সন্মুখত থকা প্ৰত্যাহ্বান চিনাক্ত কৰিবলৈ এন এম এছ এ আংশিকভাৱে সফল হৈছে। তথাপি এই প্ৰত্যাহ্বানসমূহৰ সমাধান উলিওৱাৰ দিশত ই ব্যৰ্থ হৈছে। ই অস্বাস্থ্যকৰ কৃষ কৰ্ম ৰোধ কৰিব পৰা নাই। পানীৰ ব্যৱহাৰৰ কুশলতা সন্দৰ্ভত গুৰুত্ব দিলেও ৰাসায়নিক সাৰৰ ব্যৱহাৰ কমোৱাৰ দিশটোক আওকাণ কৰা হৈছে। তদুপৰি বহু প্ৰস্তাৱিত কাৰ্যনীতিৰ লক্ষ্য বৃহৎ খেতিয়ক, যিসকলে নতুন কৃষি সঁজুলি ব্যৱহাৰ কৰিব পাৰে। ইফালে ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকল এই দিশত পিছপৰি থাকে।

এন এম এছ এ যদিও প্ৰযুক্তি নিৰ্ভৰ, ই প্ৰযুক্তি কেনেকৈ পৰিচালনা কৰিব লাগে সেই কথা স্পষ্ট কৰিতো দিয়া নায়েই, তদুপৰি দুৰ্বল কৃষি সম্প্ৰসাৰণ সেৱাসমূহৰ দিশটোকো আওকাণ কৰি গৈছে। আনহাতে, বিশেষকৈ বৃহৎ সংখ্যক ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কৰ বাবে পৰ্যাপ্ত কৃষি ঋণ আৰু বীমাৰ সুবিধাৰ অভাৱে এই প্ৰযুক্তিৰ বিস্তাৰৰ অন্তৰায়ৰূপে দেখা দিয়ে। সৰ্বশেষত, দুৰ্বল প্ৰতিষ্ঠানিক আৰু মানৱীয় সামৰ্থ্য কৃষি নীতিৰ কাৰ্যকৰী ৰূপায়ণৰ বাবে প্ৰত্যাহ্বানৰূপে থিয় দিব। এনে অস্পষ্ট কাৰ্যনীতিৰ বাবেই কৃষিৰ বিকাশ সুদূৰ পৰাহত।

পানী আৰু শক্তি ব্যৱহাৰৰ কুশলতাক লক্ষ্য হিচাপে লোৱা অন্য আঁচনিসমূহো বিশেষ ফলৱতী হোৱা নাই। ক্ষুদ্ৰ জলসিঞ্চন প্ৰযুক্তিৰ ক্ষেত্ৰত চৰকাৰী উদ্যোগ কেইখনমান ৰাজ্যতহে সীমিতভাৱে সফল হৈছে। ৰাজ্য চৰকাৰ-সমূহে প্ৰচুৰ বিনিয়োগ ৰাজসাহায্যৰ ব্যৱস্থা কৰা সময়তে এই ৰাজসাহায্য লেনদেনৰ ক্ষেত্ৰত হোৱা উচ্চ হাৰৰ ব্যয়ৰ বাবে কৃষকসকল নিৰুৎসাহিত হোৱা দেখা গৈছে।

'নেচনেল মিছন অন এনহেন্সড্‌ এনাৰ্জি এফিচিয়েন্সি'ৰ অধীনত কৃষি খণ্ডত বিদ্যুতৰ চাহিদা সীমিত কৰিবলৈ ভাৰতে আৰম্ভ কৰিছে এখন আঁচনি— 'এগ্ৰিকালচাৰেল ডিমাণ্ড ছাইড মেনেজমেণ্ট' (এগ ডি এছ এম)। কৃষি খণ্ডত বিদ্যুতৰ ব্যৱহাৰৰ বাবে হোৱা ব্যাপক জি এইচ জি নিৰ্গমনলৈ লক্ষ্য কৰিলে দেখা যায় যে বিদ্যুতৰ চাহিদা কমোৱাটো আৱশ্যকীয়। তৎসত্ত্বেও এই আঁচনিৰ অধীনত প্ৰচলিত পাম্পৰ পৰিৱৰ্তে পঞ্চতাৰকা সম্বলিত কম শক্তি খৰচী পাম্প ব্যৱহাৰ কৰিবলৈ বিচৰা হৈছে। এই নতুন পাম্পসমূহে শক্তি ৰাহি কৰে নে? বাস্তৱিক দিশত এই লক্ষ্য পূৰ হোৱা নাই।

ভাৰতৰ বিদ্যুৎ খণ্ডৰ পূৰ্বৰ অভিজ্ঞতা চালি-জাৰি চালে দেখা যায় যে দেশৰ চুকে-কোণে স্থাপন কৰা ১৮.৫ নিযুত জলসিঞ্চনৰ পাম্প সলোৱা কথাটো বৰ আশাব্যঞ্জক নহয়। প্ৰস্তাৱিত 'এনাৰ্জি ছাৰ্ভিচ কোম্পানী' (ই এছ চি অ') বিনিয়োগ আৰ্হি অবাস্তৱ আৰু আৰ্থিকভাৱে লাভদায়ক নহয়; এনাৰ্জি ছাৰ্ভিচ কোম্পানীসমূহে (সম্ভাব্য বিনিয়োগকাৰী) আঁচনিৰ প্ৰকৃত ৰূপায়ণৰ ক্ষেত্ৰত পদক্ষেপ আগবঢ়োৱা নাই। আনকি ভাৰতে এগ ডি এছ এম আঁচনি ৰূপায়ণ কৰিলেও শক্তি ৰাহি হোৱাৰ কোনো আশা নাই। কৃষকক যোগান ধৰা নতুন পাম্পসমূহে কম বিদ্যুৎ ব্যয়েৰে অধিক পানী উত্তোলন কৰিব বুলি দাবী কৰা হৈছে। কৃষকক পানীহে লাগে, বিদ্যুৎ নহয়; এই কথালৈ লক্ষ্য কৰিলে দেখা যায় যে বৰ্তমান উত্তোলন কৰা পানীতকৈ অধিক পৰিমাণৰ পানীৰ আৱশ্যক। পাম্পৰ দক্ষতা বঢ়োৱা মানেই পানীৰ

ব্যৱহাৰ বৃদ্ধি। ইয়াৰ ফলত ভূতল স্তৰ নিম্নগামী হ'ব। গতিকে পাম্পসমূহে অধিক গভীৰতাৰ পৰা পানী উঠালে হৰ্চপাৱাৰ বঢ়াবই লাগিব। প্ৰত্যেক হৰ্চপাৱাৰ বঢ়োৱাৰ অৰ্থ বিদ্যুতৰ ব্যয় বৃদ্ধি।

**ভৱিষ্যতলৈ দৃষ্টি ঃ**

অহা দশকসমূহৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ খাদ্যৰ চাহিদা পূৰাবলৈ কৃষি খণ্ডত উদ্ভাৱনীমূলক পদ্ধতি প্ৰয়োগ কৰিব লাগিব যাতে কম আয়াসতে অধিক ফচল পাব পাৰি। জলবায়ু পৰিৱৰ্তন সহিব পৰাৰ লগতে প্ৰত্যেক উৎপাদনৰ সময়ত নিম্ন নিৰ্গমন নিশ্চিত কৰিব লাগিব। সেয়ে ভাৰতীয় অৰ্থনীতিৰ বাবে প্ৰয়োজন জলবায়ুৰ লগত খাপ খুৱাব পৰাকৈ চলিব পৰা কাৰ্যনীতি।

ইতিমধ্যে হ্ৰাসমান সম্পদৰ বাবে কৃষি নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ উদ্বেগ বাঢ়িছে। ইয়াৰ সন্মুখীন হ'বলৈ বিকল্প পদ্ধতি আৰু সম্পদ ব্যৱহাৰৰ দক্ষতা বৃদ্ধিৰে এই শ্ৰেণীৰ লোকসকলক সাজু কৰি তুলিব লাগিব।

কৃষি খণ্ডৰ লক্ষ্য পূৰ কৰিবলৈ ভাৰতক প্ৰয়োজন কৃষি বিকাশ নীতি আৰু কাৰ্যনীতি পুনৰগঠন কৰাটো। ইয়াৰ বাবে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু পাৰিপাৰ্শ্বিক দিশসমূহ অভিন্নভাৱে চালি-জাৰি চাব লাগিব।

কৃষিৰ বিকাশৰ বাবে ব্যাপক পদক্ষেপৰ প্ৰয়োজন। 'পোনতে প্ৰশমন' পদক্ষেপ ৰাজনৈতিকভাৱে দুঃসাধ্য আৰু সামাজিকভাৱে গ্ৰহণযোগ্য নহ'ব পাৰে; তেনে ক্ষেত্ৰত ভাৰত 'পোনতে বিকাশ' পদক্ষেপ আগবঢ়াই অভিযোজন আৰু প্ৰশমনৰ লাভ আদায় কৰিব পাৰে। অত্যাৱশ্যকীয় কৃষি বিকাশৰ বাবে তিনিটা বহল পৰিসৰৰ কাৰ্যনীতি ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা আছে—

**পশুপালন ব্যৱস্থাপনা ঃ**

কৃষি খণ্ডত পশুপালনৰ বাবেই প্ৰায় ৪০ শতাংশ নিৰ্গমন পৰিলক্ষিত হয় যদিও কাৰ্যক্ষেত্ৰত এই বিষয়টো বেছিকৈ আলোচিত নহয়। তথাপি পশুখাদ্যৰ মান উন্নীত কৰা আৰু স্বাস্থ্য তথা প্ৰজনন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা কেতবোৰ ব্যৱস্থাই নিৰ্গমন হ্ৰাস কৰাৰ লগতে উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰে। পশুপালন খণ্ডত দুগ্ধ উৎপাদনকাৰী পশুৰ দ্বাৰাই দুই-তৃতীয়াংশ নিৰ্গমন হয়। সহজে হজম হোৱা পশু খাদ্যৰ মান বৃদ্ধিৰ জৰিয়তে অতিৰিক্ত দুগ্ধ উৎপাদনৰ লগতে মিথেন নিৰ্গমন হ্ৰাস কৰিব পাৰি। উন্নত মানৰ পশুখাদ্যৰ বাবেই যদি অতিৰিক্ত দুগ্ধ উৎপাদন পাব পাৰি, তেন্তে জলবায়ু পৰিৱৰ্তন আৰু উষ্ণতা বৃদ্ধিৰ প্ৰতিকূল প্ৰভাৱ প্ৰশমন হোৱাৰ থল আছে। এইধৰণে অভিযোজনলৈ অৱদান আগবঢ়াব পাৰি। স্বাস্থ্যবান আৰু উৎপাদনশীল পশুৰ সংখ্যা বৃদ্ধিৰে উন্নত মানৰ স্বাস্থ্য আৰু প্ৰজনন ব্যৱস্থাপনাৰ জৰিয়তে উৎপাদন বঢ়োৱাৰ লগতে নিৰ্গমন কমাব পৰা যায়। দক্ষিণ এছিয়াত উন্নত মানৰ পশুখাদ্য, স্বাস্থ্যবান পশু আৰু সুচাৰুৰূপে পশুপালনৰ জৰিয়তে ৩৮ শতাংশলৈ নিৰ্গমন হ্ৰাস কৰাটো সম্ভৱ।

**পানীৰ গুৰুত্ব ঃ**

কৃষি খণ্ডত পানীৰ গুৰুত্ব অপৰিসীম। বৰ্তমান জলসিঞ্চনৰ দ্বাৰা পৰ্যাপ্ত পানী লাভ কৰাটো সম্ভৱ হোৱা নাই আৰু অনাগত দিনত এই সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিব। প্ৰচলিত জলসিঞ্চন ব্যৱস্থা বিদ্যুৎ আৰু ডিজেলৰ ওপৰত অত্যধিক নিৰ্ভৰশীল আৰু সেয়ে নিৰ্গমনো যথেষ্ট বেছি। গতিকে জলসিঞ্চনৰ পানী ব্যৱস্থাপনা উন্নত কৰাটো জৰুৰী হৈ পৰিছে। 'ড্ৰিপ' আৰু 'ৱাটাৰ স্প্ৰিংক্লাৰ' ব্যৱহাৰ কৰি পানীৰ চাহিদা কমাব পৰা যায়। ভূ-সমতলৰ জলসিঞ্চন নেটৱৰ্ক উন্নত কৰিও সুফল লাভ কৰিব পাৰি। বৰষুণৰ পানী সংৰক্ষণ কৰাৰ লগতে জলসিঞ্চন পাম্পৰ দক্ষতা বৃদ্ধিৰে এই দিশত অগ্ৰগতি হ'ব পাৰে।

এই পদক্ষেপসমূহৰ দ্বাৰা উৎপাদনশীলতা ব্যাহত নোহোৱাকৈ পানীৰ অভাৱ কিছু পৰিমাণে হ'লেও আঁতৰাব পৰা যায়। ইয়াৰ লগতে কৃষি খণ্ডত শক্তিৰ ব্যয় বহুখিনি হ্ৰাস কৰাৰ উপৰি মিথেন নিৰ্গমন ৰোধ কৰিব পাৰি।

**পুৰণি কৃষি পদ্ধতি অব্যাহত ৰখা ঃ**

বিকাশৰ বাবে আধুনিকীকৰণ অতি গুৰুত্বপূৰ্ণ যদিও অধিক কুশলতাৰ বাবে পৰম্পৰাগত কৃষি পদ্ধতি অব্যাহত ৰখাটো অপৰিহাৰ্য। উদাহৰণস্বৰূপে, ভূমি চহাই জৈৱ আৱৰ্জনাৰে সাৰুৱা কৰা আৰু শস্যাৱৰ্তন (সলাই সলাই খেতি কৰা) আদি কৃষি পদ্ধতিৰে পানী আৰু সাৰৰ প্ৰয়োজনীয়তা হ্ৰাস কৰিব পাৰি। তথাপি খেতিয়কসকলে এই লাভৰ বিষয়ে সজাগ নোহোৱা বাবে আৰু অতিৰিক্ত শ্ৰম পৰিহাৰ কৰিবলৈ এনে পদ্ধতিৰ প্ৰতি বিশেষ মনোযোগী নহয়। এনেধৰণৰ কম ব্যয়সাপেক্ষ কৃষি পদ্ধতিয়ে খেতিত ব্যৱহৃত সমল বা সম্পদ (পানী, সাৰ) হ্ৰাস কৰাৰ লগতে ভূমি ক্ষয় ৰোধ কৰে, মাটিৰ গুণাগুণ ৰক্ষা কৰে, অপতৃণ নাশ কৰে আৰু ভূমিৰ উৰ্বৰতা বঢ়ায়। শস্যৰ অৱশেষ পথাৰত জ্বলাই দিয়া হয়। ইয়াৰ ফলত নিৰ্গমনৰ লগতে স্থানীয়ভাৱে বায়ু প্ৰদূষণ বাঢ়ে। সেয়ে শস্যৰ অৱশেষ, গা-গছ, গুৰি আদি জৈৱ আৱৰ্জনাৰূপে ব্যৱহাৰ কৰিব লাগে। তদুপৰি পথাৰত গছ ৰুলে

মাটিলৈ নাইট্ৰ'জেন পৰিবাহিত হয়। ফলত ৰাসায়নিক নাইট্ৰ'জেন সাৰৰ প্ৰয়োজন হ্ৰাস হোৱাৰ লগতে কাৰ্বনো আঁতৰায়।

তদুপৰি ভূমিৰ উৰ্বৰতা বঢ়োৱা আৰু পদ্ধতিগত ধান খেতিৰ দৰে আধুনিক কৃষি প্ৰণালীয়ে সম্পদ ব্যৱহাৰৰ কুশলতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰে।

**বহল পৰিসৰৰ কৃষি নীতিৰ শ্ৰেণীবদ্ধকৰণ ঃ**

ব্যাপক স্তৰত কাৰ্যকৰী উদ্দীপনামূলক কাৰ্যপ্ৰণালীৰ জৰিয়তে চৰকাৰে এই পদক্ষেপসমূহ পামবিলাকত গ্ৰহণ কৰিব পাৰে। তদুপৰি ভাৰতৰ কৃষি খণ্ডত বিদ্যুৎ আৰু সাৰৰ ৰাজসাহায্য বিশ্বমানতকৈ কম যদিও ব্যাপক হাৰত দক্ষতাহে কমাইছে। সেই বাবে কৃষি ৰাজসাহায্য নীতি আৰু খাদ্য সংগ্ৰহ নীতি শ্ৰেণীবদ্ধ কৰা দৰকাৰ যাতে সম্পদ ব্যৱহাৰ দক্ষতা আৰু কৃষিখণ্ডত সংৰক্ষণ বৃদ্ধি কৰিব পাৰি। উদাহৰণস্বৰূপে খাদ্যশস্যৰ অধিক সমৰ্থন মূল্য, সাৰ আৰু কাৰ্যকৰী জলসিঞ্চন প্ৰযুক্তিলৈ ৰাজসাহায্যই দুখীয়া খেতিয়কক যথেষ্ট লাভৱান কৰিব।

ৰক্ষণশীল প্ৰাক্কলনৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে এই জলবায়ু অনুসৰি পদক্ষেপ গ্ৰহণে কৃষি খণ্ডত নিৰ্গমন হ্ৰাস কৰিব; লগতে উৎপাদনশীলতা বঢ়াব। বিশ্বজুৰি জলবায়ু সন্দৰ্ভত হোৱা আলাপ-আলোচনাত কৃষি প্ৰশমনৰ বিষয়টো অন্তৰ্ভুক্ত কৰাত ভাৰতৰ আপত্তি থাকিব পাৰে, কিন্তু ঘৰুৱা স্তৰত প্ৰশমনৰ দিশটো উলাই কৰিব পৰা নাযায়, বিশেষকৈ যেতিয়া অভিযোজন আৰু বিকাশ প্ৰশমনৰ সৈতেই ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। সামাজিক গ্ৰহণযোগ্যতা নিশ্চিত কৰিবলৈ এই কাৰ্যনীতিসমূহৰ কাৰ্যকৰী ৰূপায়ণৰ আৱশ্যকতা দেখা যায়। তদুপৰি চৰকাৰী সংস্থাসমূহৰো যথেষ্ট কৰণীয় আছে। ❒

---

(১৩ পৃষ্ঠাৰ পৰা)

পৰিকাঠামো তৈয়াৰ কৰিলে আৰু খাদ্যদ্ৰব্যৰ বাবে পৰিদৃশ্যমান আৰু অৰ্থনৈতিক মূল্যায়ণ বৃদ্ধি কৰিলে।

**উপসংহাৰ ঃ**

খাদ্যদ্ৰব্যৰ উৎপাদনত ভাৰতবৰ্ষই প্ৰযুক্তি-নীতি প্ৰতিষ্ঠানিক পৰিকাঠামোৰ সমন্বয়ত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰিলে। সি যি কি নহওক, কৃষিখণ্ডৰ অন্যান্য ভূমিকা, বিশেষকৈ কৃষিখণ্ডবহিৰ্ভূত ক্ষেত্ৰসমূহলৈ অগ্ৰৱৰ্তী আৰু পশ্চাৎৱৰ্তী সংযোগ বৃহৎ পৰিমাণে ঘটিল। গ্ৰাম্য ঔদ্যোগীকৰণ আৰু গ্ৰাম্য শ্ৰমশক্তিৰ কৌশল উন্নয়নৰ জৰিয়তে কৃষিখণ্ডত শ্ৰমৰ ত্বৰান্বিতকৰণৰ ব্যৱস্থা আৰু উৎপাদন বৃদ্ধিৰ প্ৰয়োজনীয়তা এতিয়াও নুই কৰিব নোৱাৰি। কৃষকসকলৰ বাবে উপযুক্ত বজাৰ, প্ৰযুক্তি আৰু গ্ৰাম্য আন্তঃগাঁথনিৰ প্ৰয়োজন। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযানৰ দৰে আঁচনিৰ প্ৰাৰম্ভিক সফলতা সন্তোষজনক। কৃষিখণ্ডত ব্যক্তিগত খণ্ডৰ বিনিয়োগে এনে প্ৰচেষ্টাৰ সফলতা অধিক খৰতকীয়া কৰি তোলাৰ সম্ভাৱনা প্ৰবল। যদিও নাতিদীৰ্ঘ সময়ৰ বাবে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে অৰ্থনৈতিক মূল্যায়নৰ বাবে ফলপ্ৰসূ, অন্যান্য বিকাশমূলক নীতি গ্ৰহণৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ❒

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# ভাৰতত কৃষিৰ বিকাশ—প্ৰদৰ্শন আৰু সম্ভাৱনা

**পি কে যোশী***
**অঞ্জন কুমাৰ***

**পৰিচয় ঃ**

ভাৰতৰ খাদ্য সুৰক্ষা নিশ্চিতকৰণ আৰু দৰিদ্ৰতা হ্ৰাসকৰণৰ প্ৰচেষ্টাত প্ৰাথমিক লক্ষ্য হৈছে কৃষি বিকাশ সাধন। এই উদ্দেশ্যে দেশখনৰ পৰিকল্পনা প্ৰক্ৰিয়াত দৰিদ্ৰতা নিবাৰণমুখী তথা সংস্কাৰমুখী ভালেমান ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ অধীনত আন্তঃগাঁথনিৰ উন্নয়ন, আধুনিক কৃষি সামগ্ৰীৰ প্ৰয়োগ বৃদ্ধি কৰা, ঋণ ব্যৱস্থা বৃদ্ধি কৰা আৰু জলসিঞ্চনৰ সুবিধা সম্প্ৰসাৰণ কৰা আদিও আছে আৰু এইবোৰৰ কৃষি বিকাশৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ আছে। সেয়ে বিগত বছৰকেইটাত কৃষি বিকাশৰ হাৰ ৪ শতাংশ কৰাৰ ক্ষেত্ৰতো সুফল পোৱা গৈছে। ২০০৮ৰ বিশ্ব খাদ্য সংকটৰ পিছত কৃষি খণ্ডটোৱে ৰাজহুৱা নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত মুখ্য স্থান অধিকাৰ কৰিছে। ইয়াৰ আগতেও নৱৈ দশকটোত কৃষি বিকাশ হ্ৰাস পোৱাটো তথা কৃষক আৰু কৃষিকৰ্মীৰ জীৱন ধাৰণ জটিল হৈ পৰাটো উদ্বেগৰ বিষয় হিচাপে আলোচিত হৈছিল। ইয়াৰ সমাধানৰ অৰ্থে একাদশ পৰিকল্পনা (২০০৭-২০১২)ত কৃষি, গ্ৰামোন্নয়ন আদিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। পিছলৈ দ্বাদশ পৰিকল্পনাতো এই ব্যৱস্থাবোৰ সবল কৰি তোলা হয়। ফলস্বৰূপে চলিত দশকত কৃষিৰ বিকাশ উন্নত হয়।

**ভাৰতত উপাৰ্জন বৃদ্ধি আৰু কৰ্মসংস্থানৰ ক্ষেত্ৰত কৃষিৰ অৱদান**

বিগত ছটা দশকত ভাৰতীয় কৃষি ব্যৱস্থাৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে। ভাৰতীয় অৰ্থনীতি আৰু কৰ্মসংস্থান বৃদ্ধিৰ ক্ষেত্ৰত কৃষিৰ পৰিৱৰ্তিত ভূমিকাই এই কথা স্পষ্ট কৰে। ১৯৫০ৰ প্ৰথমছোৱাত ভাৰতীয় অৰ্থনীতিত কৃষিৰ অৱদান আছিল ৫১ শতাংশ, যি পিছত হ্ৰাস পাই ২০১১-১২ত ১৬ শতাংশ হয়গৈ। উদ্যোগ আৰু সেৱা খণ্ডৰ দ্ৰুত বিকাশৰ কাৰণেই এইটো হ'বলৈ পায়। ১৯৮০-৮১ৰ পিছৰ পৰা ভাৰতীয় অৰ্থনীতিত কৃষি খণ্ডতকৈ অনা-কৃষি খণ্ডই অধিক গুৰুত্ব পাবলৈ ধৰে। ভাৰতৰ মুঠ দেশীয় উৎপাদনৰ পৰিৱৰ্তিত গাঁথনিত অনা-কৃষি খণ্ডত শ্ৰমিক নিয়োগ মন্থৰ হোৱাটোও উদ্বেগৰ বিষয় হৈ পৰে। কৃষি আৰু অনা-কৃষি খণ্ডৰ উপাৰ্জন তথা কৰ্ম সংস্থানৰ মাজৰ ব্যৱধান বৃদ্ধি পাই যায়, যাৰ ফলত গ্ৰাম্য-চহৰীয়া আৰু আন্তঃশ্ৰেণীগত পাৰ্থক্য বৃদ্ধি পায়। স্বাধীনতাৰ পিছৰ প্ৰথম তিনিটা দশকত কৰ্মসংস্থান সৃষ্টিৰ ক্ষেত্ৰত কৃষি খণ্ডৰ অৱদান সত্তৰ শতাংশতে সীমিত আছিল যদিও পিছৰ তিনিটা দশকত ই বাইছ শতাংশলৈ হ্ৰাস পায়। অনা-কৃষি খণ্ডত চলিত দশকটোত কৰ্মসংস্থানৰ ক্ষীপ্ৰ বৃদ্ধিৰ কাৰণে কৃষি খণ্ডত এই পৰিমাণ ১০ শতাংশতকৈও অধিক হ্ৰাস পায়। ২০১১-১২ৰ সমীক্ষা অনুযায়ী অৱশ্যে মুঠ শ্ৰমিক শক্তিৰে ৪৯ শতাংশ কৃষি খণ্ডত নিয়োজিত হৈছে, যিটোৱে এক আশাৰ ৰেঙনি কঢ়িয়াই আনিছে।

**কৃষি খণ্ডৰ বিকাশ**

ভাৰতৰ দৰে এখন উন্নয়নশীল দেশত কেৱল সামগ্ৰিক বিকাশেই নহয়, দৰিদ্ৰতা দূৰীকৰণৰ গতি ক্ষীপ্ৰ কৰিবলৈকো কৃষি বিকাশৰ প্ৰয়োজন। স্বাধীনতাৰ পিছত ৬০ৰ দশকৰ বাহিৰে কৃষি খণ্ডৰ বাৰ্ষিক বিকাশৰ হাৰ অতি নিম্ন অৰ্থাৎ ২ৰ পৰা ৩ শতাংশৰ ভিতৰত আছে। ৫০ৰ দশকত ই আছিল ২.৬ শতাংশ, যিটো ৬০ৰ দশকত অৱনমিত হৈ ১.৭ শতাংশ হয়। ৯০ৰ দশক আৰু ২০১২ৰ সময়ছোৱাত ই বৃদ্ধি পাই হয়গৈ ৩.২ শতাংশ আৰু ৩.৫ শতাংশ, য'ত নিৰ্দ্ধাৰিত লক্ষ্য আছিল বাৰ্ষিক ৪ শতাংশ। কৃষি খণ্ডৰ বিকাশ জনসংখ্যা বৃদ্ধিৰ বিকাশৰ হাৰতকৈও অধিক আছিল। অৱশ্যে অনা-কৃষি খণ্ডৰ বিকাশ কৃষি খণ্ডতকৈ অধিক হোৱা আৰু কৃষি বিকাশ তথা ভাৰতীয় অৰ্থনীতিৰ বিকাশ সমানে আগবাঢ়ি যোৱাৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকিল। (তালিকা-২)

**কৃষিৰ আনুষঙ্গিক খণ্ডসমূহৰ প্ৰদৰ্শন**

**শস্য খণ্ড**

স্বাধীনতাৰ পিছৰ প্ৰথমটো দশকত শস্য খণ্ডৰ বিকাশ ৩.১ শতাংশ আছিল।

*পি কে যোশী আন্তৰ্জাতিক কৃষি গৱেষণা পৰিষদৰ দক্ষিণ এছিয়াৰ সঞ্চালক আৰু অঞ্জন কুমাৰ আন্তৰ্জাতিক খাদ্য নীতি গৱেষণা প্ৰতিষ্ঠানৰ ৰিছাৰ্চ ফেল'

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত কৃষিক উচ্চ অগ্ৰাধিকাৰ দিয়া হয় আৰু পৰিকল্পনা বাজেটৰ বৃহৎ অংশ এই কৃষি উপ-খণ্ডটোৰ কাৰণে আবণ্টন দিয়া হয়। এই সময়ছোৱাৰ ভূমি সংস্কাৰ, গাঁথনি-মূলক পৰিৱৰ্তন তথা গৃহীত জলসিঞ্চন প্ৰকল্পৰ ক্ষেত্ৰতো উল্লেখযোগ্য প্ৰগতি পৰিলক্ষিত হয়। দ্বিতীয়-তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত এই খণ্ডটোৰ ওপৰত গুৰুত্ব কমাই দিয়াৰ ফলস্বৰূপে ৬০ৰ দশকৰ মাজভাগত খৰাং পৰিস্থিতিৰ সৃষ্টি হয় আৰু বিকাশৰ হাৰ ১.৭ শতাংশলৈ অৱনমিত হয়। ফলত ভীষণ খাদ্য নাটনিৰ সৃষ্টি হৈ বৃহৎ পৰিমাণৰ খাদ্য-শস্য আমদানি কৰিবলৈ বাধ্য হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰই খাদ্য সাহায্যৰ ক্ষেত্ৰত আৰোপ কৰা চৰ্তসমূহে খাদ্য উৎপাদন বৃদ্ধি কৰিবলৈ বাধ্য কৰে। ৬০ৰ দশকৰ মাজভাগত ঘেঁহু আৰু চাউলৰ চাপৰ আৰু উচ্চ উৎপাদনক্ষম বীজ ব্যৱহাৰ সম্প্ৰসাৰণৰ উদ্দেশ্যে ব্যাপক প্ৰচেষ্টা চলোৱাটো আৰম্ভ হয়, যাৰ সুফল হিচাপে সেউজ বিপ্লৱ আৰম্ভ হয়। ৭০ৰ দশকত বাৰ্ষিক ১.৮ শতাংশ বিকাশ বৃদ্ধি হোৱা কৃষি উপ-খণ্ডটোৰ বিকাশৰ হাৰ ৮০ৰ দশকত ২.২ শতাংশ আৰু ৯০ৰ দশকত ৩ শতাংশ। অৱশ্যে একাদশ পৰিকল্পনাত নিৰ্দ্ধাৰিত লক্ষ্য ৪ শতাংশ বিকাশৰ কাষ চাপিব নোৱাৰিলে (তালিকা-১)। নীতিগত সমৰ্থন, উন্নত উৎপাদন প্ৰযুক্তিৰ প্ৰয়োগ আৰু আন্তঃগাঁথনি গৱেষণা আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগ বৃদ্ধিয়ে কৃষি উপ-খণ্ডটোৰ বিকাশত সহায় কৰে। অৱশ্যে সামগ্ৰিকভাৱে কৃষিৰ ক্ষেত্ৰত বিনিয়োগ ৯০ৰ দশকত হ্ৰাস পোৱাৰ কাৰণে বিকাশৰ হাৰ অৱনমিত হয়। প্ৰকৃততে কৃষি গৱেষণা, শিক্ষা, পথ যোগাযোগ উন্নীতকৰণৰ ফলত কৃষি জি ডি পি-ৰ প্ৰভূত বিকাশ হোৱাৰ লগতে দৰিদ্ৰতা নিবাৰণতো সহায়ক হয়। বিনিয়োগ বৃদ্ধিৰ প্ৰভাৱৰ গুৰুত্ব উপলব্ধি কৰিয়েই কৃষি খণ্ডত এই উদ্দেশ্যে প্ৰত্যক্ষ প্ৰচেষ্টা চলোৱা হয়।

**পশুধন খণ্ড**

১৯৭০লৈকে পশুধন উপখণ্ডৰ বিকাশ মজলীয়া আছিল। ৫০ৰ দশকত এই উপখণ্ডৰ বিকাশৰ হাৰ আছিল বাৰ্ষিক ১.৪ শতাংশ আৰু ৬০ৰ দশকত ই আছিল কেৱল ০.৪ শতাংশ। কিন্তু ৭০ৰ দশকত ই বৃদ্ধি পাই হয়গৈ ৩.৯ শতাংশ আৰু তেতিয়াৰে পৰা কৃষি উপখণ্ডতকৈ এই উপখণ্ডৰ বিকাশ অধিক হোৱা পৰিলক্ষিত হৈছে। আনকি সেউজ বিপ্লৱে খলকনি তোলা ৭০ আৰু ৮০ৰ দশকৰ সময়ছোৱাতো ইয়াৰ বিকাশৰ হাৰ আছিল ৪.৯ শতাংশ। কিন্তু ৯০ৰ দশক আৰু ২০০০ৰ পিছত এই হাৰ হ্ৰাস পায় যদিও ৪ শতাংশৰ তললৈ নামিবলৈ নাপায়। এই খণ্ডৰ উল্লেখযোগ্য প্ৰগতিৰ কাৰণসমূহ হৈছে চৰকাৰৰ দক্ষ হস্তক্ষেপ, 'আনন্দ'ৰ দৰে সমবায়ৰ সফলতা আৰু পশুধন উৎপাদনৰ চাহিদা বৃদ্ধি পোৱা। পশুধনৰ মুক্ত বজাৰ ব্যৱস্থা বিপণন আৰু পৰিশোধন প্ৰক্ৰিয়াত অনা-চৰকাৰী খণ্ডৰ প্ৰৱেশ, পশু চিকিৎসা সেৱা উন্নীতকৰণ, বাণিজ্য অনুকূল নীতি, গুণগত উন্নয়নত গুৰুত্ব আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাই এই উপখণ্ডটোৰ বিকাশত যথেষ্ট প্ৰভাৱ পেলায়। ভৱিষ্যতে জনমূৰি আয় বৃদ্ধি আৰু এই উপখণ্ডৰ উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধিয়ে বিকাশৰ গতি ক্ষীপ্ৰ কৰি তুলিব।

**মীন পালন**

উপাৰ্জন বৃদ্ধি, কৰ্মসংস্থান সৃষ্টি আৰু উন্নত পুঁজি প্ৰদানৰ ক্ষেত্ৰত মীন পালন হৈছে এটা স্বীকৃত আৰু বৃহৎ অংশৰ অৰ্থনৈতিকভাৱে দুৰ্বল জন-সংখ্যাৰ জীৱন ধাৰণৰ গুৰুত্বপূৰ্ণ উৎস। আহাৰত মাছ বৃদ্ধি পোৱা, বিপণন সম্প্ৰসাৰণ আৰু প্ৰযুক্তিৰ উন্নয়নো ইয়াত সহায়ক হৈছে। এই খণ্ডটোৰ সামগ্ৰিক বিকাশৰ হাৰ ৮০ আৰু ৯০ৰ দশকত ৫ শতাংশৰো অধিক আছিল আৰু এতিয়াও ৪ শতাংশৰো অধিক হৈয়েই আছে।

**ভাৰতৰ কৃষি বিকাশত বিভিন্ন সামগ্ৰীৰ অৱদান**

কৃষি অৰ্থনীতিৰ ক্ষেত্ৰত শস্য হৈছে প্ৰধান অংগ আৰু এই উপখণ্ডটোৰ প্ৰদৰ্শনৰ ওপৰতে কৃষি বিকাশ ঘাইকৈ নিৰ্ভৰ কৰে। অৱশ্যে ১৯৭০ৰ ৭৯ শতাংশ বিকাশ ২০০০ত ৬০ শতাংশলৈ হ্ৰাস পায়। পশুধনৰ অৱদান ৩ গুণলৈ বৃদ্ধি পায়। মাহজাতীয় শস্যৰ অৱদান সেউজ বিপ্লৱৰ সময়ৰ ৪৩ শতাংশৰ বিপৰীতে চলিত দশকত ই হৈছেগৈ ১৩ শতাংশ। শস্য খণ্ডৰ বিকাশত উদ্যান শস্যৰ ভূমিকাই হৈছে প্ৰধান। উৎপাদন পৰিমাণত ই ৪৭ শতাংশ অধিকাৰ কৰিছে। এনে শস্যৰ ভিতৰত মাকৈৰ অৰিহণা বৃদ্ধি পাই গৈ আছে। কপাহ উৎপাদনৰ ক্ষেত্ৰতো এই অৱদান দুই শতাংশৰ পৰা ৯ শতাংশলৈ বৃদ্ধি পাইছে। কপাহ উৎপাদনৰ ক্ষেত্ৰত বি টি প্ৰযুক্তি প্ৰয়োগেই ইয়াৰ ঘাই কাৰণ। অধিক মূল্যৰ কৃষি সামগ্ৰী উৎপাদনে কৃষি বিকাশৰ লগতে উপাৰ্জন বৃদ্ধিৰে দৰিদ্ৰতা দূৰীকৰণতো সহায়ক হৈছে। পশুধনৰ ক্ষেত্ৰত ঘাই উৎপাদিত সামগ্ৰী হৈছে দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰী। অৱশ্যে সময়ৰ লগে লগে মাংস, কণী আদিৰ বজাৰ বৃদ্ধি পোৱাৰ কাৰণেও এই উপখণ্ডটোৰ বিকাশ সাধনত সহায়ক

তালিকা-১ ঃ **১৯৯৯-২০০০ত কৃষি উপখণ্ডৰ বিভিন্ন সামগ্ৰীৰ বাৰ্ষিক বিকাশ হাৰ**

**মূল্যমান, ১৯৫০-৫১ৰ পৰা ২০১১-১২**

| বছৰ | শস্য খণ্ড | পশুধন | মৎস্য উৎপাদন | উদ্যান শস্য | অনা-উদ্যান শস্য | মাহজাতীয় শস্য |
|---|---|---|---|---|---|---|
| ১৯৫০-৫১ৰ পৰা ১৯৫৯-৬০ | ৩.০৬ | ১.৪২ | ৫.৭৯ | ০.৭৪ | ৩.৫২ | ৩.৯৫ |
| ১৯৬০-৬১ৰ পৰা ১৯৬৯-৭০ | ১.৭০ | ০.৪১ | ৪.০০ | ৪.৮৭ | ১.০৯ | ২.১০ |
| ১৯৭০-৭১ৰ পৰা ১৯৭৯-৮০ | ১.৭৯ | ৩.৯২ | ২.৯০ | ২.৮৬ | ১.৪৯ | ২.৪০ |
| ১৯৮০-৮১ৰ পৰা ১৯৮৯-৯০ | ২.২৪ | ৪.৯১ | ৫.৬৭ | ২.৬৩ | ২.১২ | ২.৮৯ |
| ১৯৯০-৯১ৰ পৰা ১৯৯৯-২০০০ | ৩.০২ | ৩.৭৯ | ৫.৩৬ | ৫.৯৫ | ২.০৭ | ২.২৪ |
| ২০০০-০১ৰ পৰা ২০১১-১২ | ৩.১২ | ৪.৪৫ | ৪.০৬ | ৪.১১ | ২.৭৬ | ২.১২ |

হৈছে। ১৯৫০ৰ তিনি শতাংশ বিকাশৰ হাৰ ২০০০-২০১১ত ৩০ শতাংশলৈ বৃদ্ধি পায়। তেনেকৈয়ে দেশীয়ভাৱে মাছৰ উৎপাদন বৃদ্ধিয়েও খণ্ডটোৰ বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে আৰু ১৯৬০ আৰু ১৯৭০ৰ বাৰ্ষিক বিকাশৰ হাৰ ৩১ শতাংশৰ পৰা ২০০০-১১ত ই হয়গৈ ৮৩ শতাংশ (তালিকা-৩)।

তালিকা-২ ঃ **কৃষি জি ডি পি বিকাশত ৰাজ্যসমূহৰ অৱদান**

| ৰাজ্য | কৃষি আৰু আনুষঙ্গিক ক্ষেত্ৰ | | |
|---|---|---|---|
| | **১৯৮০-৮৯** | **১৯৯০-৯৯** | **২০০০-০৯** |
| অন্ধ্ৰ প্ৰদেশ | ৬.৪ | ১.৩ | ১০.৭ |
| অসম | ২.৩ | ০.৭ | ১.৫ |
| বিহাৰ | ৮.৮ | ০.১ | ৪.৭ |
| গুজৰাট | -১.৯ | ৯.০ | ১৯.২ |
| হাৰিয়ানা | ৫.১ | ২.৬ | ৩.২ |
| হিমাচল প্ৰদেশ | ০.৩ | ০.১ | ১.৩ |
| জম্মু আৰু কাশ্মীৰ | ০.০ | ০.০ | ১.১ |
| কৰ্ণাটক | ৬.০ | ৯.৪ | ০.২ |
| কেৰালা | ১.৮ | ২.৭ | ৩.১ |
| মধ্য প্ৰদেশ | ৪.৮ | ৮.০ | ১১.৭ |
| মহাৰাষ্ট্ৰ | ৯.৪ | ১৩.৮ | ১০.৫ |
| উৰিষ্যা | ৪.২ | ১.৮ | ৩.১ |
| পঞ্জাব | ১০.১ | ৫.২ | ৩.৮ |
| ৰাজস্থান | ৬.৩ | ৭.০ | ৯.৬ |
| তামিলনাডু | ৬.৫ | ৫.৮ | ১.৬ |
| উত্তৰ প্ৰদেশ | ১৩.৮ | ১৩.২ | ৬.৫ |
| পশ্চিমবঙ্গ | ১৪.৪ | ১৩.৬ | ৬.৩ |
| অন্য ৰাজ্য | ১.৭ | -০.৩ | ২.৩ |

## কৃষি বিকাশৰ নতুন উৎস

কৃষি উৎপাদনৰ ক্ষেত্ৰত ৰাজ্য-সমূহৰ মাজত ভালেমান ব্যৱধান আছে। এন এছ ডি পি কৃষিৰ বিকাশৰ ক্ষেত্ৰতো ৰাজ্যভেদে উৎপাদনৰ ক্ষেত্ৰত বিভিন্নতা দেখা যায়। এই বিভিন্নতাৰ কাৰণে আঞ্চলিক বিকাশো সমহাৰৰ হোৱা দেখা পোৱা নাযায়। ৮০ৰ দশকত ভাৰতৰ কৃষি বিকাশত প্ৰধান অৰিহণা আগবঢ়োৱা ৰাজ্যকেইখনৰ ভিতৰত আছে পশ্চিমবংগ (১৪.৪%), উত্তৰ প্ৰদেশ (১৩.৮%), পঞ্জাব (১০.১%), মহাৰাষ্ট্ৰ (৯.৪%), বিহাৰ (৮.৮%), তামিলনাডু (৬.৫%) আৰু অন্ধ্ৰ প্ৰদেশ (৬.৪%)। ৮০ দশকত কৃষি বিকাশৰ ক্ষেত্ৰত এইকেইখন ৰাজ্যৰ সামগ্ৰিক অংশ আছিল ৭০ শতাংশ। ১৯৯০ৰ দশকত আটাইতকৈ অধিক কৃষি বিকাশত অৰিহণা আগবঢ়োৱা ৰাজ্য হিচাপে মহাৰাষ্ট্ৰই স্বীকৃতি পায়, যাৰ অংশ আছিল ১৩.৮%। ইয়াৰ পিছতে আছিল উত্তৰ প্ৰদেশ (১৩.৬%) আৰু পশ্চিমবঙ্গ (১৩.২%)। প্ৰতি হেক্টৰত

তালিকা-৩ ঃ **ভাৰতীয় কৃষিত ১৯৭০-২০০৯লৈ প্ৰযুক্তিবিদ্যা আৰু আন্তঃগাঁথনিৰ প্ৰয়োগ**

| বছৰ | উচ্চ উৎপাদনক্ষম বীজ (%) | জলসিঞ্চন | সাৰ (কিলো/হেক্টৰ) | সাক্ষৰতাৰ হাৰ | বিদ্যুৎযুক্ত গাঁও (%) |
|---|---|---|---|---|---|
| ১৯৭০-৭১ | ১৬ | ২২ | ২০ | ২৩ | ২০ |
| ১৯৮০-৮১ | ৪২ | ২৮ | ৩৯ | ২৯ | ৪৫ |
| ১৯৯০-৯১ | ৫২ | ৩৪ | ৮৮ | ৩৬ | ৮১ |
| ২০০০-০১ | ৫৫ | ৩৯ | ১১৮ | ৪৭ | ৮৬ |
| ২০১১-১২ | ৭০ | ৪৫ | ১৯৯ | ৬৯ | ৯৫ |

অতি নিম্ন কৃষি উৎপাদনৰ ৰাজ্য গুজৰাট আৰু ৰাজস্থান ১৯৯০ দশকত ৯ আৰু ৭ শতাংশ অৰদানেৰে প্ৰধান ৰাজ্য হিচাপে চিহ্নিত হয়। মধ্যপ্ৰদেশ হৈছে আন এখন ৰাজ্য, যি ভাৰতীয় কৃষি বিকাশত আগবঢ়োৱা অৰদানৰ পৰিমাণ ১৯৮০ৰ ৪.৮%ৰ পৰা ১৯৯০ত ৮ শতাংশলৈ বৃদ্ধি কৰিব পাৰিছে। অন্ধ্ৰ প্ৰদেশৰ অৰদান ৮০ৰ ৬.৪ শতাংশৰ পৰা ৯০ৰ দশকত ৭.৩ শতাংশলৈ বৃদ্ধি পাইছে। আনহাতে ১৯৯০ দশকত বিহাৰৰ এই অৰদান শূন্য। পৰৱৰ্তী দশককেইটাত ৰাষ্ট্ৰীয় কৃষি বিকাশত অৰদান আগবঢ়োৱা ৰাজ্যসমূহৰ ভিতৰত গুজৰাট সৰ্বশ্ৰেষ্ঠ হিচাপে স্বীকৃত হয়। কৃষিৰ সামগ্ৰীৰ ৰাষ্ট্ৰীয় বিকাশত এই ৰাজ্যৰ অৰদান আছিল প্ৰায় ২০ শতাংশ। মধ্য প্ৰদেশৰ এই প্ৰগতিও ১১.৭ শতাংশ পায়গৈ। ২০০০ৰ দশকটোত বিহাৰেও এই ক্ষেত্ৰত প্ৰগতি লাভ কৰি ৫ শতাংশত উপনীত হ'বগৈ পাৰে। আনহাতে উত্তৰ প্ৰদেশ আৰু পশ্চিমবঙ্গৰ অৰদানৰ হাৰ উল্লেখনীয়ভাৱে এই সময়ছোৱাত হ্ৰাস পায়। নীতি নিৰ্দ্ধাৰণ কৰোঁতে বিশেষ মনোযোগ দিবলগীয়া আন এটা বিষয় হৈছে কৃষিক আঞ্চলিক একত্ৰীকৰণ, কিয়নো আঞ্চলিক বৈষম্য হ'ল এক গভীৰ প্ৰত্যাহ্বান। এই বৈষম্য হ'বলৈ পায় উৎপাদনী সম্ভাৱনীয়তাৰ হীন-ডেঢ়ি, কম মাটিতে অধিক খেতি কৰা আৰু অধিক উৎপাদনৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ফলত। সমীক্ষাত প্ৰকাশ যে অঞ্চল অনুযায়ী উৎপাদনৰ অধিক তাৰতম্য আছে যিটো সেউজ বিপ্লৱৰ পিছত বৃদ্ধি পাবলৈ ধৰে। পিছৰ সমীক্ষাৰ পৰা জনা গৈছে যে ৮০ দশক আৰু ৯০ দশকৰ আগভাগত ইয়াৰ সমতা স্থাপন হৈছে। ১৯৯৯ৰ এটা সমীক্ষাত প্ৰকাশ পাইছে যে ১৯৮০-৮১ৰ পিছত কৃষি উৎপাদনৰ ব্যাপকতা বৃদ্ধি পায়, ফলত উপাৰ্জন বৃদ্ধি পোৱাৰ কাৰণে অনুন্নত ৰাজ্যসমূহৰ মাজত ব্যৱধান বাঢ়ি যায়। ১৯৯৩ত কৃষি বিশেষজ্ঞ ৰাও-এ কয় যে উপাৰ্জনৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্যৰ মূল কাৰক হৈছে প্ৰাথমিক খণ্ডসমূহ। ১৯৯০ দশকত ১৯৮০ৰ তুলনাত কৃষি উৎপাদনৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য হ্ৰাস পায় যদিও ২০০০ দশকটোত ই পুনৰ বৃদ্ধি পাই আঞ্চলিক কৃষি বিকাশ সুষম কৰাৰ ক্ষেত্ৰত প্ৰত্যাহ্বান হৈ পৰিছে।

**কৃষি বিকাশৰ কাৰকসমূহ**

ভাৰতীয় কৃষি ব্যৱস্থাৰ উল্লেখযোগ্য বিকাশৰ কাৰণসমূহ হৈছে উচ্চ উৎপাদনক্ষম সঁচৰ ব্যাপক প্ৰয়োগ, জলসিঞ্চন সুবিধাৰ সম্প্ৰসাৰণ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগ বৃদ্ধি। তদুপৰি গ্ৰামাঞ্চলত সাক্ষৰতা বৃদ্ধি, কৃষি ঋণৰ সুবিধাৰ সম্প্ৰসাৰণ আৰু আন্তঃগাঁথনিৰ উন্নীতকৰণেও কৃষি বিকাশত বিশেষ ভূমিকা পালন কৰিছে। ১৯৭০ৰ দশকৰ মাহজাতীয় শস্যৰ উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ ১৭ শতাংশতকৈও কম আছিল— যিটো ১৯৮০ত হয়গৈ ৪০ শতাংশ আৰু ২০০৯-১০ত এই পৰিমাণ বৃদ্ধি পায় ৭০ শতাংশলৈ। এনেকৈয়ে জলসিঞ্চিত কৃষি ভূমিৰ পৰিমাণ ১৯৭০ত ২৩ শতাংশৰ পৰা ১৯৯০ত ৩৪ শতাংশ আৰু ২০০৯-১০ত ৪৫ শতাংশ হয়। ৰাসায়নিক সাৰৰ প্ৰয়োগ১৯৭০ত আছিল মাত্ৰ ২৬ কিলোগ্ৰাম প্ৰতি হেক্টৰত। ১৯৮০-৮১ত ই হয় ৫৮ কিলোগ্ৰাম আৰু ১৯৯১ত হয়গৈ ৯৬ কিলোগ্ৰাম। ২০০৯-১০ত এনে সাৰৰ প্ৰয়োগ আছিল প্ৰায় ১৯০ কিলোগ্ৰাম/হেক্টৰ (তালিকা-৩)। সেয়ে ভাৰতীয় কৃষিৰ উৎপাদন বৃদ্ধিৰ মুখ্য কাৰকসমূহ হৈছে— উচ্চ উৎপাদনক্ষম বীজ আৰু ৰাসায়নিক সাৰৰ ব্যৱহাৰ আৰু জলসিঞ্চনৰ সুবিধা বৃদ্ধি। গ্ৰাম্য ভাৰতৰ বিকাশৰ মূল কাৰক হৈছে ক্ষীপ্ৰ বৈদ্যুতিকীকৰণ। ১৯৭০ত দেশৰ কেৱল ৩৪ শতাংশ গাঁৱলৈ বিদ্যুৎ যোগান ধৰা হৈছিল। কিন্তু ১৯৯৫ত ই হয়গৈ ৮৬ শতাংশ আৰু ২০১৪ত ৯৫ শতাংশ। এই ক্ষীপ্ৰ বৈদ্যুতিকীকৰণৰ ফলত জলসিঞ্চন বৃদ্ধিৰ জৰিয়তে কেৱল কৃষিৰ বিকাশেই নহয়, অনা-কৃষি খণ্ডত কৰ্মসংস্থান সৃষ্টিৰ জৰিয়তে দৰিদ্ৰতাও দূৰ কৰিব পৰা হৈছে। সাক্ষৰতাৰ হাৰো ১৯৭০ৰ ২৩ শতাংশৰ পৰা ২০১১ত ৬৯ শতাংশলৈ বৃদ্ধি পায়। তেনেকৈয়ে পথ যোগাযোগ ব্যৱস্থাৰ উন্নতি আৰু কৃষি ঋণ প্ৰদান উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱা কৃষি বিকাশৰ মুখ্য কাৰক।

**কৃষি বিকাশ ত্বৰান্বিত কৰাৰ প্ৰচেষ্টা**

গ্ৰাম্য অৰ্থনীতিত যিহেতু কৃষি হৈছে কৰ্মসংস্থানৰ প্ৰধান উৎস। সেয়ে কৃষি বিকাশ ত্বৰান্বিত কৰাৰ প্ৰয়োজন। কৃষিভূমি হ্ৰাস পোৱা আৰু ইয়াক বিভিন্ন কামত ব্যৱহাৰ কৰাটো অৱশ্যে এই ক্ষেত্ৰত প্ৰত্যাহ্বান হিচাপে থিয় দিছে। সেয়ে কম কৃষিভূমি থকা লোকক আৰ্থিক সুৰক্ষা প্ৰদান কৰি উন্নত প্ৰযুক্তিবিদ্যা, উন্নত কৃষি সামগ্ৰী, ঋণৰ যোগান আৰু বিপণনৰ সুবিধা প্ৰদান কৰি উৎপাদন আৰু বিপণনৰ ক্ষেত্ৰত প্ৰতিযোগিতাৰ মনোভাৱ বৃদ্ধিৰ প্ৰয়োজন, যাতে কৃষি বিকাশৰ গতি ক্ষীপ্ৰ হয়। দেখা গৈছে যে ক্ষুদ্ৰ কৃষকসকলক সকলো প্ৰয়োজনীয় সুবিধা আগবঢ়াব পাৰিলে তেওঁলোকে বৃহৎ কৃষিপাম-সমূহৰ সৈতেও ফেৰ মাৰিবলৈ সক্ষম হয়। সহজ লীজৰ ব্যৱস্থাও প্ৰেৰণাদায়ক হ'ব আৰু কৃষিভূমিও বৃদ্ধি পাব। অনা-কৃষি খণ্ডত শ্ৰমিক শক্তিৰ এক বৃহৎ অংশক নিয়োগ কৰি কৃষি আৰু অনা-কৃষি খণ্ডৰ কৰ্মসংস্থানৰ মাজৰ বৈষম্য দূৰ কৰা প্ৰয়োজন। খাদ্য সুৰক্ষা আৰু কৃষিৰ সৈতে জড়িতসকলৰ জীৱন ধাৰণ উন্নত কৰাৰ কাৰণেও কৃষি বিকাশৰ একান্ত প্ৰয়োজন। কেতবোৰ ৰাজ্যত যেনে অন্ধ্ৰ প্ৰদেশ, গুজৰাট, কৰ্ণাটক, মহাৰাষ্ট্ৰ, ৰাজস্থান, তামিলনাডু আদিত জলসিঞ্চনৰ ব্যাপক সুবিধালৈ চাই এবিধতকৈ বেছি শস্য উৎপাদন কেৱল ৩০ শতাংশ ভূমিতহে হয় কাৰণে উৎপাদনৰ পৰিমাণ আশানুৰূপ নহয়, কিন্তু এবিধতকৈ অধিক খেতি কৰিলে নিশ্চয়কৈ উৎপাদন অধিক বৃদ্ধি পাব।

দেশত কৃষি ব্যৱস্থাত সাৰৰ প্ৰয়োগ বৃদ্ধি পাইছে যদিও ৰাজ্যভেদে এই প্ৰয়োগত যথেষ্ট তাৰতম্য আছে। যেনে, পঞ্জাৱত ৩৩০ কিলোগ্ৰাম/হেক্টৰৰ পৰিৱৰ্তে অসম, উৰিষ্যা আৰু ৰাজস্থানত ই হৈছে ৪০-৫০ কিলোগ্ৰাম/হেক্টৰ। সাৰৰ প্ৰয়োগ বৃদ্ধি কৰি এনেবোৰ ৰাজ্যত উৎপাদন বৃদ্ধি কৰিব পৰা যায়। ঠিক তেনেকৈয়ে কৃষিৰ ক্ষেত্ৰত বিদ্যুতৰ প্ৰয়োগ বৃদ্ধিয়েও যথেষ্ট সুফল দিব পাৰিব। অসমত এই প্ৰয়োগ অতি নিম্ন অৰ্থাৎ ১১ কিলোৱাট ঘণ্টা/হেক্টৰ। আনহাতে কেৰালা, জম্মু আৰু কাশ্মীৰ, বিহাৰ, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানত এই পৰিমাণ হৈছে ৯০ৰ পৰা ৩০০ ভিতৰত আৰু অন্ধ্ৰ প্ৰদেশ, গুজৰাট, হাৰিয়ানা, পঞ্জাৱ আৰু তামিলনাডুত এই পৰিমাণ ১০০০ কিলোৱাটৰো অধিক। কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে জলসিঞ্চনৰ সুবিধা বৃদ্ধি কৰাত বিদ্যুৎ যোগান বৃদ্ধি পোৱাটো অতি আৱশ্যক। ৰাজ্যভেদে জলসিঞ্চিত ভূমিৰ পৰিমাণৰ তাৰতম্য হৈছে ৫ৰ পৰা ৯৫ শতাংশ। পঞ্জাৱ, হাৰিয়ানা আৰু ৰাজস্থানৰ বাহিৰে আন ৰাজ্যসমূহত জলসিঞ্চন সম্ভাৱনীয়তাৰ পূৰ্ণ প্ৰয়োগো হোৱা নাই। বিহাৰত প্ৰচুৰ জলসম্পদ আছে, যিবোৰক কৃষিৰ চমকপ্ৰদ বিকাশৰ অৰ্থে কামত লগাব পৰা যায়। উত্তৰ প্ৰদেশতো জলসিঞ্চনৰ বৰ্তমান পৰিমাণ ৭৮.৬ৰ পৰা ৯৫ শতাংশলৈ বৃদ্ধি কৰাৰ সম্ভাৱনীয়তা আছে। অসম আৰু উৰিষ্যাত জলসিঞ্চনৰ প্ৰচুৰ সুবিধা থকা সত্ত্বেও কেৱল ৫ শতাংশ আৰু ৩২ শতাংশ ভূমিতহে জলসিঞ্চনৰ সুবিধা প্ৰৱৰ্তিত আছে।

প্ৰায়বোৰ ৰাজ্যতে বিভিন্ন শস্যৰ উৎপাদন যথেষ্ট কম। তদুপৰি খেতি পথাৰত হোৱা উৎপাদন আৰু কৃষকৰ হাতত পৰা উৎপাদনৰ মাজতো যথেষ্ট ব্যৱধান আছে। এই ব্যৱধান হ্ৰাস কৰিব পাৰিলেও বিকাশ যথেষ্ট বৃদ্ধি পাব। সম্ভাৱনীয়তাসমূহৰ পৰা সম্পূৰ্ণ সুফল পাবলৈ হ'লে উন্নত প্ৰযুক্তি প্ৰয়োগৰ লগতে উন্নত মানৰ বীজো সহজলভ্য কৰিব লাগিব। ইয়াৰ কাৰণে ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডক জড়িত কৰি বীজ যোগানৰ বজাৰখন প্ৰতিযোগিতা-মূলক কৰি তুলিব লাগিব। সুবিধা বঞ্চিত ক্ষুদ্ৰ কৃষকসকললৈ ৰাজসাহায্য-যুক্ত কৃষি সামগ্ৰী যোগান ধৰাৰ লগতে দক্ষতা আৰু প্ৰাকৃতিক সম্পদৰ যথাযথ প্ৰয়োগেৰে উপাৰ্জন অধিক বৃদ্ধি কৰাৰ কাৰণেও নীতি প্ৰস্তুত কৰিব লাগিব। তদুপৰি প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ তথা আন আন ব্যৱস্থাৰে উৎপাদন বৃদ্ধিৰ লক্ষ্য লোৱাটোও প্ৰয়োজন। কৃষি সামগ্ৰীৰ পৰিশোধন ব্যৱস্থা গ্ৰামাঞ্চললৈ নিয়াৰ ক্ষেত্ৰতো গভীৰভাৱে মনোনিৱেশ কৰিব লাগিব। শিক্ষা, গৱেষণা আৰু দক্ষ সেৱা প্ৰদানৰ ক্ষেত্ৰত সবল সংহতি আৰু সহযোগিতা স্থাপন কৰিব লাগিব। অঞ্চল সাপেক্ষে উপযোগী বিদ্যাৰ সম্প্ৰসাৰণৰ বিষয়তো গুৰুত্ব দিব লাগিব। সামগ্ৰিক কৃষি বিকাশৰ কাৰণে ভূমি সংস্কাৰ ঋণ প্ৰদান আৰু ৰাজহুৱা বিনিয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। ❐

# ভাৰতকে ধৰি নিম্ন আয়ৰ দেশৰ সামাজিক সুৰক্ষাৰ সংৰচনা

ড° অনুৰাগ প্ৰিয়দৰ্শী*

**প্ৰসংগ ঃ**

সামাজিক সুৰক্ষাৰ বিষয়টো বৰ্তমান নীতি-নিৰ্দ্ধাৰকসকলৰ বাবে মূলমন্ত্ৰস্বৰূপ হৈ পৰিছে। বিশেষকৈ দৰিদ্ৰতা দূৰীকৰণৰ বাবে নীতি প্ৰণয়নৰ সৈতে জড়িত নিম্ন আয়যুক্ত দেশসমূহত এই বিষয়ৰ প্ৰাধান্য প্ৰবল। সামাজিক সুৰক্ষাৰ ধাৰণাটো এই যুক্তিৰ ওপৰত আধাৰিত যে প্ৰায়ভাগ নিম্ন আয়যুক্ত দেশত প্ৰচলিত ৰাজনৈতিক তথা অৰ্থনৈতিক প্ৰেক্ষাপটত দৰিদ্ৰতাৰ সংৰচনাত্মক কাৰকসমূহ দূৰ কৰাটো সম্ভৱপৰ নহ'বও পাৰে। দৰিদ্ৰতাৰ অন্যতম প্ৰধান সংৰচনাত্মক কাৰক হ'ল উৎপাদনৰ মূল আহিলা, মূলতঃ ভূমি আৰু মূলধনৰ অসমান বিতৰণ। এনে অসমান বিতৰণৰ ফলত দৰিদ্ৰজনে উৎপাদনৰ মূল আহিলাসমূহৰ সীমাৱদ্ধ যোগানহে লাভ কৰে। পৰিণতিস্বৰূপে অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়াত এই শ্ৰেণীয়ে অংশগ্ৰহণ কৰাটো কঠিন হৈ পৰে। দৰিদ্ৰ শ্ৰেণী সম্পদহীনতাৰ ফলত স্বাস্থ্য আৰু শৈক্ষিক সা-সুবিধাৰ পৰাও বঞ্চিত হয়। এনেদৰে সামৰ্থ্য সৃষ্টি কৰাত এই শ্ৰেণীৰ লোক প্ৰায়ে অসমৰ্থ হয়। ধাৰাবাহিক সামাজিক বৈষম্য আৰু বহিৰ্ভুক্তিকৰণৰ ফলত পৰিস্থিতি অধিক জটিলতাৰ ফালে ঢাল খাইছে। অৱশ্যে সামাজিক সুৰক্ষাৰ হকে ওকালতি কৰাসকলৰ এচামে দৰিদ্ৰতাৰ সংৰচনাত্মক কাৰকসমূহৰ কথা স্বীকাৰ কৰিছে যদিও এই যুক্তিও দৰ্শাইছে যে দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীৰ বাবে সামাজিক সুৰক্ষা আৰু নিৰাপত্তাৰ ব্যৱস্থা নথকাটোৱেও দৰিদ্ৰতাৰ প্ৰকোপ বঢ়োৱাত অৰিহণা যোগাইছে। নীতি নিৰ্দ্ধাৰকসকলে সাম্প্ৰতিক ৰাজনৈতিক তথা অৰ্থনৈতিক পৰিস্থিতিলৈ চাই দৰিদ্ৰতাৰ বিকাশৰ দিশটোৰ কেৰোণ দূৰ কৰাটো অসম্ভৱ বোধ কৰিছে। সেয়ে দৰিদ্ৰ শ্ৰেণীৰ বাবে সামাজিক সুৰক্ষাৰ ব্যৱস্থাটো দৃঢ় কৰি তোলাৰ যোগেদি দৰিদ্ৰাৱস্থা বহুলাংশে দূৰ কৰাত নীতি-নিৰ্দ্ধাৰকসকলে মন দিছে।

**সামাজিক সুৰক্ষাৰ চমু আভাস ঃ**

বিপন্নতা, বঞ্চনা আৰু সংকটৰ বিভিন্ন পৰ্যায়ৰ ওপৰত ভিত্তি কৰি ৰাজহুৱা পদক্ষেপ গ্ৰহণ কৰা ধৰণৰ বিষয় সামৰি লোৱাটোকে একপ্ৰকাৰে সামাজিক সুৰক্ষা বুলি ক'ব পাৰি। এনেধৰণৰ পদক্ষেপ এখন সমাজত গ্ৰহণযোগ্য বুলি ইতিপূৰ্বে বিবেচিত নহ'বও পাৰে। প্ৰান্তীয় শ্ৰেণীৰ সামাজিক মৰ্যাদা তথা অধিকাৰ অক্ষুণ্ণ ৰখাৰ লগতে তাৰ উৎকৰ্ষ সাধনৰ বাবে কৰা হস্তক্ষেপ বা পদক্ষেপ লোৱাটোও সামাজিক সুৰক্ষাৰ আওতাত পৰে। সামাজিক উপায়েৰে বিপন্নতা তথা বঞ্চনা দূৰ কৰাকেই সামাজিক সুৰক্ষাৰ মূল ধাৰণা বা উদ্দেশ্য বুলিব পাৰি। সামাজিক সুৰক্ষাই এনেদৰে দৰিদ্ৰতাৰ ওপৰত গভীৰভাৱে গুৰুত্ব আৰোপ কৰিছে। দৰিদ্ৰতাৰ বিভিন্ন দিশ চালি-জাৰি চাই ১৯৮০ৰ দশকৰ শেষৰ ফালে আৰু ১৯৯০ৰ দশকৰ প্ৰাৰম্ভিক অৱস্থাত হাতত লোৱা বিশদ আঁচনিৰ পৰাই সামাজিক সুৰক্ষাৰ ধাৰণাৰ বিকাশ হয়। দৰিদ্ৰতাৰ বহুমাত্ৰিক দিশ বিবেচনা কৰাৰ সময়তে সামাজিক সুৰক্ষা ব্যৱস্থাৰ কেৰোণৰ কথাও স্বীকাৰ কৰা হয়। উক্ত সময়ৰ প্ৰচলিত সামাজিক সুৰক্ষা ব্যৱস্থাক ইয়াৰে পুৰণিকলীয়া আৰু অৱশিষ্ট স্বৰূপ বুলি কোৱা হৈছে।

ব্যক্তি, পৰিয়াল আৰু সামূহিক পৰ্যায়ত সংকট আৰু বিপন্নতা হ্ৰাস তথা প্ৰশমিত কৰাৰ বাবে বিভিন্ন সামাজিক সুৰক্ষা সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণ কৰাটো সম্ভৱপৰ আৰু অতিকৈ প্ৰয়োজনীয়। ড্ৰেজ আৰু চেন নামৰ বিশযজ্ঞ দুজনে এনেধৰণৰ ব্যৱস্থাৰ দুটা স্পষ্ট দিশ থকা বুলি যুক্তি দৰ্শাইছে। ইয়াৰে প্ৰথমটো হ'ল সুৰক্ষাগত, য'ত বঞ্চনাৰ দৰে সামাজিক আৰু আৰ্থিক আঘাতৰ সময়ত যথাৰ্থ গুৰুত্ব আৰোপ কৰি জীৱন ধাৰণৰ মান উন্নত কৰাত মন দিয়া হয়। আনটো দিশ হৈছে অগ্ৰগতিমূলক— য'ত বঞ্চনা, বিন্নতা আদি সমস্যা সমাধান কৰি জীৱন ধাৰণৰ মান উন্নত কৰাৰ প্ৰতি নজৰ দিয়া হয়। এই ভিন্ন দিশসমূহৰ উদ্দেশ্য ভিন ভিন হ'লেও ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা কাৰ্যনীতি ইটোৰ লগত সিটো সাঙোৰ খাই থকাটোৱে স্বাভাৱিক। তদুপৰি ইটো কাৰ্যনীতিৰ পৰা আনটোৰ উদ্দেশ্য আংশিকভাৱে বা সম্পূৰ্ণৰূপে

*অনুৰাগ প্ৰিয়দৰ্শী ইন্টাৰনেচনেল ডেভেলপমেণ্ট এন্টাৰপ্ৰাইজ, ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া

পূৰণো হ'ব পাৰে। আনধৰণে ক'বলৈ হ'লে অগ্ৰগতিমূলক দিশৰ কাৰ্যনীতিৰ সফলতাই সুৰক্ষামূলক দিশৰ কাৰ্যনীতিৰ ৰূপায়ণৰ বাবে অনুকূল পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে অধিক আয়ে ব্যক্তিৰ বীমা কম কষ্টসাধ্য কৰি তুলিব পাৰে। ড্ৰেজ-চেনতকৈ এখোপ আগবাঢ়ি চাবেট্চ-হুইলাৰ আৰু দেবেৰিস্কে সামাজিক সুৰক্ষাগত দিশক চাৰিটা ভাগত ভগাইছে— ব্যৱস্থাপনা, প্ৰতিৰোধক, উদগনিমূলক আৰু ৰূপান্তৰ-মূলক ব্যৱস্থা। এই বিশেষজ্ঞসকলৰ মতে ব্যৱস্থাপনামূলক দিশে বঞ্চনা হ্ৰাস তথা প্ৰশমনৰ উদ্দেশ্য সামৰি লোৱাৰ বিপৰীতে প্ৰতিৰোধী ব্যৱস্থাই বঞ্চনাৰ ঘটনাত বাধা প্ৰদান কৰাৰ লগতে দৰিদ্ৰতা হ্ৰাসকৰণৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব। উদগনিমূলক ব্যৱস্থাই পৰিয়াল আৰু ব্যক্তি পৰ্যায়ত জীৱিকা উন্নয়নৰ এলানি পৰিকল্পনাৰ যোগেদি আয় আৰু সামৰ্থ্য বঢ়োৱাত মন দিব। ৰূপান্তৰমূলক ব্যৱস্থাই সামাজিক অনায় আৰু বিভিন্ন ধৰণৰ বহিৰ্ভুক্তিকৰণ আদিৰ প্ৰতি লক্ষ্য ৰাখি তাৰ নিৰাময়ৰ বাবে কাৰ্যনীতি গ্ৰহণ কৰিব।

সামাজিক সুৰক্ষা সম্পৰ্কীয় পৰিকল্পনাক তিনিটা বহল ভাগত ভগাব পাৰি— সামাজিক বীমা, সামাজিক সহায়তা আৰু শ্ৰম বজাৰ নিয়ন্ত্ৰণ। সামাজিক বীমাই বিভিন্ন আকস্মিকতা যেনে প্ৰসূতি, বৃদ্ধাৱস্থা, অসুখ অথবা নিবনুৱা অৱস্থা আদিৰ ক্ষেত্ৰত সুৰক্ষা দিয়া বিষয়সমূহ সামৰি লয়। তেনেদৰে সামাজিক সহায়তাই দৰিদ্ৰজনক সহায় কৰা আঁচনি সামৰি লয়। আকৌ শ্ৰম বজাৰ নিয়ন্ত্ৰণে কৰ্মৰ মান আৰু উচিত মজুৰিৰ নিশ্চয়তা প্ৰদান কৰে।

বিশেষজ্ঞ মূৰ্ণৰ মতে সামাজিক সুৰক্ষাৰ নীতি তিনিটা ভিন্ন ক্ষেত্ৰৰ পৰা পাৰস্পৰিকভাৱে আহৰণ কৰা হৈছে। সংকট আৰু বজাৰৰ বিফলতাই তথ্যগত সমস্যাৰ বাবে বীমা বজাৰৰ বিফলতাৰ কাৰ্যকাৰণ বহন কৰে। তদুপৰি আমানত, মানৱ মূলধন আৰু শ্ৰম বজাৰৰ বিফলতাৰ কাৰণো তাত নিহিত থাকে। আকৌ অধিকাৰমূলক ব্যাখ্যা অনুযায়ী এনেধৰণৰ সামাজিক সুৰক্ষাই নাগৰিকৰ বাবে আইনগতভাৱে বলবৎ কৰিব পৰা সামাজিক অধিকাৰ নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। প্ৰয়োজনভিত্তিক দিশটোত আকৌ বংশানুক্ৰমিক দৰিদ্ৰতা হ্ৰাস কৰা বা প্ৰশমনৰ বাবে ব্যৱহাৰিক আৰু নৈতিক যুক্তি প্ৰদৰ্শন কৰা হয়। এইক্ষেত্ৰত লক্ষ্যত উপনীত হ'বৰ বাবে সামাজিক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰাৰ ই পক্ষপাতী। এইখিনিতে মন কৰিবলগীয়া যে দৰিদ্ৰ শ্ৰেণীয়ে সন্মুখীন হোৱা বাধাৰ ব্যাখ্যা ভিন্ন হোৱাৰ ফলত তাৰ প্ৰতিকাৰৰ পদক্ষেপো ভিন্ন হোৱাটো স্বাভাৱিক। সেয়ে অধিকাৰভিত্তিক ব্যৱস্থাৰ যোগেদি নীতি প্ৰণেতাসকলে তৈয়াৰ কৰা কাৰ্যনীতিৰ ওপৰত ভিত্তি কৰি সামাজিক সংকট আৰু বজাৰৰ বিপৰ্যয় হ্ৰাস কৰা, ন্যূনতম প্ৰয়োজন পূৰণ কৰা তথা মানৱ সম্পদ উন্নয়নত অৰিহণা যোগোৱাটোৱে সামাজিক সুৰক্ষাৰ ভূমিকা আৰু উদ্দেশ্য হ'ব পাৰে। উদাহৰণস্বৰূপে ৰাষ্ট্ৰৰ সামাজিক আৰু অৰ্থনৈতিক ভূমিকাৰ ওপৰতে শ্ৰীবৃদ্ধি বা বিপৰ্যয় নিৰ্ভৰ কৰে আৰু এনে দিশৰ পুংখানুপুংখ অধ্যয়নৰ ফলতে বৰ্তমানৰ কল্যাণকামী ৰাষ্ট্ৰৰ বিৱৰ্তন সম্ভৱপৰ হৈছে।

**কম আয়যুক্ত দেশৰ সামাজিক সুৰক্ষা ঃ**

সামাজিক কল্যাণ সহায়তা, বীমা আৰু নিয়োগ সৃষ্টি আৰু সুৰক্ষাৰ ৰূপত সামাজিক সুৰক্ষা ঔদ্যোগিক ফালৰ পৰা বিকশিত ৰাষ্ট্ৰৰ কল্যাণকামী প্ৰদেশসমূহৰ অন্যতম বৈশিষ্ট্যৰূপে চিহ্নিত হৈছে। সংৰচনাত্মক ব্যৱস্থাপনাৰ কাৰ্যসূচীৰ কুফল, বিভিন্ন অৰ্থনৈতিক সংকট আৰু বিশ্বায়নৰ প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত নব্বৈৰ দশকৰ আৰম্ভণিৰ পৰাই কম আয়যুক্ত দেশসমূহেও দেশীয় নীতিত সামাজিক সুৰক্ষাৰ দিশ সম্বলিত আঁচনি অন্তৰ্ভুক্ত কৰিবলৈ উদ্বুদ্ধ হৈছে। সেয়ে এনেবোৰ দেশৰ সামাজিক সুৰক্ষা নীতিত দৰিদ্ৰতা নিৰ্মূলকৰণত অধিক জোৰ দিয়া হৈছে। এই নীতি নিয়োগ সৃষ্টি, সম্পদৰ সৃষ্টি আৰু মৌলিক সেৱা যোগানৰ ওপৰতে নিৰ্ভৰশীল।

সংৰচনাত্মক অভিযোজন নীতিৰ প্ৰয়োগৰ ফলস্বৰূপে কম আয়যুক্ত ৰাষ্ট্ৰৰ সংগঠিত খণ্ডৰ নিয়োগৰ হাৰ অৱনমিত হয়। এই নীতিৰ প্ৰয়োগৰ ফলত ব্যক্তিগত আৰু ৰাজহুৱা দুয়োটা খণ্ডতে মজুৰিৰ পৰিমাণো হ্ৰাস পায়। সংৰচনাত্মক অভিযোজন নীতিৰ কুপ্ৰভাৱ চৰকাৰৰ বাজেটতো পৰে, যাৰ ফলত সামাজিক বাজেট বৃহৎ পৰিমাণে কৰ্তন হয়। এনেদৰে সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকাও ক্ষীণ হৈ পৰে। সেয়ে উদ্যোগপ্ৰধান ৰাষ্ট্ৰৰ তুলনাত কম আয়যুক্ত ৰাষ্ট্ৰৰ ক্ষেত্ৰত বিশেষকৈ য'ত সৰহ সংখ্যক শ্ৰমিকো সংগঠিত খণ্ডৰ বাহিৰত নিয়োজিত তেনে ৰাষ্ট্ৰত এনে আঁচনি সফল নহয়গৈ। এক কথাত ক'বলৈ হ'লে কম আয়যুক্ত ৰাষ্ট্ৰই এনে আঁচনিসমূহ বহন কৰিব নোৱাৰিলে। তদুপৰি বহুক্ষেত্ৰত তেনে ৰাষ্ট্ৰই কেতবোৰ নীতি গ্ৰহণ কৰাত আগ্ৰহ প্ৰকাশ নকৰিলে যিবোৰে তেওঁলোকৰ বিশেষ উদ্দেশ্য পূৰণ কৰাত অৰিহণা নোযোগায়। সেয়ে এনে আঁচনিসমূহ সংগঠিত খণ্ডতে সীমাবদ্ধ হৈ থাকে। উক্ত কাৰণবশতঃ নিম্ন আয়সম্পন্ন দেশ-

সমূহত সামাজিক সুৰক্ষা আঁচনিসমূহে আয়ৰ বিতৰণ সংগঠিত খণ্ডৰ পক্ষত ঢাল খুৱায়। তদুপৰি এনে আঁচনিসমূহত চৰকাৰী সাহায্য অসংগঠিত খণ্ডৰ পৰিৱৰ্তে সংগঠিত খণ্ডত উপলব্ধ হোৱাটোও উক্ত পৰিঘটনাৰ অন্যতম কাৰণ। ইয়াৰ ফলস্বৰূপে অসংগঠিত খণ্ডৰ পৰা সংগঠিত খণ্ডলৈ সম্পদৰ স্থানান্তৰ ঘটে। পৰাপক্ষত ইয়ে বিশেষকৈ প্ৰতিৰক্ষা আৰু অসামৰিক সেৱাত নিয়োজিত সম্ভ্ৰান্ত শ্ৰেণীক লাভান্বিত কৰে। এনে পৰিপ্ৰেক্ষিততে এচাম বিজ্ঞমহলে সামাজিক সুৰক্ষাৰ সুবিধা সীমাবদ্ধ কৰি সামাজিক সুৰক্ষাৰ লাভৰ প্ৰসাৰণৰ হকে যুক্তি দৰ্শাইছে। সংৰচনাত্মক অভিযোজন আঁচনিসমূহ আৰু নব্য উদাৰীকৰণৰ প্ৰভাৱে স্বাস্থ্য, শিক্ষা আৰু শৈক্ষিক সেৱা যোগান ধৰাৰ ক্ষেত্ৰত ৰাজ্যৰ ভূমিকাও সীমাবদ্ধ কৰি তুলিছে। ইয়াৰ বিৰূপ প্ৰভাৱ অসংগঠিত খণ্ডৰ কৰ্মী আৰু দৰিদ্ৰজনৰ ওপৰত পৰিছে। পৌনঃপৌনিক গোলকীয় আৰ্থিক সংকট আৰু বাণিজ্য তথা সেৱা খণ্ডত বিশ্বায়নৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱে নিম্ন আয়সম্পন্ন দেশসমূহৰ দৰিদ্ৰ শ্ৰেণীৰ আৰ্থিক অৱস্থা অধিক শোচনীয় কৰি তুলিছে।

উপৰোক্ত পৰিস্থিতিৰ প্ৰতি ৰাজনৈতিক আৰু অৰ্থনৈতিক সঁহাৰি-স্বৰূপেই নিম্ন আয়যুক্ত দেশসমূহত সামাজিক সুৰক্ষাই বৰ্তমানৰ ৰূপ লাভ কৰিছে। সামাজিক সহায়তাৰ আঁচনি নিম্ন আয়যুক্ত দেশসমূহত ফলপ্ৰসূ হোৱাৰ যথেষ্ট সম্ভাৱনা থকা সত্ত্বেও নিম্ন আয়যুক্ত দেশৰ সামাজিক বীমাৰ আৰ্হি উদ্যোগিকীকৰণ হোৱা দেশৰ মূল আৰ্হিৰ ওপৰতে প্ৰতিষ্ঠিত হোৱাৰ কাৰণে ইয়াতে নিহিত হৈ আছে। তদুপৰি ঔদ্যোগিকৃত দেশৰ দৰে দৰিদ্ৰ শ্ৰেণীক বিশেষ স্তৰৰ সুবিধা প্ৰদান কৰি বঞ্চনাৰ পৰা সুৰক্ষা দিয়াৰ লগতে এনে নিম্ন আয়ৰ দেশে তেনে শ্ৰেণীৰ উৎপাদনশীলতা বঢ়োৱাৰ বাবে মানৱ সম্পদৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তদুপৰি মৌলিক সেৱাৰ যোগান ধৰি দৰিদ্ৰ শ্ৰেণীৰ ক্ষেত্ৰত হোৱা সামাজিক বহিৰ্ভুক্তিকৰণ দূৰ কৰাৰ উদ্দেশ্য হাতত লোৱাৰ লগতে বিভিন্ন সামাজিক আৰু আনুষ্ঠানিক দিশত তেওঁলোকৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্য এনে দেশসমূহে সাৰোগত কৰিছে। নিম্ন আয়সম্পন্ন দেশৰ দৰিদ্ৰতাৰ প্ৰকোপলৈ চাই বৈষম্যৰ সমস্যা সমাধানৰ বাবে কেতবোৰ সময়ত সামাজিক সহায়তা ব্যৱস্থাও নিয়োজিত কৰা পৰিলক্ষিত হৈছে। দৰিদ্ৰ শ্ৰেণীৰ সবলীকৰণ আৰু তেনে লোকৰ সাংগঠনিক দিশটো সবল কৰি দৰিদ্ৰতা হ্ৰাসকৰণো সামাজিক সুৰক্ষাৰ অন্যতম দিশ।

এই কথা এতিয়া সৰ্বত্ৰ স্বীকাৰ্য যে অৰ্থনতিক বিকাশৰ কাৰ্যনীতিৰ ওপৰত আধাৰিত দৰিদ্ৰতা হ্ৰাসকৰণৰ নীতিয়ে ভৌগোলিক আৰু সামাজিক ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। উচ্চ আয়সম্পন্ন দেশত হ'বৰ দৰে অৰ্থনৈতিক বিকাশ আৰু সামাজিক উন্নয়নৰ প্ৰামাণিক মাধ্যমেৰে নিম্ন আয়সম্পন্ন দেশৰ বিস্তৃত আৰু নিৰৱচ্ছিন্ন বঞ্চনা তথা ব্যক্তি সুৰক্ষাৰ নিশকতীয়া অৱস্থাৰ দৰে সমস্যাসমূহ যথাৰ্থভাৱে সমাধান কৰা সম্ভৱপৰ নহয় বুলি ড্ৰেজ আৰু চেনে মন্তব্য আগবঢ়াইছে। তেওঁলোকৰ মত অনুযায়ী বিভিন্ন সামাজিক নীতি আৰু শিক্ষা, স্বাস্থ্য, নিয়োগ, খাদ্য সুৰক্ষা আদি বিভিন্ন খণ্ডত ৰাজহুৱা ব্যয়ৰ যোগেদিহে উচ্চ আয়সম্পন্ন দেশসমূহৰ জীৱন ধাৰণৰ মান উন্নত কৰা হয়। এনে উন্নয়ন কেৱল অৰ্থনৈতিক বিকাশৰ বাবে হোৱা বুলি ভবাটো সাধাৰণতে কৰা এটা ভুল ধাৰণা বুলি তেওঁলোকে মত প্ৰকাশ কৰিছে। তদুপৰি এখন দেশৰ গড় ৰাষ্ট্ৰীয় পণ্যৰ বিপৰীতে জনমূৰি সমৃদ্ধি দেশখনৰ বৃহত্তৰ জনসংখ্যাই উপভোগ কৰা সুবিধাৰ সঠিক সূচক নহ'বও পাৰে। এনেধৰণৰ পৰিমাণত ব্যক্তি স্তৰত থকা আয়ৰ বিৰৰণ তথা তাৰতম্যৰ কথা বিবেচিত নহয়।

এই কথা লক্ষ্যণীয় যে আয় হ্ৰাস পোৱা সময়ত ব্যক্তিগত প্ৰয়োজনীয়তা বৃদ্ধি পায়। উদাহৰণ-স্বৰূপে পৰিয়ালৰ একমাত্ৰ আয় কৰোঁতাজন বেমাৰত পৰিলে এনে পৰিস্থিতি উদ্ভৱ হয়। এনেধৰণৰ সমস্যা সফলভাৱে সমাধান কৰিব পৰা যায় যদিহে বীমা আৰু মূলধনী বজাৰ কাৰ্যক্ষম হৈ থাকে, যিটো নিম্ন আয়সম্পন্ন দেশসমূহত দেখা নাযায়। আনকি স্বাস্থ্য আৰু শিক্ষাৰ দৰে সমূহীয়া খণ্ডসমূহত সুবিধা নথকা অৱস্থাত ব্যক্তি স্তৰৰ উচ্চ আয়েও সামূহিক সামৰ্থ্য বঢ়াব নোৱাৰে। ইয়াৰ পৰা এই কথা স্পষ্ট হয় যে জীৱন ধাৰণৰ মান উন্নত কৰাৰ ক্ষেত্ৰত বা সুৰক্ষিত কৰাৰ ক্ষেত্ৰত কেৱল অৰ্থনৈতিক বিকাশৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব নোৱাৰি। অৰ্থনৈতিক বিকাশৰ সমানে সমানে মানসম্পন্ন জীৱন ধাৰণৰ ব্যৱস্থা সৃষ্টি কৰাৰ ক্ষেত্ৰত ব্যক্তিগত বজাৰৰ সীমাবদ্ধতায়ো সামাজিক সুৰক্ষাৰ কাৰ্যনীতিত অৰিহণা যোগাব পাৰে। তদুপৰি বিশেষজ্ঞ পেচিওয়ে এই কথা উনুকিয়াই থৈছে যে বজাৰৰ বল আৰু বিভিন্ন প্ৰতিষ্ঠানে আয়, যোগান আৰু ব্যয়ৰ বহুমুখীকৰণৰ যোগেদি স্ব-নিৰ্ভৰশীলতা বৃদ্ধি কৰাৰ লগতে বুভুক্ষাৰ সংকট হ্ৰাস কৰিলেও বহুক্ষেত্ৰত এনে কাৰকে বিপন্নতাৰ বিভিন্ন বাটো মুকলি কৰে।

চীনদেশ, ক'ষ্টা ৰিচা, কিউবা, চিলি, জামাইকা আৰু শ্ৰীলঙ্কাৰ উদাহৰণ দি বিশেষজ্ঞ ড্ৰেজ আৰু চেনে এই যুক্তি দৰ্শাইছে যে যথাৰ্থ জন-কাৰ্যসূচীৰ যোগেদি সমাজৰ বৃহত্তৰ জনসংখ্যাৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে উচ্চ অৰ্থনৈতিক বিকাশৰ সময়লৈ ৰৈ থকাটো জৰুৰী নহয়।

**ভাৰতবৰ্ষত সামাজিক সুৰক্ষা ঃ**

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ বিষয়সূচীত এক বিশেষ অংশ সামাজিক সুৰক্ষাৰ বিভিন্ন দিশ সামৰি লোৱা হৈছিল। ঠিক তেনেদৰে স্বাধীন ভাৰতৰ নৱগঠিত চৰকাৰেও সামাজিক সুৰক্ষাৰ বিভিন্ন আঁচনি হাতত লৈছিল। এনে আঁচনিৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাব ধৰে। বিশেষকৈ ১৯৬০ৰ দশকৰ শেষৰ ফালে আৰু ১৯৭০ৰ দশকৰ প্ৰাৰম্ভিক কালত হোৱা বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, খৰাং আৰু খাদ্যৰ নাটনিৰ পৰিপ্ৰেক্ষিতত নতুন নতুন আঁচনি প্ৰৱৰ্তন কৰা হয়। সামাজিক সুৰক্ষাৰ দ্বিতীয় পৰ্যায়ৰ বিকাশ দেখা যায় ১৯৯০ৰ দশকৰ শেষৰ ভাগত, যেতিয়া এই কথা বুজি উঠা হয় যে অৰ্থনৈতিক সংস্কাৰ আৰু ভাৰতীয় অৰ্থনীতিৰ গোলকীকৰণৰ পৰা দেশৰ বৃহৎসংখ্যক লোকৰ অৱস্থাৰ একো পৰিৱৰ্তন হোৱা নাই। এনে পৰিপ্ৰেক্ষিতেতে বিভিন্ন সামাজিক সুৰক্ষাৰ আঁচনি যেনে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, খাদ্যৰ অধিকাৰ আইন আদি প্ৰৱৰ্তন কৰা হয়।

বিশেষজ্ঞ পাগাৰিয়াই ভাৰতীয় অৰ্থনীতিৰ বৰ্দ্ধমান বিকাশৰ লগত সংস্কাৰ আৰু উদাৰীকৰণৰ প্ৰক্ৰিয়াৰ যোগসূত্ৰৰ দাবী কৰিছে। তদুপৰি তেওঁ এই কথাৰো দাবী কৰিছে যে এই প্ৰক্ৰিয়াই দৰিদ্ৰতা হ্ৰাসকৰণতো অৰিহণা যোগাইছে। অসংগঠিত খণ্ডৰ উদ্যোগৰ ৰাষ্ট্ৰীয় আয়োগৰ প্ৰতিবেদনে এই কথা স্পষ্ট কৰিছে যে অসংগঠিত খণ্ডত নিয়োজিত শ্ৰেণী (দেশৰ মুঠ কৰ্মশক্তিৰ ৯৩ শতাংশ এই খণ্ডত নিয়োজিত) দৰিদ্ৰতাৰ কবলত পৰি আছে আৰু ১৯৯৩-৯৪ৰ পৰা ২০০৪-০৫ বৰ্ষৰ ভিতৰত হোৱা ভাৰতীয় অৰ্থনীতিৰ বহুল সংস্কাৰেও দৰিদ্ৰতাৰ প্ৰকোপ কমাব পৰা নাই। এই প্ৰতিবেদন মতে পূৰ্বৱৰ্তী দহ বছৰৰ নিয়োগৰ গড় বৃদ্ধি ১.৮৫ শতাংশলৈহে বৃদ্ধি পায়। লক্ষ্যণীয় যে নিয়োগৰ এই বিকাশ অৰ্থব্যৱস্থাৰ অসংগঠিত খণ্ডৰ ভিতৰতে সীমাবদ্ধ। অতিৰিক্তভাৱে নিয়োগ লাভ কৰাসকলক ই দৰিদ্ৰতাৰ কবলৰ পৰা উদ্ধাৰ পোৱাত সহায় নকৰিলে। তদুপৰি প্ৰকৃত মজুৰিৰ বিকাশো এই সময়ছোৱাৰ ভিতৰতে অৱনমিত হয়। আয়োগৰ প্ৰতিবেদনত এই কথা স্পষ্টভাৱে কোৱা হৈছে যে অৰ্থনৈতিক বিপণনৰ হঠাৎ হোৱা অগ্ৰগতিয়ে বৃহৎ সংখ্যক জনসংখ্যাৰ বাবে নিয়োগ সৃষ্টি বা আয় বৃদ্ধিত অৰিহণা যোগাৱাত অসমৰ্থ হয়। তদুপৰি সংগঠিত খণ্ডৰ শ্ৰমিকৰ অসংগঠিতকৰণ আৰু চৰকাৰী তথা ৰাজহুৱা দুয়োটা ঘৰতে নিয়োগৰ কৰ্তনৰ ফলস্বৰূপে উক্ত সময়ছোৱাত উচ্চ অৰ্থনৈতিক বিকাশ সত্বেও সাধাৰণ স্তৰত নিয়োগৰ মানতো বিৰূপ প্ৰভাৱ পৰে। চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ কাম-কাজৰ অসংগঠিত-কৰণেও উল্লিখিত বিপৰ্যয়ত অৰিহণা যোগায়। এনে অসংগঠিতকৰণে নিম্ন মজুৰি, দীৰ্ঘসূত্ৰী কামৰ সময়, নিয়োগ আৰু সামাজিক সুৰক্ষাৰ অভাৱ আদিৰ অৱতাৰণা কৰাৰ ফলত অসংগঠিত কৰ্মীৰ মাজত দৰিদ্ৰতাৰ প্ৰকোপ বৃদ্ধি হোৱাৰ লগতে তেওঁলোকৰ জীৱন ধাৰণৰ মানৰো অৱনতি ঘটে। ব্ৰেমেন নামৰ বিশেষজ্ঞজনে কোৱা মতে অৰ্থনৈতিক উদাৰীকৰণৰ যোগেদি হোৱা অৰ্থনৈতিক বিকাশৰ ফলত দৰিদ্ৰতা হ্ৰাস হোৱাটো বহুলাংশে উৎপাদনৰ বিভিন্ন আহিলা বা উপাদান যেনে ভূমি, সঁজুলি বা অন্যান্য ক্ষুদ্ৰ মূলধন থকা এচামৰ মুনাফাৰ মূল্যায়নৰ ওপৰত আধাৰিত। সম্পদৰ অভাৱী দৰিদ্ৰ শ্ৰেণীয়ে উৎপাদনৰ মাধ্যম নোহোৱাৰ ফলত জীৱিকা নিৰ্বাহৰ বাবে নিম্ন-কৌশলী বা কৌশলবিহীন শ্ৰম কৰিব লগা হয়।

অৰ্থব্যৱস্থাৰ বিকাশৰ পৰা এই শ্ৰেণীৰ লোক কোনো প্ৰকাৰে লাভান্বিত নহয়। ব্ৰেমেনে দাবী কৰা মতে ভাৰতীয় অৰ্থনীতিৰ বিকাশে উৎপাদনৰ আহিলা সম্বলিত উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ সংগঠিত খণ্ডৰ শ্ৰেণীক বাৰুকৈয়ে লাভান্বিত কৰিছে। তাৰ বিপৰীতে অসংগঠিত খণ্ডত নিয়োজিত বৃহৎ সংখ্যক জনসংখ্যাই ভাৰতীয় অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাত অসমৰ্থ হোৱা বুলি ব্ৰেমেনে উল্লেখ কৰিছে। আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা ধৰণে ১৯৯৩-৯৪ৰ পৰা ২০০৪-০৫ বৰ্ষৰ মাজৰ সময়ছোৱাৰ বৰ্দ্ধিত উৎপাদনশীলতাৰ বিপৰীতে নিয়োগৰ বিকাশ স্থবিৰ হোৱাটোৱে পূৰ্বৰ সময়ৰ তুলনাত উক্ত সময়ছোৱাৰ উচ্চ অৰ্থনৈতিক বিকাশৰ সময়তে শ্ৰমিকৰ ওপৰত অধিক শোষণ হোৱাৰো ইংগিত বহন কৰিব পাৰে। টপালোভা নামৰ বিশেষজ্ঞজনে আনকি অৰ্থনৈতিক সংস্কাৰৰ পৰৱৰ্তী পৰ্যায়ত দৰিদ্ৰতা হ্ৰাসৰ হাৰ কমা বুলি মত উত্থাপন কৰিছে।

**সামাজিক সুৰক্ষা আৰু দৰিদ্ৰতা ঃ**

সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ অন্যতম আহিলাৰূপে সামাজিক

**(৪২ পৃষ্ঠাত চাওক)**

# কৃষি খণ্ড আৰু ৰাষ্ট্ৰীয় অৰ্থনীতি

**মনোৰঞ্জন বণিক্য***

ভাৰত এখন কৃষিপ্ৰধান দেশ। দেশৰ প্ৰায় ৬৫ শতাংশ লোক জীৱিকাৰ বাবে পৰোক্ষ বা প্ৰত্যক্ষভাৱে কৃষি খণ্ডৰ ওপৰত নিৰ্ভৰশীল। কৃষি খাদ্য-সামগ্ৰী যোগানৰ মূল উৎস। দেশৰ অধিকাংশ লোকৰ মুখ্য ভোজনৰ উপৰি কৃষিৰ পৰাই বহু উদ্যোগত ব্যৱহৃত কেঁচামাল পোৱা যায়। কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ পৰা আমাৰ দেশে বুজন পৰিমাণৰ মূল্যবান বিদেশী মুদ্ৰা অৰ্জন কৰে। কৃষিৰ উন্নতিৰ ওপৰতে দেশৰ উন্নতি আৰু সমৃদ্ধি বহু পৰিমাণে নিৰ্ভৰ কৰে। কৃষি বিকাশৰ অবিহনে গ্ৰাম্য বিকাশ অসম্পূৰ্ণ। ভাৰতীয় অৰ্থনীতিত কৃষি খণ্ডৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

ৰাষ্ট্ৰীয় অৰ্থনীতিত কৃষিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি কৃষি খণ্ডৰ বহুমুখী বিকাশৰ বাবে স্বৰাজোত্তৰ কালত ভাৰত চৰকাৰ তথা বিভিন্ন প্ৰাদেশিক চৰকাৰে বহু আঁচনি গ্ৰহণ কৰি আহিছে। আমাৰ দেশত ১৯৫০-৫২ চনৰে পৰা আৰম্ভ হোৱা প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু পৰৱৰ্তী পৰিকল্পনাসমূহত কৃষি আৰু সহযোগী খণ্ডৰ দ্ৰুত বিকাশৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰথম পৰিকল্পনাত ৰাজহুৱা খণ্ডৰ বিনিয়োগৰ ৩১ শতাংশ পুঁজি কৃষি খণ্ডৰ বিকাশ বিশেষকৈ খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে ধাৰ্য কৰা হৈছিল।

১৯৬৮ চনত দেশত সূচনা কৰা সেউজ বিপ্লৱৰ ফলত কিছুমান ৰাজ্যত ঘেঁহু আৰু ধানৰ উৎপাদনে নতুন অভিলেখৰ সৃষ্টি কৰে। অৱশ্যে প্ৰথম সেউজ বিপ্লৱ পাঞ্জাৱ, হাৰিয়ানা, পশ্চিম উত্তৰ প্ৰদেশ আদি ৰাজ্যত সীমিত আছিল। দ্বিতীয় সেউজ বিপ্লৱ উক্ত ৰাজ্যসমূহৰ উপৰি পশ্চিমবঙ্গ, মধ্য প্ৰদেশ, উৰিষ্যা, ছত্তিশগড় ৰাজ্যলৈ সম্প্ৰসাৰিত কৰা হয়। ফলস্বৰূপে এই ৰাজ্যসমূহত ধান উৎপাদনৰ নতুন অভিলেখ সৃষ্টি হয়। এসময়ত দেশত বৰ্দ্ধিত জনসংখ্যা অনুপাতে কৃষিজাত সামগ্ৰীৰ উৎপাদন সন্তোষজনক নাছিল। দশম পৰিকল্পনাৰ কালছোৱাত দেশত কৃষিৰ উৎপাদনৰ বৃদ্ধিৰ হাৰ নিৰ্দ্ধাৰিত লক্ষ্য ৩.৫ শতাংশৰ বিপৰীতে মাত্ৰ দুই শতাংশহে আছিল। এনে প্ৰক্ৰিয়া অব্যাহত থাকিলে খাদ্য-শস্য উৎপাদনৰ বৃদ্ধিৰ লক্ষ্যত উপনীত হোৱা সম্ভৱ নহ'ব পাৰে। সেয়েহে ভাৰতে খাদ্য-শস্যৰ বাবে আন দেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। কৃষি খণ্ডৰ লেহেমীয়া বৃদ্ধিয়ে দেশৰ সৰ্বাঙ্গীন বিকাশত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিব পাৰে। সেয়েহে ভাৰত চৰকাৰ আৰু প্ৰাদেশিক চৰকাৰে কৃষি খণ্ডৰ ক্ষীপ্ৰ বিকাশৰ বাবে প্ৰয়োজনীয় পদক্ষেপ আৰু আঁচনি গ্ৰহণ কৰি আহিছে। খ্যাতনামা কৃষি বিজ্ঞানী এম এছ স্বামীনাথনৰ অধ্যক্ষতাত দেশত কৃষি বিকাশৰ বাবে প্ৰয়োজনীয় পৰামৰ্শাৱলী আৰু উপায় আগবঢ়াবৰ বাবে এখন কৃষি আয়োগ গঠন কৰিছে। ভাৰত চৰকাৰে ২০১০ চনত ঘেঁহু আৰু মাহজাতীয় খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে 'খাদ্য নিৰাপত্তা মিছন' গঠন কৰে। এই মিছনৰ উদ্দেশ্য— অধিক খাদ্য-শস্য উৎপাদনৰ দ্বাৰা দেশৰ জৰুৰী চাহিদা পূৰণৰ লগতে খাদ্য-শস্য আমদানি হ্ৰাস কৰা। এই উদ্দেশ্যে কৃষিৰ বহুমুখী বিকাশৰ বাবে ২৫,০০০ কোটি টকাৰ অভিলাষী আঁচনি গ্ৰহণ কৰা হয়। এই আঁচনিৰ জৰিয়তে খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ লগতে মূল্যবৃদ্ধি তথা মুদ্ৰাস্ফীতিৰ নিয়ন্ত্ৰণতো অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কৃষিৰ পৰিপূৰক কাৰ্যৰ বিকাশৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হৈছিল। কৃষিৰ বাবে জলসিঞ্চন ব্যৱস্থা তথা আন্তঃগাঁথনি-মূলক সুবিধাও আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছিল। উল্লেখযোগ্য যে যোৱা দহ বছৰ ধৰি দেশত চমকপ্ৰদ কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ ফলত আমাৰ দেশ এতিয়া খাদ্য-শস্য ক্ষেত্ৰত আত্মনিৰ্ভৰ-শীল হ'বলৈ সক্ষম হৈছে। বৰ্তমান ভাৰতে ঘৰুৱা খাদ্য-শস্যৰ চাহিদা পূৰণ কৰাৰ উপৰি আমদানি হ্ৰাস কৰি ৰপ্তানিকাৰী দেশ হিচাপ পৰিগণিত হৈছে।

বিদেশত ভাৰতৰ বাচমতি তথা উচ্চ মানবিশিষ্ট চাউল অতি জনপ্ৰিয়। অসমৰ ধেমাজি জিলাত উৎপাদন হোৱা সুস্বাদু ৰঙা চাউলে বিশ্বৰ বহু দেশৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে।

***মনোৰঞ্জন বণিক্য পাঞ্জাৱ নেচনেল বেংকৰ অৱসৰপ্ৰাপ্ত মুখ্য জনসম্পৰ্কৰক্ষী পৰিচালক**

ধেমাজিত উৎপাদিত বাওধানৰ ৰঙা চাউলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপভোক্তাৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিছে। 'লটাছ ফুড লিমিটেড' নামৰ আন্তৰ্জাতিক সংস্থাটোৱে জিলাখনত উৎপাদন হোৱা ৪০ মেট্ৰিক টন বাওধান আমেৰিকাৰ উপভোক্তাৰ বাবে আমদানি কৰিছে। শেহতীয়াভাৱে হাৰিয়ানাৰ 'দাবাত বাচমতি ৰাইচ' নামৰ সংস্থাই বিগত বৰ্ষত মাজুলীৰ কৃষকৰ পৰা ১১৫৫ কুইণ্টল বাওধান ক্ৰয় কৰি আন্তৰ্জাতিক বজাৰত মুকলি কৰি দিছিল। অসমৰ আনাৰস, কমলা, আদা, ফুল, ভোট-জলকীয়া আদি বিদেশলৈ ৰপ্তানি হৈ আছে।

কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ পৰা ভাৰতে বুজন পৰিমাণৰ বিদেশী মুদ্ৰা উপাৰ্জন কৰে। ভাৰতৰ পৰা উন্নত মানবিশিষ্ট চাউল, ঘেঁহু, মছলাজাতীয় সামগ্ৰী, বিভিন্ন ফল, আম ৰপ্তানি কৰা হয়। বৰ্তমান ভাৰত বিশ্বৰ ভিতৰত সৰ্ববৃহৎ চাউল ৰপ্তানিকাৰী আৰু দ্বিতীয় সৰ্ববৃহৎ ঘেঁহু ৰপ্তানিকাৰী দেশ হিচাপে জনাজাত।

কৃষিৰ বিকাশ তথা কৃষিজাত সামগ্ৰীৰ উৎপাদকতা আৰু উৎপাদন বৃদ্ধিৰ বাবে উন্নত বীজ, ৰাসায়নিক সাৰ, খেতিৰ আধুনিকীকৰণ, যান্ত্ৰিকীকৰণ, বৈজ্ঞানিক পদ্ধতি অৱলম্বন, প্ৰযুক্তি, জলসিঞ্চন ব্যৱস্থা আদি আন্তঃগাঁথনি সুবিধা অতি প্ৰয়োজনীয়। এনে সা-সুবিধা লাভ কৰিবলৈ পৰ্যাপ্ত ধন বা পুঁজিৰ আৱশ্যক। কৃষকক এনে কাৰ্যত সহায় কৰিবলৈ ৰাষ্ট্ৰীয়কৃত বেংকে প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৬৯ চনৰ ১৯ জুলাইত বেংক ৰাষ্ট্ৰীয়কৰণৰ পাছত দেশত কৃষি বিকাশৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা হয়। ৰাষ্ট্ৰীয়কৰণৰ পাছত ব্যাপক শাখা বিস্তাৰৰ ফলত নগৰৰ উপৰি গ্ৰাম্য তথা দূৰৱৰ্তী অঞ্চললৈ বেংকৰ শাখা সম্প্ৰসাৰিত হ'ল। কৃষিৰ বিকাশৰ বাবে বেংকে কৃষকক সহায় কৰিবলৈ বিভিন্ন ঋণ যোজনা আৰম্ভ কৰে। ৰাষ্ট্ৰীয় পৰিকল্পনাৰ অগ্ৰাধিকাৰ অনুসৰি কৃষি আৰু সহযোগী খণ্ডক 'অগ্ৰাধিকাৰ ক্ষেত্ৰ'ত অন্তৰ্ভুক্ত কৰা হৈছে। এই ক্ষেত্ৰৰ ঋণক বিশেষ ৰেহাই আৰু অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। ভাৰত চৰকাৰৰ নীতি অনুসৰি বেংকে মঞ্জুৰ কৰা মুঠ ঋণৰ ৪০ শতাংশ 'অগ্ৰাধিকাৰ ক্ষেত্ৰ' আৰু ১৮ শতাংশ প্ৰত্যক্ষ কৃষি খণ্ডৰ বাবে প্ৰদান কৰাটো সকলো বেংকৰ বাবে বাধ্যতামূলক। ২০১৩-১৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ৭ লাখ কোটি টকাৰ কৃষিঋণ বিতৰণৰ লক্ষ্য ধাৰ্য কৰা হৈছে। ইয়াৰ পূৰ্বৰ বাজেটত ৫,৭৫,০০০ কোটি টকাৰ কৃষিঋণ বিতৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল। ৰাষ্ট্ৰীয়কৃত বেংকে কৃষকৰ সুবিধাৰ বাবে 'কিষান ক্ৰেডিট কাৰ্ড' শীৰ্ষক এখন অভিনৱ আঁচনি আৰম্ভ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি ১১ কোটিতকৈও অধিক 'কিষান ক্ৰেডিট কাৰ্ড' কৃষকৰ মাজত বিতৰণ কৰা হৈছে। ২০১৪-১৫ বৰ্ষৰ অন্তৰ্বৰ্তীকালীন বাজেটত কৃষিঋণৰ বাবে কৃষকক ৰেহাই সুতৰ দৰত ঋণ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। বেংকে ২০১১ চনৰ মাৰ্চ মাহলৈ ১০,২৮,৬১৪ কোটি টকাৰ ঋণ অগ্ৰাধিকাৰ ক্ষেত্ৰলৈ প্ৰদান কৰে। ১৯৬৯ চনত বেংকে এই ক্ষেত্ৰলৈ প্ৰদান কৰা ঋণৰ পৰিমাণ আছিল মাত্ৰ ৪৪১ কোটি টকা। অৰ্থাৎ ৪২ বছৰ কালছোৱাত বেংকে ২৪০ গুণতকৈও অধিক ঋণ অগ্ৰাধিকাৰ ক্ষেত্ৰলৈ আগবঢ়াই যি অভূতপূৰ্ব অভিলেখ সৃষ্টি কৰিলে সি সঁচাকৈয়ে প্ৰশংসনীয়। এইটো স্পষ্টকৈ প্ৰতীয়মান হৈ পৰিছে যে কৃষিৰ উন্নয়নত বেংকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

পূৰ্বৰ খাদ্য-শস্যৰ উৎপাদনৰ অভিলেখ ২৫৯ নিযুত ভঙ্গ কৰি চলিত বছৰত দেশৰ খাদ্য-শস্যৰ উৎপাদন ২৬৩.৩ নিযুত টন হ'ব বুলি আশা কৰা হৈছে। কৃষি বিকাশৰ হাৰ পূৰ্বৰ বছৰতকৈ ১.৪ শতাংশ বৃদ্ধি হৈ ৪.৬ শতাংশ হোৱাৰ সম্ভাৱনা আছে।

স্বাজোত্তৰ কালত কৃষি বিকাশ তথা সম্প্ৰসাৰণ কাৰ্যৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচী আৰু পদক্ষেপৰ ভিতৰত ১৯৬১ চনত দেশৰ নিৰ্বাচিত ১৬ খন জিলাত ব্যাপক কৃষি উৎপাদন জিলা কাৰ্যসূচী, ১৯৬৪ চনত ব্যাপক কৃষি অঞ্চল কাৰ্যসূচী, ১৯৬৭ চনত ব্যাপক উৎপাদনক্ষম বীজ আঁচনি, ১৯৭০-৭১ চনৰ ক্ষুদ্ৰ কৃষক উন্নয়ন সম্পৰ্কীয় সন্থা আৰু উপান্ত কৃষক আৰু কৃষি শ্ৰমিক উন্নয়ন সন্থা আঁচনি, সত্তৰ দশকৰ পাৰ্বত্য অঞ্চল উন্নয়ন আঁচনি, সৰু অঞ্চল উন্নয়ন আঁচনি আৰু খৰাংপীড়িত অঞ্চল উন্নয়ন আঁচনি, ১৯৭৮ চনত সংহত গ্ৰাম্য উন্নয়ন আঁচনি আদি উল্লেখযোগ্য।

তৃতীয় পাঁচ বছৰীয়া পৰিকল্পনা, সপ্তম আৰু অষ্টম পাঁচ বছৰীয়া পৰিকল্পনাতো কৃষিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। বিশেষকৈ ধান উৎপাদন আঁচনি, ৰাষ্ট্ৰীয় জলচ্ছেদ আঁচনি, ৰাষ্ট্ৰীয় তৈল গুটি উন্নয়ন আঁচনি, সামাজিক বনানীকৰণ আঁচনি আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। কৃষি বিকাশৰ বাবে জলসিঞ্চন ব্যৱস্থা এক প্ৰাক অৱস্থা। প্ৰত্যেক পাঁচ বছৰীয়া পৰিকল্পনাৰ অতিৰিক্ত জলসিঞ্চন ব্যৱস্থাৰ বাবে অধিক পুঁজি আবণ্টন কৰা হৈছে। কিন্তু এই দিশত অগ্ৰগতি সন্তোষজনক নহয়। কৃষিৰ বাবে প্ৰয়োজনীয় গুণবিশিষ্ট বীজ, কীটনাশক দ্ৰব্য, ৰাসায়নিক তথা জৈৱিক সাৰ,

ট্ৰেক্টৰ, খেতিৰ যান্ত্ৰিকীকৰণ, খেতিত পানী যোগানৰ বাবে যন্ত্ৰপাতি, মটৰ, পাম্পছেট, শস্য বীমা প্ৰযুক্তি প্ৰয়োগ আদিৰ বাবেও চৰকাৰে বিভিন্ন আঁচনি প্ৰণয়ন কৰিছে।

ভাৰতীয় কৃষি গৱেষণা পৰিষদে কৃষি গৱেষণা, শিক্ষা তথা সম্প্ৰসাৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে। ই ৯৮টা গৱেষণা প্ৰতিষ্ঠান আৰু প্ৰায় ৬০০ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিস্তৃত নেটৱৰ্কৰ জৰিয়তে কৃষিৰ উন্নয়নৰ বাবে কাম কৰি আছে। দেশৰ প্ৰায় ৫০ খন কৃষি বিশ্ববিদ্যালয়ে দেশত কৃষিৰ উন্নয়নৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰি আছে। ৰাষ্ট্ৰীয় গৱেষণা পদ্ধতি, ৰাষ্ট্ৰীয় কৃষি উদ্ভাৱন প্ৰকল্প, বতৰ বিজ্ঞান কেন্দ্ৰ আদি প্ৰতিষ্ঠানসমূহেও কৃষিৰ উন্নয়নৰ বাবে কাম কৰি আছে। ❐

---

**(৩৯ পৃষ্ঠাৰ পৰা)**

সুৰক্ষা সৰ্বজনস্বীকৃত হৈছে। এক বহল আৰু বিস্তৃত তথ্য আৰু সাক্ষ্যই এই কথা প্ৰমাণ কৰিছে যে দৰিদ্ৰতা আৰু বিপন্নতা হ্ৰাস কৰাৰ ক্ষেত্ৰত সামাজিক সুৰক্ষা আঁচনিৰ ভূমিকা অন্যতম। অৰ্থনৈতিক বিকাশৰ কাৰ্যনীতিৰ ওপৰত আধাৰিত দৰিদ্ৰতা হ্ৰাসকৰণৰ আঁচনিয়ে ভৌগোলিক স্থিতি তথা সামাজিক পৰিস্থিতি নিৰ্বিশেষে সুফল দিছে। সেয়ে অৰ্থনৈতিক বিকাশৰ জৰিয়তে দৰিদ্ৰতা হ্ৰাসকৰণত হ'ব লগা প্ৰভাৱৰ ক্ষেত্ৰত সামাজিক সুৰক্ষাৰ আহিলাসমূহ প্ৰয়োগ কৰাটো খুবেই জৰুৰী। নিম্নমানৰ আয় আৰু সীমাবদ্ধ সুযোগ-সুবিধাৰ ফলস্বৰূপে দৰিদ্ৰতাৰ কবলত থকা পৰিয়ালক তেনে পৰিস্থিতিৰ পৰা উদ্ধাৰৰ ক্ষেত্ৰত এনে পদক্ষেপে যথেষ্ট সহায় কৰিব। সামাজিক স্থানান্তৰণ, বিশেষকৈ চৰ্তসাপেক্ষ স্থানান্তৰণ আঁচনিয়ে মানৱ মূলধনৰ উন্নতিত উৎসাহ যোগাব।

দৰিদ্ৰতাৰ বহুমুখিতাৰ কথা এতিয়া সৰ্বসন্মত। তদুপৰি অৰ্থনৈতিক কাৰ্যকলাপ আৰু সুযোগ-সুবিধাৰ পৰা মুনাফা আদায় কৰা বা উক্ত প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাত দৰিদ্ৰ শ্ৰেণীয়ে সন্মুখীন হোৱা বাধাই দৰিদ্ৰতাৰ মূল কাৰণ বুলি সকলোৰে একমুখে স্বীকাৰ কৰিছে। দৰিদ্ৰতাৰ এই নতুন দিশ উন্মোচন হোৱা আৰু তাৰ বিবেচনাৰ ফলস্বৰূপেই সাম্প্ৰতিক সময়ত নিম্ন আয়সম্পন্ন দেশসমূহত সামাজিক সুৰক্ষাৰ গুৰুত্ব বৃদ্ধি পাইছে। দৰিদ্ৰ শ্ৰেণীয়ে সন্মুখীন হোৱা বাধাৰ ব্যাখ্যাৰ ভিন্নতাৰ বাবে তাৰ সমাধানৰ বাবে সামাজিক সুৰক্ষা ব্যৱস্থাও ভিন্ন হোৱা পৰিলক্ষিত হৈছে। সেয়ে অধিকাৰভিত্তিক ব্যৱস্থাৰ যোগেদি নীতি প্ৰণেতাসকলে তৈয়াৰ কৰা কাৰ্যনীতিৰ ওপৰত ভিত্তি কৰি সামাজিক সংকট আৰু বজাৰৰ বিপৰ্যয় হ্ৰাস কৰা, ন্যূনতম প্ৰয়োজন পূৰণ কৰা তথা মানৱ সম্পদ উন্নয়নত অৰিহণা যোগোৱাটোৱে সামাজিক সুৰক্ষাৰ উদ্দেশ্য আৰু ভূমিকা হ'ব পাৰে। সি যি কি নহওক, বিগত দশকত এই কথা লক্ষ্য কৰা হৈছে যে সামাজিক সুৰক্ষা আঁচনিসমূহে সামাজিক সংকট আৰু ন্যূনতম প্ৰয়োজনৰ বিষয়ৰ পৰিৱৰ্তে মানৱ সম্পদৰ সামৰ্থ্য বৃদ্ধিৰ বিষয়ত ক্ৰমান্বয়ে অধিক গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। এনে ৰাষ্ট্ৰসমূহে এই কথাও উল্লেখ কৰিবলৈ লৈছে যে অৰ্থনৈতিক বিকাশ আৰু মানৱ উন্নয়নৰ লগতে সমাজিক সুৰক্ষাও ৰাষ্ট্ৰীয় বিকাশৰ তিনি উপাদনৰ অন্যতম। নিম্ন আয়সম্পন্ন দেশসমূহত সম্প্ৰতি সামাজিক সুৰক্ষাৰ আঁচনিৰ বিস্তাৰ আৰু বৃদ্ধি লক্ষ্যণীয়। বিশেষজ্ঞ বেৰিয়েণ্টচ আৰু হিউমে ধাৰ্য কৰা মতে অদূৰ ভৱিষ্যতে এনেধৰণৰ আঁচনিয়ে দৰিদ্ৰতাত ডুবি থকা প্ৰায় অৰ্দ্ধ বিলিয়ন লোকক সামৰি ল'ব পাৰে। তেওঁলোকে এই কথাও অনুমান কৰিছে যে এনেধৰণৰ ক্ৰমবৰ্দ্ধমান আঁচনিয়ে গোলকীয় দৰিদ্ৰতা লক্ষ্যণীয় মাত্ৰাত হ্ৰাস কৰিব পৰাৰ কাৰ্যক্ষমতা বহন কৰিব পাৰে। পূৰ্বৰ দ্ৰৰিদ্ৰতা দূৰীকৰণ আৰু উন্নয়নৰ আঁচনিৰ সৈতে এনে আঁচনিৰ পাৰ্থক্য ইমানেই যে এনে আঁচনিয়ে কেৱল দৰিদ্ৰ শ্ৰেণীৰ ওপৰতে সম্পূৰ্ণ মনোযোগ দিছে।

খুব কম সময়ৰ ভিতৰতে দৰিদ্ৰ দেশসমূহৰ বৃহৎসংখ্যক জনসংখ্যাৰ দুখ-কষ্ট মোচন কৰাৰ কাৰ্যক্ষমতা এনে সামাজিক সুৰক্ষা আঁচনিত নিহিত হৈ আছে। আকৌ একে সময়তে দীৰ্ঘম্যাদী ৰূপত এনে আঁচনিয়ে সামগ্ৰিক মানৱ সম্পদৰ উন্নয়নতো অৰিহণা যোগাব পাৰিব। তদুপৰি বিশেষজ্ঞদ্বয় বেৰিয়েণ্টচ আৰু হিউমে উল্লখ কৰা মতে সামাজিক সুৰক্ষাই নৱৈৰ দশকত সামূহিক পুঁজি আৰু সূক্ষ্ম অৰ্থনীতিৰ বৈশিষ্ট্য সম্বলিত স্থানীয় প্ৰতিলিপি আৰু 'আমোঘ অস্ত্ৰ'ৰ লক্ষণ এৰাই চলাত সক্ষম হৈছে। বিশেষজ্ঞদ্বয়ৰ মতে সাম্প্ৰতিক পৰিস্থিতিৰ লগত খাপ খোৱাকৈ বিভিন্ন পৰ্যায়ত বিভিন্ন দিশ সামৰি ভিন ভিন সমস্যা সমাধান কৰিব পৰাকৈ সামাজিক সুৰক্ষাৰ ভিন্নমুখী আঁচনি সামগ্ৰিক আৰু সংহত ৰূপত কাৰ্যকৰী কৰাটোৱেই বৰ্তমান সময়ৰ প্ৰত্যাহ্বান। ❐

# অসমৰ পটভূমিত সুসংহত কৃষি ব্যৱস্থা

**মহেশ কলিতা***
**কনক চন্দ্ৰ বৰ্মন***

অসম কৃষিপ্ৰধান ৰাজ্য। অসমৰ শতকৰা প্ৰায় ৭৫ ভাগ লোকেই কৃষিৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত। অসমৰ মাটি আৰু জলবায়ু বিভিন্ন প্ৰকাৰৰ শস্যৰ খেতিৰ বাবে উপযোগী। ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, মৰাপাট, গ্ৰীষ্ম আৰু শীতকালীন শাক-পাচলি আদি শস্যৰ খেতি ৰাজ্যখনৰ কৃষকসকলে যুগ যুগ ধৰি কৰি আহিছে। এইবোৰ শস্যৰ খেতিৰ বাহিৰেও অসমৰ কৃষকসকলে নিজৰ তাকৰীয়া মাটিৰ লগতে বাসস্থানৰ চৌহদত বিভিন্ন ফল-মূল আৰু ফুলৰ খেতিৰ লগতে কৃষিৰ আনুসংগিক কাৰ্য— যেনে গো আৰু অন্যান্য পশুপালন, হাঁহ-কুকুৰা পালন, মৌ আৰু মৎস্য পালন আদিও কৰি আহিছে।

বৰ্তমান কৃষিৰ ক্ষেত্ৰত এক বহুলভাৱে চৰ্চিত এটা বিষয় হৈছে সুসংহত কৃষি ব্যৱস্থা (Integrated Farming System)। দেখা যায় অনেক সময়ত বহুতেই সুসংহত কৃষি ব্যৱস্থা আৰু বহুমুখী কৃষি ব্যৱস্থা— এই দুই ধাৰণাক একাকাৰ কৰি পেলায়। কিন্তু এই দুই ধাৰণাৰ মাজত প্ৰভেদ আছে। কোনো কৃষি ব্যৱস্থা বহুমুখী হ'লেই সুসংহত নহ'বও পাৰে। যদিহে বহুমুখী কৃষিৰ বিভিন্ন উপাংশৰ মাজত সুনিৰ্দিষ্ট সমন্বয়ৰ অভাৱ হয় বা এটা উপাংশ আন উপাংশৰ পৰিপূৰক নহয় অৰ্থাৎ প্ৰতিটো উপাংশ যদি সম্পূৰ্ণ স্বাধীন বা পৃথক একক হিচাপে প্ৰতিপালিত বা পৰিচালিত হয়, তেন্তে এই কৃষি ব্যৱস্থা সুসংহত কৃষি নহয়। সুসংহত কৃষিত প্ৰত্যেক উপাংশৰ এটাৰ আনটোৰ লগত পাৰস্পৰিক সম্পৰ্ক থাকে আৰু উপাংশবোৰ পাৰস্পৰিক সহযোগিতাৰ সম্পৰ্কৰ দ্বাৰা যুক্ত হৈ থাকে। সুসংহত কৃষি অত্যন্ত ফলপ্ৰসু, বিজ্ঞানসন্মত কৃষি ব্যৱস্থা। এই কৃষি ব্যৱস্থাৰ পৰা মূলধন, সময় আৰু শ্ৰমৰ সদ্ব্যৱহাৰ, প্ৰাকৃতিক আৰু আন দুৰ্যোগৰ সময়ত কৃষকৰ বাবে নিশ্চিত আয়ৰ যোগান, পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ, জল আৰু ভূমি সংৰক্ষণ, কৃষক পৰিয়াল আৰু বজাৰৰ চাহিদা পূৰণ আদি বিভিন্ন সুফল লাভ কৰা যায়। সম্পদৰ যথোপযুক্ত আৰু সুষম ব্যৱহাৰ হৈছে সুসংহত কৃষি ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। এই ব্যৱস্থাত কৃষিপাম-খনৰ এটা উপাংশৰ পৰা লাভ কৰা উপজাত সামগ্ৰীসমূহ আন এটা বা একাধিক উপাংশৰ বাবে উৎপাদনৰ মূলধন হ'ব পাৰে। উদাহৰণস্বৰূপে, সুসংহত কৃষিত ধান, ঘাঁহ বা অন্যান্য শাক-পাচলি আদিৰ খেতিৰ পৰা লাভ কৰা নৰা, খেৰ, ভুচি, পাচলিৰ বুঢ়া পাত, পেলনীয়া অংশ আদি পামখনত পালন কৰিবলৈ লোৱা গৰু-ম'হ, ছাগলী আদিৰ খাদ্য হিচাপে ব্যৱহৃত হয়। আনহাতে, গৰু-ছাগলীৰ গোবৰ আৰু মূত্ৰ, গোহালিৰ পেলনীয়া খেৰ, দানা আদিৰ পৰা পচন সাৰ প্ৰস্তুত কৰি শস্যৰ উৎপাদন কাৰ্যত ব্যৱহাৰ কৰিব পাৰি। আকৌ, সুসংহতভাৱে যদি মৎস্য-ধান বা মৎস্য-হাঁহ-কুকুৰা পালন কৰা যায়, তেন্তে ধানৰ পথাৰৰ পোক-পতংগৰ উপদ্ৰৱ নিয়ন্ত্ৰণত মাছে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ফলত ধান আৰু মাছ দুয়োবিধ উপাংশই পাৰস্পৰিক সুফল লাভ কৰে। সেইদৰে, মাছ আৰু হাঁহ সুসংহতভাৱে পালন কৰিবলৈ ল'লে হাঁহ মাছ পোহা পুখুৰীত চৰি পোক-পৰুৱা, জোক, শামুক বা অন্যান্য পৰজীৱীবোৰ খোৱাৰ উপৰিও পুখুৰীৰ পানীত অক্সিজেনৰ মাত্ৰা বঢ়াই মাছৰ বৃদ্ধিত সহায় কৰে। তদুপৰি, হাঁহে ত্যাগ কৰা মল বা বিষ্ঠা মাছৰ খাদ্য হয়। এনেদৰে দুয়োটা উপাদানৰ এটা আনটোৰ পৰিপূৰক হয়।

যোৰহাটত অৱস্থিত অসম কৃষি বিশ্ববিদ্যালয়, নিৰ্দেশনা তথা গৱেষণা পামত কৰা এক বিস্তৃত গৱেষণাৰ পৰা দেখা গৈছে যে বিজ্ঞানসন্মতভাৱে পৰিচালনা কৰিলে সুসংহত কৃষি ব্যৱস্থাৰ জৰিয়তে এক হেক্টৰ কৃষি ভূমিৰ পৰা বছৰেকত প্ৰায় ১,৩০,০০০ টকা প্ৰকৃত আয় লাভ কৰা সম্ভৱ।

সুসংহত কৃষি ব্যৱস্থাত পামখনৰ অৱস্থিতি, মাটিৰ গুণাগুণ, জলবায়ু, বজাৰৰ চাহিদা আদিৰ ওপৰত নিৰ্ভৰ কৰি কোনো এবিধ উপাংশক মুখ্য উপাংশ হিচাপে লৈ আন আন

*মহেশ কলিতা (শস্য বিজ্ঞান) আৰু কনক চন্দ্ৰ বৰ্মণ (পশু বিজ্ঞান) কৰিমগঞ্জ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ

উপাংশসমূহ এইভাৱে স্থিৰ কৰি ল'ব লাগে, যাতে নিৰ্বাচিত উপাদানসমূহৰ প্ৰত্যেকে প্ৰত্যেকৰ পৰিপূৰক হয়।

বিভিন্ন উপাংশ এককবোৰ নিৰ্বাচন কৰাৰ আগেয়ে কৃষি পামখনত বিস্তৃত অনুসন্ধান কৰি ল'ব লাগে। মাটিৰ উৰ্বৰতা, ঢাপ, ভূগৰ্ভস্থ জলপৃষ্ঠ আদিৰ ওপৰত নিৰ্ভৰ কৰি উপাংশবোৰ নিৰ্বাচন কৰিব লাগে।

মাটি আৰু জলবায়ুৰ অনুকূলতাৰ ওপৰত ভিত্তি কৰি অসমৰ পটভূমিত সুসংহত কৃষি ব্যৱস্থাৰ বাবে তলত উল্লেখ কৰা ধৰণে বিভিন্ন উপাংশ এককবোৰ নিৰ্বাচিত কৰি ল'ব পৰা যায়।

**ধান ঃ** অসমৰ ক্ষেত্ৰত ধান কৃষিপামৰ প্ৰধান বা মুখ্য উপাংশ একক হ'ব পাৰে; কিয়নো অসমৰ মাটি আৰু জলবায়ু ধানৰ বাবে অতি উপযোগী। দ-চানেকীয়া মাটি হ'লে ধানৰ সৈতে মিশ্ৰিতভাৱে মৎস্য আৰু বাম মাটি হ'লে সিঁচা আহু আৰু অন্তৰ্বৰ্তীকালীন শস্য হিচাপে গ্ৰীষ্মকালীন মগুমাহ বা মাটিমাহ কৰিব পৰা যায়। ৰবি শস্যৰ বতৰত উক্ত স্থানত আলু, সৰিয়হ আৰু আন আন শাক-পাচলিৰ খেতি কৰিব পাৰি।

**শাক-পাচলি ঃ** পামখনৰ মধ্যমীয়া দ অংশত থকা স্থানডোখৰ শাক-পাচলিৰ খেতিৰ বাবে নিৰ্বাচন কৰিব লাগে। ইয়াৰ বাহিৰেও পামখনত থকা কৃষিবান্ধ, পাম-গৃহৰ চৌকাষ আদিত ফুলৰ খেতি কৰি পামৰ মুঠ আয়ত অৰিহণা যোগোৱাৰ উপৰিও কৃষি পামখনৰ সৌন্দৰ্য বৃদ্ধি হয়। তদুপৰি ফুলৰ খেতিৰ বাবে পামখনত মৌ পালনৰ সুবিধা হয়।

**ঘাঁহ খেতি ঃ** কৃষি পামখনৰ কম সাৰুৱা বা অনুৰ্বৰ ওখ অংশ ঘাঁহ খেতিৰ বাবে নিৰ্বাচন কৰিব লাগে। ইয়াৰ বাহিৰেও আন খেতিৰ বাবে ব্যৱহাৰ নোহোৱা, পিতনি অংশ বা জলসিঞ্চনৰ বান্ধ আদি জলজ ঘাঁহৰ খেতি কৰিবৰ বাবে উপযোগী।

**মৎস্য পালন ঃ** পামখনৰ আটাইতকৈ দ অংশত মৎস্য পালনৰ উদ্দেশ্যে পামৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰি উপযুক্ত জোখৰ পুখুৰী খন্দাব লাগে। মাছ পোহা পুখুৰীৰ সৈতে ধানখেতিৰ অঞ্চলটো সংলগ্ন হ'লে দৰকাৰ অনুযায়ী পুখুৰীৰ পৰা পানী ধানৰ পথাৰত বা শীতকালীন শাক-পাচলিৰ খেতিত যোগান ধৰিব পৰা যায়। ধান আৰু মৎস্যৰ মিশ্ৰিত ব্যৱস্থাত পুখুৰী সংলগ্ন কৰি ধানৰ সমুদায় অঞ্চলটো সামৰি বান্ধৰ ব্যৱস্থা কৰিব লাগে যাতে বাৰিষা পুখুৰীৰ পৰা মাছ ওলাই গৈ ধাননিৰ মাজত চৰি ফুৰিব পাৰে। ইয়াৰ ফলত মাছ সোনকালে বাঢ়ে আৰু ধানৰ পথাৰৰ অনিষ্টকাৰী পোক-পৰুৱা খাই মাছে ধানৰ উৎপাদন বৃদ্ধিত অৰিহণা যোগায়। পুখুৰীৰ বান্ধত ফলমূলৰ গছ যেনে— অমিতা, নেমু, আনাৰস, কল, তামোল, নাৰিকল, মধুৰিআম আদি ৰুব পাৰি। পুখুৰীৰ বান্ধ বহল হ'লে, বান্ধত ঘাঁহ, ৰহৰ মাহ, আদা, হালধি আদিৰ খেতি কৰিব পৰা যায়। পুখুৰীৰ পাৰত ফলমূলৰ গছ ৰোওঁতে মন কৰিব লাগে যাতে মাছ পোহা পুখুৰীত অনবৰত ছাঁ পৰি নাথাকে। ইয়াৰ বাহিৰেও পুখুৰীৰ পাৰত বা কাষত অথবা পানীৰ ওপৰতো গঁড়াল সাজি হাঁহ-কুকুৰা পালন কৰিব পৰা যায়।

**পশুপালন ঃ** সুসংহত কৃষি ব্যৱস্থাত পশুপালন এক অত্যাৱশ্যকীয় উপাংশ একক। পামৰ আকাৰ, অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি গৰু, ম'হ, ছাগলী, গাহৰি আদিৰ যিকোনো এবিধ বা একাধিক পশুপালন কৰিব পৰা যায়। গৰু-ছাগলী, ম'হ আদিৰ সংখ্যা নিৰূপণ কৰোঁতে চাব লাগে যাতে পামখনৰ উৎপাদিত খাদ্যৰ দ্বাৰা পালন কৰিবলৈ লোৱা পশুৰ বাবে বছৰটোৰ খাদ্যৰ প্ৰয়োজন পূৰাব পৰা যায়।

**মৌ পালন ঃ** মৌ-পালন সুসংহত কৃষিৰ এক গুৰুত্বপূৰ্ণ উপাংশ একক। পামত থকা ফুলৰ খেতি আৰু সৰিয়হ আদি শস্যৰ ফুলৰ পৰা মৌ আহৰণ কৰি বছৰত বুজন পৰিমাণৰ মৌ-ৰস উৎপাদন কৰে। আকৌ মৌ-মাখিয়ে সৰিয়হ আৰু আন শস্যৰ ফুলৰ পৰাগযোগৰ মাত্ৰা বৃদ্ধি কৰি এই শস্যসমূহৰ উৎপাদনো বৃদ্ধি কৰে।

**বাসস্থান, গুডাম ঘৰ ঃ** কৃষি পামখনৰ আটাইতকৈ ওখ স্থানত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, পাম্পছেট আৰু অন্যান্য কৃষি সঁজুলি ৰাখিবৰ বাবে প্ৰয়োজনীয় ঘৰ আৰু লগতে গুডাম ঘৰ আদি সজাব লাগে। এই স্থানৰ সৈতে সংলগ্ন কৰি মানুহ থকা ঘৰ সাজিব লাগে যাতে উক্ত স্থানৰ পৰা সমগ্ৰ পামখনত চকু ৰাখিবলৈ সুবিধা হয়।

**কেঁচু সাৰ ঃ** কেঁচুসাৰ উৎপাদন সুসংহত কৃষি ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ উপাংশ একক হ'ব পাৰে; কিয়নো বিভিন্ন শস্যৰ খেতিৰ লগতে পামগৃহৰ পেলনীয়া সামগ্ৰী, ৰান্ধনীশাল আদিৰ পৰা যথেষ্ট পৰিমাণে উপজাত সামগ্ৰী উৎপন্ন হয়। এইবোৰ সামগ্ৰী কেঁচুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰি পামখনত এটা বা একাধিক কেঁচুসাৰৰ একক বা গোট স্থাপন কৰিব পৰা যায়। ইয়াৰ ফলত কৃষি পামখনৰ ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা কমাব পৰা যায় আৰু পামখনৰ পৰিৱেশ প্ৰদূষণমুক্ত কৰি ৰাখিব পৰা যায়। লগতে উৎপাদিত কেঁচুসাৰ পামৰ বিভিন্ন শস্যৰ উৎপাদন কাৰ্যত ব্যৱহাৰ কৰিব পাৰি আৰু অতিৰিক্ত অংশ বিক্ৰী কৰি আৰ্থিকভাৱে লাভৱান হ'ব পাৰি।

**(৫৬ পৃষ্ঠাত চাওক)**

# ভাৰতীয় কৃষি নীতিৰ প্ৰতিষ্ঠাপন

শ্ৰীজিৎ মিশ্ৰ*

**পাতনি ঃ**

২০১৪ৰ গ্ৰীষ্মকালটো দেশৰ সাধাৰণ নিৰ্বাচনক লৈ উখল-মাখল হৈ থাকিল। কিন্তু কৃষিখণ্ডৰ ক্ষেত্ৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ থাকিব এটা ভাল বাৰিষাৰ সম্ভাৱনাৰ ওপৰত। এইবাৰ এল নিন'ৰ সম্ভাৱনা আছে নে নাই? ইয়াৰ ফলত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে নেকি, যাৰ সমগ্ৰিক কৃষি উৎপাদনৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পৰে? দেশৰ জনগণৰ বৃহৎ অংশটোৰ যিসকল জীৱিকাৰ বাবে কেৱল কৃষিৰ ওপৰতে নিৰ্ভৰশীল, সেইসকলৰ কি হ'ব? আৰু কৃষকৰ আত্মহত্যাৰ প্ৰসংগটো? এই প্ৰশ্নসমূহে আমাক বৃহৎ কৃষি সংকটৰ কথাকে সোঁৰৰাই দিয়ে। তদুপৰি সোঁৰৰাই দিয়ে কৃষিৰ বিকাশৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন ধৰণৰ প্ৰভাৱৰ কথা। এই প্ৰশ্নসমূহৰ সমিধান বিচাৰিলে আমি পাওঁ কৃষিখণ্ডৰ সামগ্ৰিক উৎপাদন, খেতি কৰাৰ পিছতো হোৱা লোকচান, পুষ্টিজনিত অভাৱৰ উপৰি অনুপযুক্ত আৰু বিসংগতিপূৰ্ণ আঁচনিৰ বাবে উৎপাদন আৰু উৎপাদনশীলতাৰ হাৰৰ অৱনমন তথা বিপদশংকা আৰু অসুচলতা বৃদ্ধি আদি দিশসমূহ। এইসমূহৰ বাবেই আমাক প্ৰয়োজন বিকল্প আঁচনিৰ বিষয়ে চিন্তা-চৰ্চা।

**কৃষিখণ্ডৰ সংকট ঃ**

মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)ৰ ক্ষেত্ৰত কৃষি খণ্ড আৰু ইয়াৰ সংলগ্ন সেৱাসমূহৰ অংশ ক্ৰমাগতভাৱে হ্ৰাস পাবলৈ ধৰিছে। ১৯৯৯-২০০০ চনৰ মূল্যমান স্থিৰ বুলি ধৰিলে জিডিপি ১৯৭২-৭৩ চনত ৪১ শতাংশৰ পৰা ২০০৯-১০ চনত ১৪.৯ শতাংশলৈ হ্ৰাস পাইছে। এই একে সময়তে কৃষি খণ্ডত নিযুক্তিৰ অংশ ৫৩.২ শতাংশৰ পৰা ৭৩.৯ শতাংশলৈ কমিছে। ইয়াৰ অৰ্থ এয়েই যে কৃষি খণ্ড আৰু ইয়াৰ সংলগ্ন সেৱাসমূহত প্ৰতিজন শ্ৰমিকৰ বিপৰীতে লাভৰ গড় কৃষি খণ্ডৰ বাহিৰৰ সেৱাসমূহৰ প্ৰতিজন শ্ৰমিকৰ বিপৰীতে লাভৰ গড়তকৈ ১৯৭২-৭৩ চনৰ ২৪.৫ শতাংশৰ পৰা ২০০৯-২০১০ চনত ১৫ শতাংশলৈ হ্ৰাস পাইছে। এই পৰিসংখ্যা নিঃসন্দেহে উদ্বেগজনক।

কৃষি পিয়লত প্ৰকাশ কৰা অনুসৰি উপান্ত খেতিয়কে খেতি কৰা ভূমিখণ্ডৰ অংশ বৃদ্ধি হৈছে। ১৯৭০-৭১ আৰু ২০১০-১১ চনৰ মাজৰ কালছোৱাত খেতি কৰা ভূমি খণ্ডৰ অংশ ৫১ শতাংশৰ পৰা ৬৭.১ শতাংশলৈ বৃদ্ধি হৈছে (০-১ হেক্টৰৰ ক্ষেত্ৰত)। ইয়াৰ বিপৰীতে ক্ষুদ্ৰ কৃষকৰ (০-২ হেঃ) ক্ষেত্ৰত ১৮.৯ শতাংশৰ পৰা ১৭.৯ শতাংশলৈ, অৰ্ধ-মজলীয়া কৃষকৰ ক্ষেত্ৰত (২-৪ হেঃ) ১৫ শতাংশৰ পৰা ১০ শতাংশলৈ, মজলীয়া কৃষকৰ ক্ষেত্ৰত (৪-১০ হেঃ) ১১.২ শতাংশৰ পৰা ৪.২ শতাংশলৈ, বৃহৎ কৃষকৰ ক্ষেত্ৰত (১০+ হেঃ) ৩.৯ শতাংশৰ পৰা ০.৭ শতাংশলৈ হ্ৰাস পাইছে।

২০০২-২০০৩ কৃষি বৰ্ষত এটা পৰিস্থিতি মূল্যায়ন জৰীপ চলোৱা হৈছিল। এই জৰীপ অনুসৰি ক্ষুদ্ৰ খেতিয়কৰ (১৬৫৯-২৪৮২ টকা), মজলীয়া খেতিয়ক (২৪৯৩-৩১৪৮ টকা) আৰু অৰ্ধ-মজলীয়া খেতিয়কৰ (৩৫৮৯-৩৬৮৫ টকা) মাহিলি গড় ঘৰুৱা উপাৰ্জন খৰচৰ তুলনাত কম। ইয়াৰ বিপৰীতে মজলীয়া (৫৬৮১-৪৬২৬ টকা) আৰু বৃহৎ খেতিয়কৰ (৯৬৬৭-৬৪১৮ টকা) মাহিলি গড় ঘৰুৱা উপাৰ্জন খৰচৰ তুলনাত বেছি। তদুপৰি খৰাঙৰ বাবে লাভৰ পৰিমাণ এক-তৃতীয়াংশ বঢ়োৱা সত্ত্বেও খেতিয়কৰ প্ৰতিটো পৰিয়ালৰ প্ৰত্যেক দিনৰ জনমূৰি লাভ ৮ টকাতকৈ কম। খুব বেছিকৈ গড় বাৰ্ষিক বিকাশৰ হাৰ ৬ শতাংশকৈ ধৰিলে প্ৰত্যেক দিনৰ জনমূৰি লাভ ২০১৩-১৪ চনত দুগুণে বৃদ্ধি পাই হ'বগৈ ১৬ টকাকৈ। এই সমীক্ষা অনুসৰি কৃষিৰ পৰা লাভ বুলিবলৈ বিশেষ নাই। এতিয়াও দেশৰ প্ৰায় অৰ্দ্ধেক জনগণ কৃষিৰ ওপৰত নিৰ্ভৰশীল হৈ থকা হেতুকে কৃষিৰ বিকল্প উপায়-সমূহ সীমিত বুলি ক'ব পাৰি।

গোলকীয় ক্ষুধা সূচক (গ্লোবেল হাংগাৰ ইনডেক্স) ২০১৩' অনুসৰি ৭৮ খন দেশৰ ভিতৰত ভাৰতৰ স্থান ৬৩ সংখ্যক। এই স্থান দক্ষিণ এছিয়াৰ সকলো দেশ আৰু ছাব-ছাহাৰা দেশৰ কেইখনমান দেশতকৈ তলত। 'ষ্টেট অব্ ইণ্ডিয়ান এগ্ৰিকালচাৰ ২০১২-১৩' অনুসৰি প্ৰত্যেক দিনা জনমূৰি খাদ্যশস্য

পোৱাৰ পৰিমাণ ১৯৯১ চনত ৫১০ গ্ৰামৰ পৰা ২০১১ চনত ৪৬৩ গ্ৰামলৈ হ্ৰাস পাইছে। একে ধৰণে ১৯৯৩-৯৪, ২০০৪-০৫ আৰু ২০০৯-১০ চনৰ ৰাষ্ট্ৰীয় প্ৰতিদৰ্শ জৰীপ মতে প্ৰত্যেক দিনা জনমূৰি প্ৰ'টিন আৰু কেল'ৰি লাভৰ পৰিমাণো হ্ৰাস পাইছে। এনে হোৱাৰ মূল কাৰণ খাদ্যশস্যৰ উৎপাদন আৰু খাদ্যাভ্যাসৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তন। বজৰাৰ সলনি ধান আৰু ঘেঁহু উৎপাদনৰ বাবেই এনে হোৱা দেখা গৈছে। শেহতীয়াকৈ বজৰা উৎপাদন আৰু ভক্ষণ বৃদ্ধি কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

খেতিয়কৰ আত্মহত্যাই কৃষি খণ্ডত পৰিলক্ষিত হোৱা সংকটৰ দিশটো উদঙাই দিয়ে। অৱশ্যে এয়া লক্ষণগত উপসৰ্গহে, আত্মহত্যা নোহোৱা হৈ গ'লেই যে কৃষি খণ্ডৰ বিকাশ হোৱা বুলি ধৰিব লাগিব সেয়া বাস্তৱিক নহ'ব। কৃষক আৰু অ-কৃষকৰ আত্মহত্যাজনিত মৃত্যুৰ হাৰ (এছ এম আৰ, অৰ্থাৎ ১,০০,০০০ লোকৰ মাজত আত্মহত্যা কৰা লোকৰ সংখ্যা)ৰ তুলনা কৰিলে দেখা যায় যে সৰ্বভাৰতীয় ভিত্তিত এই হাৰৰ ব্যৱধান ২০০৪ চনত আটাইতকৈ বেছি (১৮.৮ আৰু ১৩.৫)। ২০০৮ চনলৈকে এই হাৰৰ ব্যৱধান কমিছিল (১৬.৯ আৰু ১৪.৭)। ২০০৯ চনত এই ব্যৱধান আকৌ বাঢ়ে; এই বছৰটো খৰাংপীড়িত আছিল। এই ব্যৱধান ২০১০ চনৰ পৰা ২০১২ চনলৈ আকৌ কমিবলৈ ধৰে। যিয়েই নহওক আত্মহত্যা কৰা কৃষকৰ বৰ্ধিত সংখ্যা অনুসৰি ছখন ৰাজ্যৰ ভিতৰত (২০১০ৰ পৰা ২০১২লৈ এই বছৰ তিনিটাত) অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু কেৰালত এই হাৰৰ ব্যৱধান বৃদ্ধি পাইছে আৰু ছত্তিশগড়, কৰ্ণাটক আৰু মধ্যপ্ৰদেশত এই হাৰৰ ব্যৱধান হ্ৰাস পাইছে। ছত্তিশগড়ত কৃষকৰ আত্মহত্যাৰ সংখ্যা কমাৰ কাৰণ ৰাজ্যখনে এই আত্মহত্যাৰ খবৰ প্ৰকাশ কৰাটো বন্ধ কৰি দিছে। কৃষকৰ আত্মহত্যাৰ খবৰটো কৃষকৰ সলনি স্ব-নিযুক্ত অন্যান্য শিতানতহে দেখুওৱা হয়। তদুপৰি পশ্চিমবংগত ২০১২ চনৰে পৰা বৃত্তি অনুসৰি আত্মহত্যাৰ খবৰ প্ৰকাশ কৰা নহয়। এনেকৈয়ে, সৰ্বভাৰতীয় স্তৰত এই হাৰৰ ব্যৱধান কমাটো পৰিলক্ষিত হয় কেৱল অসংগত আৰু অসম্পূৰ্ণ বাতৰি প্ৰকাশ কৰা কাৰণে। যিকোনো কাৰণতে নহওক ইয়াৰ সম্ভাব্য পৰিৱৰ্তন চিহ্নিত কৰিবলৈ অন্যান্য দিশসমূহ বিবেচনা কৰা দৰকাৰ।

**কৃষি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত সংকট ঃ**

১৯৮১-৮২ৰ পৰা ১৯৯৩-৯৪ চনলৈ, ১৯৯৩-৯৪ৰ পৰা ২০০৪-০৫লৈ আৰু ২০০৪-০৫ৰ পৰা ২০১০-১১ চনলৈ এই কালছোৱাত প্ৰতিটো কালক্ৰমৰ মূৰে মূৰে তথ্য সংগ্ৰহ কৰি বিকাশৰ হাৰ বিশ্লেষণ কৰাৰ পিছত দেখা গ'ল যে কৃষি আৰু ইয়াৰ সংলগ্ন সেৱাসমূহৰ বিকাশৰ হাৰ প্ৰথম কালছোৱাত (৩.৩ শতাংশ) পৰিসংখ্যা অনুসৰি দ্বিতীয় কালছোৱাতকৈ (২.৭ শতাংশ) অধিক। তদুপৰি শেহতীয়া কালছোৱাত বিকাশৰ হাৰ বাঢ়ি ৩ শতাংশ হ'ল। বিশ্লেষণ অনুসৰি দ্বিতীয় কালক্ৰমতকৈ প্ৰথমটো কালক্ৰমত খাদ্যশস্য (৩.৩ শতাংশ আৰু ১.০ শতাংশ), মাহজাতীয় শস্য (১.৫ শতাংশ আৰু -০.০৩ শতাংশ), তৈলবীজ (৬.১ শতাংশ আৰু ০.৫ শতাংশ), কপাহ (৪.১ শতাংশ আৰু ১.০ শতাংশ), গাখীৰ (৫.০ শতাংশ আৰু ৩.৭ শতাংশ) আৰু মাংস (৫.১ শতাংশ আৰু ২.৯ শতাংশ)ৰ বিকাশ হাৰ অধিক। দ্বিতীয়টো কালক্ৰমতকৈ তৃতীয় কালক্ৰমত গাখীৰত বাহিৰে (৩.৫ শতাংশ) বাকী-কেইবিধ পণ্যৰ বিকাশৰ হাৰ অধিক। তদুপৰি মাহজাতীয় শস্য (২.৫ শতাংশ), তৈলবীজ (৪.৮ শতাংশ) আৰু কপাহ (১৩.৭ শতাংশ)ৰ বিকাশৰ হাৰ তাৎপৰ্যপূৰ্ণভাৱে অধিক। এই ধাৰা ২০১০-১১ চনলৈ অব্যাহত আছিল। ২০১৩-১৪ চনলৈ এই বিকাশৰ হাৰ অনুৰূপ আছিল যদিও ২০১২-১৩ চনত পলমকৈ হোৱা আৰু কম পৰিমাণৰ বৰষুণৰ বাবে সাময়িক বিপৰ্যয় পৰিলক্ষিত হৈছিল।

প্ৰচলিত ধাৰা অনুসৰি ভাৰতত বাৰিষাৰ কালছোৱাত খেতিয়কসকল উৎপাদন অথবা মূল্যৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। এই উঠা-নমা প্ৰতিবছৰে বিপৰীতক্ৰমে চলি থকা দেখা যায়। বৰ্তমান সময়ত উৎপাদনৰ ক্ষেত্ৰত আশংকা বৃদ্ধি হোৱা পৰিলক্ষিত হয় কাৰণ বিদ্যুৎ শক্তি অবিহনে খেতিপথাৰত জলসিঞ্চন কম হোৱা বাবে গুৰুত্বপূৰ্ণ সময়ত পানীৰ অভাৱ হ'ব পাৰে। কেতিয়াবা নিম্নমানৰ বীজ নাইবা কীটৰ আক্ৰমণ বৃদ্ধি বা বতৰৰ পৰিৱৰ্তনৰ বাবেও উৎপাদন কমি যায়। তদুপৰি বিশ্বজুৰি প্ৰভাৱৰ বাবে মূল্যমানৰ বৃদ্ধি হয় আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয়ান ইউনিয়নৰ বৰ্দ্ধিত ৰাজসাহায্যৰ বাবেও মূল্যৰ ক্ষেত্ৰত কৃষকসকল ভীতিগ্ৰস্ত হ'ব লগা হয়। এই পৰিৱৰ্তনসমূহৰ বাবে এই দুটা বিপদশংকাৰ ইটোৱে সিটোক প্ৰশমিত নকৰে আৰু ইয়াৰ ফলত একে কৃষি-বৰ্ষতে কৃষকসকল দুয়োটা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰে।

বছৰ বছৰ ধৰি মূলধনৰ বাবে কৃষকে বজাৰৰ ওপৰত ক্ৰমবৰ্দ্ধমানভাৱে নিৰ্ভৰ কৰি আহিছে। বজাৰৰ প্ৰকৃত বাস্তৱতা

আৰু ৰাজহুৱা ধনেৰে কৰা গৱেষণা আৰু ইয়াৰ প্ৰসাৰণৰ মাজত যোগসূত্ৰডাল ক্ৰমাৎ দুৰ্বল হৈ আহিছে। ফলত কৃষকসকলে বজাৰৰ বেপৰীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা কাৰণে যোগানকাৰীয়ে সৃষ্টি কৰা চাহিদাকে ভাৰসা কৰি আহিছে। তাতকৈ ডাঙৰ কথাটো হ'ল, নিম্নমানৰ পণ্য আৰু বজাৰৰ অন্যান্য অনিয়ম নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা নথকা বাবেই কৃষক ক্ষতিগ্ৰস্ত হ'ব লগাত পৰে। তদুপৰি, প্ৰযুক্তিৰ পৰিৱৰ্তনৰ লগত খাপ খোৱাকৈ কৃষকৰ সাম্প্ৰতিক জ্ঞান কম হোৱাৰ উপৰি অদক্ষতাও কৃষকৰ প্ৰতিকূল অৱস্থাৰ বাবে দায়ী।

পৰ্যাপ্ত, বহনক্ষম আৰু সময় মতে পাব পৰা ঋণ যিকোনো উদ্যোগ বা ব্যৱসায়ৰ বাবে প্ৰয়োজনীয়; কিন্তু ভাৰতীয় কৃষকৰ বাবে এয়া সহজসাধ্য নহয়। তদুপৰি কৃষিঋণেৰে বাৰম্বাৰ খেতিয়েই কৰা হয়, গতিকে লাভ বুলিবলৈ সামগ্ৰিকভাৱে খেতিৰ উৎপাদনশীলতাৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। সেই বাবে কৃষকে কেতিয়াবা খেতি ভাল নহ'লে যথেষ্ট লোকচান ভৰে আৰু ঋণ ঘূৰাই দিয়াত অসুবিধাৰ সন্মুখীন হয় নাইবা আকৌ ঋণ পোৱাৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি হয়। ফলত কৃষকসকলে অধিক সুদৰ বিনিময়ত বজাৰৰ পৰা ঋণ ল'বলগীয়াত পৰে আৰু এনেকৈয়ে ক্ৰমাৎ ঋণৰ বোজাত জুৰুলা হৈ পৰে।

বজাৰৰ ওপৰত নিৰ্ভৰশীল হৈ কৰা খেতিৰ প্ৰতি বতৰৰ লগতে বজাৰৰ অনিশ্চয়তাই বাৰুকৈয়ে ক্ৰিয়া কৰে। অধিক সাৰ প্ৰয়োগৰ ফলত কৃষিভূমি ক্ৰমাৎ ক্ষতিগ্ৰস্ত হ'ব পাৰে; তেতিয়া সামগ্ৰিক উৎপাদনৰ ক্ষেত্ৰত প্ৰভাৱ পৰিব পাৰে। কীটনাশকৰ অত্যধিক প্ৰয়োগৰ ফলত জনস্বাস্থ্য আৰু পশুধনৰ ক্ষতিৰ লগতে ভূজলস্তৰ প্ৰদূষিত হোৱাৰ আশংকা থাকে। এই প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ উপায় উদ্ভাৱনৰ বাবে চেষ্টা চলোৱা হৈছে। 'পূবলৈ চোৱা' নীতিৰ লগতে দ্বিতীয় সেউজ বিপ্লৱ বা চিৰসেউজ বিপ্লৱৰ বাবে পদক্ষেপ গ্ৰহণৰ চিন্তা-চৰ্চা চলিছে। আন কোনো বিকল্প নোহোৱা (টি আই এন এ- 'টিনা') বাবেই এনে চিন্তা-চৰ্চা চলাৰ উপৰি অন্য প্ৰযুক্তি-নিৰ্ভৰ পদক্ষেপৰ চেষ্টা কৰা হৈছে।

**বিকল্প নীতিৰ চিন্তা ঃ**

বাস্তৱিকতে বহুমুখী বিকল্পৰ স্থিতি (এম এ আই- 'মাই') পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। ই অৱস্থান সাপেক্ষ নহয় আৰু সময়ৰ লগে লগে বিকাশ ঘটে। সকলো ক্ষেত্ৰতে একে পদক্ষেপ সন্দৰ্ভত ই প্ৰশ্ন তোলে। এনে চিন্তাই প্ৰাকৃতিক সম্পদ আৰু উৎপাদন ব্যৱস্থাৰ বৈচিত্ৰ্যৰ সুবিধা গ্ৰহণ কৰে। প্ৰতিবিধ খেতিৰ কালচক্ৰ ভিন ভিন হয়, গতিকে প্ৰতিবিধ ক্ষেত্ৰতে জলবায়ুৰ পৰিৱৰ্তনে সমানে ক্ৰিয়া নকৰে। এই পদ্ধতি অনুসৰি একে সময়তে বিভিন্ন শস্যৰ খেতি কৰাৰ লগতে একেলগে বিভিন্ন পশুধন পালনৰ ব্যৱস্থা কৰিব পাৰি। ইয়াৰ ফলত বাহ্যিক কাৰণসমূহে খেতি বা উৎপাদনৰ ক্ষেত্ৰত ব্যাপক বিৰূপ প্ৰভাৱ পেলাব নোৱাৰে। এই পদ্ধতি বা উদ্ভাৱন জ্ঞানকেন্দ্ৰিক।

জ্ঞানভিত্তিক 'মাই' আৰু 'টিনা'ৰ মাজত তুলনা কৰিলে পাওঁ— 'মাই' একেবাৰে তৃণমূলভিত্তিক, য'ত বিভিন্ন তথ্য বা জ্ঞান যোগান ধৰোঁতাসকলে স্থানীয় দিশসমূহো বিবেচনা কৰে আৰু তদুপৰি কৃষকৰ সৈতেও একেলগে কৰ্মক্ষেত্ৰত নামি পৰে। 'টিনা' প্ৰযুক্তিনিৰ্ভৰ হোৱা বাবে কিছুমান বিশেষ সমস্যাহে সমাধানত আগভাগ ল'ব পাৰে। খেতিপথাৰত প্ৰযুক্তিৰ ব্যৱহাৰ কৰা কৃষকসকলহে ইয়াৰ জৰিয়তে উপকৃত হয়।

'মাই' পাৰিপাৰ্শ্বিক-সাপেক্ষ; কৃষি পদ্ধতিটোৰ সন্দৰ্ভত বুজাপৰা আৰু কাৰ্যকৰী ব্যৱস্থাৰ বিকাশ ঘটোৱা তথা পৰিচালনা কৰিবলৈ প্ৰয়োজনীয়। 'টিনা' শস্য-সাপেক্ষ আৰু সমল/প্ৰযুক্তিৰ প্ৰয়োগেৰে উৎপাদন বৃদ্ধি কৰিব পাৰি।

'মাই'য়ে জটিল ব্যৱস্থাৰ বিপদশংকা আঁতৰাই উৎপাদন বৃদ্ধিত গুৰুত্ব দিয়ে। 'টিনা'ৰ জৰিয়তে এবাৰত এবিধ শস্যৰ খেতি বা পশুপালনেৰে উৎপাদনশীলতা বৃদ্ধিত গুৰুত্ব দিয়া হয়।

'মাই'ৰ অধীনত ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত কাৰ্যদক্ষতাৰ বুজাপৰা কৰা হয়। 'টিনা'ৰ দ্বাৰা প্ৰযুক্তিগত আৰু অৰ্থনৈতিক বোধৰ দক্ষতাৰ পৰীক্ষা হয়।

'মাই' মিশ্ৰিত আৰু গুণিতক শস্যৰ খেতিৰ লগতে পশুপালন। 'টিনা' এবিধ শস্যৰ খেতিৰ বিশেষীকৰণ।

'মাই' ব্যক্তিগত কৃষিভূমিত উৎপাদন, যি সাধাৰণ খেতিয়কৰ ওপৰত নিৰ্ভৰশীল। 'টিনা'ৰ অধীনত মালিকীস্বত্ব থকা ভূমিতহে খেতি কৰা হয়।

এইবিলাক পাৰ্থক্য সত্ত্বেও 'টিনা'ৰ দৰে 'মাই' নিজে নিজে হ'ব নোৱাৰে। 'মাই'ৰ বিষয়ে ৰাজহুৱাভাৱে প্ৰচাৰ কৰিবলৈ উপযুক্ত জ্ঞান, সম্পদ আৰু বিপণন সুযোগ আৰু তথ্য-প্ৰযুক্তি পৰ্যাপ্ত ক্ষমতাৰ সমৰ্থন থকা বাঞ্ছনীয়। ইয়াৰ বাবে প্ৰয়োজন অহৰহ নিৰীক্ষণ আৰু মূল্যায়ন।

'মাই'ৰ সৈতে একেশাৰীত থাকিব পৰাকৈ শেহতীয়াভাৱে গ্ৰহণ কৰা পদক্ষেপ অনুসৰি 'ৰিভাইটেলাইজিং ৰেইনফেড এগ্ৰিকালচাৰ নেটৱৰ্ক' (আৰ আৰ এ এন)ৰ জৰিয়তে সামগ্ৰিক

পৰীক্ষামূলক ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ অধীনত দেশজুৰি বহুসংখ্যক নাগৰিক সমিতি সংগঠন গঢ়ি উঠিছে। এই পৰীক্ষামূলক ব্যৱস্থাসমূহ বিভিন্ন কৃষি-পৰিপাৰ্শ্ব সম্বন্ধীয় অৱস্থা অনুসৰি সিঁচৰতি হৈ আছে। এই ব্যৱস্থাসমূহে পানী, কৃষিভূমি, বীজ, পশুধন, মীন-পালন, ঋণ আৰু অনুষ্ঠান-সমূহ সন্দৰ্ভত সংহত জ্ঞানকেন্দ্ৰিক হস্তক্ষেপৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। এই পৰীক্ষামূলক ব্যৱস্থাসমূহে স্থানীয় স্তৰত থকা বিভাগবোৰ আৰু অন্য চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক সহযোগিতা আগবঢ়ায়। এয়া পৰীক্ষামূলক ব্যৱস্থাসমূহৰ অন্তৰ্গত ঠাইসমূহৰ ভিতৰত বিন্যাসৰ বাবে অতি প্ৰয়োজনীয়। খাৰিফ ২০১২ত আৰম্ভ হোৱা এই ব্যৱস্থাসমূহে পৰিকল্পনা আয়োগ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ আৰু খাদ্য আৰু কৃষি সংগঠনৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ বাবে আটাইতকৈ বেছি প্ৰয়োজন ব্যাপকতৰ গৱেষণা-কৰ্ম যাতে পৰীক্ষামূলক ব্যৱস্থা-সমূহৰ বাবে আৱশ্যকীয় বিশেষত্ববোৰ স্পষ্টকৈ নিৰ্দেশ কৰিব পৰা হয়। তদুপৰি সামগ্ৰিক পৰীক্ষামূলক ব্যৱস্থাসমূহৰ মাজৰ সাদৃশ্যবিলাক চিহ্নিত কৰি অন্যান্য এলেকাতো ইয়াৰ প্ৰয়োগ সুনিশ্চিত কৰিব পাৰি।

মুঠতে ক'ব পাৰি যে ভাৰতীয় কৃষি সংকটৰ মাজেৰে আগবাঢ়িছে। এই সংকট কৃষিভূমিৰ, এই সংকট কৃষকৰ। পৰিৱেশ-সাপেক্ষ জ্ঞান-ভিত্তিক পদক্ষেপ উদ্ভাৱনেৰে ইয়াৰ সমাধানৰ পথ প্ৰশস্ত কৰিব লাগিব। ইয়াৰ দ্বাৰাহে সামগ্ৰিক, সমৰ্থনযোগ্য আৰু খাদ্য-নিৰাপদ ভাৰত গঢ়াটো সম্ভৱ। ❐

**'পয়োভৰা'ৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

জুলাই ২০১৪ — **গণতন্ত্ৰ আৰু নিৰ্বাচনী সংস্কাৰ**

আগষ্ট ২০১৪ — **নগৰ পৰিকল্পনা**

ছেপ্টেম্বৰ ২০১৪ — **অনানুষ্ঠানিক খণ্ড**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি-আলোচনী বিক্ৰেতাসকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭
চেনিকুঠি, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# অৰ্থনীতিত কৃষকৰ ভূমিকা

**ৰোহিত চাবুকধৰা***

অসমৰ কৃষিজাত সামগ্ৰীয়ে ভাৰতৰ অৰ্থনীতিত বিশেষ অৰিহণা যোগাব পাৰে। কিন্তু কৃষিজীৱী ৰাজ্য হিচাপে অসম যিমান অগ্ৰসৰ হ'ব লাগিছিল, সিমান হোৱা নাই। তাৰ মূলতে আছে কৃষকক প্ৰয়োজন হোৱা নিৰৱচ্ছিন্ন পৰামৰ্শ, জলসিঞ্চন আদি সুবিধাৰ জোৰা-টাপলি মৰা অৱস্থা। অসমত জলসিঞ্চন বিভাগ এটা আছে যদিও ইয়াৰ পৰা জনসাধাৰণৰ বিশেষ একো উপকাৰ হোৱা নাই। চৰকাৰে গ্ৰহণ কৰা এখন আঁচনি ভালদৰে ৰূপায়িত হৈছে নে নাই, তাৰ ওপৰত সদায় গুৰুত্ব আৰোপ কৰিব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া দেখা নাযায়। সেৱাৰ মনোভাৱ, আঁচনিৰ কাম-কাজ পৰিদৰ্শন আদিৰ অভাৱত বহু কোটি টকাৰ আঁচনি বিফল হোৱা দেখা যায়। শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাত স্থাপন কৰা হৈছিল উত্তৰ-পূবৰ প্ৰথমটো গাহৰিৰ শুকান মাংস প্ৰস্তুতকৰণ প্ৰকল্প। সেইটো সম্পূৰ্ণ হৈ উঠিল যদিও আজি পৰ্যন্ত কাৰ্যক্ষম হৈ নুঠিল। ইয়াৰ ফলত কোটি টকাৰ সামগ্ৰী নষ্ট হ'ল। কৃষিজীৱী জনতাও আঁচনিসমূহৰ বিষয়ে সজাগ হ'ব লাগিব। চৰকাৰে কৃষিত জলসিঞ্চনৰ সুবিধাৰ্থে বহু নলীনাদ কৃষকক কম মূল্যত বা বিনামূল্যে যোগান ধৰিছিল। কিন্তু সেই নলীনাদবোৰৰ যন্ত্ৰাংশ মূল উদ্দেশ্যত ব্যৱহাৰ কৰা দেখা নগ'ল। অসমৰ ৰাইজে ইয়াক ধানবনা কল বনালে। কিন্তু এই আঁচনি পশ্চিমবংগৰ কৃষকে সঠিক কামত ব্যৱহাৰ কৰিছে। কৃষিপথাৰৰ মাজে মাজে এনেবোৰ নলীনাদ দেখা যায়।

অসমত দুগ্ধ উৎপাদন, মীন উৎপাদন, হাঁহ-কুকুৰাৰ কণী আৰু মাংস, ফলমূল, মাহজাতীয় শস্য, ধান, ঘেঁহু ইত্যাদি উৎপাদনৰ যথেষ্ট সম্ভাৱনা আছে যদিও অসম এই ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব পৰা নাই। বৰ্তমানেও অসমৰ বাহিৰৰ পৰা যথেষ্ট পৰিমাণৰ মাছ, কণী, মাহজাতীয় শস্য, ফলমূল আমদানি কৰিবলগীয়া হয়। এনেবোৰ সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিব পাৰিলে কৃষক ৰাইজ যথেষ্ট উপকৃত হ'ব আৰু অসম তথা ভাৰতৰ অৰ্থনীতিত যথেষ্ট অৰিহণা যোগাব পাৰিব। অসমৰ কৃষিকে বেছিকৈ সেউজীয়া শাক-পাচলি উৎপাদনত গুৰুত্ব দিয়ে— যিবোৰ পথাৰৰ পৰা আহৰণ কৰাৰ দুই-এদিনৰ পাছত নষ্ট হৈ যায়। যাৰ ফলত আৰ্থিকভাৱে বেছি লাভৱান নহয়। মাহজাতীয় শস্যৰ উৎপাদনত (যিবোৰ ছমাহ-এবছৰলৈ সংৰক্ষণ কৰিব পাৰি) অসমৰ কৃষকে কম গুৰুত্ব আৰোপ কৰে। এনেবোৰ শস্যৰ উৎপাদনত গুৰুত্ব দিলে কৃষক আৰ্থিকভাৱে বেছি লাভৱান হ'ব।

অৱশ্যে ইয়াৰ ব্যতিক্ৰমো আছে। উদাহৰণস্বৰূপে শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ সুন্দৰ পুখুৰী দুগ্ধ সমবায় সমিতি। ২০০৪ চনত গঠন কৰা এই সমিতিখনে বৰ্তমান যথেষ্ট উন্নতি কৰিবলৈ সক্ষম হৈছে। এইখন সমিতিৰ মূল গুৰি ধৰোঁতা নাজিৰা পশু চিকিৎসালয়ৰ চিকিৎসক ড° জগদীশ বৰ্মন। সমিতিখনে প্ৰায় ২৪৫টা পৰিয়ালক আৰ্থিকভাৱে লাভৱান কৰিছে। সমিতিখনৰ অধীনত দৈনিক ১৩০০-১৪০০ লিটাৰ গাখীৰ উৎপাদন কৰা হয়। উৎপাদিত গাখীৰ নাজিৰা, শিমলুগুৰি, শিৱসাগৰ নগৰ আদি ঠাইলৈও প্ৰেৰণ কৰা হয়। এই সমিতিৰ অধীনত সুন্দৰ পুখুৰীৰ এজন দুগ্ধ উৎপাদক বিনোদ দত্তই মাহে ৫৮,৮৪৮ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে।

এই সমিতিখনে দুগ্ধ উৎপাদনৰ লগতে আন এটা চকুত লগা কামৰ সফল ৰূপায়ণ কৰিলে। এই সমিতিৰ অধীনত বীজাণুমুক্ত গাখীৰ উৎপাদন প্ৰকল্প এটাৰ সফল ৰূপায়ণ হয়। চলিত বছৰৰ প্ৰথম ভাগৰ পৰা এই প্ৰকল্পই কাম কৰি আছে। এই প্ৰকল্পই দৈনিক ৫০০ লিটাৰ গাখীৰ বীজাণুমুক্ত কৰি পেকেজিং কৰিব পাৰে। সমবায় সমিতিৰ অধীনত এনেকুৱা প্ৰকল্প এইটোৱেই অসমত প্ৰথম। বৰ্তমান গুৱাহাটীৰ নিচিনাকৈ শিৱসাগৰ জিলাতো এনে গাখীৰ বজাৰত পোৱা যায়। ই দুগ্ধ উৎপাদকসকলৰ মাজত আশাৰ সঞ্চাৰ কৰিছে।

এই প্ৰকল্পৰ বাবে প্ৰায় ৩০,০০০,০০.০০ টকা ব্যয় হয়। এই ধনৰ বাবে শিৱসাগৰ, সোণাৰি, মাহমৰা, আমগুৰি, থাওৰা আৰু নাজিৰাৰ ছজন বিধায়কৰ প্ৰত্যেকে বিধায়ক পুঁজিৰ পৰা

**(৫২ পৃষ্ঠাত চাওক)**

***ৰোহিত চাবুকধৰা নাজিৰা উচ্চতৰ বালিকা বিদ্যালয়ৰ সহকাৰী শিক্ষক**

# ধান উৎপাদনত গোলাঘাট জিলা— এক বিশ্লেষণাত্মক অধ্যয়ন

**ৰূপজ্যোতি বৰদলৈ***

ধান অসমৰ অন্যতম প্ৰধান কৃষি উৎপাদিত দ্ৰব্য। অসমৰ অৰ্থনীতি কৃষিভিত্তিক। কৃষি খণ্ডই অসমৰ মুঠ ঘৰুৱা উৎপাদনৰ ২২.৪ শতাংশ (২০১১-১২) বৰঙণি আগবঢ়াইছে। মাধ্যমিক আৰু গৌণ খণ্ডৰ প্ৰভাৱ বৃদ্ধি পোৱাৰ লগে লগে প্ৰাথমিক খণ্ডৰ বৰঙণি হ্ৰাস পাবলৈ আৰম্ভ কৰিছে যদিও বৰ্তমানে প্ৰাথমিক খণ্ডই অসমৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। অসমৰ মুঠ মাটিকালিৰ ৩৫৪০.৭০ বৰ্গ কিলোমিটাৰৰ ১৫৪৫৬৯.০৪ হেক্টৰ মাটি সকলো প্ৰকাৰৰ ধানখেতি কৰাৰ বাবে ব্যৱহাৰ হৈ আহিছে।

অসমৰ জলবায়ু, বৰষুণৰ পৰিমাণ, ব্ৰহ্মপুত্ৰ আৰু বৰাক তথা উপনৈসমূহৰ অৱস্থানৰ বাবে ভৈয়াম অঞ্চলত যথেষ্ট পৰিমাণৰ উৰ্বৰ কৃষিভূমিৰ সৃষ্টি হৈছে। ৰাজ্যখনৰ ভৌগোলিক অৱস্থান ভিন্ন হোৱাৰ বাবে সকলো জিলাত একেধৰণৰ কৃষি কাৰ্য তথা সম উৎপাদন সম্ভৱ নহয়। ভৌগোলিক অৱস্থানৰ ভিন্নতা তথা উৰ্বৰতাৰ তাৰতম্যৰ ওপৰত নিৰ্ভৰ কৰি ৰাজ্যখনৰ জিলাসমূহক প্ৰধানকৈ ৫টা কৃষি সংমণ্ডলত ভাগ কৰা হৈছে। সেই সংমণ্ডলসমূহ হৈছে উজনি বহ্মপুত্ৰ উপত্যকা অঞ্চল, নামনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, পাৰ্বত্য জিলাসমূহ সংলগ্ন অঞ্চল আৰু বৰাক উপত্যকা অঞ্চল।

এই সংমণ্ডলসমূহৰ ভিতৰত উজনি ব্ৰহ্মপুত্ৰ উপত্যকা সংমণ্ডলে ৰাজ্যখনৰ মুঠ কৃষিভূমিৰ প্ৰায় ২০.৪ শতাংশ অঞ্চল আগুৰি আছে। এই সংমণ্ডলত ৫ খন জিলা অন্তৰ্ভুক্ত কৰা হৈছে। জিলাসমূহ হৈছে ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট আৰু তিনিচুকীয়া জিলা। ধানখেতিৰ বাবে উৰ্বৰ 'লেটাৰাইট' প্ৰকাৰৰ ভূমিৰ লগতে প্ৰচুৰ পৰিমাণৰ পানীৰ আৱশ্যক হয়। উজনিৰ ব্ৰহ্মপুত্ৰ উপত্যকা সংমণ্ডলত পানী ধৰি ৰাখিব পৰা মাটি তথা বৰষুণৰ পৰিমাণ অধিক হোৱাৰ বাবে ধানখেতিৰ লগতে অন্যান্য নগদী শস্যৰ খেতি যথেষ্ট পৰিমাণে হোৱা দেখা যায়।

এই প্ৰবন্ধত ব্ৰহ্মপুত্ৰ উপত্যকা সংমণ্ডলৰ অন্তৰ্গত গোলাঘাট জিলাত ধান উৎপাদনৰ পৰিমাণৰ (গড় হিচাপে) বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা হৈছে।

গোলাঘাট জিলা উজনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ-পূব অংশত অৱস্থিত এখন গ্ৰাম্য বসতিপ্ৰধান জিলা। জিলাখনৰ মুঠ মাটিকালিৰ পৰিমাণ ৩৫৪০.৭০ বৰ্গ কিলোমিটাৰ আৰু ইয়াৰে ১৪৩৭৯০ হেক্টৰ মাটিত বাৰ্ষিক কৃষি কাৰ্য সম্পন্ন কৰা হয়। জিলাখনৰ মুঠ জনসংখ্যা ১০,৬৬,৮৮৮ গৰাকী আৰু ইয়াৰে ৫৪৩১৬১ জন পুৰুষ আৰু ৫২৩৭২৭ গৰাকী মহিলা। অৰ্থনৈতিক দিশৰ পৰা চাবলৈ গ'লে, জিলাখন ঔদ্যোগিক দিশত পিছপৰা, ঐতিহাসিক চাহ উদ্যোগ আৰু নুমলীগড় তেল শোধনাগাৰৰ বাহিৰে অন্য লেখত ল'বলগীয়া উদ্যোগ নাই। মুঠ জনসংখ্যাৰ ৪০ শতাংশতকৈও অধিক লোক কৃষিজীৱি।

জিলাখনৰ মুঠ কৃষি খণ্ডক প্ৰশাসনিক সুবিধাৰ বাবে তিনিটা প্ৰধান কৃষি উপ-সংমণ্ডলত ভাগ কৰা হৈছে। সেই উপ-সংমণ্ডলসমূহ হৈছে গোলাঘাট কৃষি উপ-সংমণ্ডল, বোকাখাত কৃষি উপ-সংমণ্ডল আৰু সৰুপথাৰ কৃষি উপ-সংমণ্ডল।

জিলাখনত তিনিও প্ৰকাৰৰ ধানখেতি— আহু, শালি আৰু বৰোধানৰ খেতি কৰা হয়। মুঠ ধানখেতি কৰা ভূমিখণ্ডৰ পৰিমাণ আৰু গড় উৎপাদনৰ ফালৰ পৰা শালি খেতিয়ে জিলাখনৰ মুঠ ধান উৎপাদনত সৰ্বাধিক বৰঙণি আগবঢ়াইছে।

ৰাজ্যখনৰ প্ৰধান খাদ্য শস্য 'ধান' উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ লগতে অন্যান্য কৃষিজাত দ্ৰব্যসমূহৰ প্ৰচুৰ উৎপাদন, কৃষকসকলক প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰা, কৃষকসকল সন্মুখীন হোৱা নানা সমস্যা সমাধান কৰাৰ লগতে কৃষকসকলৰ মাজত উন্নত বীজ তথা সাৰৰ বিতৰণ ইত্যাদিৰ বাবে প্ৰতিটো কৃষি উন্নয়ন খণ্ডক কিছুমান সৰু সৰু চক্ৰ (সংমণ্ডল)ত ভাগ কৰা হৈছে। প্ৰতিটো সংমণ্ডল চোৱা-চিতা কৰাৰ দায়িত্ব (একো একোজন গ্ৰামসেৱক) জনসংখ্যা

***ৰূপজ্যোতি বৰদলৈ শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ গৱেষক**

আৰু আয়তন অনুসৰি কেইবাজনো গ্ৰামসেৱকৰ হাতত অৰ্পণ কৰা হৈছে। এনেদৰে কৃষিভূমি তথা কৃষকসকলক সূক্ষ্ম পৰ্যবেক্ষণৰ জৰিয়তে উৎপাদনৰ মাত্ৰা বৃদ্ধি পোৱাত সহায় হৈছে। জিলাখনত যোৱা দুটা বিত্তীয় বৰ্ষত উন্নয়ন খণ্ড অনুসৰি হোৱা ধানৰ মুঠ উৎপাদন, গড় উৎপাদন আৰু মাটিকালিৰ পৰিমাণ (উৎপাদন মেট্ৰিক টন আৰু মাটিকালি হেক্টৰত প্ৰকাশ কৰা হৈছে)। (তালিকা-২)

২০১১-১২ বৰ্ষত জিলাখনৰ গোলাঘাট জিলাত ধান উৎপাদনৰ পৰিমাণ কৃষি উন্নয়ন খণ্ড অনুসৰি বেলেগ বেলেগ। সৰুপথাৰ উন্নয়ন খণ্ডত ধান উৎপাদনৰ পৰিমাণ (সকলো প্ৰকাৰৰ) আন দুটা উন্নয়ন খণ্ডতকৈ বেছি। সৰুপথাৰ উন্নয়ন খণ্ডই জিলাখনৰ মুঠ

তালিকা-১ ঃ **২০১০-১১ বৰ্ষত হোৱা মুঠ ধান উৎপাদনৰ পৰিমাণ, গড় উৎপাদনৰ পৰিমাণ আৰু মাটিকালি**

(মাটিকালি হেক্টৰত আৰু উৎপাদন মেট্ৰিক টনত)

| শস্যৰ নাম | গোলাঘাট সংমণ্ডল | | | সৰুপথাৰ সংমণ্ডল | | | বোকাখাত সংমণ্ডল | | | গোলাঘাট জিলা | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন |
| আহু খেতি | ১৭৭৯ | ৩২১৮ | ১৮০৮ | ৪০৫ | ৮৮৪৯ | ২১৫৩ | ২৮৫ | ৬৭১৪ | ২৩৫৬ | ২৪৬৯ | ৪৭৭৩ | ১৯৩৪ |
| শালি খেতি | ৬৬৩১৬ | ১৪৮৬০৫ | ২২৭৫ | ১৩৫৬০ | ২৮৮৯৬ | ২১৩১ | ২৫১৫৯ | ৫৭২৯৬ | ২২৭৭ | ১০৫০৩৫ | ২৩৪৩৬৫ | ২২৬৫ |
| বড়ো খেতি | ১২৭৫ | ১৬৫৬ | ১২৯৯ | ২৩০৫ | ৫৩৮৪ | ২৩৩৬ | ৪৫ | ১১৬ | ২৫৭৭ | ৩৬২৫ | ৭১৫৬ | ১৯৭৪ |
| মুঠ উৎপাদন | ৬৮৭৭০ | ১৫৩৪৭৯ | ২২৩১ | ১৬২৭০ | ৪৩১২৯ | ২৬৫০ | ২৫৪৮৯ | ৬৪১২৬ | ২৫১৫ | ১০৮৬৬২ | ২৪৬২৭১ | ২২৬৬ |

উৎস ঃ **কৃষি উন্নয়ন কাৰ্যালয়, গোলাঘাট**

২০১০-১১ আৰু ২০১১-১২ সময়ছোৱাত মুঠ ধান উৎপাদনৰ পৰিমাণ (তিনিও প্ৰকাৰৰ) কৃষি উন্নয়ন খণ্ড অনুসৰি তালিকাৰ জৰিয়তে প্ৰকাশ কৰা হ'ল। (তালিকা-১)

২০১০-১১ বৰ্ষত জিলাখনৰ উন্নয়ন খণ্ড অনুসৰি হোৱা ধানৰ মুঠ উৎপাদন, গড় উৎপাদন আৰু মাটিকালিৰ পৰিমাণ। উৎপাদন মেট্ৰিক টনত আৰু মাটিকালি হেক্টৰত প্ৰকাশ কৰা হৈছে।

তালিকাৰ পৰা দেখা গৈছে যে কৃষিভূমিৰ ২০১০-১১ বৰ্ষত ১৫ শতাংশ আৰু ২০১১-১২ বৰ্ষত ২২ শতাংশ সামৰি লৈছে। উক্ত সময়ছোৱাত এই সংমণ্ডলটোৱে জিলাখনৰ মুঠ উৎপাদনলৈ ক্ৰমে ১৭ শতাংশ আৰু ২৫ শতাংশ বৰঙণি আগবঢ়াইছে। ইয়াৰ বাহিৰেও

তালিকা-২ ঃ **২০১১-১২ বৰ্ষত হোৱা মুঠ ধান উৎপাদনৰ পৰিমাণ, গড় উৎপাদনৰ পৰিমাণ আৰু মাটিকালি**

(মাটিকালি হেক্টৰত আৰু উৎপাদন মেট্ৰিক টনত)

| শস্যৰ নাম | গোলাঘাট সংমণ্ডল | | | সৰুপথাৰ সংমণ্ডল | | | বোকাখাত সংমণ্ডল | | | গোলাঘাট জিলা | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন | মাটিকালি | মুঠ উৎপাদন | গড় উৎপাদন |
| আহু খেতি | ১৯৮৯ | ৩৮৯৩ | ১৯৮৯ | ৬৫ | ৮০৭৩ | ১২৪২ | ৪৩৫ | ১৭৮১ | ১৮০৩ | ২৪৮৯ | ৪৭৭৯ | ১৯৫১ |
| শালি খেতি | ৬৩৯৯৬ | ১৩৪৫৮২ | ২১৩৫ | ২৩৪৭৫ | ৫২৯১২ | ২২৫৪ | ১৩৫২০ | ২৮০৪৬ | ২০৭৪ | ১০০৯৯১ | ২২০৩৮৭ | ২১৮৪ |
| বড়ো খেতি | ২০৮০ | ৫৯৮৪ | ২৮৭৭ | ৮০ | ২২০ | ২৭৪৪ | ২৩৯৫ | ৬৯৪১ | ২২৩৮ | ৪৫৫৫ | ১১৯৪৮ | ২৬২৩ |
| মুঠ উৎপাদন | ৬৮০৬৫ | ১৪৮৮৮১ | ২১৮৭ | ২৩৬২০ | ৬১২০৫ | ২৫৯১ | ১৬৩৫০ | ৩৪১৮৭ | ২০৯০ | ১০৮০৩৫ | ২৩৭১১৪ | ২১৯৫ |

উৎস ঃ **কৃষি উন্নয়ন কাৰ্যালয়, গোলাঘাট**

সৰুপথাৰ কৃষি উন্নয়ন খণ্ডৰ গড় উৎপাদন (প্ৰতি হেক্টৰত) আন দুটা উন্নয়ন খণ্ডতকৈ বেছি হোৱাৰ লগতে জিলাখনৰ গড় উৎপাদনৰ পৰিমাণতকৈও বেছি।

সৰুপথাৰ কৃষি উন্নয়ন খণ্ডটোত যথেষ্ট পৰিমাণৰ উপযুক্ত কৃষিভূমি আছে আৰু ইয়াৰ বাহিৰেও অঞ্চলটোত প্ৰতিভাবান কৃষকৰ অভাৱ নাই। কৃষি খণ্ডত হোৱা বৈপ্লৱিক পৰিৱৰ্তন যেনে উন্নত মানৰ বীজৰ প্ৰয়োগ, সাৰ প্ৰয়োগ, কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ, জলসিঞ্চনৰ সু-ব্যৱস্থা আৰু কৃষকসকলক সময়ে সময়ে প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়োৱাৰ সু-ব্যৱস্থা গঢ়ি তুলিব পাৰিলে উৎপাদনৰ পৰিমাণ অদূৰ ভৱিষ্যতে আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। যিহেতু এই সমগ্ৰ সৰুপথাৰ উন্নয়ন খণ্ডটোক মাত্ৰ দুটা চক্ৰত ভাগ কৰা হৈছে, এনে কৰাৰ ফলত উন্নত উৎপাদন কৌশল তথা চৰকাৰী-ভাৱে আগবঢ়োৱা বিভাগীয় সা-সুবিধা-সমূহৰ সফল প্ৰয়োগত সীমাবদ্ধতাই দেখা দিয়ে। কৃষি উন্নয়ন চক্ৰৰ সম্প্ৰসাৰণৰ জৰিয়তে লাগতিয়াল সা-সুবিধাসমূহৰ অধিক সুচাৰুৰূপে বিতৰণ কৰি উৎপাদনৰ মাত্ৰা বৃদ্ধি কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

**খাদ্য যোগানত জিলাখনৰ ভূমিকা**

গোলাঘাট জিলাই ধান উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। জিলাখনত উৎপাদন হোৱা ধানে জিলাখনৰ (মুঠ জনসংখ্যাক) জনসাধাৰণক পৰ্যাপ্ত পৰিমাণৰ খাদ্য দ্ৰব্যৰ যোগান ধৰাৰ উপৰিও অতিৰিক্ত উৎপাদনৰ জৰিয়তে ৰাজ্যখনৰ বৃহৎ সংখ্যক লোকক দৈনন্দিন প্ৰয়োজনীয় খাদ্যৰ যোগান ধৰিবলৈ সক্ষম হৈছে।

**সামৰণি**

পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ তথ্য অনুসৰি জিলাখনৰ মুঠ আঠটা উন্নয়ন খণ্ডত মুঠ ৭৪,০৪৯টা পৰিয়াল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰিছে। অৰ্থাৎ প্ৰায় ২,৯৬,১৯৬ জন ব্যক্তি দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰি আহিছে। (প্ৰতিটো পৰিয়ালত ৪ জন সদস্য ধৰি লৈ) জিলাখনৰ মুঠ জনসংখ্যাৰ প্ৰায় ২৮ শতাংশ ব্যক্তি দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰি প্ৰতিমাহে ৩৫ কিলোগ্ৰাম চাউল অৰ্থাৎ প্ৰতিবছৰে ৪ কুইন্টল ২০ কিলোগ্ৰাম চাউল সুলভ মূল্যৰ জৰিয়তে লাভ কৰিবলৈ সক্ষম হৈছে।

জিলাখনত ধান উৎপাদন বৃদ্ধিৰ লগতে কৃষিভূমিৰ সমবিতৰণ তথা দৰিদ্ৰ পৰিয়াল নিৰ্বাচন কৰোঁতে অধিক সতৰ্কতা অৱলম্বন কৰিলে সম্পদৰ অপচয় তথা চৰকাৰী ব্যয় হ্ৰাস হৈ উন্নয়নৰ দিশত অগ্ৰসৰ হোৱাত সহায় হ'ব। অতিৰিক্ত উৎপাদন বৃদ্ধি কৰিবৰ বাবে উন্নত প্ৰযুক্তিৰ প্ৰয়োগৰ উপৰিও এনে অতিৰিক্ত বা ৰাহি উৎপাদিত দ্ৰব্যসমূহৰ বজাৰ সুনিশ্চিত কৰাটো চৰকাৰী বিভাগসমূহৰ অন্যতম প্ৰধান লক্ষ্য হোৱা উচিত। কৃষকে ৰাহি উৎপাদিত দ্ৰব্যসমূহৰ উচিত মূল্য লাভ কৰিলে পৰৱৰ্তী সময়ত উৎপাদনৰ পৰিমাণ অধিক বৃদ্ধি কৰাত গুৰুত্ব প্ৰদান কৰিব। ধানৰ বজাৰৰ লগত জড়িত মধ্যভোগীসকলৰ ভূমিকা সীমাবদ্ধ কৰি চৰকাৰী বিভাগীয় কৰ্তৃপক্ষই কৃষকসকলৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰিব লাগে। চৰকাৰে নিৰ্দ্ধাৰণ কৰা সংগ্ৰহ মূল্য প্ৰকৃত কৃষকসকলে লাভ কৰাটো সুনিশ্চিত কৰিলে কৃষকসকল লাভৱান হোৱাৰ লগতে উৎপাদনৰ পৰিমাণ বৃদ্ধিত সহায় হ'ব। ❐

---

**(৪৯ পৃষ্ঠাৰ পৰা)**

পাঁচ লাখকৈ টকা আগবঢ়ায়। তদুপৰি অ'এনজিচিএল-ৰ পৰা পোৱা ২.৫ লাখ টকা বৈদ্যুতিকীকৰণৰ বাবে ব্যয় কৰা হয়। প্ৰকল্পটো ৰূপায়ণৰ কালত কৃষকসকলৰ লগত পোনপটীয়া-ভাৱে জড়িত আছে ড° জগদীশ বৰ্মন। ড° বৰ্মনে অসম পশুচিকিৎসা আৰু বিজ্ঞান বিভাগৰ পৰা (দুগ্ধ উৎপাদনৰ বাবে) বঁটা লাভ কৰিছে।

একেদৰে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে চাহ উৎপাদন কৰি আৰ্থিকভাৱে লাভৱান হ'বলৈ হ'লে সমবায় ভিত্তিত নিজাববীয়াকৈ পাতঘৰ (কাৰখানা) স্থাপন কৰিব পাৰে। ইয়াৰ দ্বাৰা তেওঁলোক উচিত মূল্য পাবলৈ সক্ষম হ'ব।

আনহাতে দুগ্ধ উৎপাদকসকলে গৰুৰ গোবৰৰ সাৰ উদ্যোগ গঢ়ি তুলিব পাৰে। স্বাস্থ্যৰ বাবে প্ৰত্যাহ্বান হৈ পৰা ৰাসায়নিক সাৰৰ ব্যৱহাৰ কমাই গোবৰ সাৰ প্ৰয়োগ কৰি নিজৰ পৰিয়ালৰ লগতে অঞ্চলটোত প্ৰয়োজন হোৱা শাক-পাচলিৰে স্বাস্থ্যবান জাতি গঢ়ি তোলাত ভূমিকা গ্ৰহণ কৰিব পাৰে।

এনেদৰে কৃষি খণ্ডত আমি সকলোৱে গুৰুত্ব দিলে অসমৰ কৃষকসকল যথেষ্ট লাভৱান হ'ব। প্ৰয়োজন মাথো দক্ষ পৰামৰ্শদাতাৰ। তেতিয়াহে অসমৰ কৃষিজাত সামগ্ৰীয়ে অসম তথা ভাৰতৰ অৰ্থনীতিত বিশেষ ভূমিকা পালন কৰিব। কৃষিজাত সামগ্ৰীৰ উৎপাদন আশানুৰূপ হ'লেহে প্ৰাক্তন ৰাষ্ট্ৰপতি ড° আব্দুল কালামৰ ২০২০ চনৰ সপোনৰ ভাৰত দিঠকত পৰিণত হ'ব। আমি সকলোৱে চেষ্টা কৰিব লাগিব। ❐

উত্তম অনুশীলন

# আন্ধাৰ অটব্য অৰণ্য আলোক সজ্জিতকৰণ

**বাবা মায়াৰাম***

ছত্তিশগড়ৰ ৫৫৭৫৫ বৰ্গ কিলো-মিটাৰৰ অধিক মাটিকালিৰ অচানকমাৰ বাঘ সংৰক্ষিত অটব্য আন্ধাৰ অৰণ্যখনত বন্য জন্তু আৰু মানুহে সহাৱস্থান কৰি আহিছে। সন্ধ্যা নমাৰ লগে লগে বন্য জন্তুৰ চালচলন আৰম্ভ হয় আৰু মানুহে ঘৰৰ ভিতৰত সোমাই থাকিবলৈ বাধ্য হয়। সংৰক্ষিত বনাঞ্চলখনৰ পুৰণি ৰীতি-নীতি প্ৰচলিত এই অঞ্চলটোত থকা গাঁওসমূহত বিদ্যুৎশক্তি নথকাৰ বাবে অঞ্চলবাসীয়ে অন্ধকাৰত বন্ধ ঘৰৰ ভিতৰত নিজকে আবদ্ধ কৰি ৰাখিবলগীয়া হোৱাটো স্বাভাৱিক কথা।

বৰ্তমান অচানকমাৰ বাঘ সংৰক্ষিত বনাঞ্চলৰ দুৰ্গম অঞ্চলত অৱস্থিত বামহানি গাঁৱৰ মানুহে অন্ধকাৰৰ পৰা পোহৰলৈ বাট বুলিছে। এতিয়া গাঁওখনত লাইট জ্বলিছে, মোবাইল ফোন চাৰ্জ কৰা, ৰেফ্ৰিজাৰেটৰ আৰু পানী উত্তোলন কৰা যন্ত্ৰ বৃদ্ধি পোৱাটো স্বাভাৱিক হৈ পৰিছে। অটব্য অৰণ্যৰ এই গাঁওখনলৈ অহা পৰিৱৰ্তনৰ বাবে হোৱা নীৰৱ বিপ্লৱৰ কৃতিত্ব চৰকাৰ আৰু বে-চৰকাৰী সংস্থাসমূহৰ প্ৰাপ্য— যাৰ বাবে গাঁওবোৰ প্ৰাকৃতিক পোহৰেৰে হৈ পৰিছে উজ্বল।

বে-চৰকাৰী সংস্থাসমূহৰ ভিতৰত ‘জনস্বাস্থ্য সহযোগ’ নামৰ এটা সংগঠনে যোৱা তিনিবছৰত অঞ্চলটোত সৌৰচাকি বিতৰণ কৰিছে। এই সংগঠনটো স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত বিশেষ-ভাৱে খ্যাত। তদুপৰি চৰকাৰৰ শক্তি বিভাগৰ তৰফৰ পৰা গাঁওসমূহত সৌৰপ্ৰকল্প স্থাপন কৰি শক্তিৰ যোগান ধৰা হৈছে। এলেকাটোৰ অধিক সংখ্যক গাঁৱৰ পথত পোহৰৰ ব্যৱস্থা কৰাৰ উপৰি ব্যক্তিগত বাসগৃহতো সৌৰ-শক্তিৰে বিদ্যুৎ যোগান ধৰা হয়।

“ৰাতি আহাৰ প্ৰস্তুত কৰাকে ধৰি পামলৈ যোৱাৰ বাবে সদায় এক ন্যূনতম পৰিমাণৰ পোহৰৰ প্ৰয়োজন। বিদ্যুৎ নথকা বা সঘনাই বিদ্যুৎ কৰ্তনৰ ফলত গাঁওবাসী দৈনন্দিন জীৱনত অধিক প্ৰত্যাহ্বানৰ সন্মুখীন হ’বলগীয়া হয়। বিদ্যুৎ শক্তিৰ নাটনিয়ে স্বাস্থ্য যতন সেৱাত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়— কাৰণ ৰাতিৰ আহাৰৰ সময়ত বিদ্যুৎ কৰ্তন হ’লে এজন লোক আনন্দ মনেৰে আহাৰ গ্ৰহণ কৰাৰ পৰা বঞ্চিত হয়। সস্তীয়া সৌৰচাকি আগবঢ়োৱাৰ এইটোৱেই প্ৰধান কাৰণ” বুলি জনস্বাস্থ্য সহযোগৰ এজন কৰ্মী সন্ত কুমাৰে কয়।

বিগত তিনি বছৰে জনস্বাস্থ্য সহযোগে মুংগেলি জিলাৰ লৰমি অঞ্চল আৰু বিলাসপুৰ জিলাৰ ক’টা অঞ্চলৰ গাঁওসমূহত সৌৰচাকি আগবঢ়োৱাৰ কামত সহযোগিতা কৰিছে। এটা সৌৰচাকিৰ দাম যদিও ৫০০ টকা, এজন স্বাস্থ্যকৰ্মীয়ে ২৫০ টকাতে লাভ কৰে আৰু এজন গাঁওবাসীৰ বাবে ১০০ টকাতে যোগান ধৰা হয়।

গাঁওসমূহত চৰকাৰী বিদ্যুৎ বিভাগৰ নিজৰ সৌৰ প্ৰকল্প আছে, অৱশ্যে শক্তি যোগান নাই। দুৰ্ভাগ্যজনকভাৱে বাৰিষা বতৰত বহুদিনৰ বাবে সূৰ্যৰ পোহৰৰ পৰা বঞ্চিত হ’বলগীয়া হোৱাৰ বাবে প্ৰায়ে ছুইচ বন্ধ কৰি থ’ব লগা হয়। আমোদজনকভাৱে, বছৰৰ এইখিনি সময়তে মানুহক বেছি শক্তিৰ প্ৰয়োজন হয়। আদিবাসীসকলে শয়নৰ বাবে বিচনা বা তেনে সামগ্ৰীৰ সলনি মজিয়া ব্যৱহাৰ কৰে। ইয়াৰ ফলত তেওঁলোক সাপ বা বিষাক্ত সৰীসৃপৰ কামোৰৰ বলি হ’ব লগা হয়। সৌৰচাকিৰ বৰ্তমানত তেওঁলোক তেনে বিপদৰ পৰা হাত সাৰিব পাৰে। সন্ত কুমাৰে কয়— “আমি প্ৰদান কৰা চাকিবোৰে শক্তি ৰাহি কৰে। বেটেৰী এবাৰ চাৰ্জ কৰিলে দুদিনলৈকে কৰ্মক্ষম হৈ থাকে। এই চাকি ডাৱৰীয়া বতৰতো চাৰ্জ কৰিব পাৰি।”

সেউজীয়া অৰণ্যৰ মাজত অৱস্থিত মনোমোহা দৃশ্যপটৰ চিৰাইগড়াৰ গাঁৱৰ ঘৰবোৰ এটাৰ পৰা দূৰত আনটো কাঠেৰে নিৰ্মাণ কৰা হৈছে। এই গাঁওখন ডৰেঅ’ন আদিবাসীসকলৰ বাসভূমি। “মোৰ দুটা সৌৰচাকি আছে। ইয়াৰ এটাহে ভাল অৱস্থাত আছে। এই চাকি থকাৰ বাবে মোৰ সন্তানৰ অধ্যয়ন আৰু আহাৰ প্ৰস্তুতকৰণত সহায়ক হৈছে। ই আমাৰ ৰাতিৰ গতিপথত সহায় কৰাৰ উপৰি শস্যৰ পথাৰ নিৰীক্ষণ কৰাতো সুবিধা হৈছে। তদুপৰি সৌৰচাকিৰ পোহৰত ধানৰ মৰণা মৰাৱো সুবিধা। আনহাতে, বন্য জন্তুক দূৰতে বিদূৰ কৰিবলৈ আমি প্ৰায়ে সৌৰচাকি গছত

**(৫৬ পৃষ্ঠাত চাওক)**

# শিশু কবিৰ দ্বাৰা চাউল চাফা কৰা যন্ত্ৰ উদ্ভাৱন

**মহম্মদ ছাজিদ আনচাৰী**
ৰাঁচী, ঝাৰখণ্ড

"তামান্না আপকী ইস্ কদৰ পূৰী হ' জায়ে, কী স্বপ্নোকী দুনীয়া হকীকত হো জায়ে,

হ' আপকা মোকদ্দৰ ইত্না ৰৌশন, কী আমিন কেহনে চে পেহলে হৰ দোৱা কবুল হো জায়ে।"

"আপোনাৰ আকাঙ্খ্যা এইদৰে পূৰ্ণ হওক যে, সপোনৰ পৃথিৱী বাস্তৱ হওক

আপোনাৰ ভাগ্য ইমানেই উজ্বল হওক যে আমিন কোৱাৰ পূৰ্বেই সকলো মনোকামনা পূৰ্ণ হওক।"

পোন্ধৰ বছৰীয়া ছাজিদ আছিল আৱেগ আৰু অনুভূতিপ্ৰৱণ শিশু। সদায় চাউল চাফা কৰা অৱস্থাত মাকে সন্মুখীন হোৱা কষ্ট দেখি তেওঁক সহায় কৰাৰ কাৰণে এটা ডিভাইচ নিৰ্মাণ কৰি উলিওৱাৰ বিষয়ে তেওঁ চিন্তা কৰিলে। তেওঁৰ স্বয়ংচালিত বৈদ্যুতিক যন্ত্ৰটোৱে ভঙা চাউল আৰু নভঙা চাউলৰ পৰা আন অদৰকাৰী অংশবোৰ আঁতৰাই দিব পাৰে।

### এটা উৰ্দ্ধমুখী বিষয়

ধাৰণাটো সহজ আছিল যদিও, কামটো তেনেই সহজ নাছিল। কেনেকুৱা ধৰণৰ যন্ত্ৰই এইটো কাম কৰিব পাৰিব বুলি ভাবি ছাজিদ আচৰিত হৈছিল। কেইদিনমানৰ পাছত এটা আটাৰ কলত থকাৰ সময়ত তেওঁ ইউৰেকা মুহূৰ্তত উপনীত হৈছিল। এটা তালত গতিশীল আটাৰ কলটোত ওপৰৰ পৰা ভৰাই দিয়া ঘেঁহু কলটোৰ তলৰ অংশত আটা হৈ ওলোৱা প্ৰক্ৰিয়াটো দেখি তেওঁ মোহিত হ'ল। আটা চাকিৰ যন্ত্ৰটো দেখি যন্ত্ৰটোৰ ওপৰত চাউল ভৰাই তলৰ অংশত পৰিষ্কাৰ চাউল পাব পৰা প্ৰক্ৰিয়া তেওঁৰ মানস চকুত ধৰা দিলে।

"মই উত্তেজিত হৈ পৰিছিলো— কাৰণ মই জানিছিলো— মই কি কৰিব লাগিব। কিন্তু বিজ্ঞানৰ সীমিত জ্ঞানেৰে মই তেনেকুৱা এটা যন্ত্ৰ সাজি উলিয়াব পাৰিম নে নাই সেই বিষয়ত নিশ্চিত নাছিলো।" — তেওঁ কৈছিল। আনহাতে ধনৰ সমস্যাও আছিল। তেওঁলোকৰ পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জন আছিল দেউতাকৰ ভ্ৰাম্যমাণ চিলাই দোকানখন। এইখিনি উপাৰ্জন ছাজিদৰ এজনী ভনীয়েক আৰু মানসিকভাৱে অক্ষম ককায়েক এজনকে ধৰি সমগ্ৰ পৰিয়ালটোৰ বাবে যথেষ্ট নাছিল।

### চাউল পৰিষ্কাৰ কৰা যন্ত্ৰ নিৰ্মাণ

কিন্তু এই অসুবিধাবোৰে তেওঁক লক্ষ্যৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। অনভিজ্ঞতা কিন্তু গভীৰ আশাৰে তেওঁ চাউল পৰিষ্কাৰ কৰা যন্ত্ৰ নিৰ্মাণৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিলে। খৰচ কমাবৰ কাৰণে তেওঁ ওচৰৰ পুনৰ ব্যৱহাৰৰ উপযুক্ত পেলনীয়া বস্তুৰ দোকান এখনৰ পৰা কিছুমান ব্যৱহৃত যন্ত্ৰাংশ সংগ্ৰহ কৰিলে। কিন্তু চাউলৰ পৰা পেলনীয়া অংশখিনি পৃথক কৰাৰ বাবে যন্ত্ৰটোৰ শুদ্ধ গতি থিৰ কৰাটো আছিল ডাঙৰ প্ৰত্যাহ্বান। "মই প্ৰথমতে প্ৰতিটোতে ১২ ভল্টৰ চাৰিটা মটৰ ব্যৱহাৰ কৰিছিলো আৰু ২২০ ভল্টৰ লগত প্ৰত্যক্ষভাৱে সংযোগ কৰিছিলো। কিন্তু সকলোবোৰ মটৰ জ্বলি গৈছিল। মই বুজি পাইছিলো— শক্তি যোগানৰ বাবে এইবোৰ অতি দুৰ্বল আছিল। সেইবাবে মই পাছত ৮টা মটৰ ব্যৱহাৰ কৰিছিলো। মোৰ যুক্তি আছিল যদি চাৰিজন মানুহে এটা ওজন দাঙিব নোৱাৰে তেনেহ'লে আঠজনক ব্যৱহাৰ কিয় কৰিব নোৱাৰি— এই কথা মনলৈ অহাত মুখত হাঁহি বিৰিঙি উঠিল। অৱশ্যে, এই ব্যৱস্থাতো যন্ত্ৰটো জ্বলি গৈছিল। পৰৱৰ্তী সময়ত এটা অতিৰিক্ত ট্ৰেন্সফৰ্মাৰ সংযোগ কৰি ব্যৱস্থাটো চলাব পৰা হ'ল।

বহু পৰিৱৰ্তন আৰু প্ৰচেষ্টাৰ পাছত যন্ত্ৰটো পৰীক্ষাৰ বাবে সাজু কৰা হ'ল। চাউলৰ পৰা অদৰকাৰী অংশবোৰ পৃথক কৰিবৰ বাবে এই যন্ত্ৰটোত বিদ্যুৎ শক্তি ব্যৱহাৰ কৰা হৈছিল। এইটো যন্ত্ৰৰ দ্বাৰা ঘণ্টাত তিনি কিলোগ্ৰাম চাউল চাফা কৰিব পৰা গৈছিল। যন্ত্ৰটো মাকক উপহাৰ দিয়াৰ সময়ছোৱা তেওঁৰ বাবে অতি আৱেগিক আছিল। "মোৰ মাই নিজ চকুৰে যন্ত্ৰটোৰে কাম নকৰালৈকে বিশ্বাসেই কৰিব পৰা নাছিল। মোৰ পৰিয়াল আৰু ওচৰ চুবুৰীয়ায়ো জানিছিল যে মই কিবা এটা কৰিবলৈ চেষ্টা কৰি আছো— কিন্তু যন্ত্ৰটো সম্পূৰ্ণ নোহোৱালৈকে তেওঁলোকে এই বিষয়ত মনোযোগ দিয়া নাছিল। সেয়েহে যন্ত্ৰটোৰ কাম দেখাৰ পাছত সকলো

শিহৰিত হৈছিল" —তেওঁ উল্লেখ কৰিলে।

এই সময়তে, ছাজিদে এন আই এফ-এ আয়োজন কৰা আই জি এন আই টি ই প্ৰতিযোগিতাৰ বিষয়ে গম পালে। তেওঁ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি যন্ত্ৰটোৰ কাৰণে পুৰস্কাৰ পাবলৈ সক্ষম হ'ল। বঁটা বিতৰণী অনুষ্ঠানত প্ৰতিজন লোক তেওঁৰ কাব্যিক গুণৰ প্ৰতি মোহিত হ'ল। এন আই এফ-এ এটা আৰ্হি প্ৰতিষ্ঠানৰ জৰিয়তে চাউল পৰিষ্কাৰ কৰা যন্ত্ৰটো কমপেক্ট প্ৰট'টাইপলৈ উৎকৰ্ষণ সহজসাধ্য কৰিলে। ২০১২ চনত ৰাষ্ট্ৰপতি ভৱনত এন আই এফ-ৰ দ্বাৰা আয়োজিত এখন প্ৰদৰ্শনীত এই আৱিষ্কাৰ প্ৰদৰ্শন কৰা হ'ল— ইয়াৰ বাবে ছাজিদ উচ্চ প্ৰশংসিত হ'ল। এন আই এফ-ৰ দ্বাৰা ছাজিদৰ নামত এখন পেটেণ্ট দৰ্খাস্ত (১০৭৫/কে অ' এন/২০১১) দিয়া হ'ল।

**কবিতাই শিক্ষাৰ দুৱাৰ মুকলি কৰিছিল**

ছাজিদে সুন্দৰ কবিতা লিখে। মানুহক মুগ্ধ কৰিব পৰাৰ কাৰণে তেওঁ কবিতা ভাল পায় এনে নহয়— কবিতাই ভাল শিক্ষাৰ বাবে সপোনবোৰ বুজিবলৈ তেওঁক সহায় কৰে।

ল'ৰালি কালৰ পৰা ছাজিদে এখন ভাল বিদ্যালয়ত পঢ়াৰ সপোন দেখিছিল। কিন্তু তেওঁলোকৰ বাবে ভাল বিদ্যালয়ত পঢ়াৰ ব্যয় বহনসাধ্য নাছিল। সেয়েহে তেওঁ তৃতীয় শ্ৰেণীলৈকে মাচুল দিব নলগা এখন বিদ্যালয়ত অধ্যয়ন কৰিছিল। সেই সময়তে তেওঁৰ ভাগ্য উদয় হৈছিল। ৰাজ্যিক পৰ্যায়ৰ এটা অনুষ্ঠানত শিক্ষা বিষয়ক এটা আৱেগিক কবিতা তেওঁ পাঠ কৰিছিল। ইয়াৰ পাছত ৰাজ্যপালে সেই অঞ্চলৰ এখন সুখ্যাত বিদ্যালয়ত পূৰ্ণ বৃত্তিসহ অধ্যয়ন কৰিব পৰাকৈ ভৰ্তি হোৱাত সহায় কৰি দিছিল। কবিতাটো আছিল এনেধৰণৰ—

আমি যেতিয়া পঢ়িম, আগবাঢ়ি যাম
জিলাৰ নাম জিলিকাম
পাপা বিদ্যালয়ত নামভৰ্তি কৰি দিয়ক
নুমাই যাব খোজা বস্তিগছ জ্বলাই দিয়ক
পাপা বিদ্যালয়ত নামভৰ্তি কৰি দিয়ক

**নতুন বিদ্যালয়ত সু-সময়**

বিদ্যালয়খনৰ প্ৰথম দিনটো তেওঁ মধুৰভাৱে স্মৰণ কৰিলে— "শিক্ষকে মোক প্ৰতিটো শ্ৰেণীকোঠালৈ লৈ গ'ল আৰু মোক কবি বুলি চিনাকি কৰি দিলে।" দুজন শ্ৰেণী বন্ধুৱে ঘনিষ্ঠ বন্ধুৰ শাৰী পূৰালে। তেওঁলোকে খাদ্যকে ধৰি ভাৱৰ আদান-প্ৰদান কৰিলে। বন্ধৰ দিনত তিনিওজনকে এখন ভাড়াতীয়া স্কুটীত উঠি নগৰখনত ঘূৰি ফুৰা দেখিবলৈ পোৱা গ'ল।

এটা নতুন সমস্যাৰ সন্মুখীন নোহোৱা পৰ্যন্ত ছাজিদে পাঁচোটা সুন্দৰ বছৰ বিদ্যালয়খনত অতিবাহিত কৰিলে। বেদখল বিৰোধী অভিযান এটাত বস্তি এলেকাত থকা তেওঁলোকৰ পৰিয়ালটোৰ সৰু জুপুৰীটো উচ্ছেদ কৰা হ'ল। ইয়াৰ পাছত তেওঁলোকে বিদ্যালয়খনৰ পৰা ১৫ কিলোমিটাৰ আঁতৰত থকা আত্মীয়ৰ ঘৰত আশ্ৰয় ল'ব লগা হ'ল। পুতৌজনক পৰিবহন ব্যৱস্থাৰ বাবে ছাজিদে ৰাতিপুৱা ৫ বজাতেই বিদ্যালয়লৈ বুলি ৰাওনা হয় আৰু সন্ধিয়া পলমকৈ ঘৰ সোমায়। বিদ্যালয়খনত এটা ছাত্ৰাবাস আছিল কিন্তু সমস্যা হ'ল— ছাত্ৰাবাসত থকাৰ বাবে হ'ব লগা ব্যয়ৰ বহনযোগ্যতা তেওঁলোকৰ নাছিল।

কিন্তু সুখৰ কথা যে, ছাজিদে পুনৰ অপ্ৰত্যাশিতভাৱে সহায় লাভ কৰিলে। এটা কোম্পানীৰ প্ৰতিনিধিসকলে অনলাইনযোগে আই জি এন আই টি ই বঁটা প্ৰাপকসকলৰ বাৰ্তা কাহিনী পঢ়িবলৈ পালে— য'ত ছাজিদৰ চাউল চাফা কৰা যন্ত্ৰটোৰ বিষয়ো অন্তৰ্ভুক্ত হৈছিল। তেওঁলোকে ছাজিদৰ লগত সাক্ষাৎকাৰৰ বাবে ব্যৱস্থা কৰি দিবলৈ এন আই এফ-ক অনুৰোধ জনালে। তেওঁলোকে ছাজিদক ছাত্ৰাবাসত থকাৰ বাবে ব্যয় বহন কৰাৰ উপৰি এটা কম্পিউটাৰ উপহাৰ দিলে।

**কেৰল বিনোদৰ বাবে**

ছাত্ৰাবাসত থকাৰ ব্যৱস্থা হোৱাৰ পাছত ছাজিদৰ বাবে সকলোবোৰ সহজ হৈ পৰিল। তেওঁ বন্ধৰ দিনত ঘৰলৈ আহে। মাকে ৰন্ধা খাদ্যৰ জুতি লয়— বিশেষকৈ গৰম ৰুটীৰ লগত দাইলৰ লগত ৰন্ধা মাছৰ মূৰৰ জোল তেওঁৰ প্ৰিয় খাদ্য। এইকেইটা দিনত স্থানীয় খেল 'পিথু' খেলি ভাল পায়। "মই এই খেলটো ভাল পাওঁ— কাৰণ বলটোৰে প্ৰতিপক্ষক উত্তেজিত কৰি ৰাখিবলৈ ভাল লাগে।" —তেওঁ কয়।

বন্ধুসকলৰ লগত নেখেলাৰ সময়ত তেওঁ ভাৰতীয় কাব্য সাহিত্যৰ সুখ্যাত কবি মৈথিলীচৰণ গুপ্তৰ কিতাপ পঢ়ি ভাল পায়। তেওঁৰ প্ৰিয় কবিগৰাকীয়ে কবিতাৰ জৰিয়তে বাগ্মিতাৰে আগবঢ়োৱা সামৰ্থ হাতত তুলি লয়। ইয়াৰ উদাহৰণ হ'ল— ২০১১ চনত জহকালত ৰাঁচীত অনুষ্ঠিত হোৱা ২৭ সংখ্যক শুধ যাত্ৰাত (স্থানীয় প্ৰতিভাৰ অনুসন্ধান যাত্ৰা) তেওঁ কৰা অংশগ্ৰহণ। এই যাত্ৰাত প্ৰায় ৩০ জন প্ৰাপ্তবয়স্ক লেখকৰ দলত তেওঁ আছিল কনিষ্ঠতম অংশগ্ৰহণকাৰী— তেওঁ নিজৰ ক'বলগীয়াখিনি প্ৰকাশ কৰিবলৈ লাজ কৰা নাছিল— অৱশ্যে কবিতাৰ জৰিয়তে।

**আশা আৰু সপোন**

আই জি এন আই টি ই-ৰ কাৰণে তেওঁ বিদ্যালয়খনত নাবালক বিখ্যাত ব্যক্তি হ'বলৈ সমৰ্থবান হোৱাৰ বাবে ছাজিদে গৌৰৱবোধ কৰে। বিজ্ঞান আৰু কবিতাৰ প্ৰতি ভালপোৱাৰ সংমিশ্ৰণত তেওঁ ভৱিষ্যতে ড° কালামৰ দৰে বিজ্ঞানী হোৱাৰ সপোন দেখিছে কাৰণ তেওঁ বহু সমস্যাৰ সমাধান বিচাৰি উলিয়াবলৈ ইচ্ছুক আৰু সেইবোৰ সৰলীকৰণ কৰিব খোজে যাতে, কোনো লোক সমস্যাৰ সন্মুখীন হ'ব লগা নহয়।

ছাজিদৰ পৰৱৰ্তী প্ৰকল্প হ'ল— এটা যন্ত্ৰ নিৰ্মাণ— যিটোৰ দ্বাৰা নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱাৰ বালি হাতেৰে চালি কৰা বিৰক্তিদায়ক কাম সহজ কৰি তুলিব পৰা যাব। তেওঁৰ দেউতাকে এইক্ষেত্ৰত গৌৰৱেৰে কয়— তেওঁৰ শিশু কবিজন এজন শিশু বিজ্ঞানী হোৱাৰ পথত আৰু তেওঁৰ পুত্ৰই আৰু বহুত ডাঙৰ কাম কৰিব পাৰিব বুলি বিশ্বাস আছে। ❐

---

**(৪৪ পৃষ্ঠাৰ পৰা)**

**মাশ্বৰুম** ঃ কৃষি পামখনত উৎপাদিত ধান খেৰ, নৰা আদি ব্যৱহাৰ কৰি কম খৰচতে মাশ্বৰুম উৎপাদন কৰি নিজৰ চাহিদা পূৰণ কৰাৰ লগতে উৎপাদিত মাশ্বৰুম বজাৰত বিক্ৰী কৰি পামৰ সামূহিক আয় বৃদ্ধি কৰিব পাৰি।

**কৃষি বনানীকৰণ** ঃ পামখনত অনুৰ্বৰ বা আন শস্যৰ বাবে কামত নহা একাষৰীয়া অংশটো কৃষি বনানীকৰণৰ বাবে নিৰ্বাচন কৰিব লাগে। এই ক্ষেত্ৰত মন কৰা উচিত যাতে গছবোৰে পথাৰৰ আন অংশত অবাঞ্চিত ছাঁৰ সৃষ্টি নকৰে। ঘাঁহ আৰু বৃক্ষৰ মিশ্ৰিত কৃষি ব্যৱস্থাই মাটি আৰু জল সংৰক্ষণ কৰাৰ উপৰিও বতাহৰ গতিৰোধক হিচাপে কাম কৰি পামখনত থকা ঘৰ-দুৱাৰ বা অন্যান্য শস্যক বতাহৰ পৰা ৰক্ষা কৰে। আনহাতে, উৎপাদিত ঘাঁহ বা গছৰ পাত, ঠেঙুলি আদি পশুখাদ্য হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। উৎপাদিত কাঠ ঘৰ সজা, ইন্ধন আদিৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। ❐

---

**(৫৩ পৃষ্ঠাৰ পৰা)**

ওলমাই থওঁ'' — ধনীৰাম এক্কা নামৰ আদিবাসীজনে প্ৰত্যয়জনক সন্তুষ্টিৰে এনেদৰে কয়।

তেওঁ আৰু কয়— ''পূৰ্বে আমি ৰেচনৰ দোকানৰ পৰা উপযুক্ত পৰিমাণৰ কেৰাচিন তেল কেতিয়াও পোৱা নাছিলো, মাহত মাত্ৰ এক লিটাৰ তেলহে পাইছিলো। সেইবোৰ বৰ কষ্টৰ দিন আছিল।''

''চৰকাৰী প্ৰকল্পসমূহৰ দ্বাৰা প্ৰদান কৰা সেৱা সন্তোষজনক নহয়— কাৰণ মেৰামতিৰ অভাৱত এইবোৰ বিকল হৈ থাকে। জনস্বাস্থ্য সহযোগে মুম্বাইভিত্তিক এটা কোম্পানীৰ পৰা এই প্ৰকল্পবোৰ ক্ৰয় কৰিছে। এইবোৰৰ এবছৰৰ বাবে গেৰাণ্টি আছে। এই সময়ছোৱাৰ ভিতৰত ত্ৰুটীপূৰ্ণ বুলি প্ৰমাণিত হ'লে হয় সেইটো সলনি কৰা হয়, কিম্বা মেৰামতি কৰি দিয়া হয়। ভৱিষ্যতে স্থানীয়ভাৱে এইবোৰ মেৰামতি কৰিবৰ বাবে এজন কাৰিকৰক প্ৰশিক্ষণ দিওঁৱাৰ বিষয়ে আমি আগ্ৰহী''— সন্তৰামে এইদৰে কয়।

বাস্তৱিকতে এই নতুন পৰিৱেশ বন্ধুসুলভ প্ৰযুক্তি বিজ্ঞানৰ দ্বাৰা গাঁওবাসীয়ে আৰাম অনুভৱ কৰাৰ লগতে এই গ্ৰহ আৰু তেওঁলোকৰ সন্মুখত আছে এক উজ্বল ভৱিষ্যৎ। ❐

---

## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

□ □ গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। □ গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। □ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। □ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। □ মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে কে বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। □ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।